এলিনৰ ৰুজভেল্ট

এলফ্ৰেড ষ্টেইনবাৰ্গ

অনুবাদিকা

শ্ৰীসত্যব্ৰতী গোস্বামী, এম-এ

॥ বাণী প্ৰকাশ মন্দিৰ ॥

পাঠশালা • গুৱাহাটী • কলিকতা

প্ৰকাশক ঃ

শ্ৰীঅম্বিকাপদ চৌধুৰী

বাণী প্ৰকাশ মন্দিৰ

পাঠশালা

কামৰূপ

শাখা ঃ

পাণবজাৰ

গুৱাহাটী

ছপা ঃ

শ্ৰীপ্ৰফুল্ল কুমাৰ বসু,

নিউ প্ৰিণ্টার্চ

২০৯ চি, বিধান সৰণী

কলিকতা-৬

বন্ধা ঃ

ৰক্ষিত এণ্ড কোং

কলিকতা-১২

প্ৰথম প্ৰকাশ ঃ

১৯৬৫

বেচ ঃ

তিনি টকা

নিবেদন

এলিনৰ ৰুজভেল্টৰ নাম হয়তো বহুতেই শুনিছে বা কোনোবাই নুশুনিবও পাৰে কিন্তু ৰাষ্ট্ৰপতি ৰুজভেল্টৰ নাম পৃথিৱীৰ বুৰঞ্জীত যেনেকৈ চিৰস্মৰণীয় হৈ থাকিব, এলিনৰ ৰুজভেল্টৰ নামো বাদ পৰি যাব নোৱাৰে। বিশেষ মন কৰিব লগীয়া এইটোৱেই যে এলিনৰ ৰুজভেল্টৰ নাম ৰাষ্ট্ৰপতি ৰুজভেল্টৰ পত্নী হিচাপেই বিখ্যাত নহয়—তেওঁৰ নিজৰ কাৰ্যদক্ষতা আৰু বিৰাট ব্যক্তিত্বক কোনোৱে অস্বীকাৰ কৰিবৰ উপায় নাই। সম্মিলিত জাতিসঙ্ঘৰ নিচিনা এটা বিশেষ অনুষ্ঠানত, য'ত পৃথিৱীৰ দেশসমূহে বাছি বাছি লেখত লব লগীয়া ব্যক্তিত্ব সম্পন্ন লোকসকলক প্ৰতিনিধি কৰি পঠিয়ায়, তেনে ঠাইতো আমেৰিকাৰ নিচিনা এখন শক্তিশালী মহাদেশৰ প্ৰতিনিধিত্ব কৰিছিল এলিনৰ ৰুজভেল্টে,—এৱেঁই সম্মিলিত জাতিসঙ্ঘৰ প্ৰথম মহিলা প্ৰতিনিধি। এই দায়িত্বও তেওঁৰ হাতলৈ আহিছিল ৰাষ্ট্ৰপতি ৰুজভেল্টৰ মৃত্যুৰ পিছত —ইয়েই চিনাকী দিয়ে তেওঁৰ বিৰাট প্ৰতিভা আৰু আমেৰিকাৰ জনসাধাৰণৰ ওপৰত থকা বিশেষ প্ৰভাৱৰ কথা।

এলিনৰ ৰুজভেল্টৰ সৰু কালডোখৰলৈ মন কৰিলে দেখা যায়, সকতে তেওঁ তেনেই সাধাৰণ খাপৰ ছোৱালী আছিল—দেখিবলৈকো বেয়া। কম বয়সতে পিতৃ-মাতৃক হেৰুৱাই সংসাৰৰ নানান দুখ-কষ্টৰ বোজা মূৰপাতি লব লগীয়াত পৰিছিল। পঢ়াশুনা বা আন কোনো বিষয়তো বিশেষ আগবাঢ়িব পৰা নাছিল। বিয়াৰ পিছতো আনকি ঘৰ-সংসাৰ চলাবৰ কাৰণেও বিশেষ উপযুক্ততা তেওঁৰ নাছিল। কিন্তু শিকিবৰ বাবে, নিজক উন্নত কৰিবৰ বাবে তেওঁৰ অন্তৰত আছিল এটা অদম্য স্পৃহা। সেয়ে তেওঁৰ জীৱনীয়ে সাধাৰণ ধৰণৰ ছোৱালীৰ জীৱনতো [illegible]াশাৰ বেঙুনি দেখুৱাব পাৰিব।

আৰু এটা বিশেষ লক্ষ্য কৰিব [illegible]ীয়া কথা আছে। সৰ্বসাধাৰণ মানুহৰ ধাৰণা ধনীৰ ঘৰৰ ছোৱালী [illegible]বা হলেই সি বেয়া, অহংকাৰী, অকৰ্মণ্য আৰু কাৰো লগতে মিলিব নো[illegible]া হব কিন্তু এলিনৰ [illegible]ভেল্টৰ জীৱনীয়ে

প্ৰমাণ কৰি দেখুৱালে যে মানুহ ধনীৰ ঘৰত জন্ম লোৱাটো পাপ নহয়—ই এটা ভগৱানৰ ইচ্ছা ; ধনীৰ ঘৰত জন্ম ললেই মানুহ বেয়া হব নোৱাৰে। আমেৰিকাৰ সৰ্বশ্ৰেষ্ঠ ধনী আৰু প্ৰতিপত্তিশীল দুটা পৰিয়ালৰ জীয়াৰী বোৱাৰী হৈও, প্ৰথমে কাম কৰিবলৈ ওলাওঁতে এলিনৰে এটা শ্ৰমিক সংগঠনতহে যোগ দিছিল। তেওঁ নিজৰ কৰ্মশক্তি আৰু দূৰদৰ্শিতাৰদ্বাৰা পঙ্গু হৈ বিচনাত পৰি থকা স্বামী ফ্ৰেঙ্কলিন ৰুজভেল্টকো পুনৰ সক্ৰীয় ৰাজনীতিলৈ ওভোতাই আনিলে। তিনিবাৰকৈ ৰুজভেল্ট আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল। আমেৰিকাৰ দৰে এখন শিক্ষিত, সচেতন নাগৰিকৰ দেশত ৰুজভেল্টৰ এই তিনিওটা নিৰ্বাচন তেওঁৰ বিশাল জনপ্ৰিয়তাৰ অভূতপূৰ্ব নিদৰ্শন।

ইয়াতেই আৰু এজন মানুহৰ নাম উল্লেখযোগ্য। বুৰঞ্জীয়ে তেওঁৰ হিচাব ৰাখে নে নাৰাখে নাজানো কিন্তু তেওঁক বাদ দিলে ৰাষ্ট্ৰপতি ৰুজভেল্ট আৰু এলিনৰৰ জীৱনী অসম্পূৰ্ণ হৈ ৰব। তেৱেঁই আছিল "লুই হাউ" —ক্ষীণ শৰীৰৰ, মুখত বসন্তৰ দাগ থকা মানুহজনক দেখিলে কোনেও বিৰাট শক্তিৰ গমকে ধৰিব নোৱাৰে। কিন্তু এই মানুহজনেই আছিল ফ্ৰেঙ্কলিন আৰু এলিনৰৰ পথ প্ৰদৰ্শক—নিজে আঁৰত থাকি সকলো বুদ্ধি-ভৰষা দি বাট দেখুৱাই ফ্ৰেঙ্কলিন আৰু এলিনৰক আমেৰিকাৰ জাতীয় জীৱনত মূৰ তুলি উঠিবলৈ শক্তি যোগাইছিল। এসময়ত খবৰ-কাগজ এখনো পঢ়িব নজনা এলিনৰক অতি কম সময়ৰ ভিতৰতে একেলগে আঠ দহখন কাগজ খৰচি মাৰি পঢ়িব পৰাৰ উপায়টোও শিকাই দিছিল এই লুই হাউএ। প্ৰথম অৱস্থাত এলিনৰ আৰু ফ্ৰেঙ্কলিনৰ বক্তৃতাবোৰো তেৱেঁই লিখি-মেলি ঠিকঠাক কৰি দিছিল। দেখিবলৈ বেয়া আৰু ক্ষীণ শৰীৰৰ আছিল যদিও এই মানুহজনৰ অন্তৰত নিহিত হৈ থকা বিৰাট শক্তিৰ কথা ফ্ৰেঙ্কলিন ৰুজভেল্টে অনুমান কৰিব পাৰিছিল। লুইৰ মৃত্যুৰ দিনলৈকে ফ্ৰেঙ্কলিনে তেওঁক চেক্ৰেটাৰী হিচাপে নিজৰ ওচৰত ৰাখিছিল। ৰাষ্ট্ৰপতি হৈ থাকোঁতেও ফ্ৰেঙ্কলিনে সকলো বিষয়তে লুইৰ পৰামৰ্শ লৈছিল। ফ্ৰেঙ্কলিন ৰুজভেল্ট পৃথিৱী বিখ্যাত হোৱাৰ গুৰিতে এপিনে আছিল লুই হাউ, আইনপিনে আছিল সহধৰ্মিণী এলিনৰ। এলিনৰ ৰুজভেল্টৰ জীৱনীয়ে ৰাইজৰপৰা অকণমান আদৰ পালেও মোৰ চেষ্টা সাৰ্থক হব।

"এলিনৰ কঞ্জভেন্ট" মোৰ প্ৰথম প্ৰচেষ্টা। মা-নানাৰ (দেউতা) উৎসাহ, যত্ন আৰু অনবৰত কৈ থকাৰ কাৰণেই হয়তো নকৰো নকৰো কৰা মোৰ এলেহুৱা মনটোৱে শেষত কৰিবলৈ বাধ্য হ'ল। স্বামীৰ সহযোগো অৱশ্যে যথেষ্ট পাইছো।

সত্যৱতী গোস্বামী

ৰৰদেউতাকৰ ৰাজহাঁহজনী

এক৷ বেকা দীঘল বাটটোৱে ঘোঁৰা গাড়ীখন আগবাঢ়ি গ'ল। অষ্টাৰ উপসাগৰৰ চাগামূৰ পাহাৰৰ ডাঙৰ ঘৰটোৰ আগত গাড়ীখন ৰ'লহি। ঘোঁৰাৰ খুড়াৰ শব্দ শুনি কুকুৰবোৰে ভুকিবলৈ ধৰাত চহিদজনে চিঞৰি কৈ উঠিল—"হেই হেই।" ওচৰতে খেল-ধেমালি কৰি থকা ল'ৰাছোৱালীবোৰেও খেলা বন্ধ কৰি গাড়ীখনলৈ চকু দিলে।

গাড়ীখনৰ পাছত বহি আছিল দহবছৰীয়া ছোৱালী এলিনৰ ৰুজভেল্ট। এই আনন্দৰ পৰিবেশটো দেখি তাই মুগ্ধ হৈ পৰিছিল। সেই অনাবিল আনন্দৰ সোৱাদ লবলৈ পিতৃমাতৃহীন এই দুখিনী ছোৱালীটিৰ নীলা চকুযুৰি আগ্ৰহান্বিত হৈ পৰিছিল। দুটা দিন ৰৰদেউতাক টেড্ আৰু তেওঁৰ ল'ৰাছোৱালীবিলাকৰ লগত আনন্দেৰে কটাব পাৰিব, তাতকৈনো আৰু কি সৌভাগ্যৰ কথা হব পাৰে? স্ফূৰ্তিতে তাই দীঘল দীঘলকৈ উশাহ লবলৈ ধৰিলে।

গাড়ীখন আহি ঘৰৰ বাৰাণ্ডাত বোৱাৰ লগেলগেই ৰৰদেউতাক টেড্ লৰি আহি এলিনৰক সাৱট মাৰি ধৰিলেহি। "এলিনৰ, মোৰ সোণজনী" বুলি তাইক ইমান জোৰে সাৱটি ধৰিলে যে এলিনৰৰ ফ্ৰকৰ ভাঁজবোৰ তেনেই নষ্ট হ'ল। আনন্দতে ৰৰদেউতাকে চিঞৰি উঠিল,—"এলিনৰ! তই ইয়ালৈ অহাত মই কিমান যে সুখ পাইছোঁ।"

এইজনেই হ'ল তাইৰ ৰৰদেউতাক, দেউতাকৰ ডাঙৰ ককায়েক আৰু সৰুকালৰ খেলাৰ লগৰী। এইজন ৰৰদউতাকেই তিনি বছৰৰ পিছত, ১৮৯৮ চনত স্পেইনৰ লগত হোৱা আমেৰিকাৰ যুদ্ধত আমেৰিকান সৈন্যৰ নেতৃত্ব কৰিছিল আৰু তাৰ ঠিক তিনি বছৰৰ মূৰত তেওঁ যুক্তৰাষ্ট্ৰৰ সভাপতি নিৰ্বাচিত হৈছিল।

…"এলিনৰ। তই ইয়ালৈ অহাত মই কিমান যে সুখ পাইছোঁ।"

ওঃ, লাজকুৰীয়া স্বভাৱৰ এলিনৰে এই দুটা দিন জীৱনত কেতিয়াও পাহৰিব নোৱাৰিব। এই দুদিন তাই নিজৰ নিসঙ্গতা, মৃত পিতৃ-মাতৃ আৰু অকণমানি ভাইটি 'এলি'ৰ কথা ভাবিবলৈ সময়কে পোৱা নাছিল।

ৰবদেউতাক টেডে দিনটোৰ বাবে খেল-ধেমালিৰ আয়োজন

কৰিলে। ল'ৰাছোৱালীজাকক লৈ প্ৰথমেই গ'ল গাঁতুৰিবলৈ। পাৰত থিয় হৈ থকা কেইজনক ধেমালিতে তেওঁ ঠেলা মাৰি পানীত পেলাই দিলে। এলিনৰৰ পিনে আগবাঢ়ি যোৱা দেখা পাই তায়ো পানীত জাপ মাৰি পৰিল। তাৰ পিছত আকৌ নতুন খেল আৰম্ভ হ'ল। সকলোৱে শাৰী পাতি থিয় হ'ল এজনৰ পাছত এজনকৈ—টেড্ বৰদেউতাক থাকিল সকলোৰে আগত, তেওঁ সকলোকে আকৌ পানীত খেলিবলৈ লৈ গ'ল। থিয়গড়াটো সিহঁতে প্ৰায় বাগৰিয়ে গ'ল। অলপ পিছতে আৰম্ভ হ'ল লৰা-ঢপৰা। টেড্ বৰদেউতাকে ল'ৰাছোৱালীৰ জাকটোক খেদি লৈ ফুৰিবলৈ ধৰিলে।

গধূলিৰ খোৱাৰ সময়ৰ আগে আগে বৰদেউতাকে সকলোকে সাগৰৰ পাৰলৈ লৈ গ'ল। তাতে সকলোৱে লগ লাগি বন্ধা-বঢ়া কৰিলে—এলিনৰো বন্ধা-বঢা কামত লাগি গ'ল। খোৱা-বোৱা শেষ হ'লত টেড্ বৰদেউতাকে জেপৰপৰা কিতাপ এখন উলিয়াই ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ ললে। তেওঁ নিজে এজন লেখক, পঢ়িছিলও বৰ শুৱলাকৈ—নিস্তব্ধভাৱে ল'ৰাছোৱালী কেইটাই ৰ' লাগি শুনিছিল। তেনে সময়তে বৰষুণ কণিয়াবলৈ ধৰিলে, আটাইবোৰ লৰি গৈ ঘৰৰ ওপৰ মহলাৰ কোঠালিটোত আশ্ৰয় ল'লেগৈ। সেই কোঠাটোৰ বেৰবোৰত টেড্ বৰদেউতাকে চিকাৰত মৰা ম'হ, হৰিণা আদিৰ মূৰ কিছুমান ওলোমাই থোৱা আছিল। ল'ৰাছোৱালীজাক শান্ত হৈ বহিলত টেড্ বৰদেউতাকে কেৰাচিন তেলৰ লেম জ্বলাই গল্প আৰম্ভ কৰিলে—নানান ধৰণৰ দুঃসাহসিকতাৰ কাহিনী আৰু ধেমেলীয়া সাধু।

এলিনৰৰ এই দুটা দিন অতি সোনকালেই শেষ হৈ গ'ল। আইতাকৰ ঘৰলৈ উভতি যাবৰ কাৰণে বৰদেউতাকে তাইক গাড়ীত তুলি দিলেহি। এলিনৰৰ চকুত জিলিকি উঠিল আনন্দ আৰু বিষাদৰ চকুলো, বৰদেউতাকৰ মুখতো বেজাৰৰ ছাঁ। তাৰ পিছত তেওঁ হাঁহি মাৰি কলে,—"নিউয়ৰ্ক চহৰৰ পুলিচ কমিছনাৰ এজন এনেকৈ

থকাটো ঠিক হোৱা নাই।” এলিনৰৰ গালত চুমা খাই সুধিলে—
“এই দুদিন আমি খুব স্ফূৰ্তিত কটালোঁ, নহয় নে বাৰু এলিনৰ ?”

“অঁ, খুব স্ফূৰ্তি কৰিলোঁ”—এলিনৰে ডাঙৰকৈ কলে। গাড়ীখন চলিবলৈ ধৰিলে—চকুৰে দেখা পোৱালৈকে এলিনৰে ৰবদেউতাক, ৰৰমাক আৰু ল'ৰাছোৱালীকেইটাক হাত জোকাৰি বিদায় সম্ভাষণ জনালে।

এলিনৰ গ'লগৈ। এই অকলশৰীয়া ছোৱালীজনীৰ কথা ভাবি ৰৰমাকৰ মনটো বৰ বেয়া লাগিছিল। তেওঁ লণ্ডনত থকা এলিনৰৰ পেহীয়েকলৈ চিঠি এখনত লিখিলে—“বেচেৰি অকণমানি ছোৱালী-জনী, দেখাত নিচেই সাধাৰণ খাপৰ। মুখখন আৰু দাঁতবোৰো তেনেই বেয়া। কিন্তু কোনে জানে এই কুৎসিৎ হাঁহপোৱালীটোৱেই হয়তো কেতিয়াবা ধুনীয়া ৰাজহাঁহত পৰিণত হ'বগৈ।” একো নভৰা নিচিন্তাকৈয়ে ৰৰমাকৰ কলমৰ আগেদি ওলাই পৰিছিল এক ভবিষ্যৎ-বাণী।

বুঢ়ীমাকৰ সৈতে অকণমানি নেল

১৮৮৪ চনত অক্টোবৰ মাহত
নিউয়ৰ্ক চহৰত এলিনৰ ৰুজভেল্টৰ
জন্ম হয়। জন্ম পৰিচয় হিচাবে তেওঁ নিউয়ৰ্ক চহৰৰ দুটা বিখ্যাত পৰিয়ালৰ বংশধৰ বুলিয়েই নিজক চিনাকি দিব পাৰে। মাকৰ ফালৰপৰা তেওঁ চেন্সেলাৰ লিভিংষ্টোনৰ নিচেই ওচৰ সম্বন্ধীয়া উত্তৰাধিকাৰী। এইজন পূৰ্বপুৰুষেই ১৭৮৯ চনত জৰ্জ ৱাছিংটন সভাপতি হবৰ সময়ত শপত গ্ৰহণ কৰিছিল। তেওঁৰ দেউতাকৰ আদি পুৰুষজন আছিল হলেণ্ডৰ এজন খেতিয়ক শ্ৰেণীৰ মানুহ।

তেওঁ আছিল ক্লেজ্ মাৰ্টেজেন্। ১৬৪০ চনত প্ৰথমে তেওঁ আমষ্টাৰ্ডাম চহৰলৈ আহে। এওঁৰে পুতেক নিকলাছেই পোন প্ৰথমে পৰিয়ালৰ নামত ৰুজভেল্ট উপাধি লয়। লাহে লাহে অৰ্থ সম্পত্তি আৰু প্ৰতিষ্ঠা লাভ কৰি এই ৰুজভেল্ট পৰিয়ালৰ নাম চাৰিওপিনে প্ৰচাৰ হবলৈ ধৰিলে। এলিনৰৰ পৰিয়ালত পূৰ্বপুৰুষ সকলৰ বহুতো দুঃসাহসিকতাৰ কাহিনীও শুনিবলৈ পোৱা যায়।

এলিনৰৰ দেউতাক আছিল এলিয়ট ৰুজভেল্ট। ককায়েক থিওদোৰ ৰুজভেল্টতকৈ তেওঁ দুবছৰ সৰু আছিল। তেওঁ দেখাত ধুনীয়া আৰু বলিষ্ঠ গঠনৰ মানুহ আছিল। চিকাৰ কৰি তেওঁ খুব ভাল পাইছিল। আফ্ৰিকা আৰু ভাৰতবৰ্ষৰ নানান্ ঠাইত চিকাৰ কৰি ফুৰিছিল। মিছিছিপি নৈৰ পাৰে পাৰে তেওঁ ককায়েক টেডৰ লৈতে চিকাৰ কৰি আনন্দ পাইছিল। দুয়োজনেই আছিল খুব নামকৰা চিকাৰী। এলিয়ট ৰুজভেল্ট আছিল একোছা ডাঠ গোফেৰে ওখপাখ, বলিষ্ঠ চেহেৰাৰ পুৰুষ কিন্তু চকু দুটাত আছিল এক অপৰিসীম দয়া আৰু কৰুণাৰ প্ৰতিচ্ছবি।

এলিনৰৰ মাক আছিল এন্না। নিউয়ৰ্ক চহৰৰ হাডছন নদীৰ কাষত টিভলি নামৰ ঠাইৰ ভেলেণ্টাইন আৰু মেৰী লিভিংষ্টোন হলৰ ছোৱালী এন্না। নিউয়ৰ্কৰ সকলোতকৈ ধুনীয়া ছোৱালী হিচাবে তেওঁৰ খ্যাতি চাৰিওপিনে বাষ্ট্ৰ হৈ পৰিছিল। এন্নাৰ অভিনেত্ৰী হবৰ কাৰণে সৰুবেপৰা বৰ আগ্ৰহ আছিল ; কিন্তু তেওঁৰ পৰিয়ালৰ মৰ্যাদা আৰু ধৰ্মৰ বাবেহে এই কামৰপৰা তেওঁক আঁতৰাই ৰাখিলে। তেওঁ গৰ্বিতা স্বভাৱৰ তিৰোতা আছিল যদিও আত্মবিশ্বাসো যথেষ্ট আছিল। দেউতাকৰ সোনকালে মৃত্যু হোৱাৰ কাৰণে অতি কম বয়সতেই তেওঁ গোটেই পৰিয়ালৰ দায়িত্ব লব লগীয়া হৈছিল।

যথেষ্ট টকা পইছাৰ অধিকাৰিণী হৈ যিহকে ইচ্ছা তাকেই কৰিবও পাৰে, দেখাতো তেওঁ অতি ধুনীয়া, খ্যাতিও কম নাছিল, কিন্তু তথাপিও এন্না ৰুজভেল্ট সুখী নাছিল। তেওঁ ডাঙৰ জীয়েক

এলিনৰক মাকৰ বংশ হল আৰু লিভিংষ্টোন পৰিয়ালৰ দৰে ডাঙৰ কৰিব খুজিছিল। কিন্তু সৰুৰেপৰা দেখা পাইছিল এলিনৰ দেউতাকৰ ফালৰ রুজভেল্ট পৰিয়ালৰ মানুহৰ প্ৰতিহে বেছিকৈ আকৃষ্ট হৈ পৰিছিল। দেখিবলৈকো এলিনৰ ঠিক তাইৰ ৰবদেউতাক টেডৰ নিচিনাই। চকুৰ চেলাউৰী, বহল মুখখন, দাঁতবোৰ তেনেই ৰবদেউতাকৰ দৰে। এলিনৰে এটা দুটাকৈ খোজ কাঢ়িব পৰা হ'ল, কিন্তু কেতিয়াও নাহাঁহে। মাকে তাইৰ গম্ভীৰ স্বভাব দেখি আচৰিত হৈছিল, ঠাট্টা কৰি অকণমানি এলিনৰক মাতিছিল "বুঢ়ী আইতা" বুলি।

এবাৰ মাক-দেউতাকৰ লগত দুবছৰ বয়সতে এলিনৰ দেউতাকৰ পৰিয়ালৰ এঘৰ সম্বন্ধীয় মানুহৰ ঘৰত হাইড্ পাৰ্কত আছিলগৈ। সেই ঘৰৰ চাৰিবছৰীয়া উত্তৰাধিকাৰী আছিল ফ্ৰেঙ্কলিন ডিলানো রুজভেল্ট। এলিনৰৰ দেউতাকেই আছিল ফ্ৰেঙ্কলিনৰ ধৰ্ম-পিতা। ফ্ৰেঙ্কলিনে এলিনৰক পিঠিত তুলি লৈ নানান্ ধৰণৰ খেল-ধেমালি কৰিছিল। এলিনৰ দুৱাৰমুখত থিয় হৈ খেল চাই আছিল এনেতে মাকে আহি অকণমানি এলিনৰক কলেহি—"ভিতৰলৈ সোমাই আহা, বুঢ়ী আইতা।" ওচৰতে থিয় হৈ খেল চাই আছিল সেই ঘৰৰ অধিপতি জেমচ্ আৰু মাৰা রুজভেল্ট। তেওঁলোকৰ পিনে চাই এলিনৰৰ মাকে কলে—"ছোৱালীজনী বৰ হাঁহি উঠা ধৰণৰ, তেনেই পুৰণি স্বভাৱৰ কাৰণেই আমি তাইক বুঢ়ী আইতা বুলি মাতো।" অকণমানি এলিনৰৰ বয়স খুব কম আছিল যদিও কথাষাৰ শুনি মনত বৰ দুঃখ পাইছিল।

মাকৰ জীয়েকৰ প্ৰতি থকা মনোভাব সলনি কৰিবলৈ এলিনৰে কোনো উপায় বিচাৰি পোৱা নাছিল। চেহেৰাটো দেখাত বেয়া আছিল কাৰণেই সকলো কথাতে এলিনৰৰ দোষ ওলাইছিল। তাই নিজেই স্বীকাৰ কৰিছিল—"মই মাক সদায় অপদস্থ কৰিছিলোঁ।"

মাকৰ লগত থাকোঁতে এলিনৰে সদায় অশান্তি যেন পাইছিল,

কিন্তু দেউতাকৰ ওচৰত তাইৰ আনন্দৰ সীমা নাছিল। বাতিপুৱা প্ৰতি দিনেই তাই দেউতাকৰ কাপোৰকানি পিন্ধা কোঠাটোলৈ দৌৰ মাৰিছিল আৰু দেউতাকেও কোলাত তুলি লৈ মৰমতে তাইক ওপৰলৈ দাঙি ধৰিছিল। কেতিয়াবা কোনোবা আলহী আহিলে দেউতাকে এলিনৰক নাচিবলৈও কয়। অকণমানি এলিনৰে গোটেই কোঠাটোত ঘূৰি ঘূৰি নাচি শেষত দেউতাকৰ কোলাত জাপ মাৰি উঠেগৈ। "অকণমানি নেলজনীক" চুমা এটা খাই দেউতাকে শান্ত কৰে। এলিনৰক মৰমতে দেউতাকে "অকণমানি নেল" বুলি মাতিছিল।

এলিনৰৰ মাকে সদায় আপত্তি কৰিছিল, নতুন ভাল পোছাক এটা পিন্ধিবলৈ দিলেই এলিনৰে এক মিনিটৰ ভিতৰতে লেতেৰা কৰি পেলায়, কিন্তু অইনপিনে দেউতাকে কাপোৰ-কানিৰ যত্নৰ কথা নাভাবি বাহিৰৰ খেল-ধেমালিৰ ওপৰতহে বেছিকৈ জোৰ দিছিল। দেউতাকে এলিনৰক ল'ৰা এটাৰ দৰেই ডাঙৰ কৰিব খুজিছিল। এবাৰ তেওঁ গৰ্ব কৰি ভনীয়েকলৈ চিঠি এখনত লিখিছিল, "অকণমানি এলিনৰে অনবৰতে কুকুৰ পোৱালী, মেকুৰী পোৱালী, কুকুৰা পোৱালীবোৰক লৈ খেলি ফুৰে! এইবোৰৰ লগত লাগি ফুৰোঁতে সাধাৰণতে তাই বৰ লেতেৰা হৈ থাকে।"

মাকে সদায় এলিনৰৰ বুদ্ধি কম বুলি কৈছিল, কিন্তু দেউতাকৰ মতে তাই বয়সতকৈ বহুত বেছি বুদ্ধিমতী আছিল। দেউতাকে প্ৰায়ে ভাল ভাল কিতাপ পঢ়ি শুনাইছিল। চাৰি বছৰ বয়সত তাই যদিও পঢ়িব পৰা নাছিল, শুনি শুনিয়েই কিতাপৰ বহুত কথা মনত তাইৰ ৰৈ গৈছিল। কেতিয়াবা এলিনৰে মুখস্থ গাই শুনাইছিল। তাইৰ বুদ্ধি দেখি দেউতাকৰ চকুত এটা গৰ্বৰ ভাব ফুটি উঠিছিল।

এলিনৰৰ কাষত তাইৰ দেউতাক আছিল এজন আদৰ্শ বীৰ পুৰুষ, তাইৰ সকলো স্ফূৰ্তিৰ লগৰীয়া। চাৰিওপিনে বিপদে আগুৰি ধৰিলেও দেউতাকেই ৰক্ষা কৰিব পাৰিব বুলি তাইৰ এটা বিশ্বাস

আছিল। দেউতাকে প্ৰায়ে তাইক ঘোঁৰাত উঠাবৰ কাৰণে লৈ গৈছিল। এদিন ঘোঁৰাগাড়ীৰে ফুৰোঁতে বাটত দেউতাকে কৈছিল —"মই যদি এতিয়া 'হুপলা' বুলি কৈ দিও ঘোঁৰাটোৱে এতিয়াই জঁপিয়াই উঠিব, বাটত থকা অইন ঘোঁৰাগাড়ীবোৰৰ ওপৰেদি জঁপিয়াই পাৰ হৈ যাবগৈ।" অকণমানি এলিনৰে ভয় খাই কৈ উঠিছিল, "তুমি তেনেকৈ নকৰা দেই পাপা।" দেউতাকেও চকু পিৰিকিয়াই হাঁহি মাৰি তাইৰ কথাত মান্তি হৈছিল।

চাৰিবছৰ বয়সত মাক-দেউতাকৰ সৈতে এলিনৰ ইউৰোপলৈ গৈছিল। নিউয়ৰ্কৰ বন্দৰ এৰি জাহাজখন অলপমান দূৰ যোৱাৰ পিছতেই ডাঠ কুঁৱলীয়ে সাগৰৰ চাৰিওপিনে আন্ধাৰ কৰি পেলালে। জাহাজৰ নাবিকজনে বাৰে বাৰে বিপদ সঙ্কেত জনোৱা স্বত্তেও অইন এখন জাহাজে গম নোপোৱাকৈ আহি খুন্দা মাৰি দিলেহি। চাৰিওপিনে গণ্ডগোল লাগি পৰিল। যাত্ৰীসকলৰ মাজত ঠেলাহেচাত পৰি এলিনৰ মাক-দেউতাকৰ ওচৰৰপৰা আঁতৰি পৰিল। ভয় খাই তাই লোহাৰ বেৰখনৰ ওচৰত হেচা খাই থাকিল। এনেতে তললৈ চাই দেখা পালে দেউতাকে এখন সৰু নাৱঁৰ ওপৰত থিয় হৈ ওপৰলৈ হাত দুটা মেলি দি কৈছে—"জাপ মাৰি দিয়া।" প্ৰথমতে তাই ভয় খাই উঠিলে কিন্তু পিছ মুহূৰ্ততে তললৈ জাপ মাৰি দিলে। দেউতাকে তাইক ধৰি সান্ত্বনা দি কৈছিল—"ঠিক আছে। অকণমানি নেল, এতিয়া আমাৰ সকলো ঠিক হৈ পৰিব।"

এইদৰেই এলিনৰৰ কৈঁচুৱা কালছোৱা পাৰ হ'ল। মাকৰ ওচৰত তাই আছিল "বুঢ়ী আইতা"—দেউতাকৰ কাষত আছিল "অকণমানি নেল।" সুখী আৰু অসুখী দুয়োটা অৱস্থাৰ মাজেদিয়েই তাইৰ দিনবোৰ কাটিছিল। মনে মনে সপোন দেখিছিল ডাঙৰ হ'লে তাই এনেকুৱা কিবা এটা কৰিব আৰু তাৰদ্বাৰা মাকৰ মৰম বুৰাই আনিব পাৰিব। সেইদিনাখনৰে তাইৰ জীৱনটো সম্পূৰ্ণভাৱে আনন্দমুখৰ

হৈ পৰিব। এই অশান্তিজনক অৱস্থাটো লাহে লাহে পাৰ হৈ গৈছিল।…

এটা মাত্ৰ ঘটনাই তাইৰ জীৱনৰ সোঁত অনতিপলমে বদলি কৰি পেলালে। এলিনৰৰ দেউতাক আছিল এজন সুদক্ষ ঘোঁৰাচালক। চাৰ্কাছত যেতিয়া তেওঁ শক্তিশালী, নতুন ঘোঁৰা এটাক শাসন কৰে, সকলো মানুহে অবাক হৈ চাই থাকে—তাইৰ মাক এন্নাৰ মুখতো এটা গৰ্বৰ ভাব জিলিকি উঠে। ঘোঁৰাত উঠিয়েই দেউতাকে সদায় অইন ঠাইলৈ অহাযোৱা কৰে। সেইদিনাখনো তেওঁ ঘোঁৰাত উঠি ঘৰৰপৰা ওলাই গৈছিল। এলিনৰে দেউতাক যোৱাৰ পিনে চাই ৰৈ আছিল। কেইঘণ্টামানৰ মূৰতেই দেউতাক উভটি আহিল। কেইবাজনো মানুহে কঢ়িয়াই তেওঁক শোৱা কোঠাটোলৈ লৈ গ'ল। দেউতাকৰ মুখত মাত নাই, তেওঁ কেঁকাই আছিল! ঘোঁৰাৰপৰা বাগৰি পৰি তেওঁৰ ভৰি এখন ভাঙিছিল। এলিনৰে দেউতাকৰ অৱস্থা দেখি কেইবা ঘণ্টাও উচুপি উচুপি কান্দিলে।

সেই দুৰ্ঘটনাৰপৰাই দেউতাকে সম্পূৰ্ণভাৱে আৰোগ্যলাভ কোনোদিনেই আৰু কৰিব নোৱাৰিলে। ভৰিখন বান্ধি দিয়াৰ পিছতো হাড়ভাল ঠিকমতে নলগাত আকৌ কাটি নতুনকৈ বান্ধি দিব লগীয়া হ'ল। ১৮৯০ চনৰ জাৰকালি এলিনৰৰ ভায়েক ইলিয়টৰ জন্ম হয়। তাৰ কিছুদিনৰ পিছতেই তেওঁলোক ইউৰোপলৈ যায়গৈ। ইউৰোপৰ জলবায়ুত দেউতাকৰ স্বাস্থ্যৰ উন্নতি দেখা গৈছিল। তেনিছত থাকোঁতে জীয়েক এলিনৰক লৈ তেওঁ নানান্ ঠাই চাবলৈ গৈছিল, গান গাইছিল, বং মনেৰে ঘূৰি ফুৰিছিল। বিচুবিয়াচৰ আগ্নেয়গিৰি চাবলৈ গৈ স্ফূৰ্তিতে তেওঁ গলিত লাভাত দুই এটা পেনী পেলাই দি ধেমালি কৰিছিল।

এলিনৰক লৈ দেউতাকৰ মনত এটা অহঙ্কাৰ আছিল—তাইহে প্ৰকৃত ৰুজভেল্ট বংশধৰ বুলিও মাজে মাজে কৈছিল। ইটালিৰ চৰেন্টো নামৰ ঠাইত এলিনৰে গাধৰ পিঠিত উঠি পাহাৰৰ ওপৰত

ফুৰিছিল। ওখোৰা মোখোৰা থিয় পাহাৰটোত এলিনৰক বাট দেখুৱাবৰ কাৰণে লগতে খোজ কাঢ়ি গৈছিল—গাধৰখীয়া ল'ৰাটো। কিন্তু উভটি আহোঁতে দেখা গ'ল গাধটোৰ পিঠিত বহি আহিছিল সেই ল'ৰাটো; লগে লগে খোজ কাঢ়ি আহিছিল অকণমানি এলিনৰ। দেউতাকক দেখা পোৱাৰ লগে লগেই এলিনৰে কৈছিল, "পাপা, ল'ৰাটো খালি ভৰিৰে থকাৰ কাৰণে ভৰিৰপৰা তেজ ওলাইছে।" জীয়েকৰ উদাৰ মনৰ পৰিচয় পাই দেউতাকৰ মুখখন উজ্জ্বল হৈ পৰিছিল—আনন্দেৰে জীয়েকক সাৱটি ধৰিছিল।

এলিনৰে দেউতাকৰ সৈতে কৰা ৰং-ধেমালিৰ সোনকালেই অৱসান ঘটিল। দেউতাকৰ অৱস্থা আকৌ বেযাৰ ফালে ঢাল খালে। জাৰ্মানীৰ এটা আৰোগ্য ভৱনত তেওঁ সোমাই পৰিল। মাকে কেঁচুৱা ভায়েক এলিক লৈ পেৰিচৰ ওচৰত এটা ঘৰ লৈ থাকিবলৈ ললে। এলিনৰক পঢ়িবৰ কাৰণে এটা কনভেন্টলৈ পঠিয়াই দিয়া হ'ল। তেতিয়া তাইৰ বয়স ছবছৰো পূৰা হোৱা নাছিল। যোৱাৰ আগতে মাকে তাইক সাৱধান কৰি কৈছিল,—"ছোৱা, তুমি দেখাত ধুনীয়া নহয়,—চাবা যাতে তোমাৰ ব্যৱহাৰ খুব ভাল হয়। তোমাৰ ভাল ব্যৱহাৰে যেন বেয়া চেহেৰাটোক ঢাকি পেলাব পাৰে।"

কন্‌ভেন্টত সোমাই তাই তেনেই অকলশৰীয়া হ'ল। অচিনাকি দেশত তাই বিবুধিত পৰিল। কন্‌ভেন্টৰ ছোৱালীবোৰেও তাইৰ লগ নলয়, কাৰণ তাই ফৰাচী ভাষাত কথা পাতিব নোৱাৰে। অকলে অকলে ফুলনি বাগিছাৰ মাজত ঘূৰি ফুৰি ভাবি থাকে দেউতাকৰ কথা—দেউতাক আকৌ সুস্থ হৈ আগৰ দৰে তাইক কোলত লৈ কেতিয়ালৈনো ঘূৰাই ফুৰিব পাৰিব ?

এবাৰ ছোৱালীবিলাকৰ ভাবটো তাইৰ পিনে আনিবৰ কাৰণে এলিনৰে এটা বুদ্ধি পাঙিলে। মিছাকৈয়ে স্কুলৰ শিক্ষয়িত্ৰী এগৰাকীক ক'লে যে তাই এটা পেনি গিলি পেলালে। এই সৰল মিছা কথাষাৰ কওঁতে এলিনৰে ভাবিছিল যে ইয়াৰপৰা কাৰো একো অনিষ্ট হব

নোৱাৰে ; কিন্তু হ'লহিতে বিপৰীত হ'ল। স্কুলৰ শিক্ষয়িত্ৰীসকলে তাইৰ মাকক মাতি আনি ক'লেহি যে তেওঁলোকে ইমান মিছলীয়া ছোৱালী এজনীক স্কুলত ৰাখিব নোৱাৰে। মাকে অপমানত বগাক'লা দেখিলে, জীয়েকক ওভোটাই লৈ গ'ল। পেৰিছলৈ উভটি যাওঁতে গোটেই বাটটো এলিনৰক গালি পাৰি গৈছিল।—তাই দেখাতেই কেৱল বেয়া নহয়, ব্যৱহাৰ আৰু সাংঘাতিক। ভৱিষ্যতে বয়স বাঢ়ি গ'লে ছোৱালীজনী কি যে হ'বগৈ ?

গাধৰ পিঠিত গাধৰখীয়া ল'ৰাটো, ষোল কাচি এলিনৰ···

কিছুদিনৰ মূৰত তেওঁলোক আটাইকেইটি নিউয়ৰ্কলৈ উভটি আহিল। দেউতাকহে মাত্র থাকি আহিল জাৰ্মানাত। ফ্রান্স এবাৰ কিছুদিনৰ আগতে এলিনৰৰ আৰু এটা ভায়েকৰ জন্ম হ'ল। ভায়েক দুটাৰ সৈতে মাকৰ সম্বন্ধ আছিল অতি গভীৰ। এলিনৰে স্বাভাৱিকতে নিজৰ আৰু মাক ভায়েকহঁতৰ মাজত এখন দুৰ্ভেদ্য প্রাচীৰ থকা যেন অনুভৱ কৰিছিল। কিন্তু তথাপিও তাই মাকৰ কোলাৰ হবৰ নিমিত্তে যথেষ্ট চেষ্টা কৰিছিল। মাকৰ মূৰ বিষালে ঘণ্টাৰ পিছত ঘণ্টালৈ মূৰ মোহাৰি তাই বিছনাৰ কাষত বহি থাকে। তাৰ পৰিবৰ্তে মাকে তাইক নিজৰ কোঠাত শুবলৈ অনুমতি দিছিল, সাৰ পোৱাৰ পিছত বাইবেলৰপৰা পঢ়ি শুনাবলৈ কৈছিল।

কেইমাহমানৰ মূৰত এলিনৰে গম পালে যে ৰবদেউতাক টেডে ইউৰোপলৈ গৈ তাইৰ দেউতাকক নিজৰ ঘৰলৈ লৈ আহিছে। শৰীৰ সম্পূৰ্ণৰূপে সুস্থ নোহোৱালৈকে ভাৰ্জিনিয়া চহৰতেই দেউতাকক ৰাখিব। এলিনৰৰ ওচৰলৈ দেউতাকক ননাৰ কাৰণে তাই বেজাৰ পালে। তাই সেই সময়ত সাধাৰণভাৱে ইংৰাজীতে দেউতাকলৈ চিঠি দিব পৰা হৈছিল—অৱশ্যে মাকে তাইৰ ভুল আখৰ-জোঁটনী দেখি সদায় খং কৰিছিল।

১৮৯২ চনত নিউয়ৰ্ক চহৰ ডিপ্‌থেৰিয়া নামৰ মহামাৰী ৰোগৰ গ্ৰাসত পৰিল। মাকৰ হঠাতে জ্বৰ উঠিল। তৎক্ষণাতে ডাক্তৰে ঘৰ ভৰি পৰিল। দিনে ৰাতিয়ে ডাক্তৰ লাগিল, দেউতাকলৈও বেগেতে আহিবৰ কাৰণে টেলিগ্ৰাম দিয়া হ'ল। ৰেলখন ধুমুহা বতাহৰ কাৰণে আহি পোৱাত পলম হ'ল। দেউতাক ঢপলিয়াই আহি ঘৰত সোমালহি, কিন্তু তাৰ আগতেই মাকৰ মৃত্যু হ'ল।

দেউতাকে বৰ শোক পালে। এলিনৰে কেতিয়াও আগতে দেউতাকক ইমান বেজাৰ কৰা দেখা নাছিল। তাই সকলো সময়তে দেউতাকৰ মনোকষ্ট দূৰ কৰিবলৈ যত্ন কৰিছিল। এলিনৰ ডাঙৰ হ'লত এবাৰ তাইৰ পেহীয়েক এগৰাকীয়ে কৈছিল,—"তোমাৰ মাৰ

মৃত্যুৰ পিছত দেউতাবে খুব দুঃখেৰে মোলৈ লিখিছিল—কেনেকৈ তেওঁৰ অকণমানি নেলজনীয়ে সকলো সময়তে তেওঁৰ দুঃখ গুচাবৰ কাৰণে চেষ্টা কৰিছিল। আকৌ এবাৰ লিখিছিল—তোমাক লৈ গীৰ্জালৈ যাওঁতে কেনেকৈ তুমি তেওঁৰ নিচেই কাষতে আউজি লৈ একেখন পুথিকে দুয়ো পঢ়িছিলা।"

দেউতাক তেতিয়াও সুস্থ হোৱা নাছিল। চিকিৎসাৰ কাৰণে আকৌ এবিংডন নামৰ ঠাইলৈ যাব লগীয়া হ'ল। ঠিক হ'ল, এলিনৰ সৰু ভায়েক দুটাৰে সৈতে হাড্‌ছনত থকা বুঢ়ীমাকৰ ঘৰত থাকিবগৈ। যোৱাৰ আগতে দেউতাকে তাইক কৈছিল,—"আমি ভবিষ্যতে আকৌ কেতিয়াবা একেলগে থাকিম, তুমিয়েই মোৰ কাৰণে ঘৰ এখন পাতিব লাগিব। আমি আকৌ আগৰ দৰে ঘূৰি ফুৰিম, ফূৰ্তি কৰিম। মোলৈ সদায় চিঠি দি থাকিবা দেই। কাকো অকণো আমনি নিদিবা। ভাল ছোৱালীৰ দৰে মনযোগ দি পঢ়াশুনা কৰিবা—ডাঙৰ হ'লে তোমাক লৈ মই যাতে গৌৰৱ কৰিব পাৰোঁ।" চকুৰ পানীৰে সৈতে এলিনৰে দেউতাকৰ কথা ৰাখিবলৈ শপত খালে। চুমা এটা খাই দেউতাকেও তাইৰপৰা বিদায় ললে।

মাকৰ মৃত্যুৰ পিছতেই আৰু এটা দুৰ্ঘটনাই তেওঁলোকক একেলগে গোট খোৱাৰ সুযোগ দিছিল। এলিনৰৰ ভায়েক এলি আৰু হলৰ জ্বৰ হ'ল। কেইদিনমানৰ জ্বৰতেই এলিৰ মৃত্যু হ'ল। এই ঘটনাৰ পিছত এলিনৰৰ দেউতাকৰ মন আৰু শৰীৰ একেবাৰেই ভাঙি পৰিল। মানুহজন তেনেই বুঢ়ামানুহৰ নিচিনা হৈ পৰিল! এবিংডনলৈ উভটি গৈ জীয়েকলৈ সদায় চিঠি দিছিল, মাজে সময়ে নিউয়ৰ্কলৈ আহি এলিনৰক লগত লৈ ঘোঁৰাত উঠি ফুৰে, বাহিৰত খাবলৈ লৈ যায়। জীয়েকক লগ পালেই কৈছিল,—"আমি দুয়ো সদায় ওচৰাওচৰিকৈ থাকিব লাগিব।" দেউতাক যায়গৈ, কিন্তু আকৌ আহে। এলিনৰে দেউতাক অহাৰ দিনটোলৈ উদ্‌গ্ৰীৱ হৈ বাট চাই থাকে।

দেউতাকৰ মনত বিশ্বাস আছিল তেওঁৰ অকণমান ছোৱালীজনীয়ে জীৱনত এদিন প্ৰতিষ্ঠা লাভ কৰিবই। মাজে সময়ে এই কথাষাৰ তেওঁ জীয়েককো কৈছিল। মনটো এই পিনে পৰিচালিত কৰিবলৈ জীয়েকলৈ তেওঁ নানান উপদেশপূৰ্ণ চিঠি দিছিল। এলিনৰক দেউতাকে বুজাবলৈ চেষ্টা কৰিছিল কেনেকৈ এটা সজ উদ্দেশ্য আগত লৈ নিষ্ঠাৰে সৈতে কাম কৰা, পৱিত্ৰভাৱে জীৱন যাপন কৰা আৰু অইনৰ প্ৰতি সহানুভূতিশীল হব পৰাটো অতি লাগতিয়াল কথা। এবিংডনৰ ছোৱালীবোৰক দেউতাকে পুতলা কিনি উপহাৰ দিওঁতে সদায় কৈছিল তেওঁৰ জীয়েক এলিনৰ কিমান ভাল স্বভাৱৰ ছোৱালী। এবিংডনৰপৰা এই ছোৱালীবিলাকে এলিনৰলৈ চিঠি লিখি বন্ধুত্ব পাতিছিল আৰু দেউতাকে তাইৰ বিষয়ে কোৱা সকলো কথা লিখি শেষত কৈছিল—পুতলাবোৰৰ নাম তেওঁলোকে ৰাখিছে 'এলিনৰ'। আগ্ৰহেৰে দেউতাকে তাইলৈ লিখিছিল, —"মোৰ অকণমানি ধুনীয়া ছোৱালীজনী, তুমি মোৰ ওচৰলৈ জৰুৰ আহিবা। আমি দুয়ো একেলগ হ'লে কিমান যে ৰং-ধেমালি কৰিম!"

কিন্তু কেতিয়া? দেউতাকৰপৰা আঁতৰত থাকি এলিনৰৰ অসহ্য লাগিছিল। আকৌ তেওঁলোকে একেলগে থাকিব, কিন্তু সেই দিনটো কেতিয়াকৈনো আহিব? উত্তৰ আহিল—"সোনকালে"।

দহবছৰীয়া জন্মদিনৰ কেইদিনমানৰ আগতেই এলিনৰৰ মনৰ সোণালী সপোন ভাঙি চুৰমাৰ হৈ গ'ল। ১৮৯৪ চনৰ এক আগষ্টৰ দিনা দেউতাক ঘোঁৰাগাড়ীত উঠি ফুৰিবলৈ ওলাই গ'ল। বাটত দুৰ্ঘটনা হৈ ঘোঁৰাগাড়ীৰপৰা তেওঁ বাহিৰলৈ ছিটিকি পৰিল। আগৰ বাৰৰ দুৰ্ঘটনাতেই তেওঁৰ শৰীৰ দুৰ্বল হৈ আছিল। এইবাৰ অসুখটো আৰু বেছিকৈ বাঢ়ি গ'ল। দুসপ্তাহৰ পিছত তেওঁৰ মৃত্যু হ'ল। এলিনৰ রুজভেল্ট এতিয়া এজনী মাউৰা ছোৱালী।

বুঢ়ীমাকৰ লগত এলিনৰ

বুঢ়ীমাক হলৰ দুখন ঘৰ আছিল।
নগৰত আছিল তেওঁৰ শীতকালৰ
বাসস্থান, পুৰণি ধৰণৰ ডাঙৰ ঘৰ এটা, ক'লা ৰঙৰ চকী, চোফাবোৰও ঘোঁৰাৰ নোমেৰে সজোৱা। আনটো ঘৰ আছিল টিভলি চহৰত, মিছেছ হলৰ গ্ৰীষ্মনিবাস। একেটা দিনতে কেতিয়াবা তেওঁ দুয়োটা ঘৰলৈকে যায়।

আইতাক হলে এইদৰে ঘূৰি ফুৰাৰ কাৰণ আছিল তেওঁ প্ৰকৃত অৱস্থাৰ লগত নিজক খাপ খুৱাবলৈ ভাল নাপাইছিল; বৰঞ্চ বাহিৰত ঘূৰি ফুৰি সংসাৰৰ লেঠাৰপৰা নিজক আঁতৰাইহে ৰাখিছিল। নিজৰ পাঁচোটা ল'ৰাছোৱালীক ডাঙৰ দীঘল কৰাৰ পিছত আকৌ মাক মৰা নাতিনীয়েক দুটাক ডাঙৰ কৰিব লগীয়া হোৱাত তেওঁ অকণো ভাল পোৱা নাছিল। তেওঁক স্বামীয়ে কোনোদিনেই ঘৰুৱা কামকাজত লাগিবলৈ দিয়া নাছিল আৰু সেই কাৰণেই নিজৰ ল'ৰাছোৱালী কেইটা হৈ পৰিছিল অতি উচ্ছৃঙ্খল। ককাক মিঃ হলেও গোটেই জীৱনতে এদিনো কাম কৰিব লগীয়া হোৱা নাই। তেওঁ নিজৰ কিতাপ পত্ৰবোৰ লৈয়েই সদায় ব্যস্ত। ১৮৮০ চনৰ মৃত্যু কাললৈকে গোটেই জীৱনটোৱেই তেওঁ কিতাপ পাঢ়িলে। ডাঙৰ ডাঙৰ পণ্ডিত সকলৰ লগত আলোচনা কৰি বছৰৰ পিছত বছৰ তেওঁ কটাই দিছিল।

নিজৰ ল'ৰাছোৱালীক যদিও শাসন কৰিব নোৱাৰিলে, ককা-দেউতাক হলে ভাবিছিল এলিনৰ আৰু ভায়েকক কেতিয়াও তেনে উচ্ছৃঙ্খল হ'বলৈ এৰি দিব নোৱাৰি। বুঢ়ীমাকৰ স্বভাৱটো চিন্তা

ধৰণৰ আছিল যদিও এলিনৰ আৰু ভায়েকৰ বিষয়ত তেওঁ যথেষ্ট কঠোৰ হৈ পৰিল। এলিনৰে কিবা এটা কথা কবলৈ আৰম্ভ নৌ কৰোঁতেই বুঢ়ীমাকে 'নোৱাৰ কৰিব' বুলি শেষ কৰি থয়। নিজৰ শোৱাকোঠাৰপৰা কাচিৎহে বুঢ়ীমাক বাহিৰলৈ ওলায়, কিন্তু তাৰপৰাই সকলো কামকাজৰ ওপৰত চোকা নজৰ ৰাখিছিল। এলিনৰৰ ওপৰত বুঢ়ীমাকৰ হুকুম আছিল তেওঁ যেন সপ্তাহত দুবাৰকৈ গৰম পানীৰে গা ধোৱে আৰু প্ৰত্যেক দিন পুৱা ঠাণ্ডা পানীৰে গা মুছিব লাগিব। কিন্তু ঘৰৰ কামবন কৰা দাসীজনীয়ে ইমান বাতিপুৱাতে খট্খটী বগাই ওপৰলৈ উঠি গৈ এলিনৰৰ পানীখিনি চাই দিবলৈ বৰ টান পাইছিল। এলিনৰেও এই সুযোগতে ঠাণ্ডা পানীখিনিত মনে মনে অলপ গৰম পানী মিহলাই লৈছিল।

বুঢ়ীমাকৰ মনত আৰু এটা ভয় সোমাইছিল যে তেওঁৰ ক্ষীণ নাতিনীয়েকজনী ঠাণ্ডাতে কেতিয়াবা মৰি থাকিবও পাৰে। তাৰ ফলত প্ৰায় গোটেই বছৰটো এলিনৰে ফ্লানেল কাপোৰৰ দীঘল দীঘল চোলা পিন্ধিব লগীয়া হৈছিল। দেখাত এলিনৰ বেয়া আছিল কাৰণে বুঢ়ীমাকে তাইৰ কাৰণে নতুন কাপোৰ এযোৰা নিকিনিছিল। জীয়েকইঁতে সৰুতে পিন্ধা যিবোৰ কাপোৰ বাকচত পৰি আছিল সেইবোৰকে বুঢ়ীমাকে এলিনৰক পিন্ধিবলৈ দিছিল। সেই কাপোৰবোৰ তেনেই পুৰণি ধৰণৰ। সেই সময়ত ছোৱালীয়ে দীঘল চোলা পিন্ধাটো এটা ধুন আছিল; কিন্তু এলিনৰৰ পুৰণি চোলাবোৰে তাইৰ আঠু কেইটাও ঢাক খুৱাব পৰা নাছিল। পোছাকৰ কাৰণে তাই সদায় লাজ পাব লগীয়া হৈছিল। তাইক দৰ্কাৰী কাপোৰকানি কিনি দিয়াৰ পৰিবৰ্তে বুঢ়ীমাকে তাইৰ খোজ কেইটা ভাল কৰিবৰ কাৰণে এযোৰ লোহাৰ বান্ধনী পিন্ধিবলৈ দিছিল। য'লৈকে যায় সকলোৰে চকু যে তাইৰ ওপৰত—এই লাজকুৰীয়া ছোৱালীজনীয়ে কথাটো ভালকৈ গম পাইছিল। তাই আচৰিত ধৰণৰ কাপোৰ-কানি আৰু গধুৰ লোহাৰ ফিটা কেইডালৰ

বাহিৰেও দীঘল ভাঠ ক'লা মোজা আৰু লেচ থকা জোতাও পিন্ধিছিল।

দেউতাকৰ মৃত্যুৰ পিছত বুঢ়ীমাক হলে এলিনৰৰ ওপৰত আৰু বেছিকৈ চকু ৰখা হ'ল। তেওঁ বুজি পাইছিল যে নাতিনীয়েক এলিনৰে তেতিয়াও সপোন ৰাজ্যতে বাস কৰিছে। দেউতাক যে ঢুকাল এই কথাটো বিশ্বাস কৰিবলৈ এলিনৰে টান পাইছিল। অনবৰতে তাই দেউতাকৰ কথাই ভাবি থাকে। ৰাতিপুৱা বিছনাৰ-পৰা উঠাৰপৰাই তাই দেউতাকৰ লগতে থকা যেন অনুভৱ কৰে। নিজেই এবাৰ এলিনৰে কৈছিল—"মোৰ দেউতা জীয়াই থকাতকৈ মৃত্যুৰ পিছতহে মই বোধকৰো তেওঁৰ বেছি কাষ চাপি গৈছিলোঁ।"

বাস্তব জগতখনলৈ এলিনৰক টানি আনিবৰ কাৰণে বুঢ়ীমাকে যথেষ্ট চেষ্টা কৰিছিল। এলিনৰক প্ৰতিদিন খোজ কাঢ়ি ফুৰাবৰ কাৰণে তেওঁ এগৰাকী ফৰাচী মহিলা নিযুক্ত কৰিলে। কিন্তু এলিনৰে ইমান বেগাই খোজ কাঢ়িছিল যে ফৰাছী মহিলা গৰাকী তেওঁৰ ওচৰ চাপিবই নোৱাৰিছিল। ঘৰলৈ উভতি আহোঁতে এলিনৰে ফৰাচী শিক্ষয়িত্ৰী গৰাকীৰ সৈতে একেলগে খোজ কাঢ়ি ঘৰ সোমাইছিলগৈ। এনেকৈয়ে প্ৰায় এবছৰমান পাৰ হ'ল—এলিনৰেও লাহে লাহে নিজক বাস্তৱ পৃথিৱীখনলৈ ঘূৰাই আনিলে।

পিছৰ বছৰ এলিনৰক নিউয়ৰ্ক চহৰত মেড্‌মোজেল লে ক্লাৰ্ক নামৰ এগৰাকী মহিলাই ঘৰতে চলোৱা স্কুল এখনলৈ পঠিয়াই দিয়া হ'ল। এইখন স্কুললৈ আহি এলিনৰে ফৰাচী ভাষাত বাইবেলৰ নতুন ভাগটো মুখস্থ গাব পৰা হ'ল। এইখিনিকেই মাত্ৰ এলিনৰে স্কুলত শিকিছিল, কাৰণ স্কুলৰ শিক্ষয়িত্ৰী গৰাকীয়ে ব্যাকৰণ বা অংক একেবাৰেই নাজানিছিল। বুঢ়ীমাক হলেও একোকে ভবা নাছিল, কাৰণ তেওঁ ছোৱালীৰ শিক্ষাত বিশ্বাস নকৰিছিল। তেওঁৰ মতে ছোৱালী এজনীয়ে ৰন্ধা-বঢ়া, চিলাই কৰা, আৰু মৰম লগাকৈ হাঁহিব জনাটোৱেই যথেষ্ট আছিল। এলিনৰক এইবাৰ এটা নাচৰ

স্কুললৈ পঠিওৱা হ'ল। এই স্কুলখনত এলিনৰে ৱালট্‌য, প'ল্কা, ব্যালে আদি কেইবা ধৰণৰো নাচ শিকিলে।

বসন্তকাল আহিল। এইবাৰ মিছেছ হল তেওঁৰ চৈধ্যটা শোৱনি কোঠাৰে সৈতে টিভলি চহৰত থকা প্ৰকাণ্ড ঘৰটোত থাকিবলৈ ললেহি। বুঢ়ীমাকে এলিনৰক ৰন্ধা-বঢ়া আৰু চিলাই শিকোৱাত মনোনিবেশ কৰিলে। মেডেলিন্ নামৰ এগৰাকী দাসীৰ ওপৰত এলিনৰক কাম কাজ শিকোৱাৰ ভাৰ পৰিল। এলিনৰক শিকাবৰ কাৰণে বুঢ়ীমাকে নিজৰ ঘৰটোৰ ওচৰতে এটা সৰু ঘৰ সজাই দিছিল। এলিনৰে মোজাত টাপলি মাৰি চিলাই থাকোঁতে মেডেলিনে খঙেৰে চকু পকাই চালেই এলিনৰে বুজি পাইছিল যে পিছ মুহূৰ্ততেই মেডেলিনে মোজাপাত ডাঙৰকৈ ফালি দি তাইক আকৌ ভালকৈ চিলাবলৈ কব। এলিনৰে নিজে কৈছিল,—"এই টাপলি চিলাই মাৰোঁতে বহুদিন মোৰ বহু চকুপানী খৰচ হৈছিল।"

মেডেলিনে এলিনৰক সাধাৰণ ৰন্ধা-বঢ়া, বাচন-বৰ্তন ধোৱা-মেলা আদি কামো শিকাইছিল। এলিনৰৰ কাম মেডেলিনৰ পছন্দ নহ'লেই এলিনৰে তাইৰপৰা চুলি জোকোৰা খাইছিল। এলিনৰৰ বেশভূষা ঠিক আছে নে নাই আৰু পুৱা যাতে ঠিক পাঁচ বজাতে শুই উঠে এইবোৰ কথা চোৱাৰ ভাৰো আছিল মেডেলিনৰ ওপৰত। শেলুৱৈ বান্ধি থকা ছাতৰ ওপৰত চোঁচোৰা ধেমালি কৰিবলৈ এলিনৰে ভাল পাইছিল—তাৰ ফলত তাইৰ বগা পোছাকটো শেলুৱৈ লাগি তেনেই সেউজীয়া হৈ পৰিছিল। এই কথাৰ কাৰণে মেডেলিনে প্ৰায়ে তাইক খং কৰিছিল।

বুঢ়ীমাকে নিজে তাইৰ পঢ়াশুনাৰ তদাৰক কৰিছিল। আগতে আৰম্ভ কৰা কিতাপ এখন, দেওবাৰৰ বিনা, তেওঁ কেতিয়াও এলিনৰক পঢ়িবলৈ নিদিছিল। দেওবাৰৰ বিনা কিতাপ এখন পঢ়িবলৈ আৰম্ভ কৰিলে পাছৰটো দেওবাৰ নোহোৱালৈকে বুঢ়ীমাকে কিতাপখন এলিনৰক শেষ কৰিবলৈ নিদিছিল। এলিনৰে এবাৰ কৈছিল,—

আগতে আৰম্ভ কৰা কিতাপ দেওবাৰে পঢ়িবলৈ নিদিছিল…

“দেওবাৰটো অইন দিনবোৰতকৈ বেলেগ, কিন্তু সেইদিনাও মই কোনো খেল-ধেমালি কৰিব নোৱাৰিছিলোঁ। প্ৰকাণ্ড ঘৰটোৰ কোঠা এটাত আইতাৰ কাষতেই অকণো আৰাম নথকা চকীখনত মই বহি থাকিব লাগিছিল আৰু পাঁচ মাইল দূৰত থকা গীৰ্জালৈ অহাযোৱা কৰিব লাগিছিল। মোৰ ওপৰত থকা আইতাৰ কিছুমান আদেশ শুনি মোৰ সঁচাকৈয়ে খুব খং উঠিছিল।”

গীৰ্জালৈ অহাযোৱা কৰোঁতে বাটত গাড়ীৰ জোকাৰণিত তাইৰ মূৰ ঘূৰাইছিল, মুখখন শেঁতা পৰি গৈছিল কিন্তু ঘৰ আহি

পালেহি প্ৰত্যেকটো দেওবাৰেই কচোৱাণৰ জীয়েকজনীক বাইবেল পঢ়োৱাটো তাইৰ কাম আছিল।

স্কুলীয়া শিক্ষা এলিনৰৰ একেবাৰে কম আছিল যদিও বাহিৰা কিতাপ-পত্ৰ পঢ়ি নিজক উন্নত কৰিবৰ কাৰণে মনত ধাউতি আছিল। বুঢ়ীমাকে বিছনাত শুই কিতাপ পঢ়িবলৈ নিদিয়াৰ কাৰণে তাই মনেমনে বিছনা তলত কিতাপ লুকাই থয়। নতুন কিতাপ এখন পঢ়ি তাৰ বিষয়ে বুঢ়ীমাকক প্ৰশ্ন সুধিলেই এলিনৰে দেখিছিল যে কিতাপখন হঠাতে ৰহস্যপূৰ্ণভাৱে হেৰাই যায়। বুঢ়ীমাকৰ কিতাপৰ আলমাৰী কেইটাত ধৰ্ম সম্বন্ধে লিখা টান কিতাপবোৰেৰে ভৰপূৰ। এলিনৰে নিজে যদিও ধৰ্মৰ কিতাপবোৰ পঢ়ি ভাল পোৱা নাছিল বুঢ়ীমাকৰ কথামতেই বাধ্য হৈ চকুৰ পানী টুকি এইবোৰ কিতাপ পঢ়িব লগীয়া হৈছিল। জীৱনৰ যুঁজত ক্ষত-বিক্ষত হোৱা মানুহবোৰৰ ঘটনা পঢ়ি, সেই জীৱনটো নিজৰ ভিতৰত অনুভৱ কৰি এলিনৰে ভাল পাইছিল। এনেকুৱা দুখৰ কিতাপবোৰ পঢ়ি কেতিয়াবা বহুত দেৰীলৈকে কান্দিছিল। বুঢ়ীমাক বা মেডেলিনৰ কৰ্তৃত্বৰপৰা ৰক্ষা পালেই এলিনৰে গছৰ তলত বহি বা ঘাঁহনিৰ ওপৰত পেট পেলাই শুই ডিকেন্স বা স্কটৰ কিতাপ পঢ়িছিল।

আজৰি সময়ত এলিনৰে তাইতকৈ ছবছৰৰ সৰু ভায়েক হলৰ তত্ত্বাৱধান লয়। ভায়েকক বাহিৰলৈ ফুৰাবলৈ নি নানান্ খেল-ধেমালিৰ মাজত নিজৰ চিন্তা ভাবনাক আঁতৰাই ৰাখে।

বুঢ়ীমাকৰ ঘৰত এলিনৰৰ সমান বয়সৰ কোনো লগৰীয়া নাই। সেইকাৰণেই তাই নিজকে বেছি অকলশৰীয়া যেন পাইছিল। এলিনৰে যি গৰাকী বন্ধুক ভাল পাইছিল, তেওঁক মাত্ৰ গ্ৰীষ্মকালত এবাৰকৈহে বুঢ়ীমাকে এলিনৰৰ ওচৰলৈ আহিবলৈ অনুমতি দিছিল। বাৰ বছৰ বয়সত এলিনৰক কেইবাটাও পৰিয়ালে তেওঁলোকৰ ছোৱালীবিলাকৰ লগৰী হিচাবে অইন ঠাইলৈ ফুৰাবলৈ নিব খুজিছিল, কিন্তু বুঢ়ীমাকে সকলোকে "যাব নোৱাৰে" বুলি একেষাৰ

কথাৰে সমিধান দিছিল।

এলিনবৰ দেউতাকৰ পিনৰ আপোন মানুহবোৰক বুঢ়ীমাক হলে সাধাৰণ মানুহৰ দৰে হীন চকুৰে চাইছিল। আনকি, ১৮৯৮ চনৰ স্পেন-আমেৰিকাৰ যুদ্ধত ৰদেউতাক টেডৰ বীৰত্বৰ খ্যাতি সকলোৰে মুখে মুখে আছিল যদিও বুঢ়ীমাকৰ মনৰ ভাব সলনি হোৱা নাছিল। বুঢ়ীমাকৰ মতে ৰুজভেল্ট পৰিয়ালৰ মানুহবিলাকে বৰ চিঞৰ বাখৰ কৰে আৰু জীৱনৰ গুৰুত্বপূৰ্ণ কথাবোৰৰ বিষয়ত অকণো গভীৰ ভাবে চিন্তা নকৰে। সেই কাৰণেই ৰদেউতাক টেডে অনেক সাধ্য-সাধনা কৰিহে এলিনৰক তেওঁৰ চাগমূৰ পাহাৰৰ ঘৰলৈ ফুৰাবলৈ নিব পাৰিছিল। দুদিন ৰদেউতাকৰ লগত থাকি এলিনৰে যিমান স্ফূৰ্তি কৰিছিল পিছৰ কেইবাসপ্তাহলৈকে সেই আনন্দৰ ঢৌৱে এলিনৰৰ মনত খলক লগাই আছিল। ৰদেউতাক আছিল তজ-বজীয়া আৰু দেউতাকৰ লগত একেবাৰে খাপখাই যোৱা বিধৰ লোক। তাৰ বাহিৰেও তাইৰ প্ৰতি ৰদেউতাকৰ আগ্ৰহ, আদৰ যত্নৰ সীমা নাছিল। ঘৰলৈ উভটি যাওঁতে বুঢ়ীমাকে মুৰৰপৰা ভৰিলৈকে এলিনৰক এনেভাৱে নিৰীক্ষণ কৰিছিল তাই জানিবা অতি ভয়াবহ ঠাই এডোখৰৰপৰাহে ঘৰলৈ উভটি আহিল।

এলিনৰে বেছি ৰং ধেমালি কৰা বা গোলমালৰ ঠাইবোৰলৈ যোৱাটো বুঢ়ীমাকে ভাল নাপাইছিল। অৱশ্যে তাই পঙ্গু ল'ৰাছোৱালীবিলাকৰ চিকিৎসা কৰা হস্পিতাললৈ গৈ সিহঁতৰ লগত কথা পাতিলে বা সিহঁতলৈ কিবাকিবি উপহাৰ লৈ গলে বুঢ়ীমাকে আপত্তি নকৰিছিল। কিন্তু এই ল'ৰাছোৱালীবিলাকৰ বিছনাৰ নিচেই ওচৰলৈ তাইক যাবলৈ নিদিছিল, কাৰণ বুঢ়ীমাকৰ ভয় কিজানিবা এলিনৰৰ গালৈকো তেনে বেমাৰৰ বীজাণু আহে। তাৰ বাহিৰেও মাহীয়েক দুগৰাকীৰ লগত 'ৰাউৰী সেবা সমিতি'লৈ গৈ সংস্থাপনৰ কাৰণে অহা নিৰাশ্ৰয়, দুৰ্ভগীয়া মানুহবিলাকৰ আগত ধৰ্মৰ স্তোত্ৰ গাবলৈ এলিনৰে অনুমতি পাইছিল।

মোমায়েক ভেলী এজন খুব ভাল টেনিচ খেলুৱৈ। তেওঁ ওখ খাপৰ সমাজতো সেইকাৰণে পৰিচিত। প্ৰত্যেক বছৰ খৃষ্টমাছৰ সময়ত তেওঁ অইনৰ ঘৰত গৈ খৃষ্টমাছৰ গছজোপা ধুনীয়াকৈ সজাই দিছিল। এলিনৰেও তেওঁক সহায় কৰিবৰ কাৰণে যাব পাৰিলেহেঁতেন কিন্তু বুঢ়ীমাকে ভয় কৰিছিল মোমায়েকে হয়তো গছজোপা সজোৱাৰ পিছতে এলিনৰক এৰি থৈ কেনিবা গুচি যাবগৈ—এলিনৰে তেওঁক বিচাৰি ফুৰিব লাগিব।

বুঢ়ীমাকৰ সংসাৰত এলিনৰৰ এগৰাকীয়েই মাত্ৰ প্ৰকৃত বন্ধু আছিল। তেওঁ আছিল মিছেছ অভাৰহেল্জ। এওঁ এলিনৰৰ বুঢ়ীমাকৰ কাপোৰকানিবোৰ ধুইছিল। প্ৰায় বাৰটামান ল'ৰাছোৱালীৰ সৈতে মিছেছ অভাৰহেল্জ্ নিজৰ খেতিৰ পামতেই থাকে। ঘৰখনৰ সকলো কাম কাজ কৰাৰ উপৰিও তেওঁ মিছেছ হলৰ ঘৰ চাফা কৰা আদি কামবোৰ কৰি দিয়েহি। এলিনৰক তেওঁ কাপোৰ ধোৱা, ইস্ত্ৰি কৰা আদি কাম শিকাইছিল, কেতিয়াবা নিজৰ ঘৰলৈ নি তৃপ্তিকৰ জাৰ্মানী লোকে খোৱা খাদ্য খাবলৈ দিছিল। তেওঁ এলিনৰক এটা কথা শিকাইছিল যে প্ৰতিকূল অৱস্থাৰ হেঁচাত পৰিও মানুহে আনন্দ মনেৰে থাকিব পাৰে।

এই ভাবেই এলিনৰৰ সক কালডোখৰ পাৰ হৈ গ'ল। দেউতাকৰ কাৰণে এতিয়াও তাই বেজাৰ কৰে কিন্তু তাইৰ মনত এটা ভাব সোমাইছিল, জীৱনত কিবা এটা কাম কৰিবই লাগিব। নিজৰ ইমান কম শিক্ষা আৰু লাজকুৰীয়া স্বভাৱটোৰে সংসাৰত কি যে কৰিব পাৰিব একো ভাবি উলিয়াব নোৱাৰিলে। নিজক উন্নত কৰি অইনকো যাতে সহায় কৰিব পাৰে তাৰ বাবে এলিনৰ দৃঢ় প্ৰতিজ্ঞ হ'ল। ডায়েৰীৰ পাতত এলিনৰে লিখিছিল,—"মই অনবৰতে নিজক প্ৰশ্ন কৰিছিলোঁ কি কামত হাত দিম? ঠিক কি কামটো কৰিবলৈ লাগিম স্পষ্টকৈ ধৰিব পৰা নাছিলোঁ। মোৰ মনত বিশ্বাস আছিল, তেতিয়া যি কৰি আছিলো তাতকৈ বহুত বেছি কৰিবৰ কাৰণে মোৰ

শক্তি আছে আৰু কৃতকাৰ্য নোহোৱালৈকে মই চেষ্টাও কৰি চাম।"

চৈধ্য বছৰ বয়সত এলিনৰক এগৰাকী পেহীয়েকে খৃষ্টমাছৰ সময়ত সৰু ল'ৰাছোৱালীবিলাকৰ ভোজ এটালৈ নিমন্ত্ৰণ কৰিছিল। পেহীয়েক গৰাকী ৰুজভেল্ট পৰিয়ালৰ মানুহ আছিল কাৰণে বুঢ়ীমাকে এলিনৰক ভোজলৈ পাঠিয়াবলৈ মন কৰা নাছিল। শেষত অৱশ্যে যাবলৈ দিলে।

পেহীয়েকৰ ঘৰ পাই এলিনৰৰ মনত ভাব হৈছিল ভোজলৈ বুঢ়ীমাকে তাইক আহিবলৈ নিদিয়া হ'লেই ভাল আছিল। তাই ওখই আছিল পাঁচ ফুট এঘাৰ ইঞ্চি। অইন সকলো ল'ৰা-ছোৱালীতকৈ ওখ। তাৰ বাহিৰেও তাই পিন্ধা মাহীয়েকহঁতৰ পুৰণি ফ্ৰকটো তেনেই চুটি, আঠু দুটাই ঢাক নাযায়। অইন ল'ৰাছোৱালীবিলাকে যেতিয়া তাইৰ আচৰিত ধৰণৰ পোছাকটোলৈ চকু দি থাকিব তাইনো বাৰু সিহঁতৰ লগত কথাবতৰা পাতি কেনেকৈ সহজ হব পাৰিব? পেহীয়েকৰ ঘৰলৈ অহা ল'ৰাছোৱালীবোৰে ইজনে সিজনক ভালকৈ চিনি পায় কিন্তু এলিনৰ সম্পূৰ্ণ অচিনাকি। কোনেও তাইৰ লগেই নলয়। মাকে তাইক সৰুতে "বুঢ়ী আইতা" বুলি মাতি ঠিকেই কৰিছিল।

সেই কপাল-ফুটা নিশাত পঞ্চাশ যোৰা ল'ৰাছোৱালীক নাচৰ কাৰণে সমানে সমানে থিয় কৰোৱা হৈছিল। মজিয়াখন খুব মিহি আৰু চক্‌চকীয়া হৈ আছিল। বাজনা বাজি উঠাৰ লগে লগেই প্ৰথম যোৰা ল'ৰাছোৱালীয়ে মাজলৈ আহি নাচিবলৈ ধৰিলে। এপিনে এটি চকুত থিয় দি আছিল এলিনৰ—মুখখনত কান্দো কান্দো ভাব, এহাতেৰে জোৰ কৰি ফ্ৰকটো আঠুৰ তললৈ টানি টানি নিজকে নিজে ধিক্কাৰ দিছে।

প্ৰথমতে নচা যোৰ আছিল তাইৰে বৰ দেউতাক টেডৰ ছোৱালী এলিচ আৰু লগত আছিল অতি ধুনীয়া ডেকা ফ্ৰেঙ্কলিন ৰুজভেল্ট—হাইড্‌ পাৰ্কত থকা এলিনৰৰ দূৰ সম্বন্ধীয় ককায়েক।

ফ্ৰেঙ্কলিনৰ মুখত আছিল এটা পৱিত্ৰ আনন্দৰ ভাব। এলিনৰে আগতে তেওঁক লগ পাইছিল যদিও অতি কম সময়ৰ বাবেহে—এতিয়া আৰু ফ্ৰেঙ্কলিনে এলিনৰক চিনিবই নোৱাৰিব। যদি কেনেবাকৈ চিনিও পায় তাইৰ চুটি চুটি কাপোৰবোৰৰ কাৰণেহে পাব, কাৰণ তেনেকুৱা হাঁহি উঠা কাপোৰবোৰকে তাই সদায় পিন্ধে। নাচ শেষ হ'ল—সকলোৱে হাত চাপৰি বজালে। পিছৰ নাচটোলৈ সময় আছে, সকলোৱে কথাপতা, হঁহাত লাগিল—এলিনৰহে তেনেই অকলশৰীয়া। বিমূঢ়ভাৱে এচুকত হাত দুখন মোহাৰি থিয় হৈ আছে। শেঁতা চকুযুৰিয়ে প্ৰত্যেক যোৰা ল'ৰাছোৱালীক নিৰীক্ষণ কৰি শেষত থৰ হৈ ৰ'লগৈ ফ্ৰেঙ্কলিন আৰু এলিচৰ ওপৰত। এলিচ আৰু ফ্ৰেঙ্কলিনে হাঁহি ধেমালি কৰি কথা পাতিছে—এলিনৰে একমনে চাই আছে। এবাৰ হঠাতে মুহূৰ্তৰ বাবে ফ্ৰেঙ্কলিনৰ চকুও এলিনৰৰ ওপৰত পৰিল।

বাজনা আকৌ বাজি উঠিল, নতুন নাচ আৰম্ভ হব। ফ্ৰেঙ্কলিনে এলিচক এৰি থৈ নাচ কৰা মজিয়াখনৰ ওপৰেদি খোজ কাঢ়ি আহিল। এলিনৰে যিমান পাৰি নিজক লুকাই ৰাখিবৰ কাৰণে বেৰখনৰ আৰু কাষ চাপি গ'ল। হঠাতে আহি ফ্ৰেঙ্কলিন এলিনৰৰ সন্মুখত থিয় হ'লহি। হাঁহি এটা মাৰি সুধিলে,—"এলিনৰ, পাছৰ নাচটো তুমি মোৰ লগত নাচিবা নে?" এলিনৰে একৰকম চিঞৰিয়েই আগ্ৰহেৰে সন্মতি জনালে। ফ্ৰেঙ্কলিনে নিজৰ হাতখন আগবঢ়াই দিলে, ঘূৰি ঘূৰি তেওঁলোকে নাচিবলৈ ধৰিলে। ফ্ৰেঙ্কলিনে মুখত আনন্দৰ ভাব দেখুৱাইছিল যদিও এলিনৰৰ ভয়াতুৰ মনটোৱে বিশ্বাস কৰিবলৈ টান পাইছিল। বাজনা শেষ হ'লত ফ্ৰেঙ্কলিনে কিছু সময় কথা বতৰা পাতিলে, হাঁহি ধেমালি কৰিলে, তেওঁৰ লগত নচাৰ কাৰণে এলিনৰক ধন্যবাদ জনাই গুচি গ'ল। এই বন্ধৰ দিনটোৱেই এলিনৰৰ জীৱনত কৃতকাৰ্যতাৰ যেন প্ৰথম দিন।

পোন্ধৰ বছৰ বয়সত এলিনৰৰ জীৱনলৈ এটা ডাঙৰ পৰিৱৰ্তন

আছিল। বুঢ়ীমাকৰ মনত ভাব হ'ল যে ইমান কঠোৰ শাসনত ওচৰে ওচৰে চাই ফুৰাতকৈ এলিনৰক কিছু এৰি দিয়াটো ভাল হব। তেওঁৰ নিজৰ ল'ৰাছোৱালীবোৰ আছিল তেনেই অশান্ত স্বভাৱৰ। কোনো দিনেই তেওঁ ল'ৰাছোৱালীক শাসন কৰিব পৰা নাছিল। এলিনৰৰ মোমায়েক ভেলীয়ে খুব বেছিকৈ মদ খাইছিল। এবাৰ মদৰ নিচাত বন্দুকেৰে গুলিয়াই শোৱা কোঠাৰ খিড়িকীবোৰ ভাঙিলে। এইজন মোমায়েকক এলিনৰে ভাল পাইছিল কাৰণ এওঁৱেই তাইক ঘোঁৰাত উঠা, জাপ মৰা আদি শিকাইছিল আৰু কেতিয়াবা ফুৰাবলৈকো লৈ গৈছিল। সৰু মোমায়েক এডিহে এলিনৰৰ কাষত ৰহস্যজনক হৈ পৰিছিল কাৰণ তেওঁ সদায় কাকো খবৰ নিদিয়াকৈ হঠাতে নোহোৱা হৈ পৰে। এবাৰ মাকৰ নোকোৱাকৈয়ে আফ্ৰিকা পাইছিলগৈ। আকৌ হঠাতে এদিন উভতি আহি খোৱাৰ মেজত বহিছিলহি, মাকৰ তেতিয়াহে চিন্তা দূৰ হৈছিল।

এলিনৰৰ দুগৰাকী মাহীয়েকো ঘৰতে আছিল। মাহীয়েক মডে তেওঁৰ দুচকীয়া গাড়ীখনত তুলি এলিনৰক ফুৰাবলৈ লৈ যায়। এদিন তেওঁলোক ফুৰোঁতে এখন মটৰ গাড়ী লগ পালে। সেইখনেই প্ৰথম মটৰ তেওঁলোকে দেখিছিল। ঘোঁৰাটোৱে আচৰিত ধৰণৰ বস্তু এটা দেখা পাই পাছ ঠেঙত থিয়দি লোহাৰ বেৰ এখনৰ ওপৰেদি জাপ মাৰি দিবলৈ চেষ্টা কৰিলে। এলিনৰ কেইবা গজো দূৰত ছিটিকি পৰিলগৈ। তাই অজ্ঞান হৈ পৰিছিল আৰু চুটি পোছাকটো ফালি চিৰাচিৰ হৈছিল। আন গৰাকী মাহীয়েক পুছি আছিল খঙাল স্বভাৱৰ। এদিন হয়তো গোটেই দিনটো তেওঁ এলিনৰৰ লগত ধেমালি কৰিব, কৱিতা পঢ়ি শুনাব কিন্তু ঠিক পিছৰ দিনাই এলিনৰক নেদেখাৰ দৰে এটাও কথা নপতাকৈ থাকে। এবাৰ মাহীয়েক পুছিয়ে এলিনৰ আৰু তেওঁৰ ঘৰুৱা শিক্ষয়িত্ৰী গৰাকীক লৈ বছৰ দিনত এভোখৰ ঠাইলৈ

ফুৰিবলৈ গ'ল। কিন্তু ঠাইডোখৰ গৈ পোৱাৰ পিছতেই মাহীয়েকৰ আমনি লাগিল। কাকো একো নোকোৱাকৈ, পইছাপাতি নিদিয়াকৈ এলিনৰহঁতক তাতে এৰি থৈ গুচি আহিল। পিছত বুঢ়ীমাকৰপৰা টকা খুজি আনিহে তেওঁলোক ঘৰলৈ উভটি যাব পাৰিছিল।

নিজৰ ল'ৰাছোৱালী চাৰিটা বুঢ়ীমাক হলৰ সমস্যা হৈ পৰিছিল। এওঁলোকৰ কাৰণেই বুঢ়ীমাকে এলিনৰ আৰু ভায়েকক নিজ ইচ্ছামতে ডাঙৰ কৰিব পৰা নাছিল। তেওঁৰ জীয়েক পুছি অতি অদ্ভুত ধৰণৰ ছোৱালী। কেতিয়াবা একেলগে কেইবাদিনলৈকে পুছিয়ে নিজৰ কোঠাত দুৱাৰ বন্ধ কৰি সোমাই থাকে—সেই সময়ত তেওঁ মৰিয়েই থাকে নে জীয়াই থাকে কোনেও গমকে নাপায়।

এদিন বুঢ়ীমাকে ভিতৰুৱাকৈ দুআষাৰ কথা পাতিবৰ কাৰণে এলিনৰক নিজৰ শোৱা কোঠালৈ মাতিলে। দীঘলকৈ উশাহ এটা লৈ নাতিনীয়েকক ক'লে,—"তোমাৰ ভবিষ্যতৰ বিষয়ে ভাবিব লগীয়া হৈছে। মই ভাবো তুমি ইয়াৰপৰা আতৰি আৰু কিছু শিক্ষা লোৱাৰ দৰ্কাৰ। তোমাৰ মাৰা জীয়াই থাকোঁতে তোমাক ইউৰোপৰ বোৰ্ডিং স্কুল এটাত পঢ়োৱাটো ইচ্ছা কৰিছিল। ময়ো তোমাক তালৈকে পঠিয়াব খোজো।"

ইউৰোপলৈ যোৱাৰ লগে লগেই এলিনৰৰ ওপৰত বুঢ়ীমাকৰ চোকা নজৰৰ অৱসান ঘটিল।

বিদেশত শিক্ষা

১৮৯৯ চনৰ শেষৰ পিনে এলিনৰে আটলাণ্টিক মহাসাগৰ পাৰ হৈ ইংলণ্ডলৈ যাত্ৰা কৰিলে। পেহীয়েক বাঈয়ে এলিনৰক তেওঁ নিজে পঢ়া শিক্ষয়িত্ৰী গৰাকীৰ ওচৰত পঢ়িবলৈ পঠিয়াবৰ কাৰণে

...চুটি পোছাক পিন্ধাটোকে তেওঁ প্ৰথমে বন্ধ কৰিলে।

বুঢ়ীমাকক জোৰ কৰি ধৰিছিল। আমেৰিকাৰ গৃহযুদ্ধৰ সময়ত পেহীয়েক বাঈয়ে ফ্ৰান্সৰ ওচৰত মেড্‌মোজেনা চোৰেষ্টাৰ নামৰ এগৰাকী মহিলাই চলোৱা স্কুল এখনত থাকি পঢ়িছিল। পেহীয়েকৰ পিঠিত কুৎসিৎ ধৰণৰ এটা কুঁজ থকাৰ কাৰণে তেওঁ সদায় লাজ পাইছিল। কিন্তু এই শিক্ষয়িত্ৰী গৰাকীয়ে তেওঁক সহজভাৱে সংসাৰৰ সম্মুখীন হোৱাত যথেষ্ট সহায় কৰিছিল। পিছত পেহীয়েকে, যেতিয়া গম পালে যে এই শিক্ষয়িত্ৰী গৰাকী এতিয়াও জীয়াই আছে,

ত্ৰিশ বছৰৰ পিছতো ইংলণ্ডত এখন স্কুল চলাই আছে, এলিনৰৰ বুঢ়ীমাকক তেওঁ জোৰ কৰি ধৰিলে যাতে কেই বছৰমান সেই স্কুলখনতে এলিনৰেও যেন পঢ়েগৈ।

স্কুলখনৰ নাম আছিল এলেন্সউড। লণ্ডনলৈ অহাযোৱা কৰিবৰ বাবে ইয়াৰপৰা এটা সৰু ৰাস্তা আছে। এলিনৰ আহি পালেহি। নিজৰ চুটি পোছাকটোৰ কাৰণে সকলো সময়তেই এটা লাজকুৰীয়া ভাব। ইফালে স্কুলৰ শিক্ষাও একেবাৰেই নাই। এনে অৱস্থাৰ মাজত মেড্‌মোজেল চোৱেষ্টাৰক মাকৰ দৰে মৰিময়াল আৰু ঘৰুৱা ধৰণৰ যেন পাই এলিনৰ কিছু নিশ্চিন্ত হৈছিল। প্ৰধান শিক্ষয়িত্ৰী গৰাকী চুটি-চাপৰকৈ শকত-আৱত ধৰণৰ গাৰ গঠন আছিল। তেওঁৰ চুলিবোৰ তেনেই বগা। এলিনৰক তেওঁ সহজ হৈ পৰিবৰ কাৰণে উৎসাহ দিছিল।

মেড্‌মোজেল চোৱেষ্টাৰে এলিনৰৰ লাজকুৰীয়া স্বভাৱটোকে বেছিকৈ মন কৰিছিল আৰু তেওঁ বিশ্বাস কৰিছিল যে এলিনৰ আছিল তেনেই ঘৰৰ লেথীয়া। ছোৱালীজনীক সহায় কৰিবলৈও তেওঁ যথেষ্ট কষ্ট কৰিছিল এলিনৰে মাহীয়েকহঁতৰপৰা পোৱা পুৰণি, চুটি পোছাকবোৰ পিন্ধাটোকে তেওঁ প্ৰথমে বন্ধ কৰিলে। এলিনৰক লৈ গৈ এখন চৌখিন দোকানত নতুন পোছাক চিলাবলৈ দিয়াত তাইৰ আনন্দৰ সীমা নোহোৱা হৈছিল। মেড্‌মোজেল চোৱেষ্টাৰে এলিনৰৰ নখ কামোৰা অভ্যাসটোও বন্ধ কৰিলে। অৱশ্যে এইটো অভ্যাস সহজে তাই এৰিব পৰা নাছিল। দেউতাক জীয়াই থাকোঁতে প্ৰত্যেক চিঠিতে চাফ-চিকুণকৈ থাকিবলৈ আৰু ভাল অভ্যাস ৰাখিবলৈ এলিনৰলৈ দঢ়াই দঢ়াই লিখিছিল। এনেকুৱা চিঠি এখন ছনাই পঢ়িহে এলিনৰে নখ কামোৰাটো এৰিবলৈ শপত খালে।

মেড্‌মোজেল চোৱেষ্টাৰে স্কুলখন যথেষ্ট শৃঙ্খলাবদ্ধভাৱে নিয়মৰ মাজেদি চলাইছিল। তেওঁৰ স্কুলত এটা নিয়ম আছিল যে সকলোৱেই ফৰাচী ভাষাত কথা পাতিব লাগিব। কোনোবাই এটা

ইংৰাজী কথা কলেও স্কুল ছুটী হোৱাৰ পিছত নিজে গৈ প্ৰধান শিক্ষয়িত্ৰীক কৈ আহিবগৈ লাগিছিল। সামাজিক আচাৰ ব্যৱহাৰ পৰিষ্কাৰ পৰিচ্ছন্নতা, গা-ধোৱা আদিৰ বিষয়েও নানান্ নীতি-নিয়ম মানিব লগীয়া হৈছিল।

যিবিলাক ছোৱালীয়ে স্কুলৰ নিয়ম মানি নচলে তেওঁলোকক স্কুলৰপৰা বাহিৰ কৰি দিয়া হৈছিল। এবাৰ এলিনৰেও অইন এজনী বন্ধুৰ কাৰণে এনেকুৱা বিপদত পৰিছিল। এলিনৰৰ লগত একে কোঠাতে থকা প্ৰথম ছোৱালীজনী আছিল অতি খঙাল স্বভাৱৰ। এবাৰ কিবা কাৰণত খং উঠি এগৰাকী শিক্ষায়িত্ৰীৰ গালৈ চিয়াহীৰ দোৱাত এটা দলিয়ালে। এই অপৰাধত তেওঁক স্কুলৰপৰা বাহিৰ কৰি দিবলৈ শিক্ষয়িত্ৰীয়ে খুঁটি ধৰিলে। এলিনৰে ছোৱালীজনীক খুব ভাল পাইছিল। কান্দি কান্দি গৈ মেড্‌মোজেল চোৱেষ্টাৰক এলিনৰে কৈছিল,—"এইবাৰলৈ তাইক ক্ষমা কৰক।" প্ৰধান শিক্ষয়িত্ৰী গৰাকী বিমোৰত পৰিল। এপিনে এলিনৰৰ কন্দা-কটা, অইনপিনে, এনে এটা সাংঘাতিক অপৰাধ! কিন্তু শেষত বহুত ভাবি চিন্তি ছোৱালীজনীক স্কুলৰপৰা উলিয়াই দিয়াকে স্থিৰ কৰিলে, কাৰণ এবাৰ তেওঁ এলিনৰৰ কথাতে সৈমান হৈ কাম কৰিলে অইন ছোৱালীবোৰেও আগলৈ এনে সুবিধা বিচাৰিব পাৰে।

এলিনৰক পৰীক্ষা কৰি চাই মেড্‌মোজেল চোৱেষ্টাৰ তেনেই নিৰাশ হৈ পৰিছিল। কাৰণ, আচলতে কবলৈ গলে এলিনৰৰ পঢ়াশুনা একেবাৰেই নাছিল। কিন্তু শিকিবৰ কাৰণে আগ্ৰহ দেখা পাই শিক্ষয়িত্ৰী গৰাকীয়ে ভাল পাইছিল। একে সময়তে এলিনৰে ফৰাচী ভাষা, জাৰ্মান ভাষা, ইটালিয়ান, ইংৰাজী সাহিত্য আৰু বুৰঞ্জী, পিয়ানো, ভায়োলিন আদি বজোৱা, নাচ, গান আদি সকলো শিকিব লগীয়া হ'ল। শিক্ষাৰ গধুৰ বোজা এটা এলিনৰৰ মূৰৰ ওপৰত পৰিল। মেড্‌মোজেল চোৱেষ্টাৰে এলিনৰৰ স্বাস্থ্যৰ উন্নতিৰ কাৰণেও চকু দিছিল। ক্ষীণ শৰীৰটো যাতে শক্তিশালী হয় তাৰ

বাবে প্ৰতিদিন ৰাতিপুৱা চাহ খোৱাৰ পিছত খোজ কাঢ়ি ফুৰিবলৈ দিছিল—আকৌ দুপৰীয়া খোৱাৰ পিছত দুঘণ্টামান ব্যায়াম কৰিবলৈ দিছিল। এলেন্সউডৰ স্কুলত এদিন অভাবনীয়ৰূপে তাইৰ জীৱনলৈ এটা সুখৰ দিন আহি পৰিল। হকি খেলিবলৈ ওলোৱা স্কুলৰ প্ৰথম দলটোত তাইৰ নামটোও আছিল। এই কথাটো লৈ এলিনৰে পিছত কৈছিল—"মই ভাবিছিলোঁ মই যেন এটা নতুন জীৱনহে আৰম্ভ কৰিছোঁ—জীৱনত প্ৰথমবাৰৰ কাৰণে মোৰ ভয় সংশয়ে মোক এৰা দিলে।"

এলিনৰে পঢ়াশুনাত লাগি গ'ল। যথেষ্টভাৱে পৰিশ্ৰম কৰি কেইমাহমানৰ ভিতৰতে তেওঁ অইন চোকা ছোৱালীবিলাকৰ লগ ধৰিলেহি। মেড্‌মোজেল চোৱেষ্টাৰে বুঢ়ীমাকলৈ পঠিওৱা প্ৰত্যেকখন চিঠিতে খবৰ দিছিল যে এলিনৰ পঢ়াত খুব ভাল। স্কুলত ৰচনা লিখোঁতে ৰচনাৰ মাজেদি এলিনৰৰ মনৰ ভাব ফুটি ওলাইছিল। মেড্‌মোজেল চোৱেষ্টাৰে ছোৱালীজনীৰ সৰল মনৰ পৰিচয় পাই আনন্দ পাইছিল। তেওঁ এলিনৰক দেখাত ধুনীয়া বুলিয়েই কৈছিল, কিন্তু এলিনৰে কথাষাৰ বিশ্বাস কৰা নাছিল। তাৰ বাহিৰেও এলিনৰৰ এটা বিশ্বাস আছিল যে ৰূপতকৈ চৰিত্ৰটোহে বেছি দৰ্কাৰী। এখন ৰচনাত এলিনৰে লিখিছিল—"এগৰাকী তিৰোতা দেখাত ধুনীয়া নহ'লেও সত্যবাদী আৰু সাধু স্বভাৱৰ যদি হয় তেন্তে সকলো মানুহেই তেওঁৰ প্ৰতি আকৃষ্ট হব আৰু সকলোৱেই তেওঁৰ পৰা উপকাৰ পাব।" অইন এঠাইত আকৌ লিখিছিল,—"বহুতৰ মতে উচ্চ আকাঙ্ক্ষা মনত ৰখাটো অন্যায়, কিন্তু মোৰ মতে ই এটা বৰ ডাঙৰ গুণ কাৰণ মানুহৰ উচ্চ আকাঙ্ক্ষা নাথাকিলে কোনেও একো ভাল কাম কৰিব নোৱাৰিলেহেঁতেন।"

লাহে লাহে এলিনৰৰ প্ৰতিপত্তি বাঢ়ি আহিল। মেড্‌মোজেল চোৱেষ্টাৰে আবেলি সময়ত প্ৰায়ে বাছি বাছি কেইজনীমান ছোৱালীক তেওঁৰ পঢ়া কোঠালৈ মাতি নি নানান্ বিষয়ৰ আলোচনা

কৰিছিল। এই সৰু দলটোত এলিনৰো যাব পৰা হ'ল। ইয়ালৈ গৈহে এলিনৰে বুজি পালে যে তাইৰ মনত ৰাখিবপৰা শক্তি খুব বেছি। এবাৰ শুনি ললেই ক'তো অকণো ভুল নোহোৱাকৈ কবিতা এটা মুখস্থ গাব পাৰে।

ৰাজনীতি আৰু সামাজিক সমস্যাবিলাকৰ আলোচনা কৰোঁতে মেড্‌মোজেল চোৱেষ্টাৰে খুব খোলাভাৱে আলোচনা কৰিছিল। তেওঁ নিজে বাছি লোৱা ছোৱালীকেইজনীৰ সৰু দলটোকো এই আলোচনাবোৰৰ অংশ লবৰ কাৰণে মাতি নিছিল। এলিনৰে অইনৰ বিষয়ত কৰা কোনো আলোচনাতেই ভাগ নলৈছিল। বাহিৰৰ বিৰাট পৃথিৱীখনৰ লগত তাইৰ কোনো সম্বন্ধ নাই বুলিয়েই বিশ্বাস কৰিছিল। কিন্তু এদিন প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে ক'লে,—"পৃথিৱীৰ চাৰিওপিনে কি হৈ আছে তাক যদি তুমি জানিবৰ চেষ্টা নকৰা তুমি কেতিয়াও সম্পূৰ্ণতা লাভ কৰিব নোৱাৰিবা। নিজৰ কাৰণেই মানুহ সংসাৰত জীয়াই থাকিব নালাগে অইনৰ উপকাৰত আহিবৰ কাৰণেও চেষ্টা কৰিব লাগে।" এইষাৰ কথা এলিনৰে নতুনকৈ শুনিলে—জীৱনৰ গতিত এই ভাৱধাৰাই নতুন অনুপ্ৰেৰণা যোগাই তেওঁৰ চকু মেল খুৱালে।

সাহসিকতাৰ অভাৱ আছিল যদিও এলিনৰে লণ্ডনলৈ অহাযোৱা কৰোঁতে প্ৰত্যেকটো বস্তুকেই নতুন চকুৰে চাবলৈ ধৰিলে। বস্তিত থকা মানুহবোৰ আৰু তেওঁলোকৰ বেমাৰী ল'ৰাছোৱালীবোৰৰ অৱস্থা দেখি তেওঁৰ মনত ভাব হৈছিল এই মানুহবোৰৰ অৱস্থা ভাল কৰিবলৈ আনে কিয় চেষ্টা কৰা নাই? নিজৰ খৰচৰ কাৰণে অহা পইছাও এলিনৰে কেতিয়াবা মগনীয়াবিলাকক বিলাই দিছিল।

মেড্‌মোজেল চোৱেষ্টাৰে এলিনৰৰ মনৰ স্বাধীন চিন্তাধাৰাক বঢ়াই তুলিবৰ কাৰণে নিজে লগত লৈ ফ্ৰান্স, ইটালী আদি ঠাইলৈ ফুৰাবলৈ নিছিল। এলিনৰে নিজৰ আৰু প্ৰধান শিক্ষয়িত্ৰীৰ কাপোৰকানি বন্ধামেলাৰ উপৰিও অহাযোৱাৰ সকলো বন্দৱস্ত, টিকেট আদিও

কিনিব লগীয়া হৈছিল। নতুন ঠাইবোৰত, মেড্‌মোজেল চোৱেষ্টাৰে তেওঁক অকলে ফুৰিবলৈ পঠিয়াই দিছিল। ষোল বছৰীয়া এলিনৰে কৈছিল, "ফ্লৰেন্স, ৰোম, পেৰিচ আদি ঠাইত মই অকলে ফুৰিবলৈ যাবলৈ অনুমতি পাইছিলোঁ। অচিনাকি ঠাইত বাট বিচাৰি লৈ মই নানান্ ধৰণৰ বস্তু চাই ফুৰিছিলোঁ, গধূলি ঘৰলৈ উভটি গৈ মেড্‌মোজেলক সকলো খবৰ দিছিলোগৈ।" এলিনৰে কেতিয়াবা মেড্‌মোজেল চোৱেষ্টাৰক তাইৰ লগত কিয়নো ফুৰিবলৈ নাযায়, প্ৰশ্ন কৰিছিল। কিন্তু প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে হাঁহি মাৰি কৈছিল, তেওঁ সেইবোৰ ঠাইলৈ আগতেও কেবাবাৰো গৈছে।

এলিনৰে অকলে ঘূৰি ফুৰোঁতে কেতিয়াবা অসুবিধাতো পৰিছিল। পেৰিচত অকলে ফুৰোঁতে এদিনাখন হঠাতে পৰিয়ালৰ বন্ধু মানুহ কেইজনমানক লগ পাইছিল। এলিনৰক অকলে ঘূৰি ফুৰা দেখি তেওঁলোকে অবাক হৈ প্ৰশ্ন কৰিছিল, "এলিনৰ, তোমাৰ লগৰীয়া গৰাকী ক'ত?" এলিনৰে লগত কাকো নিয়া নাই বুলি গম পাই তেওঁলোক লৰালৰিকৈ আঁতৰি গৈছিল। এনেকৈ বেয়া ধৰণেৰে অকলশৰে ঘূৰি ফুৰাৰ কথাটো বুঢ়ীমাক হললৈ চিঠি লিখি জনোৱাত তেওঁলোকে অকণো পলম কৰা নাছিল।

১৯০১ চনৰ গ্ৰীষ্মকালত হঠাতে বুঢ়ীমাকে এলিনৰক ঘৰলৈ মাতি পঠিয়ালে। ঘৰ আহি পোৱাত এলিনৰক তেওঁ কলে,—"তোমাৰ স্কুলীয়া শিক্ষা যথেষ্ট হ'ল। এতিয়া আৰু স্কুললৈ উভটি যাব নালাগে। অহাবছৰলৈ তোমাৰ ওঠৰ বছৰ সম্পূৰ্ণ হব। সমাজত ওলাই মেলি ফুৰিবলৈ এতিয়াৰপৰাই তুমি সাজু হবৰ হ'ল।" এলিনৰে বুঢ়ীমাকক বুজাবৰ চেষ্টা কৰিলে যে তাইৰ শিক্ষা এতিয়া আৰম্ভহে হৈছে, কিন্তু বুঢ়ীমাকে কোনোমতেই বিশ্বাস নকৰিলে।

এলিনৰে কিন্তু স্কুললৈ আকৌ উভটি যাবৰহে মন কৰিছিল। মেড্‌মোজেল চোৱেষ্টাৰক চিৰদিনৰ বাবে এৰি থৈ অহাৰ ভাবটোৱে মনত খুব দুঃখ দিছিল।

গৰমৰ বন্ধৰ দিনকেইটা তেনেই নিৰুৎসাহেৰে, অকণো স্ফূৰ্তি নোহোৱাকৈ এলিনৰে কটাই দিলে। শেষত বুঢ়ীমাকৰ মনটো কুমলিল, এলিনৰক মাতি আনি কলে,—"বাৰু, তুমি আৰু এবছৰৰ কাৰণে এলেন্সউডৰ স্কুললৈ যাব পাৰিবা কিন্তু তাৰ পিছত আৰু নোৱাৰা।"

এই তৃতীয় বছৰটোৱেই স্কুলত এলিনৰৰ শেষ বছৰ আছিল। সোনকালেই বছৰটো পাৰ হৈ গ'ল। '৯০১ চনত আমেৰিকাৰ প্ৰেছিডেণ্ট উইলিয়াম মেক্‌কিন্‌লেক হত্যা কৰাৰ পিছত; ভাইচ প্ৰেছিডেণ্ট, এলিনৰৰ বৰদেউতাক টেড্‌ আমেৰিকাৰ প্ৰেছিডেণ্ট হ'ল। আমেৰিকাৰ প্ৰেছিডেণ্টৰ ভতিজাক হিচাবে এলিনৰৰো এতিয়া নাম-যশ বাঢ়ি গ'ল। এলিনৰৰ নতুন অৱস্থাটোৱে তাইৰ আত্মবিশ্বাস বঢ়াই তুলিব পাৰিব বুলি ভাবি মেড্‌মোজেল চোৱেষ্টাৰেও খুব ভাল পাইছিল। এবাৰ কেইজনীমান ছোৱালীয়ে লণ্ডনৰ এগৰাকী হাতচোৱা মানুহৰ হতুৱাই নিজৰ নিজৰ ভাগ্য গণনা কৰাইছিল। এলিনৰৰ নাম শুনিয়েই ভৱিষ্যত বক্তা মানুহ গৰাকীয়ে তৎক্ষণাতে কৈছিল যে ভৱিষ্যতে এলিনৰে আমেৰিকাৰ প্ৰেছিডেণ্টৰ পত্নী হিচাবে, প্ৰেছিডেণ্টৰ বাসভৱন হোৱাইট হাউছত থাকিবলৈ পাব। লগৰ ছোৱালীবিলাকে চাপৰি বজাই আনন্দ কৰাত এলিনৰ লাজতে ভীষণ ৰঙা-চঙা পৰি গৈছিল।

আকৌ গৰমৰ বন্ধ আহিল। এলিনৰৰ মনত বেজাৰ, কাৰণ অলপতে তেওঁ মেড্‌মোজেল চোৱেষ্টাৰক একেবাৰে এৰি থৈ ঘৰলৈ উভটি যাব লাগিব। এলিনৰ আৰু মেডমোজেল চোৱেষ্টাৰ আকৌ এবাৰ ইউৰোপলৈ ফুৰিবলৈ ওলাল। এইবাৰ এলিনৰে বিমান পাৰে প্ৰাণ খুলি স্ফূৰ্তি কৰিলে। এলিনৰ ঘৰলৈ যাবগৈ কাৰণে মেড্‌মোজেল চোৱেষ্টাৰৰ মনটোও বেয়া। কাৰণ এই শান্ত ছোৱালীজনীলৈ তেওঁৰো এটা মায়া সোমাইছিল। এলিনৰে তেওঁৰ শিক্ষয়িত্ৰী গৰাকীক এৰি থৈ যাবলৈ কিমান যে বেয়া পাইছিল

তাক গল্পৰ ধৰণেৰে এঠাইত লিখি থৈছিল,—"সাগৰৰ পাৰত মই বহি আছিলোঁ। এনেতে সূৰ্য অস্ত গ'ল, চৌবোৰ আহি মোৰ ভৰিত লাগিছিলহি। হঠাতে মই মূৰ তুলি চাই দেখিলোঁ ডুব যোৱা ৰঙা সূৰ্যটো লাহে লাহে পানীলৈ নামি গৈছে। ঠিক পানীত লাগো লাগো হওঁতেই পানীৰপৰা এগৰাকী ধুনীয়া তিৰোতা ওলাই সূৰ্যটোক ধৰিবৰ কাৰণে হাত দুখন মেলি দিলে। তিৰোতা গৰাকীয়ে সোণালী চুলিকোছা জোকাৰি দিয়াৰ লগে লগে চাৰিওপিনৰ আকাশখনে সোণালী ৰং ধৰিলে। সূৰ্যটো লাহে লাহে কাষ চাপি আহি তিৰোতা গৰাকীৰ চুলিত লাগি পৰিলহি। তেওঁ পানীলৈ নামি যাওঁতে সূৰ্যটোও লগে লগে নামি গ'ল। চুলিকোছাই তিৰোতা গৰাকীক ঢাক খুৱাই পেলালে—মই আৰু একো নেদেখা হ'লো, মাত্ৰ পানীৰ ওপৰত এটা সোণালী বুৰবুৰণি দেখা পালোঁ—অলপ পিছতে সিয়ো নোহোৱা হৈ পৰিল।"

১৯০২ চনৰ গ্ৰীষ্ম কালত এলিনৰে চকুপানী টুকি প্ৰধান শিক্ষয়িত্ৰী মেড্‌মোজেল চোৱেষ্টাৰৰপৰা বিদায় লৈ ঘৰলৈ উলটিল। এলিনৰ আহি ঘৰ পোৱাৰ আগতেই বুঢ়ীমাক হলে মেড্‌মোজেল চোৱেষ্টাৰৰপৰা এখন চিঠি পালে। চিঠিখনত লেখা আছিল,—"স্কুলখনত এলিনৰৰ প্ৰভাৱ যথেষ্ট আছিল। সকলোৰেপৰাই মৰম আৰু সম্মান পাইছিল। তেওঁ যোৱাত মোৰ নিজৰো এজনী মৰমৰ বন্ধু নোহোৱা হৈ গ'ল যেন লাগিছে।"

ফ্রেঙ্কলিনৰ লগত সাক্ষাৎ

এলেন্সউডৰ স্কুলখন এৰি অহাৰ পিছত এবাৰ এলিনৰে ৰেলত উঠি নিউয়ৰ্কৰপৰা টিভলি চহৰলৈ যাত্ৰা কৰে। হাতত এখন বুৰঞ্জীৰ কিতাপ লৈ বহি আছিল, কিন্তু ৰেলৰ জোকাৰণিত একোকেই পঢ়িব পৰা নাছিল।

গোটেই বাটটো তেওঁৰ মৰমৰ শিক্ষয়িত্ৰী মেড্‌মোজেল চোৱেষ্টাৰৰ কথা ভাবি গৈছিল। বুঢ়ীমাকক ইমানকৈ বুজাই মেলিও পঢ়িবলৈ উভটি যাবৰ কাৰণে অনুমতি নাপালে। বুঢ়ীমাকে সদায় এটা কথাকে কৈ থাকে, "জীৱনত আগবাঢ়িবৰ কাৰণে তুমি কিছুমান সামাজিক নীতি-নিয়মহে জনাটো দৰ্কাৰ হৈ পৰিছে।" এলিনৰক সামাজিক অনুষ্ঠানবোৰত উলিয়াবৰ কাৰণেহে বুঢ়ীমাক ব্যস্ত হৈ পৰিছিল।

ৰাজহুৱা অনুষ্ঠানবোৰৰ তালিকাত এলিনৰৰ নামটো বুঢ়ীমাকে সদায় সুমুৱাই দিছিল। প্ৰথমবাৰ নাচলৈ যাওঁতে এলিনৰক তেওঁলোকৰে সম্বন্ধীয়া মানুহ হেন্‌ৰি পেৰিছ আৰু তেওঁৰ পৰিবাৰে লগত লৈ গৈছিল। তালৈ গৈ এলিনৰ তেনেই পেপুৱা লাগিছিল, কাৰণ তাত গোট খোৱা প্ৰায় সকলো মানুহেই ইজনে সিজনৰ লগত চিনাকি কিন্তু এলিনৰ আছিল সম্পূৰ্ণ অচিনাকি। সৌভাগ্য-ক্ৰমে, ৰবাৰ্ট ফাৰ্গুছন নামেৰে এজন চিনাকি ইংৰাজ মানুহে তেওঁৰ দুৰৱস্থাৰ কথা অনুভৱ কৰি কেইবাজনো ল'ৰাক তেওঁৰ লগত নাচিবলৈ মাতি আনিছিল। আকৌ এদিন এলিনৰৰ সম্মানাৰ্থেই থিয়েটাৰ, নাচগান আদিৰ আয়োজন কৰা হৈছিল। ধুনীয়া ধুনীয়া পেৰিছত

তৈয়াৰী কাপোৰবোৰ পিন্ধি ভাল পাইছিল যদিও এই সামাজিক জীৱনে এলিনৰক তিতা-কেঁহা লগাইছিল।

বুঢ়ীমাক হ'লে নিজৰ ল'ৰা দুটাক লৈহে বৰ চিন্তাত পৰিব লগীয়া হৈছিল—দুয়োজনেই সাংঘাটিকভাৱে মদ খায়। এলিনৰেও নিজৰ বন্ধুবান্ধৱক ঘৰলৈ আনিবলৈ ভয় কৰিছিল, কাৰণ যি কোনো মুহূৰ্ত্তত মদপী মোমায়েক দুজনে কোঠাত সোমাই অসভ্যামি কৰিব পাৰে। এবাৰ কেইদিনমানৰ কাৰণে দুগৰাকী বন্ধুক ঘৰলৈ আনিছিল, কিন্তু অনবৰতে এলিনৰৰ মনত দুশ্চিন্তা হৈছিল, কি জানিবা মোমায়েকহঁতে কিবা গোলমাল কৰেই।

বাৰ বছৰীয়া ভায়েক হ'লে মোমায়েকক খুব ভয় কৰিছিল। বুঢ়ীমাকে হলক এখন স্কুলত থোৱাৰ বন্দৱস্ত কৰিলে। গোটেই দায়িত্ব এলিনৰৰ ওপৰতে পৰিল। স্কুলত নাম লগোৱাৰপৰা শিক্ষকৰ লগত ভায়েকৰ বিষয়ে সকলো কথা-বতৰা আদি হোৱাৰ ভাৰ মাক এজনীৰ দৰেই এলিনৰে নিজৰ হাতত তুলি ল'লে। বুঢ়ীমাকৰ ইচ্ছামতে এলিনৰে নিজেও গৈ মাহীয়েক পুহীৰ লগত চহৰত থাকিব লগীয়া হ'ল আৰু মাজে সময়ে তেওঁলোকৰ সম্বন্ধীয়া মানুহ পেৰিছ পৰিয়ালৰ লগত সামাজিক অনুষ্ঠানবোৰত যোগদান কৰিব লগীয়াও হ'ল।

বেলত বহি এলিনৰে এইবোৰ কথাকে গোটেই বাটটো ভাবি গৈছিল। হঠাতে তেওঁ বহা ঠাইলৈ উঠি আহি হালধীয়া চুলিৰ এজন ধুনীয়া ডেকাই মাত লগালে—"অ' এলিনৰ দেখোন।" এইজনেই আছিল এলিনৰৰ খুৰাকৰ পুতেক, হাইড্ পাৰ্কত থকা ফ্ৰেঙ্কলিন ৰুজভেল্ট। হাঁহি এটা মাৰি এলিনৰেও আগ্ৰহেৰে ক'লে—"এৰা ফ্ৰেঙ্কলিন।" ডেকাজনে সুধিলে—"তোমাৰ দেখিছো মোলৈ এতিয়াও মনত আছে।" "নিশ্চয় মনত আছে"—এলিনৰে উত্তৰ দিলে। ফ্ৰেঙ্কলিনক অৱশ্যে তেওঁ বহু বছৰেই দেখা নাছিল। ফ্ৰেঙ্কলিন এতিয়া ওখ-পাখ ক্ষীণ ধৰণৰ, ঠিক হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ

"তোমাৰ দেখিছো মোলৈ এতিয়াও মনত আছে।"

ছাত্ৰ যেনেই দেখি। এলিনৰে ফ্ৰেঙ্কলিনক ঘৰুৱা খবৰ-বাতৰি সুধিলে। প্ৰায় দুবছৰ হ'ল ফ্ৰেঙ্কলিনৰ দেউতাক ঢুকাইছে। সেই গাড়ীতেই অহা মাকৰ লগত পৰিচয় কৰি দিবলৈ ফ্ৰেঙ্কলিনে এলিনৰক লৈ গ'ল।

মিছেছ জেম্‌চ্ কজভেল্টে এলিনৰক লগ পাই ভাল পালে।

এলিনৰৰ ঘৰৰ খবৰ ললে। বেল আহি হাইড্ পাৰ্কত ব'লহি। মিছেছ কজভেল্টে এলিনৰক মাজে সময়ে তেওঁৰ ঘৰলৈ আহিবৰ বাবে নিমন্ত্ৰণ কৰি গাড়ীৰপৰা নামি গ'ল।

ইয়াৰ পিছত আকৌ এবাৰ এলিনৰে এটা নাচত ফ্ৰেঙ্কলিনক লগ পাইছিল। নানান্ অনুষ্ঠানলৈ আহি ফ্ৰেঙ্কলিনে এলিনৰক লগ ধৰেহি। এবাৰ হাইড্ পাৰ্কত এটা ঘৰুৱা ভোজলৈও এলিনৰক নিমন্ত্ৰণ কৰি নিছিল। তালৈ কেইবাজনীও ধুনীয়া ছোৱালী আহিছিল, কিন্তু দেখা গ'ল বেছি ভাগ সময় ফ্ৰেঙ্কলিন এলিনৰৰ লগতহে আছিল।

সদায় ভোজ, নাচ গানৰ মাজত নিজকে আৱদ্ধ ৰাখি এলিনৰৰ ভাল নলগা হ'ল—কিবা এটা কামত তেওঁ লাগিব খুজিলে। বুঢ়ীমাকৰ আপত্তি থকা স্বত্তেও তেওঁ অৱস্থাপন্ন ঘৰৰ তিৰোতাসকলে গোট খাই পতা এটা সংস্থাত যোগ দিলে। এই অনুষ্ঠানটোৱে নিউয়ৰ্কৰ দুখীয়া তিৰোতা আৰু ল'ৰাছোৱালীবিলাকে কাম কৰা কাৰখানাবোৰৰ দুঃখলগা ব্যৱস্থাৰ বিষয়ে, সুবিধা অসুবিধাৰ কথা অনুসন্ধান কৰে। বহুতো কাৰখানালৈ গৈ এলিনৰে তাৰ কৰ্মীসকলৰ স্বাস্থ্য, নিৰাপত্তা আদি ৰক্ষাৰ বাবে যত্ন কৰিছিল। ৰিভিংটন নামৰ এডোখৰ লেতেৰা, জনবহুল বস্তি অঞ্চলত এলিনৰে ল'ৰা-ছোৱালীবোৰক নাচ শিকাবলৈ আৰম্ভ কৰিলে।

এদিনাখন ফ্ৰেঙ্কলিনে ৰিভিংটনলৈ আহি নাচৰ ক্লাছ শেষ হোৱাৰ পিছত এলিনৰক গাড়ীত তুলি ফুৰাবলৈ লৈ গৈছিল। তাকে দেখি অকণ অকণ ল'ৰাছোৱালীবোৰে চিঞৰি বাখৰি এলিনৰক জোকাবলৈ ধৰিছিল। লাজতে এলিনৰ ৰঙা পৰিছিল কিন্তু ফ্ৰেঙ্কলিনে ডাঙৰকৈ হাঁহিছিলহে।

আকৌ এবাৰ সৰু ছোৱালী এজনীৰ অসুখ হওঁতে এলিনৰে ফ্ৰেঙ্কলিনৰ সৈতে ধৰি মেলি ছোৱালীজনীক ঘৰলৈ লৈ গৈছিল। ছোৱালীজনীৰ পঁজা ঘৰৰ শোচনীয় অৱস্থা দেখি ফ্ৰেঙ্কলিনে অবাক

হৈ কৈছিল,—"কি আচৰিত, কোনোবাই যে এনে ধৰণেৰে থাকিব পাৰে মই ভাবিবই পৰা নাছিলোঁ।"

ফ্ৰেঙ্কলিনে সৰুৰেপৰা অভাব দেখা নাছিল। ল'ৰাকালডোখৰ সুখ আৰু আৰামৰ মাজেদিয়েই পাৰ হৈছিল। তেওঁৰ দেউতাক কেইবাটাও ৰেল কোম্পানীৰ ডিৰেক্টৰ—মাক ছাৰা ডিলানো আছিল কোটীপতি ৱাৰেণ ডিলানোৰ জীয়েক। ৱাৰেণ ডিলানোৰ চীন দেশৰ লগত বিৰাট বেহা বেপাৰৰ সম্বন্ধ। ফ্ৰেঙ্কলিনেও সৰুৰে-পৰাই অভাব বুজিবলৈ বা দাৰিদ্ৰতাৰ মুখামুখি হবলৈ সুযোগ পোৱা নাছিল।

১৯০৩ চনৰ শেষৰ ফালে এলিনৰে ভায়েক হলক লগ পাবৰ কাৰণে গ্ৰটন্ স্কুললৈ যায়। তাতেই ফ্ৰেঙ্কলিনে আহি তেওঁক লগ ধৰেহি আৰু বিয়া কৰাবৰ কাৰণে প্ৰস্তাৱ দাঙি ধৰে। এলিনৰে আগ্ৰহেৰে সম্মতি জনালে; কিন্তু খবৰটো ফ্ৰেঙ্কলিনে মাকক দিয়াৰ লগে লগে মাক চক খাই উঠিল। সেই সময়ত ফ্ৰেঙ্কলিনৰ বয়স একৈশ বছৰ আৰু এলিনৰৰ বয়স আছিল উনৈশ বছৰ। ইমান কম বয়সতে বিয়া কৰাব খোজাত মাকে আপত্তি কৰিলে।

ফ্ৰেঙ্কলিনৰ মাক ছাৰা ৰুজভেল্টৰ এই বিয়াত আপত্তি থকাৰ কথা গম পাই এলিনৰে তেওঁলৈ এখন চিঠি লিখিলে,—"মনৰ অৱস্থা কেনে ধৰণৰ হৈছে তাক মই বুজিব পাৰিছোঁ। খবৰটো শুনি আপুনি কিমান কষ্ট পাইছে তাকো মই অনুমান কৰিছোঁ। কিন্তু মোৰ অনুৰোধ আপুনি মোক ভাল পাবৰ কাৰণে অকণমান চেষ্টা কৰক। এটা কথা আপোনাক মই জনাই থওঁ যে, আগলৈ আপুনি যিহকে ভাল পায় তাকে কৰিবৰ কাৰণে মই সদায় চেষ্টা কৰিম। আপনাক মই সঁচাকৈয়ে ভাল পাওঁ।"

মাকৰ হেঁচাত পৰি ফ্ৰেঙ্কলিন আৰু এলিনৰে তেওঁলোকৰ বিয়াৰ খবৰটো আপাততঃ বন্ধ কৰি ৰাখিলে। ফ্ৰেঙ্কলিন সেই সময়ত হাৰ্ভাৰ্ডৰপৰা ওলোৱা এখন কাগজৰ সম্পাদক হিচাবে খুব ব্যস্ত হৈ

পৰিছিল। অইনপিনে এলিনৰেও সামাজিক কামবোৰত আৰম্ভ হৈ আছিল। বিয়াখন পিছুৱাই দিয়াত কোনেও সেইকাৰণে বিশেষ আপত্তি নকৰিলে। ১৯০৪ চনত ফেব্ৰুৱাৰী মাহত ছাৰা ৰুজভেল্টে পুতেক ফ্ৰেঙ্কলিন আৰু তেওঁৰ লগৰীয়া এজনক লৈ ছ সপ্তাহৰ কাৰণে পশ্চিম ভাৰতীয় দ্বীপপুঞ্জলৈ ফুৰিবলৈ গ'ল। মাকৰ মনত আশা, এই কেইদিন নেদেখাকৈ থাকিলেই পুতেকে এলিনৰক পাহৰি যাব।

এই সময়খিনিতে এলিনৰেও হোৱাইত হাউছত থকা ৰবদেউতাক টেডক লগ পাবৰ কাৰণে ৱাছিংটনলৈ যাত্ৰা কৰিলে। পেহীয়েক বাঈকো লগ পালেগৈ, কাৰণ তেওঁ হোৱাইত হাউছৰ নিচেই ওচৰতে থাকে। ৰবদেউতাক টেড্ আবেলি সময়ত প্ৰায়ে ভনীয়েকৰ ঘৰলৈ যায়। এলিনৰ আৰু বাঈৰ লগত বহি দেশৰ নানান্ সমস্যাৰ কথা আলোচনা কৰে—জাপান আৰু ৰাছিয়াৰ সম্বন্ধ, টেডে আকৌ এবাৰ প্ৰেছিডেণ্ট পদৰ প্ৰাৰ্থী হব নে নহয়, কোম্পানীবিলাকে যাতে ব্যৱসায়ত একচেটীয়া অধিকাৰ পাব নোৱাৰে তাৰ বাবে তেওঁ যি যুঁজ চলাইছে—ইত্যাদি অনেক কথাৰ আলোচনা হয়।

ইতিমধ্যে ছাৰা ৰুজভেল্টৰ ফুৰাও শেষ হ'ল, এই সময় ছোৱাত তেওঁ লক্ষ্য কৰিছিল যে পুতেক ফ্ৰেঙ্কলিনৰ মনৰ আনন্দ বা উৎসাহ একোৱেই নাই। মাকে বুজিব পাৰিলে ফ্ৰেঙ্কলিনে এলিনৰক পাহৰা নাই। এলিনৰক যাতে আকৌ লগ পাব নোৱাৰে তাৰ বাবে তেওঁ এইবাৰ পুতেকৰ সৈতে নিউয়ৰ্কলৈ নগৈ ৱাছিংটনলৈ আহিল। ফ্ৰেঙ্কলিনক লণ্ডনত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূতৰ চেক্ৰেটাৰী কৰি লণ্ডনলৈ পঠিয়াবৰ কাৰণে মাকে কেইবাজনো মুখিয়াল মানুহক ধৰা মেলা কৰিলে। কিন্তু শেষত ক'তো একো সুবিধা কৰিব নোৱাৰিলে। অইনপিনে ফ্ৰেঙ্কলিনেও গম পালে যে এলিনৰ ৱাছিংটনতে আছে। গম পোৱা মাত্ৰকেই তেওঁ পেহীয়েকৰ ঘৰলৈ গৈ এলিনৰক লগ ধৰিলেগৈ। মাকে শেষত বুজি পালে যে এলিনৰ আৰু ফ্ৰেঙ্কলিনক কোনো ৰকমেই আঁতৰাই ৰখাটো সম্ভৱপৰ নহব। উপায় নাপাই

তেওঁ এলিনৰক মাতি আনি নিজৰ সন্মতি আৰু আশীৰ্বাদ জনালে।

বৰদেউতাক টেডে এলিনৰ আৰু ফ্ৰেঙ্কলিনৰ বিয়াৰ খবৰ পাই বৰ আনন্দ পালে। তেওঁ দুয়োকো হোৱাইত হাউছত খাবৰ কাৰণে নিমন্ত্ৰণ জনালে। ফ্ৰেঙ্কলিনক দেখাৰ লগে লগেই তেওঁ মৰমতে ফ্ৰেঙ্কলিনৰ হাতখন জোৰেৰে সাৰটি ধৰিলে। বিয়াৰ দিনা কন্যাদানৰ দায়িত্বটোও তেওঁৱেই ললে।

খোৱাৰ সময়ত বৰদেউতাক টেডে আধা খোৱাকৈ উঠি চৰকাৰ সম্বন্ধীয় এটা অতি আমনি লগা কথা আলোচনা কৰিব লগীয়াত পৰিছিল। ফ্ৰেঙ্কলিনে অবাক হৈ তেওঁৰ পিনে চাই আছিল, পিছত এলিনৰক কৈছিল—"বুৰঞ্জী তৈয়াৰ হৈ থাকোঁতেই চাবলৈ কিমান ৰোমাঞ্চকৰ যেন লাগে!"

১৯০৫ চনৰ ১৭ মাৰ্চৰ দিনা তেওঁলোকৰ বিয়া হয়। ৪ মাৰ্চৰ দিনা এলিনৰ আৰু ফ্ৰেঙ্কলিনে বৰদেউতাক টেডৰ শপথ গ্ৰহণৰ অনুষ্ঠানত যোগ দিয়ে। হোৱাইত হাউছত তেওঁলোক দুয়ো বৰদেউতাকৰ সৈতে একেলগে দুপৰীয়াৰ আহাৰ খাই নিৰ্ধাৰিত ঠাইত বহি শোভাযাত্ৰা, পেৰেড্ আদি চাই আছিল।

নিউয়ৰ্কৰ সকলো নেতৃস্থানীয় মানুহেই এলিনৰৰ বিয়ালৈ আহিছিল। বিয়াখন হৈছিল এলিনৰৰ সম্বন্ধীয় ককায়েক হেন্‌ৰি পেৰিছৰ ঘৰত। আমেৰিকাৰ প্ৰেছিডেণ্টক চাবৰ কাৰণে চাৰিওপিনে মানুহে ভৰি পৰিছিল, পুলিচেও মানুহক আঁতৰাই ৰাখিবৰ কাৰণে অনবৰতে চেষ্টা কৰিছিল। অৱশেষত এখন খোলা গাড়ীত উঠি বৰদেউতাক টেড্ আহিল, জনতাইও তেওঁক দেখা পাই জয়ধ্বনি দিবলৈ ধৰিলে।

বিয়াৰ সময়খিনিত এলিনৰ শান্তভাৱে গহীন হৈ আছিল। কিন্তু ফ্ৰেঙ্কলিন ইমান উত্তেজিত হৈ পৰিছিল যে পুৰোহিতজনে তেওঁক নিৰিবিলি ঠাই এডোখৰলৈ লৈ গৈহে শান্ত কৰিব পাৰিছিল। বিয়াৰ শোভাযাত্ৰা আৰম্ভ হবৰ সময়ত এলিনৰ বৰদেউতাকৰ লগত তললৈ

নামি আহিল। বহু বছৰৰ আগতে বুঢ়ীমাক হলে যিটো বগা ছাটিনৰ পোছাক পিন্ধি বিয়াত বহিছিল সেইটো পোছাককে এলিনৰেও পিন্ধিছিল। মাকে বিয়াৰ দিনা পিন্ধা অলঙ্কাৰবোৰকেই এলিনৰেও পিন্ধিছিল। বাজনাৰ শব্দ আৰু মানুহৰ হেচাঠেলাত উপস্থিত অতিথিসকলে বিযাৰ মন্ত্ৰবোৰ ভালকৈ শুনিবলৈ নাপালে। বিযাৰ অনুষ্ঠান শেষ হ'ল। বৰদেউতাক টেডে এলিনৰক মৰমেৰে চুমা এটা খালে। ফ্ৰেঙ্কলিনক শুভেচ্ছা জনাই ক'লে,—"ৰুজভেল্ট পৰিযালৰ নাম তুমিযে ৰাখিছা কাৰণে মই বৰ আনন্দ পাইছো।" এইবাৰ সকলোৱে খোৱা কোঠাৰ মেজৰ পিনে আগবাঢ়ি গ'ল। প্ৰত্যেকখন মেজতে নানান ধৰণৰ সুখাদ্য সজাই থোৱা আছিল। সকলোৰে শেষত এলিনৰ আৰু ফ্ৰেঙ্কলিনো খোৱাৰ কোঠালৈ সোমাই গ'ল। বৰদেউতাকে সোনকালেই খোৱা শেষ কৰি যাব লগীয়াত পৰিল। কাৰণ তেতিয়াই তেওঁৰ এঠাইত বক্তৃতা দিব লগীয়া কথা আছিল।

বিয়া হৈ গ'ল যদিও পাছৰ বছৰ গৰমৰ দিনলৈকে তেওঁলোক ৰ'ব লগীয়া হ'ল মধুচন্দ্ৰমাৰ তিথি পালনৰ বাবে। ফ্ৰেঙ্কলিনে হাৰ্ভাৰ্দৰপৰা বি. এ পাছ কৰি কলাম্বিয়া বিশ্ববিদ্যালয়ত আইন পঢ়িছিল। কলেজ বন্ধ নোহোৱালৈকে ক'লৈকো যোৱাটো তেওঁৰ পক্ষে সম্ভৱপৰ নাছিল। এলিনৰে তেওঁৰ ধুনীয়া স্বামীজনক মেড্‌মোজেল চোৱেষ্টাৰক দেখুৱাবৰ কাৰণে বৰ আশা কৰিছিল। কিন্তু বিয়াৰ কেইমাহমানৰ আগতেই তেওঁৰ মৰমৰ শিক্ষয়িত্ৰী গৰাকীৰ মৃত্যু হৈছিল।

এবছৰৰ মূৰত মধুচন্দ্ৰমাৰ সময় ছোৱাত বিশ বছৰীয়া এলিনৰে তেওঁৰ স্বামীৰ বিষয়ে আৰু নিজৰ বিষয়েও বহুতো কথা জানিব পাৰিলে। তেওঁৰ স্বামীয়ে ৰাতি টোপনিতে ভয় খাই উঠে; কেতিয়াবা গোটেই ৰাতি টোপনিতে খোজকাঢ়ি ফুৰে। এদিন ৰাতি চিঞৰ বাখৰ শুনি চক্‌খাই সাৰ পাই উঠি এলিনৰে শুনিলে, ফ্ৰেঙ্কলিনে টোপনিতে কৈ আছে,—"ঘূৰি থকা সৌ পোহৰৰ

ৰেখাটো দেখা নাই নে? সকলোকে জগাই দিয়া নহ'লে সকলো মৰিব।" আকৌ এদিন টোপনিত খিড়িকি খুলি বগাই ওলাই যাব খুজিছিল। এলিনৰে টানি আনি কোনোমতেহে ৰখালে। কিন্তু পিছদিনা ৰাতিপুৱালৈ ৰাতিৰ কোনো কথাই ফ্ৰেঙ্কলিনৰ মনত নাথাকে।

স্কটলেণ্ডলৈ যাওঁতে ফ্ৰেঙ্কলিনে এলিনৰক এটা কোট কিনি আনি দিছিল, সেই কোটটো প্ৰায় পচপন্ন বছৰৰ পিছত আজিও এলিনৰ ৰুজভেল্টৰ গাত দেখা যায়। ইয়াতেই এদিন এলিনৰে বৰ লাজ পাব লগীয়া অৱস্থা এটাতো পৰিছিল। কেৱা গৰাকীও তিৰোতাৰ মেল এখনত হঠাতে এগৰাকীয়ে এলিনৰক সুধিছিল,—"মোক এটা কথা বাৰু বুজাই কোৱাচোন আইটি, জাতীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজত নো প্ৰাৰ্থক্য কিহত?"

এলিনৰে বুজাবৰ চেষ্টা কৰিও একোৱেই কব নোৱাৰিলে। আমেৰিকাৰ প্ৰেছিডেণ্টৰ ভতিজা জীয়েক হৈ আমেৰিকাৰ শাসন প্ৰণালীৰ বিষয়ে একো নজনাটো কিমান লাজলগা কথা! ফ্ৰেঙ্কলিনে জানিবা কোনোমতে তেওঁক ৰক্ষা কৰিলে। এলিনৰক সোধা সকলো প্ৰশ্নৰ উত্তৰ তেওঁৱেই দি গ'ল। এলিনৰেও মনতে স্থিৰ কৰিলে ঘৰলৈ উভতি গৈ দেশৰ শাসনব্যৱস্থাৰ বিষয়ে ভালকৈ অধ্যয়ন কৰিব লাগিব। পিছৰ জীৱনত এলিনৰে কৈছিল—"সেই কালত তিৰোতাসকলে দেশৰ চৰকাৰৰ বিষয়ে কোনো কথাকে জনাটো আৱশ্যক বোধ নকৰিছিল। বৰঞ্চ এইবিলাক কথা নজনাটোকহে তেওঁলোকে গৰ্বৰ কথা বুলি ভাবিছিল।

এলিনৰৰ সৰু বয়সত; স্কুলত থকা অৱস্থাত মেড্‌মোজেল চোৱেষ্টাৰে সাহিত্য, বুৰঞ্জী আদিৰ প্ৰতি তেওঁৰ ৰাপ বঢ়াৰ বাহিৰেও অইনৰ জীৱনত সহায় কৰিব পৰাটো যে কিমান ডাঙৰ গুণ তাৰ প্ৰতিও এলিনৰৰ মন আকৃষ্ট কৰিছিল। কিন্তু ইমানতেই শেষ নাছিল। ভৱিষ্যতে নিজৰ ব্যক্তিত্ব আৰু সমাজ সেৱাই বহুমুখী প্ৰসাৰ লাভ কৰিবৰ বাবে এলিনৰে নিজেই সকলো ভাৰ ললে।

স্ত্ৰী আৰু মাতৃৰূপত এলিনৰ

বিয়াৰ কাৰণে এলিনৰ মুঠেই প্ৰস্তুত নাছিল। ঘৰ এখন চলোৱা বা ল'ৰাছোৱালীৰ যত্ন লোৱা আদিৰ বিষয়ে তেওঁ একোৱেই নাজানিছিল। হঠাতে সংসাৰৰ দায়িত্ব অনভিজ্ঞ হাতত তুলি লব লগীয়া হ'ল। প্ৰথম ছোৱালী এন্নাৰ জন্মৰ পিছত এদিনাখন এলিনৰে খিড়িকিখনৰ বাহিৰ পিনে এটা বাকচত কেঁচুৱাটো শুৱাই থৈছিল। অকণমানি ছোৱালীজনীয়ে খুব চিঞৰিছিল কিন্তু এলিনৰে কোলাত তুলি লোৱা নাছিল; কাৰণ তেওঁ কোনোবা এখন কিতাপত পঢ়িছিল যে শিক্ষিতা মাকসকলে কান্দিলেই কেঁচুৱাক কোলাত তুলি নলয়!

দুঘণ্টামানলৈকে এন্নাৰ কান্দোন বন্ধ হোৱা নাছিল। এনেতে বেৰত থকা টেলিফোনটো বাজি উঠিল। কোনোবা এজনে খঙেৰে কবলৈ ধৰিলে, "কেঁচুৱাটোক ইমান দেৰীলৈ কন্দুৱাই আছা—তুমি কেনে ধৰণৰ মাকহে? মই এতিয়াই গৈ ল'ৰাছোৱালীক নিষ্ঠুৰ ব্যৱহাৰ কৰা বাবে তোমাৰ বিপক্ষে গোচৰ দিমগৈ।"

নিজৰ অজ্ঞতাৰ বিষয়ে গম পাই এলিনৰে কেঁচুৱাটোক ভিতৰলৈ লৈ গ'ল। ল'ৰাছোৱালীৰ কাৰণেই এলিনৰে পৰিচাৰিকা ৰাখিব লগীয়া হ'ল। পৰিচাৰিকা আহিয়েই গম পাইছিল এলিনৰে যে ল'ৰাছোৱালীৰ যত্নৰ বিষয়ে একো কথাই নাজানে। সুবিধা পালেই তেওঁলোকে ল'ৰাছোৱালীৰ লগতে মাককো হুকুম দিবৰ চেষ্টা কৰিছিল। ল'ৰাছোৱালী কেইটাকো বহুত সময়ত বিনাদোষতে শাস্তি দিছিল। লৰাছোৱালীক কঠোৰভাৱে শাসন কৰা দেখিলে কেতিয়াবা এলিনৰে মাত দিলেই পৰিচাৰিকাসকলে তেওঁক চকুপকাই খঙেৰে উত্তৰ

দিছিল। বহু বছৰৰ পিছত এলিনৰে কৈছিল,—"আয়া ৰাখিবৰ কাৰণে মোৰ হাতত টকা পইছা নথকা হ'লে মোৰ ল'ৰাছোৱালী কেইটাৰ কেঁচুৱা কালডোখৰ যথেষ্ট সুখৰ হ'লহেঁতেন।"

এলিনৰ আৰু ফ্রেঙ্কলিনে পৈতৃক সম্পত্তিৰপৰা যথেষ্ট টকা পাইছিল। আমেৰিকাৰ ধনী পৰিয়ালবোৰৰ দৰেই তেওঁলোকৰ থকা-মেলাৰ ধৰণো ওখ খাপৰ আছিল। তাৰ বাহিৰেও বিয়াৰ পিছৰ কেইবছৰ ফ্রেঙ্কলিনৰ মাকে এলিনৰক কেঁচুৱা ছোৱালী এজনীৰ দৰেই ব্যৱহাৰ কৰিছিল। এলিনৰ আৰু ফ্রেঙ্কলিন য'তেই থাকক মাকে চাকৰবাকৰৰ বন্দৱস্ত কৰি দিছিল আৰু দিনটোৰ ভিতৰত এবাৰ অন্ততঃ এলিনৰে শাহুৱেকৰ লগত বহি খাব লাগিছিল। বিয়াৰ অলপ দিনৰ পিছতেই ছাৰা ৰুজভেল্টে নিউয়র্ক চহৰত ওচৰা-ওচৰিকৈ দুটা ঘৰ সজালে—এটা তেওঁৰ নিজৰ কাৰণে আৰু আনটো এলিনৰ আৰু ফ্রেঙ্কলিনৰ কাৰণে। বেৰখন আঁতৰাই দিলেই দুয়োটা ঘৰ এক হৈ পৰে। তাৰ ফলত এলিনৰৰ ব্যক্তিগত জীৱনটো একেবাৰেই নোহোৱা হৈ পৰিল। নিজৰ ওপৰত ইমান দিনে যিকণ বিশ্বাস হৈছিল সেইয়াও লাহে লাহে নোহোৱা হৈ পৰিল। এই আত্মবিশ্বাস ঘূৰাই আনিবৰ কাৰণে এলিনৰৰ বহুত বছৰ লাগিছিল।

প্রত্যেকটো কথাকে সুধিবৰ বাবে এলিনৰ শাহুৱেকৰ ওচৰলৈ লৰ মাৰে—নিজে একোকে কৰিব নোৱাৰে। শাহুৱেকে ইচ্ছা নকৰিলে কোনো বস্তুকে খুজিবলৈ সাহ নকৰে। ১৯০৭ আৰু ১৯০৯ চনত এলিনৰৰ দ্বিতীয় আৰু তৃতীয় ল'ৰা দুটাৰ জন্ম হয়। তৃতীয়টো ল'ৰাৰ নাম এলিনৰে ৰাখিছিল ফ্রেঙ্কলিন, কিন্তু জন্মৰ ছমাহৰ পিছতে জ্বৰ হৈ ল'ৰাটিৰ মৃত্যু হয়। এলিনৰে খুব শোক পালে—এই ঘটনাই আকৌ এবাৰ তেওঁক সৰু কালৰ দুঃখৰ দিন-বোৰৰ কথা মনত পেলাই দিলে, মাকদেউতাক আৰু সৰু ভায়েক এলিৰ মৃত্যুৰ পিছৰ দিনবোৰ তেওঁৰ জীৱনলৈ ঘূৰি আহিল।

এদিনাখন ফ্রেঙ্কলিনে কামৰপৰা উভটি আহি দেখে যে এলিনৰে

কান্দি আছে। ফ্রেঙ্কলিনে অবাক হৈ কন্দাৰ কাৰণ সোধাত এলিনৰে স্পষ্টভাৱে ক'লে,—"মই আৰু এই ঘৰত নাথাকো। এইটো মোৰ ঘৰ নহয়, মই ঘৰটো সজোৱাও নাই, এনে এটা ঘৰ মই বিচৰাও নাছিলোঁ।"

ফ্রেঙ্কলিনে প্ৰথমবাৰৰ কাৰণে বুজি পালে যে এলিনৰে এইখন ঘৰত বান্ধোনৰ মাজত থকা যেন পাইছে। কথাটো পাতলাবৰ কাৰণে ফ্রেঙ্কলিনে ক'লে—"মাৰ কথাবোৰত তুমি বৰকৈ নধৰিবা।" মাকক ফ্রেঙ্কলিনে খুব ভাল পাইছিল, কিন্তু অইনপিনে আন এটা কথাও বুজি পাইছিল যে এলিনৰকো কিছু স্বাধীনতা দিয়াৰ দৰ্কাৰ।

এলিনৰ আৰু এটা সমস্যাৰ সম্মুখীন হৈছিল। আগৰেপৰা তেওঁৰ এটা বিশ্বাস আছিল যে প্ৰত্যেক গৰাকী তিৰোতাই স্বামীৰ ভাল পোৱা কামবোৰতেই নিজৰো মন বহুৱাটো উচিত। ফ্রেঙ্কলিনে আপুৰুগীয়া কিতাপ-পত্ৰ, ষ্টাম্প্, জাহাজৰ ছবি আদি গোটাই ভাল পাইছিল। এলিনৰেও এইবোৰ বস্তু ভাল পাবলৈ চেষ্টা কৰিলে কিন্তু কেইদিনমানৰ ভিতৰতেই তেওঁৰ আমনি লাগিল। এলিনৰৰ মনত ভাব হ'ল তেওঁৰ নিজৰ গাতে নিশ্চয় কিবা দোষ আছে। ফ্রেঙ্কলিনে তেওঁৰ কেম্প'বেলো দ্বীপত থকা গ্ৰীষ্ম নিবাসত গল্ফ্ খেলিবৰ কাৰণে ঠাই এডোখৰ ভালকৈ উলিওৱাত এলিনৰেও গল্ফ্ খেলিবলৈ লাগি গ'ল। কিন্তু এদিন এলিনৰে বাৰে বাৰে চেষ্টা কৰিও বলটো গাঁতত ভৰাব নোৱাৰা দেখা পাই ফ্রেঙ্কলিনৰ মুখৰ হাঁহি নোহোৱা হৈছিল। হঠাতে এলিনৰৰ ৰঙা পৰা মুখখনলৈ চাই কৈ পেলালে—"এলিনৰ তুমি বাৰু অইন ধৰণৰ খেলাবোৰত মন নিদিয়া কিয় ?"

আকৌ এবাৰৰ কথা। ফ্রেঙ্কলিনে মটৰ চলাই ভাল পাইছিল। এলিনৰেও সেইকাৰণে মটৰ চলাবলৈ শিকিলে ; কিন্তু এদিন মটৰেৰে খুন্দিয়াই গেটখনৰ খুটা ছুটা আৰু বাৰান্দাৰ একাল ভাঙি পেলালে। এই দুৰ্ঘটনাটোৰ কাৰণে তেওঁ ইমান বেয়া পাইছিল যে

কেবাবছৰলৈকে তেওঁ আৰু মটৰত হাত দিয়া নাছিল।

গল্‌ফ্‌ খেল আৰু মটৰৰ অভিজ্ঞতাৰপৰা তেওঁৰ এটা ভাল শিক্ষা হ'ল। এলিনৰে এইবাৰ বুজি পালে যে ফ্রেঙ্কলিনে যিহকে ভাল পায় তাকেই তেওঁ ভাল পাবৰ চেষ্টা নকৰিলেও হব, বৰঞ্চ যিবোৰ কাম তেওঁৰ মনৰ লগত খাপ খায় সেইবোৰতহে তেওঁ মনটো লগাব লাগে।

১৯০৯ চনত বৰদেউতাক টেডে সভাপতিৰ পদ এৰাৰ আগতে এলিনৰ আৰু ফ্রেঙ্কলিনে নানান উৎসৱত হোৱাইত হাউচলৈ আহি তেওঁক লগ ধৰিছিল। লগ পালেই এলিনৰক তেওঁ কৈছিল যে তেওঁৰ নিজৰ ল'ৰাছোৱালী কেইটাতকৈ এলিনৰহে দেখাত তেওঁৰ নিচিনা হ'ল। পেহীয়েক এগৰাকীয়ে এবাৰ কৈছিল,—"এলিনৰেই মোৰ দাদা টেডৰ আটাইতকৈ মৰমৰ ভতিজাজীয়েক।"

বৰদেউতাকৰ ওচৰত থাকিলে এলিনৰৰো মনটো পাতল হয়, ঘৰুৱা যেন লাগে। ফ্রেঙ্কলিনক প্ৰায়ে বৰদেউতাকে কয়,—"তুমি ৰাজনীতিত নোসোমোৱা কিয়? ৰাইজৰ সেৱা কৰিব পৰাতকৈ ডাঙৰ কাম একোৱেই নাই।"

১৯০৪ চনৰ নিৰ্বাচনত ফ্রেঙ্কলিনে টেডক সমৰ্থন কৰিছিল। সেইকাৰণেই বৰদেউতাকে তেওঁক প্ৰজাতন্ত্ৰবাদী দলটোৰ লগত বেছিকৈ কামত লাগিবলৈ সদায় কৈ থাকে। কিন্তু ফ্রেঙ্কলিনে এলিনৰক কৈছিল,—"মই ভোটত বৰদেউতা টেডক সমৰ্থন কৰিছিলোঁ। এই কাৰণেই যে তেওঁ গণতান্ত্ৰিক দলৰ প্ৰাৰ্থীজনতকৈ বেছি উপযুক্ত আৰু উন্নত মনৰ মানুহ। মই আচলতে প্ৰজাতন্ত্ৰবাদী দলটোতকৈ গণতান্ত্ৰিক দলকেই বেছি ভাল পাওঁ।"

১৯১০ চনত ফ্রেঙ্কলিনে গণতান্ত্ৰিক দলৰপৰা নিউয়ৰ্কৰ শাসন সভালৈ (চিনেট) প্ৰাৰ্থী হিচাবে থিয় দিলে। তেওঁৰ মাক আছিল প্ৰজাতন্ত্ৰবাদী দলৰ সমৰ্থক। পুতেকে ৰাজনীতিত সোমোৱাটোকে তেওঁ ভাল নাপায় তাতে আকৌ ফ্রেঙ্কলিনে গণতান্ত্ৰিক দলটোৰপৰা

প্ৰাৰ্থী হোৱাত তেওঁ বৰ আপত্তি কৰিছিল।

ফ্ৰেস্কলিনে ওকালতি কৰি কোনোদিনেই ভাল পোৱা নাছিল। ইমান দিনৰ মূৰত এতিয়াহে এলিনৰে ফ্ৰেস্কলিনক সুখী যেন দেখিলে। ভালকৈ লাগিব পাৰিলে ফ্ৰেস্কলিন নিশ্চয় জিকিব পাৰিব।

এদিন কিন্তু বেজাৰ মনেৰে ফ্ৰেস্কলিন ঘৰলৈ উভটি আহিল। বৰদেউতাক টেড হোৱাইত হাউছৰপৰা ওলাই আহি নিউয়ৰ্কৰ প্ৰজাতন্ত্ৰবাদী দলটোৰ নেতৃত্ব লৈছেহি। টেড আছিল অতি প্ৰভাৱশালী নেতা। ফ্ৰেস্কলিনৰ মুখ শুকাই গ'ল।

এলিনৰে বিপদ যেন দেখি পেহীয়েক বাঈলৈ সকলো কথা লিখি এখন চিঠি দিলে। কিন্তু চিঠিৰ উত্তৰ দিলে বৰদেউতাক টেডে,— "মই কেতিয়া, ক'ত বক্তৃতা দিও বা নিদিও এইবোৰ কথা ফ্ৰেস্কলিনে ভাবিব নালাগে। তেওঁ নিজৰ মতে ৰাজনীতিত লাগি যাওক। তেওঁ এজন অতি সজ পুৰুষ।"

নিৰ্বাচনৰ যুঁজত এলিনৰে যোগ দিব নোৱাৰিলে। কাৰণ চেপ্টেম্বৰ মাহত তেওঁৰ আৰু এটা ল'ৰা জন্ম পালে। এদিন এলিনৰ ফ্ৰেস্কলিনৰ বক্তৃতা শুনিবলৈ গ'ল। কথা কৈ থাকোঁতে ফ্ৰেস্কলিনক ক্ষীণ আৰু উত্তেজিত ধৰণৰ যেন দেখা গৈছিল, মুখখনো শেঁতা পৰি ভাব বিহীন যেন হৈ পৰিছিল। কথা কওঁতে তেওঁ লাহে লাহে কৈছিল। এবাৰ কৈছিল,—"মই জানো যে মই ভাল বক্তা নহয়।" কথাখিনি শেষ নৌহওঁতেই ৰাইজৰ মাজৰপৰা এজনে কৈ উঠিল,—"তুমি ভাল বক্তা হবৰ দৰ্কাৰো নাই ৰুজভেল্ট।" ৰাইজৰ মাজত হাঁহিৰ ৰোল উঠিল কথাষাৰ শুনি এলিনৰৰ মনটো অলপ ভাল লাগিছিল।

এদিন লবালৰিকৈ অইন এখন মিটিঙলৈ যাব লগীয়া হোৱাত চলি থকা গাড়ী এখনত জাপ মাৰি উঠোঁতে ফ্ৰেস্কলিন বাগৰি পৰিল। তেওঁ কেবাঠাইতো দুখ পালে। তেজেৰে গোটেই গাটো ৰঙা হ'ল। এনে অৱস্থাত এলিনৰে ক্লোৰেন্স নাইটিনগেলৰ দৰেই চৌবিশ ঘণ্টাই তেওঁৰ শুশ্ৰূষাৰ কাৰণে নিজক ব্যস্ত ৰাখিছিল। সেই

ভঙা ভৰিৰেই খোৰাই খোৰাই ফ্রেঙ্কলিন ভোট-যুদ্ধলৈ ওলাই গৈছিল।

শেষত জানিবা ইমান দুঃখ কষ্টৰ পুৰস্কাৰ পালে। ফ্রেঙ্কলিন ভোটত জিকিল, এলিনৰেও বুজি পালে—তেওঁলোকৰ জীৱনত এটা নতুন অধ্যায় আৰম্ভ হ'ল।

ফ্রেঙ্কলিন আৰু এলিনৰৰ স্বভাৱো বেলেগ ধৰণৰ আছিল। এলিনৰ আছিল শান্ত, অলপ কথাতে আঘাত পায় কিন্তু ফ্রেঙ্কলিনে কোনো কথাতে লাগি নাথাকে, যুঁজ কৰি তেওঁ ভাল পায়। ১৯১১ চনৰ চিনেটৰ অধিবেশনলৈ যাওঁতে ফ্রেঙ্কলিনৰ বয়স আছিল ২৯ বছৰ আৰু এলিনৰৰ বয়স আছিল ২৬ বছৰ। সাংবাদিকসকলে বিধান মণ্ডলৰ "শিশু" বুলি তেওঁক আখ্যা দিছিল। ফ্রেঙ্কলিনৰ মুখৰপৰা যে কিবা বক্তৃতা শুনিবলৈ পাব তেওঁলোকে আশাই কৰা নাছিল।

সেই দিনত ৱাছিংটনত বহা চিনেটৰ সভালৈ পোনপটীয়া নির্বাচনৰ প্রথা নাছিল। প্রত্যেক প্রদেশৰ বিধান সভাৰ সভ্য সকলে চিনেটৰ সভ্যসকলক বাছি পঠিয়ায়। ১৯১১ চনত নিউয়র্কৰ পৰাও এজন চিনেটৰ সভ্য নির্বাচন কৰিব লগীয়া হ'ল। নিউয়র্কৰ গণতান্ত্রিক দলে উইলিয়াম শ্বিহান নামেৰে এজনক চিনেটলৈ পঠিয়াবলৈ স্থিৰ কৰিলে।

এই বাছনিত ফ্রেঙ্কলিনৰ মত নাছিল। তেওঁ এলিনৰক কৈছিল শ্বিহান চিনেটলৈ গ'লে একো লাভ নহ'ব। মনে মনে তেওঁ ওঠৰ জনমান চিনেটৰ সভ্য গোটাই এটা দল পাতিলে। প্রজাতান্ত্রিক দলটোৰপৰাও কিছু সহায় পালে; তেওঁলোকে শ্বিহানক নিশ্চয় পৰাজিত কৰিব পাৰিব।

এই নির্বাচনৰ যুঁজবিলাকে এলিনৰৰ মনত অকণো সাঁচ বহুৱাব পৰা নাছিল যদিও নিজৰ ঘৰটো ফ্রেঙ্কলিনৰ দলৰ মানুহৰ আলাপ আলোচনাৰ কাৰণে খুলি দিয়াত তেওঁ আপত্তি নকৰিলে। এই ঘৰটোলৈ আহি ফ্রেঙ্কলিনৰ দলে নানান আলোচনাৰ মাজেদি

তেওঁলোকৰ নীতি স্থিৰ কৰে—কেতিয়াবা মাজৰাতিলৈকে তেওঁলোকৰ কথা বতৰা চলে। চিগাৰেটৰ ধোৱাত ঘৰটো কেতিয়াবা ইমান ধোৱাকোৱা হৈ পৰে যে এলিনৰে সৰু ল'ৰাছোৱালী কেইটাক তিনিমহলৰ ওপৰৰ শোৱা কোঠালৈ লৈ যাব লগীয়াত পৰে। কোনো কোনো সময়ত এলিনৰেও এই আলোচনাবোৰত যোগ দিয়েহি। সেই দলটোত তেওঁৱেইহে একমাত্র তিৰোতা মানুহ আছিল। মাজে সময়ে দুই এটা নিজা মতো প্রকাশ কৰে। বহুত বছৰৰ পিছত ফ্রেঙ্কলিনে কৈছিল যে এই শ্বিহানৰ বিপক্ষে বহা আলোচনা-চক্রবোৰতেই এলিনৰৰ ৰাজনৈতিক বিচক্ষণতাৰ আৰম্ভণি হৈছিল।

শেষত ফ্রেঙ্কলিনৰেই জয় হ'ল কাৰণ শ্বিহানে প্রার্থী পদৰপৰা নিজৰ নামটো উঠাই ললে। এই কামৰদ্বাৰা ফ্রেঙ্কলিনৰ দলৰ কেইবাজনৰো খুব ক্ষতি হৈছিল, এজনৰ আনকি খবৰ কাগজ এখনো বন্ধ হৈ গৈছিল। মানুহজন একেবাৰে ধ্বংস হৈ গৈছিল। সেই সময় ছোৱাত এলিনৰে ৰাজনীতি ভাল পাব পৰা হোৱা নাছিল।

শ্বিহানৰ বিপক্ষে জয়লাভ কৰাৰ লগে লগেই ফ্রেঙ্কলিন দেশত বিখ্যাত হৈ পৰিল আৰু এলিনৰেও বুজিব পাৰিলে ৰাজনীতিৰ মাজেদিহে তেওঁলোকৰ জীৱনযাত্রা অতিবাহিত হব। ১৯১৩ চনত প্রেছিডেণ্ট উড্র উইলছনে ফ্রেঙ্কলিনক নৌবাহিনীৰ সহকাৰী সচিব নিযুক্ত কৰিলে। এলিনৰেও পৰিয়ালটো লৈ ৱাছিংটনলৈ আহিল। উড্র উইলছন প্রেছিডেণ্ট হৈ থকাৰ সময়খিনি এলিনৰ পৰিয়ালটোৰে সৈতে ৱাছিংটনতেই থাকিব লগীয়া হ'ল। ফ্রেঙ্কলিনেও তেওঁৰ নতুন কামটোত গৌৰৱ অনুভৱ কৰিছিল কাৰণ ৰৰদেউতাক টেডো এসময়ত এই কামটোতে আছিল। কামত সোমায়েই নিজৰ নতুন দায়িত্বৰ বিষয়ে সকলো কথা লিখি মাকলৈ চিঠি দিছিল আৰু মাকৰপৰাও উত্তৰ আহিছিল,—"ইমান সৰুকৈ নিজৰ নামটো চহী নকৰিবা। এনেকৈ লিখিলে আখৰ বেয়া হয় আৰু নিজৰ নামটোও স্পষ্ট নহয়।"

ৱাছিংটনলৈ আহি এলিনৰৰ অনবৰতে চিন্তা হৈছিল কিজানিবা তেওঁৰ কোনোবা কামে উচ্চাকাঙ্ক্ষী, কম বয়সৰ স্বামী ফ্রেংকলিনক অপদস্থ কৰে। প্রথমে আহি ৱাছিংটনত থকা পেহীয়েক বাঈৰ ঘৰতে ফ্রেংকলিন আৰু ল'ৰাছোৱালী কেইটাৰ সৈতে উঠিলহি। পেহীয়েকে লাজকুৰীয়া স্বভাৱৰ ভতিজাকজনীৰ চিন্তান্বিত মুখখন দেখা পাই উপদেশ দিছিল,—"তুমি যিহকেই নকৰা কিছুমান মানুহে তোমাক সমালোচনা কৰিবই। কিন্তু তুমি যাক ভালপোৱা তাৰ আগতেই তোমাৰ কথাবোৰ খুলি কবলৈ যদি লাজ নকৰা, তুমি তেতিয়া হলে সমালোচনালৈও ভয় কৰিব নালাগে। এইবোৰৰ বিষয়ে যাকে তাকে ক'বৰ দৰ্কাৰ নাই।" পেহীয়েকৰ এই উপদেশ গোটেই জীৱনৰ কাৰণেই এলিনৰে মনত ৰাখি থৈছিল।

সহকাৰী সচিব হিচাবে ৩১ বছৰ বয়সত ফ্রেংকলিনে গোটেই দেশৰে নৌবাহৰবোৰ চাই ফুৰিব লাগিছিল। নাবিকসকলৰ শিক্ষাৰ ব্যৱস্থা, ব্যৱসায়িক বস্তু আদিৰ যোগাৰ আদিও তেওঁৱেই কৰিব লাগিছিল। এলিনৰেও মাজে সময়ে স্বামীৰ লগত এই ঠাইবোৰলৈ গৈছিল। এবাৰ মেক্সিকো উপসাগৰত থকা নৌশিবিৰ পৰিদৰ্শন কৰিবলৈ যাওঁতে তেওঁলোকে কামত ইমান ব্যস্ত হৈ পৰিছিল যে ৰাতি শুবলৈ তেনেই অলপমান সময়হে পাইছিল। লগত যোৱা অইন কৰ্মচাৰীসকল ভাগৰি পৰিছিল, কিন্তু এলিনৰ আৰু ফ্রেংকলিন ক্লান্ত হোৱা নাছিল। তেওঁলোকৰ গাত আচৰিত ধৰণৰ সহ্যগুণ বিৰাজমান।

সেই সময়ত এলিনৰৰ মাত্ৰ এটাই ডাঙৰ সমস্যা—সাগৰত ফুৰিলেই তেওঁৰ অসুখ হয়। এবাৰ তেওঁ চেচাপিক্ উপসাগৰৰ নৌ-শিবিৰ চাবলৈ ফ্রেংকলিনৰ লগত যায়। অশান্ত সাগৰৰ ঢৌবোৰৰ লগত যুদ্ধ কৰি জাহাজখন আগবাঢ়ি গ'ল—কেইমিনিটমানৰ ভিতৰতেই এলিনৰৰ গাটো বেয়া লাগি আহিল, মুখখন শেঁতা পৰি গ'ল। এজন ডেকা কৰ্মচাৰীয়ে তেওঁৰ শেঁতাপৰা মুখখন দেখি, অনবৰতে ৰহি

থাকি আমনি লগা বুলি ভাবি কলে,—"মাস্তুলটোৰ ওপৰলৈ বগাই উঠি গলে আপোনাৰ নিশ্চয় ভাল লাগিব। ওপৰৰপৰা সকলো বস্তু বেছি ভালকৈহে দেখা পাব।"

এলিনৰে চকু তুলি চাই দেখিলে এশ ফুট ওখত থকা থিয় মাস্তুলটোলৈ বগাই উঠিব লাগিব। মনতে ভাবিলে এনেকৈ সদায় অসুখ হৈ ফ্রেঙ্কলিনক অপদস্থ কৰাতকৈ ওপৰলৈ বগাই উঠোতে যদি মৰে সিও ভাল। এলিনৰে মাস্তুলটোৰ ওপৰলৈ বগাবলৈ ধৰিলে— কিন্তু কি আচৰিত; ওপৰ পোৱাৰ লগে লগেই তেওঁ গাটো ভাল পালে, বমি ভাবো নোহোৱা হ'ল। অৱশ্যে তাৰ পিছতো বহুত বছৰলৈকে এলিনৰে বমি হয় বুলি জাহাজত খোৱা-বোৱা কৰিবলৈ ভয় কৰিছিল।

এনে সময়তে এজন বিখ্যাত ব্যক্তি নতুনকৈ আহি তেওঁলোকৰ পৰিয়ালৰ মাজত সোমাই পৰিলহি। মৰাৰ দিনলৈকে এই মানুহজনে ৰুজভেল্ট পৰিযালটোক এৰি যোৱা নাছিল। এই মানুহজন আছিল লুই হাউ। ফ্রেঙ্কলিনে নৌ বিভাগত এওঁক সহকাৰী কৰি লৈছিল। লুই হাউ আলবানি চহৰত নিউয়র্কৰ এখন বাতৰি কাকতৰ সংবাদ দাতা আছিল। ৰুজভেল্ট পৰিয়ালক তেওঁ বহুত দিনৰপৰাই জানে। মুখখনত বসন্তৰ দাগ, চকু কেইটা বাহিৰলৈ ওলাই অহা, অনবৰতে কাঁহি থকা হাউক দেখিলেই বেমাৰী যেন লাগে। উখহি থকা ওঠ দুটাৰ মাজত সকলো সময়তে চিগাৰেটৰ ছাইবোৰ পেলাই দিয়ে। নখবোৰ কামুৰি কামুৰি তেনেই অৱস্থা নোহোৱা কৰিলে, ডিঙিৰ কলাৰদালো ঘামত লেতেৰা হৈ ওলমি পৰিছে। এলিনৰে লুইক এজন লেতেৰা মানুহ বুলিয়েই ধৰি লৈছিল। কাৰণ কোঠাটোত সোমাই একমিনিটৰ ভিতৰতেই লুয়ে তেনেই লেতেৰা কৰি পেলায়। কিন্তু ফ্রেঙ্কলিনৰ মতে লুই আছিল এজন ৰাজনৈতিক প্ৰতিভাসম্পন্ন পুৰুষ—এওঁক নোসোধাকৈ ফ্রেঙ্কলিনে একোৱেই নকৰে। লুয়ে এদিনাখন এলিনৰক কৈছিল—"ভৱিষ্যতে কেতিয়াবালৈ হয়তো

ফ্ৰেঙ্কলিনেই আমেৰিকাৰ সভাপতি হ'বগৈ।" এলিনৰে অবাক হৈ লুইৰ মুখলৈ চাইছিল। তেওঁ সেইদিনা বুজাই নাছিল যে এই মানুহজনেই ভবিষ্যতে এদিন তেওঁৰ নিজৰ জীৱনত আৰু ফ্ৰেঙ্কলিনৰ জীৱনত এটা অতি গুৰুত্বপূৰ্ণ অংশ গ্ৰহণ কৰিব পাৰিব।

১৯১৪ চনত ইউৰোপলৈ এটা ডাঙৰ বিপদ আহি পৰিল। ইংলেণ্ড, ফ্ৰান্স আৰু ৰাছিয়াই জাৰ্মানীৰ বিপক্ষে যুদ্ধত নামিল। আমেৰিকাৰ নৌ-বাহিনীৰ সংগঠন কৰাৰ দায়িত্ব পৰিল ফ্ৰেঙ্কলিনৰ ওপৰত। সভাপতি উইলছনে গোটেই পৃথিৱীৰ আগত দেখুৱাব খুজিছিল আমেৰিকা যে এখন অতি শক্তিশালী দেশ—অইন কোনো দেশে যাতে আমেৰিকাক আক্ৰমণ কৰিবলৈ সাহ নকৰে। ফ্ৰেঙ্কলিনে প্ৰত্যেকটো সমস্যাকে এলিনৰৰ লগত আলোচনা কৰে আৰু নানান বিষয়ত তেওঁৰপৰা উপদেশো লয়। অৱশ্যে ফ্ৰেঙ্কলিনে ভালদৰে জানিছিল যে এলিনৰে যুদ্ধক ঘৃণাৰ চকুৰে চায়

১৯১৭ চনৰ ২ এপ্ৰিলত আমেৰিকাও যুদ্ধত নামিবলৈ বাধ্য হ'ল। জাৰ্মানীৰ চাব্‌মেৰিনে কেইবাখনো আমেৰিকাৰ জাহাজ আক্ৰমণ কৰিলে। ৰবদেউতাক টেড্‌ এদিন হঠাতে আহি এলিনৰৰ ঘৰত ওলালহি। ৰবদেউতাক টেডে এদল সৈন্য লৈ সাগৰত যুদ্ধ কৰিবলৈ যাব খুজিছিল, কিন্তু নানান ধৰণেৰে বুজাই মেলিও প্ৰেছিডেণ্ট উইলছনক সন্মত কৰাব নোৱাৰিলে। ফ্ৰেঙ্কলিনৰ হতুৱাইও এবাৰ প্ৰেছিডেণ্ট উইলছনক কোৱাইছিল ; কিন্তু একোৱেই লাভ নহ'ল। এলিনৰে পিছত এই ঘটনাৰ কথা উল্লেখ কৰি কৈছিল —"ৰবদেউতা টেড্‌ নিৰাশ হৈ উভটি যোৱাত মই দুঃখ পাইছিলোঁ। যদিও প্ৰেছিডেণ্ট উইলছনৰ প্ৰতি মই সম্পূৰ্ণ অনুগত আছিলোঁ।"

এলিনৰৰ ল'ৰাছোৱালী ডাঙৰ হৈছিল। যুদ্ধৰ সময়ত দেশক সহায় কৰিবৰ কাৰণে তেৰোঁ আগবাঢ়ি গ'ল। নৌ-বাহিনত থকা ল'ৰাবিলাকৰ কাৰণে তেওঁ গৰম কাপোৰ চুৱেটাৰ আদি গুঠিবলৈ আৰম্ভ কৰিলে আৰু নিয়মিতভাৱে হস্পিতাললৈ গৈ তাত কাম

কৰাৰ দায়িত্বও হাতত তুলি ললে। প্ৰায়ে বেমাৰীবিলাকৰ কাষলৈ গৈ কথা বতৰা পাতে, তেওঁলোকৰ কাৰণে উপহাৰ আদিও লৈ যায়। সপ্তাহত দুই তিনি দিন, দিনে যোল ঘণ্টাকৈ তেওঁ বেড্ ক্ৰছৰ দোকান এখনত কাম কৰিও দিছিল।

যুদ্ধ শেষ হওঁ হওঁ –ফ্ৰেঙ্কলিন যুঁজৰপৰা উভটি আহিল, গাত সাংঘাটিকভাৱে জ্বৰ—'ফ্লু'। ঘৰ আহি পোৱাৰ লগে লগেই ল'ৰা-ছোৱালী আৰু ঘৰৰ কামবন কৰা মানুহ কেইটাকো 'ফ্লু'ৱে ধৰিলে। এলিনৰেই সকলোকে শুশ্ৰূষা কৰিব লগীয়া হ'ল। পিছত ফ্ৰেঙ্কলিনে শুনি আচৰিত হৈছিল যে এনে অৱস্থাৰ মাজতো সকলো কাম বন শেষ কৰি, দৰব পাতি খুৱাই আবেলি সময়ত এলিনৰ ওলাই যায় ৱাছিংটনৰ হস্পিতালত বেমাৰ অৱস্থাত অকলশৰীয়াভাৱে পৰি থকা ছোৱালীবিলাকৰ শুশ্ৰূষাৰ বাবে।

যুদ্ধ শেষ হ'লত ফ্ৰেঙ্কলিন ইউৰোপলৈ গৈ তাত থকা সকলোবোৰ আমেৰিকাৰ নৌ শিবিৰ বন্ধ কৰি আহিবলৈ ওলাল—এলিনৰো লগতে গ'ল। ১৯১৯ চনৰ ৬ জানুৱাৰী তাৰিখে বাটতে তেওঁলোকে খবৰ পালে যে ৰবদেউতাক টেডৰ মৃত্যু হ'ল। এলিনৰে এই খবৰটোত বৰ বেছি ৰকমে আঘাত পালে। ফ্ৰেঙ্কলিনৰ বাহিৰে এলিনৰৰ নিজৰ বুলিবলৈ এই ৰবদেউতাকজনৰ বাহিৰে অইন কোনোৱেই নাছিল। তেওঁ কান্দি কান্দি ডায়েৰিত লিখি থবলৈ শব্দ বিচাৰি পোৱা নাছিল। শেষত লিখিছিল—"মঞ্চৰপৰা আৰু এজন বিশিষ্ট ব্যক্তি আঁতৰি গ'ল।"

প্ৰেছিডেন্ট উইলছন আৰু তেওঁৰ পৰিবাৰৰ সৈতে এলিনৰ আৰু ফ্ৰেঙ্কলিনো ইউৰোপৰপৰা উভটি আহিল। জাহাজত এদিন এলিনৰে উইলছনৰ লগত একেলগে বহি দুপৰীয়াৰ আহাৰ খাইছিল। প্ৰেছিডেন্ট উইলছনে ফ্ৰেঙ্কলিনৰ প্ৰশংসা কৰিছিল আৰু লগে লগে তেওঁৰ নিজৰ হাতে তৈয়াৰী "জাতি-সংঘৰ" (League of nations) কথা কৈ গৰ্ব অনুভৱ কৰিছিল। ভৱিষ্যতে যুদ্ধ বন্ধ কৰিবৰ বাবে

পৃথিৱীৰ সকলো জাতি লগ হৈ কাম কৰিব লাগিব—এইয়ে তেওঁৰ অভিমত। তেওঁ দৃঢ়ভাৱে কৈছিল—"আমেৰিকাই জাতিসঙ্ঘত নিশ্চয় যোগদান কৰিব লাগিব কাৰণ এইখনেই একমাত্ৰ দেশ যাক সকলোৱে বিশ্বাস কৰিব পাৰে।"

কিন্তু জাতিসঙ্ঘত যোগ দিয়াটো পিছলৈ আমেৰিকাৰ কাৰণে সম্ভৱপৰ নহ'লগৈ। প্ৰেছিডেণ্ট উইলছনৰ অশেষ চেষ্টাৰ ফলতো চিনেটৰপৰা সন্মতি লাভ কৰিব নোৱাৰিলে।

১৯২০ চনত গণতান্ত্ৰিক দলে ফ্ৰেঙ্কলিনক ভাইচ-প্ৰেছিডেণ্টৰ প্ৰাৰ্থী হিচাবে নিৰ্বাচনত থিয় কৰালে। এলিনৰেও এইবাৰ ভোট-যুদ্ধত স্বামীৰ পক্ষ লৈ নামি পৰিল।

ফ্ৰেঙ্কলিন আৰু লুই হাউৰ আলোচনা আৰু কামবোৰ দেখি শুনিয়েই এলিনৰে যথেষ্ট কথা শিকিব পাৰিলে। প্ৰত্যেক দিনেই ফ্ৰেঙ্কলিনে দহবাৰতকৈও বেছি বক্তৃতা দিব লগীয়া হয় আৰু লুই হাউএ সদায় অনবৰতে লাগি থকা কাঁহটো লৈয়ে ফ্ৰেঙ্কলিনৰ সকলো বক্তৃতা চাইমেলি ঠিক কৰি দিয়ে। দেশৰ নিয়মমতে ভোটত উঠোঁতাজনে বক্তৃতা দি থাকোঁতে তেওঁৰ পত্নীও ওচৰত বহি থাকিব লাগে আৰু বক্তৃতাৰ প্ৰত্যেকটো শব্দ শুনি তিৰোতা গৰাকীয়ে মুখত এনে এটা ভাব দেখুৱাব লাগিব যেন এনেকুৱা মূল্যবান কথা স্বামীৰ মুখৰপৰা এইবাৰেইহে তেওঁ প্ৰথম শুনিলে। কিন্তু এলিনৰে এনে ধৰণেৰে বহি থাকিবলৈ বৰ টান পাইছিল। ফ্ৰেঙ্কলিনৰ বহুতো বক্তৃতা লুই হাউৰ লগত বহি তেওঁৱেই ঠিক্‌ঠাক কৰি দিছিল; গতিকে নতুনকৈ শুনাৰ ভাব এটা দেখুৱাবৰ উপাই নাই।

ফ্ৰেঙ্কলিনে বক্তৃতাত জাতিসঙ্ঘক সমৰ্থন কৰি কৈছিল, কিন্তু সভাত উপস্থিত থকা ৰাইজৰ মুখ দেখি এলিনৰৰ বিশ্বাস হৈছিল যে আমেৰিকাৰ মানুহে জাতিসঙ্ঘক এতিয়াও মানি লব পৰা নাই। তেওঁৰ বিশ্বাসেই শেষত সঁচা হ'লগৈ—নৱেম্বৰ মাহৰ নিৰ্বাচনত গণতান্ত্ৰিক দল বেয়াকৈ হাৰিল।

১৯১০ চনৰ পিছৰপৰা এইবাৰেই প্ৰথম ফ্ৰেঙ্কলিন ৰাজনীতিৰপৰা আঁতৰি আহিব লগীয়া হ'ল। এলিনৰেও ভালেই পালে কাৰণ যোৱা দহবছৰৰ ৰাজনৈতিক জীৱনটো অতি কষ্টকৰ আছিল,—ৰাইজৰ কামতেই তেওঁলোক ব্যস্ত থাকিব লগীয়া হৈছিল। এতিয়া অন্ততঃ শান্তিৰে বহি জিৰণি লব পাৰিব।

ৰাজহাঁহৰ আবিৰ্ভাৱ

ফ্ৰেঙ্কলিন আৰু এলিনৰে নিয়মিত ভাৱে জীৱন যাত্ৰা আৰম্ভ কৰিলে —ৰাইজৰ মাজৰপৰা এতিয়া তেওঁলোক বহুত আতৰত। ফ্ৰেঙ্কলিনে আইন ব্যৱসায় আৰম্ভ কৰিলে, এলিনৰেও হাইড্ পাৰ্কত থকা শাহুৱেকৰ ঘৰ আৰু নিউয়ৰ্কত থকা নিজা ঘৰৰ মাজত দুয়ো ঠাইতেই সময় ভাগ কৰি থাকিবলৈ ললে। গৰম দিনত পৰিয়ালটো লৈ কেম্পবেলো দ্বীপৰ ঘৰত থাকিবলৈ যায়।

১৯২১ চনৰ ১০ আগষ্টৰ দিনা তেওঁলোক কেম্পবেলো দ্বীপতেই আছিল। এলিনৰ আৰু ফ্ৰেঙ্কলিনে ল'ৰাছোৱালী কেইটা লৈ নাৱত ফুৰিছিল। ঘৰলৈ উলটি আহোঁতে ডাঙৰ ল'ৰা জিমিয়ে আতৰত জুই লগা দেখা পাই মাকক দেখুৱালে। এলিনৰে কৈ উঠিল—"আমি এতিয়াই পাৰলৈ উঠি জুইকুৰা নুমাব লাগিব।"

কেইবাঘণ্টাও সকলোৱে বৰ চেষ্টা কৰি জুইকুৰা নুমালে। ঘামি ছাই লাগি গোটেই কেইজন লেতেৰা হৈ পৰিল। সকলোৱে গৈ সাগৰত সাতুৰিবলৈ ধৰিলে। কিছু পৰৰ মূৰত তেওঁলোক পাৰলৈ উঠি অহাৰ পিছত এধাৰ বছৰীয়া ল'ৰা ইলিয়টে ; ওচৰতে থকা বৰফৰ দৰে ঠাণ্ডা ফাণ্ডিৰ উপসাগৰত সাতুৰি চাবৰ কাৰণে ইচ্ছা প্ৰকাশ

কৰিলে। ফ্ৰেঙ্কলিনৰ নিজৰ অকণো মন নাছিল কিন্তু ল'ৰাছোৱালী কেইটাই জোৰকৈ ধৰাত তেওঁ আপত্তি নকৰিলে। ঘৰলৈ উভতি আহিয়েই ফ্ৰেঙ্কলিনে এলিনৰক কৈছিল যে তেওঁৰ খুব ভাগৰ লাগিছে। এলিনৰে তেওঁক কাপোৰ কানি সলাই শুই থাকিবলৈ কলে; কিন্তু তিতা কাপোৰ সাজেৰেই ফ্ৰেঙ্কলিনে সেইদিনা অহা চিঠি-পত্ৰবোৰ পঢ়িবলৈ ধৰিলে। কিছু সময়ৰ পিছত এলিনৰে লক্ষ্য কৰিলে ফ্ৰেঙ্কলিনৰ ওঠ দুটা শেতা পৰিছে, আৰু গাটোও কঁপিছে। লৰালৰিকৈ তেওঁক বিছনালৈ লৈ গ'ল। এলিনৰে আশা কৰিছিল পিছদিনাই হয়তো ফ্ৰেঙ্কলিনৰ অসুখ ভাল হৈ যাব আৰু আকৌ তেওঁ ল'ৰাছোৱালীৰ লগত খেল-ধেমালিত যোগ দিব পাৰিব; কিন্তু দেখা গ'ল পিছদিনাখন অৱস্থা আৰু বেয়ালৈহে গ'ল —গোটেই গাতে বিষ আৰু জ্বৰ। ডাক্তৰে চাই বেছি ৰকমৰ পানী লাগি হোৱা জ্বৰ বুলি কলে। চিকিৎসা চলিল।

তৃতীয় দিনা ফ্ৰেঙ্কলিনে বেছিকৈহে দুৰ্বল যেন অনুভৱ কৰিলে। বিচনাৰপৰা থিয় হওঁতেই পৰি গ'ল, ভৰি দুখনত একেবাৰেই শক্তি নাই। তেওঁ চিঞৰ মাৰি দিলত এলিনৰে লৰি আহি ধৰি মেলি তেওঁক বিচনাত শুৱাই দিলে। এইবাৰহে বুজা গ'ল ফ্ৰেঙ্কলিনৰ অসুখ সৰুসুৰা বিধৰ নহয়।

তিনি দিনমানৰ পিছত এলিনৰে ফ্ৰেঙ্কলিনৰ ভায়েক ৰ'জিলৈ চিঠি এখন লিখিলে,—"যোৱা বুধবাৰে গধূলি ফ্ৰেঙ্কলিনৰ জ্বৰ উঠাৰ পৰাই আমি বৰ অশান্তিত আছোঁ। পিছ দিনা তেওঁৰ পিঠিত আৰু ভৰিত খুব বিষ হোৱাৰ কাৰণে ডাক্তৰক মাতিলোঁ। তৃতীয় দিনা তেওঁৰ ভৰি-দুটাত একেবাৰেই শক্তি নোহোৱা হ'ল—খোজ কাঢ়িবও নোৱাৰে, লৰাবও নোৱাৰে কিন্তু ভৰিত অনুভৱ কৰিব পৰা শক্তিটো এতিয়াও আছে। ঈশ্বৰৰ ইচ্ছাত লুই হাউ আমাৰ লগতে থকাৰ কাৰণে ইমান যে সহায় পাইছো। তেওঁ ডাক্তৰ বেনেটক লগত লৈ ভাল ডাক্তৰ এজনৰ খবৰ লৈছে। তেওঁলোকৰ মতে ফিলাদেলফিয়া

চহৰৰ প্ৰবীন চিকিৎসক ডাঃ ডব্লিউ ডব্লিউ কীনেই এইবিলাক বেমাৰৰ কাৰণে অভিজ্ঞ ডাক্তৰ।"

ডাঃ কিনে আহি ফ্ৰেঙ্কলিনক চালেহি। কিন্তু তেওঁৰ পৰীক্ষা ভুল হ'ল। তেওঁৰ মতে ফ্ৰেঙ্কলিনৰ ৰাজহাডদালৰ তলত অকণমান তেজ শুকাই গোট বান্ধি থকাৰ কাৰণেই এনেকুৱা দুৰ্বল হৈ পৰিছে। ভৰি দুখনত ভালকৈ মালিচ দিবলৈ ক'লে। এলিনৰ আৰু লুই হাউএ ঘণ্টাৰ পিছত ঘণ্টা ফ্ৰেঙ্কলিনৰ ভৰি মালিচ কৰি বহি থাকিল।

কিন্তু প্ৰকৃতপক্ষে এইটোৱেই আটাইতকৈ বেয়া কাম তেওঁলোকে কৰিছিল, কাৰণ ফ্ৰেঙ্কলিনৰ ভৰিত "পলিও" নামৰ যি সাংঘাটিক বেমাৰটো হৈছিল তাৰ কাৰণে মালিচ দিয়াটো একেবাৰেই বেয়া। ভৰিৰ বিষ অকণো নকমাত বোষ্টনৰ বিখ্যাত চিকিৎসক ডাঃ ৰবাৰ্ট লভেটক মাতি আনি দেখুওৱা হ'ল। এলিনৰে যিটো ভয় কৰিছিল সেয়ে হ'ল। ডাক্তৰে পৰীক্ষা কৰিয়েই কৈ দিলে ফ্ৰেঙ্কলিনৰ 'পলিও' হৈছে।

অকামিলা তলৰছোৱাৰে সৈতে ফ্ৰেঙ্কলিনৰ বিচনাত পৰি থকা দৃশ্যটো বৰ দুঃখ লগা হৈছিল। মাত্ৰ কেইবছৰমানৰ আগতে বাল্টাৰ কেম্প নামৰ এজনে কৈছিল—"মিঃ ৰুজভেল্টৰ শৰীৰৰ গঠন সঁচাকৈয়ে ধুনীয়া। দীঘল দীঘল মাংসপেশীৰে তেওঁৰ শৰীৰটো বেছ শক্তিশালী।" এলিনৰে ভাবে এনেকুৱা মানুহজনৰ ভবিষ্যতটো আজি কি হৈ গ'ল।

লুই হাউৰ চেষ্টা হ'ল ফ্ৰেঙ্কলিনৰ পলিও হোৱা খবৰটো যাতে কোনোমতে কাগজত নোলায়। এলিনৰক তেওঁ কৈছিল,—"এই খবৰটো আমি লুকাই ৰাখিবই লাগিব। এতিয়াই মানুহে গম পাবলৈ হ'লে ফ্ৰেঙ্কলিনৰ ৰাজনৈতিক ভবিষ্যতটো তেনেই নষ্ট হৈ যাব পাৰে।

আচৰিত হৈ এলিনৰে সুধিছিল,—"তুমি সঁচাকৈয়ে এতিয়াও বিশ্বাস কৰা নে যে ফ্ৰেঙ্কলিনৰ এটা ৰাজনৈতিক ভবিষ্যত আছে?" ফ্ৰেঙ্কলিনৰ কোঠাতে এখন চোফাৰ ওপৰত ৰাতি এলিনৰ শুই থাকে,

চৌবিশ ঘণ্টাই ফ্রেঙ্কলিনৰ শুশ্রূষাত নিজক ব্যস্ত ৰাখে।

লুই হাউএ অলপ অলপকৈ চিগাৰেটৰ ছাইবোৰ গেঞ্জীৰ জেপত পেলাই থাকে আৰু কৈ যায়—"মই এতিয়াও বিশ্বাস কৰোঁ। তোমাৰ স্বামী এদিন আমেৰিকাৰ সভাপতি হবই।"

ফ্রেঙ্কলিনৰ মাক ছাৰা ৰুজভেল্ট পুতেকৰ অসুখৰ কথা গম পাই লৰালৰিকৈ কেম্পবেলো দ্বীপৰ ঘৰলৈ আহিল। আহিয়েই এলিনৰক ক'লেহি,—"মোৰ ল'ৰা ফ্রেঙ্কলিন এতিয়াৰপৰা হাইড পাৰ্কত মোৰ লগতে থাকিবগৈ। গোটেই জীৱনৰ কাৰণেই তেওঁ পঙ্গু হৈ পৰিছে। তেওঁৰ কাৰণে এতিয়া বিশ্রাম আৰু এটা শান্ত পৰিস্থিতিৰ আৱশ্যক।"

বিচনাৰপৰা ফ্রেঙ্কলিনে মাকৰ কথা শুনি আছিল। এলিনৰে আপত্তি কৰিলে—নিষ্কৰ্মা হৈ হাইড্ পাৰ্কৰ ঘৰত শুই থাকিবলৈ তেওঁ কোনোমতে নিদিয়ে।

ফ্রেঙ্কলিনৰ মাকে সমৰ্থন পাবৰ আশা কৰি লুই হাউলৈ চাই ক'লে,—"লুই, তোমাৰ সাধাৰণজ্ঞান যথেষ্ট আছে। তুমিয়েই কোৱাচোন বাৰু, মোৰ ল'ৰাটোৰ এনে অৱস্থাত ৰাজনৈতিক ভৱিষ্যতৰ কথা ভবাটো অন্যায় নহব নে? ফ্রেঙ্কলিনে সদায় লিখিবলৈ ভাল পাইছিল, হাইড্ পাৰ্কৰ ঘৰলৈ গ'লে তেওঁ লিখাপঢ়া, ষ্টাম্প গোটোৱা আদি কামতেই নিজক ব্যস্ত ৰাখিব পাৰিব।"

লুই হাউএ কিন্তু তীব্ৰভাৱে চাই উত্তৰ দিলে,—"মই তেওঁক আমেৰিকাৰ প্ৰেছিডেণ্ট হিচাবে পাবলৈহে আশা কৰো।" ফ্রেঙ্কলিনলৈ ঘূৰি চাই ক'লে—"ৰাজনীতিৰপৰা বিদায় লৈ তুমি নিশ্চয় দেউতাৰৰ নিচিনাকৈ দেশৰ এজন সম্ভ্ৰান্ত ব্যক্তি হৈ থাকিব পাৰিবা বা আগতে যেনেকৈ আছিলা তেনেকৈও থাকিব পাৰিবা। মোৰ মতে, তুমি ভাগ্যৰ হাতত নিজক এৰি দিয়া।"

এলিনৰে লক্ষ্য কৰিলে স্বামীৰ মুখত হাঁহি বিৰিঙি উঠিছে। মাকে ক'বলৈ ধৰিলে—"মোৰ ল'ৰাই কি কৰাটো ভাল হব সেইটো মইহে জানো। ফ্রেঙ্কলিনৰ উদণ্ড স্বভাৱৰ ৰাজনৈতিক বন্ধুসকলে তেওঁৰ

গাত থকা বাকী শক্তিখিনিও নোহোৱাহে কৰিব।"

এলিনৰে এইবাৰ ফ্ৰেঙ্কলিনৰ কলেজীয়া জীৱনৰ বন্ধু, ডাঃ জৰ্জ ড্ৰেপাৰলৈ চাই সুধিলে,—"তুমি নো কি কোৱা জৰ্জ? চকা লগোৱা চকী এখনৰ ওপৰত বহিয়েই ফ্ৰেঙ্কলিনে গোটেই জীৱনটো কটাব লাগিব নেকি?"

ডাঃ ড্ৰেপাৰে এবাৰ এলিনৰৰ চকুলৈ আৰু এবাৰ মাকৰ চকুলৈ চালে। তেওঁ যিহকেই ক'ব সেয়ে হ'ব। এলিনৰে নীলা চকুজুৰি তুলি আশাৰে ডাঃ ড্ৰেপাৰৰ মুখলৈ চাই ৰ'ল। ডাক্তৰজনে কৈ গ'ল,—"তেওঁ যদি আকৌ নিজক কামৰ মাজত ব্যস্ত ৰাখিব পাৰে সোনকালেই অসুখটো ভাল হ'ব। তেওঁ অকৰ্মণ্য নহয়, আমি তেওঁক ৰুগীয়া মানুহ এজনৰ দৰে ব্যৱহাৰ কৰাটো উচিত নহব।"

এলিনৰে নিৰৱে ডাক্তৰজনক কৃতজ্ঞতা জনালে। লুই হাউএ, ফ্ৰেঙ্কলিনক মনে মনে কোনেও নজনাকৈ নিউয়ৰ্কলৈ লৈ যোৱাৰ কথাটো ভাবিছিল। তেওঁ বুজি পাইছিল যে, খবৰ কাগজে যদি গম পাই কেনেবাকৈ লিখি দিয়ে ফ্ৰেঙ্কলিনৰ এই অসুখটো সকৰে পৰাই আছে তেন্তে ফ্ৰেঙ্কলিনৰ ৰাজনীতি ইমানতে শেষ, কাৰণ আমেৰিকাৰ মানুহে বিশ্বাস কৰে সৰু বয়সতে এই বেমাৰটো হ'লে মানুহজনৰ মগজো বেয়া কৰে।

লুয়ে সাংবাদিকসকলক খবৰ দিলে যে ফ্ৰেঙ্কলিন নাৱেৰে আহি এটা নিৰ্দিষ্ট সময়ত মেইন্ বন্দৰত নামিবহি; কিন্তু আহিবৰ সময়ত তেওঁ নাওখন অইন বাটেৰে নি অইন এটা বন্দৰতহে ফ্ৰেঙ্কলিনক নমালেহি। পাঁচোটা ল'ৰাছোৱালীক লগত লৈ এলিনৰ ফ্ৰেঙ্কলিনৰ কাষতে বহি আহিল। অসহ্য বিষ হোৱা স্বত্তেও ফ্ৰেঙ্কলিনে জোৰ কৰি মুখত হাঁহিৰ ভাব এটা দেখুৱাইছিল। নাৱৰ পৰা দাঙি নি তেওঁক এখন ৰেলত তোলা হ'ল। এলিনৰে অনবৰতে কাষত থাকি তেওঁক উৎসাহ দি গৈছিল। শেষত তেওঁক গাড়ীত তুলি বিচনা কৰি শুৱাই দিয়া হ'ল। এলিনৰে তেওঁৰ মুখৰ ঘামবোৰ

মছি দিলে। এইবাৰ লুয়ে গৈ সাংবাদিকসকলক ফ্রেঙ্কলিন আহি পোৱাৰ কথাটো খবৰ দিলেগৈ। সাংবাদিকসকলে আহি ফ্রেঙ্কলিনক লগ ধৰিলেহি।

নিউযর্কৰ হস্পিতালত ফ্রেঙ্কলিনৰ চিকিৎসা চলিল। হস্পিতালৰ পৰা ওলাই অহাৰ পিছত লুই হাউএ সাংবাদিকসকলক লগ ধৰি ফ্রেঙ্কলিনৰ অসুখৰ খবৰটো দি কলে,—"ফ্রেঙ্কলিনৰ অসুখৰ কাৰণে কোনেও ভয় খাব নালাগে। এই অসুখে স্থায়ীভাৱে তেওঁৰ কোনো ক্ষতি কৰিব নোৱাৰে।"

পিছৰ কেইমাহ ফ্রেঙ্কলিনৰ কাৰণে বৰ কষ্টকৰ হৈ পৰিছিল। কিন্তু এলিনৰে বুজি পাইছিল যে অসুখ হলেও, তেওঁৰ স্বামীয়ে সহজে নিজক এৰি দিয়া বিধৰ মানুহ নহয়। বিচনাৰ ছাদৰখনত হাত দিলেও আনকি তেওঁ বিষ অনুভৱ কৰে কিন্তু তথাপিও ভৰিৰ শিৰবোৰ মেল খুৱাই ৰাখিবলৈ ভৰি দুখনত যেতিয়া টানকৈ বেণ্ডেজ কৰি দিয়ে, ফ্রেঙ্কলিনে নিৰৱে সকলো যাতনা সহ্য কৰি যায়।

মাক ছাৰা ৰুজভেল্টে পিছে কোনো কথাই নামানে—ফ্রেঙ্কলিনক নিজৰ হাইড্‌ পাৰ্কৰ ঘৰলৈ নি লগত ৰাখিবৰ কাৰণে তেওঁ দৃঢ় প্রতিজ্ঞ। অনবৰতে তেওঁ কৈ থাকিবলৈ ধৰিলে পুতেক ফ্রেঙ্কলিনে জীৱনৰ বাকী ছোৱা নিঃসহায় পঙ্গু এজনৰ দৰেই কটাব লাগিব। মাকে আনকি এলিনৰ আৰু লুই হাউৰ বিপক্ষে ল'ৰাছোৱালীবোৰকো কথা লগাবলৈ ধৰিলে। এলিনৰে তিনি মহলাৰ ওপৰত থকা ডাঙৰ শোৱা কোঠাটোত লুই হাউক শুবলৈ দি চাৰিমহলাৰ ওপৰৰ সৰু সৰু কোঠা কেইটাত ল'ৰাছোৱালীক থাকিবলৈ দিছিল। তাকে দেখি বুঢ়ীমাকে পোন্ধৰ বছৰীয়া এন্নাক লগাইছিল,—"তোমালোকক ইমান সৰু কোঠা কেইটা দি সেই মানুহটোক (লুই হাউ) ডাঙৰ কোঠা এটা অকলে দিয়াটো উচিত হোৱা নাই। সেইটো কোঠাৰ লগত এটা গা ধোৱা ঘৰো আছে কিন্তু তোমালোকৰ কোঠাৰ একো সুবিধা নাই।"

ফ্ৰেঙ্কলিন লাহে লাহে উঠিব পৰা হ'ল। এদিন চকা লগোৱা চকীখনত বহি জীয়েক এন্নাক লাইব্ৰেৰীৰ ৰেকত কিতাপ সজাবলৈ দি চাই আছিল। কেইবাখনো কিতাপ এন্নাই মজিয়াত পেলাই দিয়াত ফ্ৰেঙ্কলিনৰ খং উঠি দুআষাৰ টানকৈ কৈ পেলালে। এন্নাইও গালি খাই উচুপি উচুপি মাকৰ ওচৰলৈ লৰ মাৰিলে।

এলিনৰে জীয়েকক সাৱট মাৰি ধৰি দেউতাকৰ অসুখৰ কথা বুজাবলৈ ধৰিলে। এন্নাই নিজে পিছত কৈছিল,—"ইমান অসুখৰ মাজত, দেউতাই এটা প্ৰতিকূল অৱস্থাৰ লগত সদায় কেনেকৈ যুঁজ কৰিব লগীয়া হৈছে—মাই তাকে মোক বুজাইছিল। স্বাভাৱিকতেই তেওঁৰ শৰীৰৰ স্নায়ুবোৰ দুৰ্বল হৈ পৰিছিল। তেওঁ যে কোনোমতে জীয়াই থাকিল এয়ে আমাৰ সৌভাগ্য। ইমান অসুখ হৈ থাকোঁতেও তেওঁ যে নিজক পৰি যাবলৈ দিয়া নাই এয়ে প্ৰমাণ কৰে—তেওঁৰ ধৈৰ্য আৰু সাহস আমাতকৈ কিমান বেছি আছে। মাৰ বুজনিত লাজ পাই মই আকৌ লাইব্ৰেৰীলৈ উভটি গ'লো। এইবাৰ দেউতাইও হাঁহি মুখেৰে কিতাপ সজাবৰ কাৰণে মোক জখলাত উঠিবলৈ কলে।"

ভৰি দুখনে যাতে আকৌ আগৰ দৰে শক্তি পাব পাৰে তাৰ কাৰণে ফ্ৰেঙ্কলিনে নানান ধৰণেৰে চেষ্টা কৰিবলৈ ধৰিলে। ভৰিৰ বুঢ়া আঙুলিটো লৰচৰ কৰিবলৈকে তেওঁৰ দুবছৰ লাগিছিল। অতি কষ্টৰ মূৰতহে তাকো লৰাব পাৰিছিল। কাঠৰ লাখুটি দুদালত ভৰ দি খোজ কাঢ়িবলৈ যত্ন কৰিছিল। এখন ডাঙৰ তিনি চকাৰ চাইকেল আনি চলাবলৈ চেষ্টা কৰিছিল। কেঁচুৱা ল'ৰা এটাৰ দৰে ঘৰৰ মজিয়াত চুচৰি যাবলৈ চেষ্টা কৰিছিল। এলিনৰৰ মতে এইবোৰ চেষ্টাৰ মাজেদি নিজৰ হেৰোৱা মনোবল বহুখিনি ফ্ৰেঙ্কলিনে ঘূৰাই আনিছিল। কিন্তু শেষত যেতিয়া বুজি পালে যে এইবোৰ যিহকেই নকৰক তেওঁৰ ভাল হোৱাৰ আশা একেবাৰেই নাই—জীৱনটো তেওঁৰ তেনেই তিক্ত যেন লাগিছিল।

এলিনৰক এদিন ফ্ৰেঙ্কলিনে কৈছিল,—"যিটো ৰোগৰ শতকৰা

পয়সত্তৰ ভাগ, সক সক ল'ৰাছোৱালীৰ গাত হয় তেনে এটা অসুখ মোৰ গালৈ অহাটো কিমান লাজলগা কথা হ'ল।"

লুই হাউএ এলিনৰক কৈছিল—এতিয়া আৰু ফ্রেঙ্কলিনক নিজৰ কোঠাৰ ভিতৰতে বেমাৰী কৰি সুমাই ৰাখিব নোৱাৰি, বাহিৰৰ জগতখনলৈ উলিয়াই আনিবৰ সময় হ'ল। এলিনৰে অবাক হৈ সুধিছিল "এই অৱস্থাত নো কেনেকৈ তেওঁক বাহিৰলৈ নিবপৰা যায়?"

লুয়ে কিন্তু হাঁহি হাঁহি উত্তৰ দিছিল,—"তেওঁ যিটো কামত লগা উচিত তালৈ উলিয়াই আনিবৰ উপায় মোৰ হাতত আছে। এলিনৰ, তুমিও ৰাজনীতিত যোগ দিব লাগিব। তোমাক ৰাজনীতিত দেখা পালে ফ্রেঙ্কলিনৰ মনত হিংসাৰ ভাব আহিব।"

এলিনৰে যেন খুব হাঁহি উঠা কথা এটাহে শুনিলে—নিজলৈ আঙুলিয়াই সুধিলে,—"মই নেকি?" লুই হাউএ কিন্তু আগৰবাৰ কোৱাৰ দৰেই জোৰ দি কৈ গ'ল—"এলিনৰে ৰাজনীতি নিশ্চয় কৰিব লাগিব।"

পাঁচোটা লৰাছোৱালীৰ মাক আৰু এজন পঙ্গু মানুহৰ সহধৰ্মিনী এলিনৰে দুই এদিনৰ ভিতৰতে বুজি পালে যে লুই হাউএ তেওঁক এনেয়ে বহি থাকিবলৈ নিদিয়ে, যি কামত লগাব খুজিছে লগাবই। তেওঁলোকৰ পৰিয়ালটো সমাজৰ উচ্চ পৰ্যায়ৰ মাজত অন্তৰ্ভুক্ত আছিল যদিও লুয়ে তেওঁক নি কল কাৰখানাত কাম কৰা তিৰোতা-সকলৰ সুখ সুবিধাৰ কাৰণে থকা এটা বয়ুৰা সঙ্ঘত যোগদান কৰালে।

এই বয়ুৰা সঙ্ঘৰ দুগৰাকী নেতা এলিনৰৰ বন্ধু হৈ পৰিল। লুয়ে তেওঁলোকক ফ্রেঙ্কলিনৰ ওচৰলৈ লৈ যাবৰ কাৰণে এলিনৰক ধৰিলে, এলিনৰেও এদিন এই নেতা দুগৰাকীক ফ্রেঙ্কলিনৰ ওচৰলৈ লৈ গ'ল। এলিনৰে লক্ষ্য কৰিছিল, ফ্রেঙ্কলিনে তেওঁলোকৰ লগত ৰাজনীতিৰ আলোচনা কৰোঁতে চকু দুটা উজ্জল হৈ পৰিছিল। ঠিক

যেন এটা সঞ্জীৱনী ঔষধ খোৱাৰ দৰেই ফ্রেঙ্কলিন সজীৱ হৈ উঠিছিল।

হাউৰ কথা মতেই এলিনৰে গণতান্ত্রিক দলৰ মহিলা শাখাটোত যোগ দিব লগীয়া হ'ল। এবাৰ এখন সভাত তেওঁক বক্তৃতা দিবলৈ মাতিছিল। ইমানবিলাক মানুহৰ আগত থিয় হৈ কথা কবৰ কাৰণে এলিনৰে বৰ ভয় খাইছিল কিন্তু হাউএ হুকুম দিলে,—"তুমি কবই লাগিব। তোমাৰ বক্তৃতা দিয়াৰ অভ্যাস হব লাগে। ডাঙৰতকৈ সৰু সৰু বিষয়বোৰতে প্রথমে কবলৈ আৰম্ভ কৰা ভাল।"

সভাৰ কামটো কিবা উপায়েৰে এলিনৰে চলাই দিলে—কিন্তু বক্তৃতা দিওঁতে তেওঁৰ কথাবোৰ লাগি লাগি ধৰিছিল। কোৱাটো ভালেই হৈছিল যদিও লুই হাউৰ মতে এলিনৰৰ মুঠেই ভাল হোৱা নাছিল। ওচৰৰ কোঠা এটাত তেওঁ এলিনৰৰ বক্তৃতা শুনি বহি আছিল। পিছত ঘৰলৈ উলটি আহি এলিনৰক কৈছিল,—"তুমি গহীন কথা এটা কওঁতে হাঁহি আছিলা কিয় ?"

এলিনৰে কিন্তু গমকে পোৱা নাছিল যে তেওঁ বক্তৃতা দিবৰ সময়ত হাঁহি আছিল। লুই হাউএ কৈ গ'ল,—"প্রত্যেক শাৰী কথা কওঁতেই তুমি মাজতে হাঁহি দিয়া। এইটো তোমাৰ বিমোৰত পৰি হঁহা হাঁহি। আজিৰপৰা এনেকুৱা নকৰিবা। তাৰ পিছৰপৰা হাউৰ হেচাত পৰি এলিনৰে প্রায়ে বক্তৃতা দিব লগীয়া হ'ল। কেতিয়াবা তেওঁ বক্তৃতাটো লিখি দি এলিনৰক মুখস্থ কৰি লবলৈ দিয়ে। লুই হাউএ এটা উপদেশ এলিনৰক দিছিল—"যিহকে কবলৈ ঠিক কৰা কৈ পেলাবা তাৰ পিছত বহি থাকিবা।"

খবৰ কাগজখন কেনেকৈ পঢ়িব লাগে তাকো লুয়ে এলিনৰক শিকাই দিয়ে,—"কিতাপ এখনৰ বা খবৰ কাগজখনৰ প্রথমৰ কথাখিনি পঢ়িলেই পিছৰ গোটেই কথাখিনি বুজি পাব পাৰি। বিশেষ দৰ্কাৰী কথা নাথাকিলে গোটেইবোৰ পঢ়ি সময় নষ্ট কৰাৰ মানে নাই।"

তেওঁ নিজে লগত বহি এলিনৰক খবৰ কাগজবোৰ পঢ়ায়। "নিউয়ৰ্ক টাইম্‌চ্" নামৰ কাগজখন আধা ঘণ্টাৰ ভিতৰতে পঢ়ি শেষ কৰিব নোৱাৰালৈকে এলিনৰে লুইৰপৰা টান কথা শুনিব লাগিছিল।

এলিনৰে কিন্তু লুই হাউএ তেওঁক টানকৈ কথা কলেও বেয়া নাপাইছিল। লাহে লাহে ৰাজনীতিত তেওঁৰ নিছা বহি আহিছিল আৰু নিজকে এই ক্ষেত্ৰত আগ বঢ়াই নিবৰ ইচ্ছা পোষণ কৰিছিল। তাৰ বাহিৰেও এলিনৰে এই ছুটি চাপৰ মানুহজনক ভাল পাবলৈ ধৰিছিল। ৰাজনীতিৰ কথা শিকাওঁতে লুয়ে প্ৰায়ে এলিনৰক নিষ্ঠুৰ ভাৱে কথা কয়, কিন্তু অইন সময়ত তেওঁ সদায় মৰমিয়াল। বহুত বছৰৰ পিছত এলিনৰে কৈছিল—"মোৰ মনত পৰে এদিন লুই হাউএ মোক বাহিৰত খাবলৈ লৈ গৈছিল। তেওঁ মোৰ কাৰণেই, নিজে ভাল নোপোৱা ঠাই এডোখৰত বহি অতৃপ্তিকৰ খোৱা কিছুমান খাব লগীয়া হৈছিল। তেওঁ অইন এখন মেজলৈ উঠি গ'লে বা খোৱাটো বেয়া হোৱা বুলি কলে মই লাজত পৰিম বুলি ভাবিয়েই একো নমতাকৈ মনে মনে বহি খাই আছিল।"

খুব কম সময়ৰ ভিতৰতে ৰাজনীতি ক্ষেত্ৰত এলিনৰ আগবাঢ়ি গ'ল। প্ৰথম বাৰ বক্তৃতা দিয়াৰ এবছৰ পিছতেই তেওঁক ৰাজ্যিক গণতান্ত্ৰিক দলৰ মহিলা শাখাৰ অৰ্থনৈতিক সমিতিটোৰ সভানেত্ৰী পাতিলে। তাৰপৰা ওলোৱা খবৰ কাগজখনৰো তেওঁৱেই সম্পাদিকা। খবৰ কাগজৰ বিষয়ত তেওঁৰ কোনো অভিজ্ঞতা নাছিল। কিন্তু লুই হাউৱে কাগজখন কেনেকৈ তৈয়াৰ কৰিব লাগে তেওঁক শিকাই দিছিল। এলিনৰে নিজেই এই কথা স্বীকাৰ কৰি কৈছিল, —"কাগজখনৰ প্ৰধান প্ৰধান কথাবোৰ লুয়ে লিখি দিছিল, কাৰণ মোৰ লিখাবোৰ তেওঁ তেনেই অদ্ভুত ধৰণৰ হোৱা বুলি ভাবিছিল।" কেইমাহ মানৰ ভিতৰতে এলিনৰ সম্পাদিকা হিচাবে পাৰ্গত হৈ পৰিল।

ইমান দিনে এলিনৰে ৰাজনৈতিক নেতাসকলৰ লগত সহজভাৱে

কথা-বতৰা কৰ পৰা হ'ল, তেওঁৰ চলাকুৰাও সহজ হোৱা দেখা পাই ফ্ৰেঙ্কলিনৰ সঁচাকৈয়ে হিংসা লাগি গ'ল। ৰাজনীতি পুৰুষৰহে কাম, তেওঁ জানো পুৰুষ নহয়? এই কথাষাৰ তেওঁ বাৰে বাৰে লুইক সুধিবলৈ ধৰিলে। তেন্তে এলিনৰক এদিন দেখুৱাই দিব তেওঁ নিজেও যে এজন ভাল ৰাজনীতি জনা মানুহ। ফ্ৰেঙ্কলিনৰ বিচনাৰ ওচৰতে চকী এখনত বহি, চিগাৰেটৰ ছাইবোৰ পেলাই লুই হাউএ মিছিকিয়াই হাঁহি থাকে।

ফ্ৰেঙ্কলিন ৰাজনীতিলৈ উভটি আহিল। ঘৰত কেতিয়াবা তেওঁ উত্তেজিতভাৱে এলিনৰৰ লগত ৰাজনীতিৰ আলোচনা কৰে। আমেৰিকাৰ ৰাজনৈতিক নেতাসকলক ঘৰলৈ প্ৰায়ে নিমন্ত্ৰণ কৰি ৰাজনৈতিক সমস্যাবোৰ আলোচনা কৰে।

লুই হাউএ এলিনৰক গৱৰ্ণৰ আল্ স্মিথৰ লগত ঘনিষ্ঠতা কৰিবৰ কাৰণে পৰামৰ্শ দিছিল আৰু সেইমতেই এলিনৰেও কাম কৰিছিল। এখন ৰাজনৈতিক সম্মিলনত এলিনৰে আল্‌স্মিথক সমৰ্থন কৰি এটা সুন্দৰ বক্তৃতা দিছিল আৰু এই বক্তৃতাটো প্ৰকৃততে লুই হাউৱেই লিখি দিছিল। লুয়ে এলিনৰক কৈছিল,—"আল্‌স্মিথৰ ৰাজনৈতিক ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ আছে। তেওঁৰ লগত ঘৰুৱা সম্পৰ্কটো যিমানে ভাল হয় ফ্ৰেঙ্কলিনৰ কাৰণে সিমানে আৱশ্যকীয়।"

এবাৰ স্মিথে এখন চিঠিত ফ্ৰেঙ্কলিনলৈ লিখিছিল—"মিছেছ, ৰুজভেল্টৰ মুখৰপৰা তোমাৰ গাটো ভাল হোৱা বুলি শুনি মই অতি সন্তোষ পাইছোঁ। এই কথাটোৰ বাবে মোৰ বৰ চিন্তা হৈছিল।"

১৯২৪ চনত স্মিথ্ গণতান্ত্ৰিক দলৰপৰা আমেৰিকাৰ প্ৰেছিডেণ্ট পদৰ বাবে প্ৰাৰ্থী হ'ল। গণতান্ত্ৰিকদলৰ জাতীয় অধিবেশনত, স্মিথে তেওঁক সমৰ্থন কৰি বক্তৃতা দিবৰ কাৰণে ফ্ৰেঙ্কলিনক অনুৰোধ কৰিলে। লুই হাউএ কথাটো গম পাই অতি আনন্দিত হৈ এলিনৰক কৈছিল যে ফ্ৰেঙ্কলিনক ৰাজনীতিলৈ ওভোটাই আনিবৰ কাৰণে কৰা তেওঁলোকৰ দুয়োৰো প্ৰচেষ্টা সফল হ'ল। ফ্ৰেঙ্কলিনে স্মিথৰ কথাত

তৎক্ষণাতে সম্মতি দিলে যদিও তেওঁৰ মনৰ সংশয়ৰ কথা এলিনৰক খুলি কৈছিল—তেওঁ বাৰু এনেকুৱা অৱস্থাৰে বক্তৃতা দিয়া মঞ্চৰ ওপৰলৈ উঠি যাব কেনেকৈ ?

লুয়ে এলিনৰক কৈছিল,—“এইটোৱেই ফ্ৰেঙ্কলিনৰ ডাঙৰ পৰীক্ষা। তেওঁক কোনোমতেই মঞ্চলৈ দাঙি লৈ যোৱাটো ঠিক নহব। যদি মানুহবিলাকে তেওঁক কঢ়িয়াই লৈ যোৱা দেখা পায় তেওঁলোকে ফ্ৰেঙ্কলিনক পুতৌৰ চকুৰে চাব আৰু ইয়াৰদ্বাৰা ফ্ৰেঙ্কলিনৰ ৰাজনৈতিক জীৱনৰ মৃত্যু হ'ব।”

এলিনৰেও বুজি পাইছিল যদি কিবা উপায়েৰে মঞ্চৰ ওপৰত উঠি ফ্ৰেঙ্কলিনে এটা ওজস্বিনী বক্তৃতা দিব পাৰে তেওঁক ৰাইজে আকৌ সক্ৰিয় ৰাজনীতিজ্ঞ হিচাবে গ্ৰহণ কৰিব পাৰিব। এই কামৰদ্বাৰা মানসিক ক্ষেত্ৰতো তেওঁৰ যথেষ্ট উন্নতি হ'ব, কাৰণ ফ্ৰেঙ্কলিনে তেতিয়া বুজিব পাৰিব যে তেওঁ এজন স্বাধীন মানুহ, অসহায় পঙ্গু নহয়।

সভাত সমবেত হোৱা ৰাইজে গম নোপোৱাকৈ, কাৰো চকুত নপৰাকৈ লুয়ে ফ্ৰেঙ্কলিনক চকা লগোৱা চকীখনত ঠেলি বক্তৃতা দিয়া মঞ্চৰ ওচৰলৈ লৈ গ'ল। কিছু সময়ৰ পিছত মঞ্চৰ ওপৰলৈ উঠি গৈ কৰৰ কাৰণে তেওঁক মতা হ'ল।

এলিনৰে লক্ষ্য কৰি আছিল, অস্বস্তিত তেওঁৰ হাত দুখন ঘামি এঠা-এঠি হৈছিল। উশাহবোৰ ঘন হৈ পৰিছিল। দুদাল লাখুটিৰ ওপৰত ভৰ দি, সোতৰ বছৰীয়া লৰা জিমিৰ গাত ধৰি ফ্ৰেঙ্কলিন লাহে লাহে মঞ্চৰ কাষলৈ আহিল। উপস্থিত জনতাই নিস্তব্ধ হৈ চাই ৰ'ল ফ্ৰেঙ্কলিন ওপৰলৈ কেনেকৈ উঠে। অৱশেষত তেওঁ উঠিলগৈ। এলিনৰে গৰ্বেৰে মিছিকিয়া হাঁহি এটি মাৰি দীঘলকৈ এটা উশাহ ললে। প্ৰায় পাঁচমিনিটৰ বাবে বিৰাট জনতাই থিয় হৈ তেওঁক সম্বৰ্ধনা জনালে।

স্মিথক সমৰ্থন কৰি ফ্ৰেঙ্কলিনে বক্তৃতা দি গ'ল, স্মিথক তেওঁ সুদক্ষ যুজাৰু বুলি অভিহিত কৰিলে। জনতাই বক্তৃতা শুনি মন্ত্ৰমুগ্ধ

হৈ পৰিল। লুই হাউএ আনন্দত অধীৰ হৈ এবাৰ মঞ্চৰ ওপৰলৈ উঠি যায়, এবাৰ নামি আহে, একো কব নোৱাৰাৰ দৰে তেওঁ চিঞৰিবলৈ ধৰে। ফ্ৰেঙ্কলিনে নিশ্চিতভাৱেই আচল বাটলৈ উভতি আহিল।

এলিনৰে অৱশ্যে নিজৰ নতুন কামবিলাক এৰি দি এতিয়া শান্তিপূৰ্ণভাৱেই ঘৰত জিৰাব পাৰিব। তেওঁ ৰাজনীতিক উত্তেজনাময যেন পাইছিল। তেওঁৰ খুৰাকৰ ল'ৰা থিওদৰ ৰুজভেল্ট সেইবাৰ প্ৰজাতান্ত্ৰিক দলৰপৰা গৱৰ্ণৰ পদৰ বাবে প্ৰাৰ্থী হৈছিল। এলিনৰে নিজে যদিও থিওদৰক ভাল পাইছিল, ৰাজনৈতিকভাৱে তেওঁ আৰু লুই হাউএ নিৰ্বাচনত থিওদৰৰ বিপক্ষে থিয় দিলে। থিওদৰ নিৰ্বাচনত পৰাজিত হ'ল। ভোট লোৱাৰ দিনা এলিনৰে মানুহক মটৰত তুলি ভোটৰ কেন্দ্ৰলৈ লৈ গৈছিল। টকা লৈ বহুতেই নিজৰ ভোটটো বিক্ৰী কৰা দেখি তেওঁ বৰ দুঃখ পাইছিল। এজন বুঢ়া মানুহে গৰ্ব কৰি এলিনৰক কৈছিল যে সেইদিনাখন তেওঁ কেইবাবাৰো ভোটটো বিক্ৰী কৰিছিল।

এলিনৰে উত্তৰ দিছিল,—"এই কামৰদ্বাৰা তুমি অইন সকলোৰে সৈতে সমান হ'ব পৰা নিজৰ অধিকাৰটোহে বিক্ৰী কৰিলা।" মানুহজনেও কৈ গ'ল—"যিয়েই নহওক, মই নিজে যাক ভাল পাওঁ ভোটটো তেওঁকেই দিম।"

এলিনৰে নতুন এটা দায়িত্ব হাতত ললে। প্ৰত্যেক ঠাইলৈ গৈ তেওঁ ৰাজনৈতিকভাৱে তিৰোতাসকলক সংগঠিত কৰিবৰ বাবে আগবাঢ়ি ওলাল। গণতান্ত্ৰিক দলৰ নেতাসকলে তেওঁলোকৰ সভা সমিতিত তিৰোতা মানুহক সোমাবলৈ দিয়া নাছিল, এই নিয়মটো ভাঙিবৰ কাৰণেই এলিনৰে কামত লাগি গ'ল। এবাৰ এলিনৰ এগৰাকী লগৰীয়াৰ সৈতে এজন নেতাক লগ ধৰিবলৈ তেওঁৰ ঘৰলৈ গৈছিল। সেই নেতাজনৰ পৰিবাৰে ওলাই আহি খবৰ দিলেহি যে তেওঁৰ স্বামী কেনিবা ওলাই গৈছে, ঘৰত নাই। এলিনৰে ক'লে,

—"ঠিক আছে বাৰু; তেওঁ ঘূৰি নহালৈকে আমি বাৰাণ্ডাতে বহি থাকিম।"

এঘণ্টামানৰ পিছত তিৰোতা গৰাকী আকৌ বাহিৰলৈ ওলাই আহি দেখিলে যে এলিনৰ আৰু তেওঁৰ লগৰীয়া গৰাকীয়ে উল গুঠি বহি আছে। বিৰক্তভাৱে তেওঁ কৈ উঠিল,—"মোৰ স্বামী ঘৰলৈ কেতিয়া উভতি আহে একো ঠিক নাই।"

হাঁহি এটা মাৰি এলিনৰে কলে,—"যেতিয়াই আহে আহক। আমাৰ এতিয়া একো কাম নাই। সেয়ে আমি কিছুপৰ তেওঁৰ কাৰণে অপেক্ষা কৰি থাকিম।"

আৰু এঘণ্টা পাৰ হৈ গ'ল। শেষত খট্‌কৈ দুৱাৰ মেলাৰ শব্দ হ'ল। এজন মটা মানুহ ওলাই আহিল। বিষণ্ণ মুখেৰে তেওঁ কৈ গ'ল,—"তোমালোকেই জিকিলা।" ইমানখিনি সময় তেওঁ ঘৰৰ ভিতৰতেই লুকাই আছিল। এলিনৰে একো নকৈ মাত্র হাঁহিলে। গণতান্ত্রিক দলৰ সমিতিবোৰত তিৰোতাক লবলৈ তেওঁক এলিনৰে ৰজাবলৈ ধৰিলে।

লুই হাউএ সন্তোষ পাইছিল যে এলিনৰক গঢ়ি তুলিবলৈ তেওঁ যি চেষ্টা কৰিছিল সেই চেষ্টা অথলে যোৱা নাই। পৰিচালিকা হিচাবে এলিনৰে যথেষ্ট প্রতিভাৰ পৰিচয় দিছিল, কেইবাটাও অনুষ্ঠানে তেওঁৰপৰা সহায় বিচাৰিছিল। কাম এটা কেনে ধৰণেৰে সংগঠন কৰিব লাগে আৰু লগৰ সহকর্মীসকলৰপৰা কেনেকৈ আগ্রহ আৰু সম্পূর্ণ সহযোগ আদায় কৰিব লাগে—তাক এলিনৰে ভালকৈ জানিছিল। ১৯২৬ চনত ৰবার্ট ৱেগ্‌নাৰ নামেৰে এজনে চিনেটৰ সভ্যপদৰ বাবে থিয় হৈছিল। এলিনৰে ৱেগ্‌নাৰৰ পক্ষ সমর্থন কৰি ভোট-যুদ্ধত নামিছিল। নিউয়র্ক চহৰৰ ইমূৰৰপৰা ইমূৰলৈ ঘূৰি তিৰোতাসকলক তেওঁ ৱেগ্‌নাৰক সমর্থন কৰিবৰ বাবে সংগঠিত কৰিছিল, কেইবাঠাইতো বক্তৃতাও দিছিল। ৱেগ্‌নাৰে নির্বাচনত জিকাৰ পিছত কৈছিল যে এলিনৰৰ চেষ্টাৰ কাৰণেহে তেওঁ জিকাটো

সন্তুৰপৰ হৈ উঠিছিল। তিৰোতাসমাজ, সংখ্যা লঘু সম্প্ৰদায়, বুঢ়ামানুহ আৰু ল'ৰাছোৱালীৰ সমস্যাৰ বিষয়ত এলিনৰৰ যথেষ্ট জ্ঞান হৈছিল। এই সমস্যাবিলাকৰ ওপৰত ৰাজ্যিক বিধান সভাৰ কমিটীবোৰৰ আগত খুব ভালভাৱে তেওঁ সাক্ষী দিব পৰিছিল।

বাহিৰা সকলোবোৰ কামকাজৰ মাজতো এলিনৰৰ ঘৰুৱা জীৱনটোও সম্পূৰ্ণ আছিল। ফ্ৰেঙ্কলিনে ল ৰাছোৱালীৰ লগত বাহিৰলৈ গৈ খেল-ধেমালিত যোগ দিব নোৱাৰে—এলিনৰে সেয়ে মাক আৰু বাপেক দুয়োৰে দায়িত্ব নিজৰ হাতত তুলি ললে। তেওঁ প্ৰথমেই খৃষ্টীয় তিৰোতাসকলৰ এটা অনুষ্ঠানত (Y. W. C. A.) যোগ দিয়ে। ইয়াত যোগদান কৰি তেওঁ লাহে লাহে পানীৰ ভয়টো দূৰ কৰিলে। সৰু বয়সত চাগামৃৰ পাহাৰৰ ৰৰদেউতাকৰ ঘৰলৈ যাওঁতে এই পানীৰ ভয়ৰ কাৰণেই তেওঁ সাঁতুৰিবলৈ নমা নাছিল আৰু ৰৰদেউতাকেও পাৰত থিয় হৈ থকাবোৰক ঠেলা মাৰি পানীলৈ পেলাই দিছিল' ঘোঁৰাত উঠি এলিনৰে বেয়া পাইছিল যদিও ল'ৰাছোৱালীক আনন্দ দিবৰ কাৰণেই ঘোঁৰাত উঠিব লগীয়া হৈছিল। ল'ৰাছোৱালী কেইটাও খুব ভাল ঘোঁৰা চলাব পৰিছিল। মটৰ চলাইও এলিনৰে ভাল পোৱা নাছিল। প্ৰথম দিনাখন মটৰত তুলি ল'ৰাছোৱালী কেইটাক ফুৰাবলৈ নিওঁতে এটা থিয় পাহাৰৰ ওপৰত পাছলৈ গাড়ীখন ঘুৰাওঁতে, কোনোমতেহে এদাল ডাঙৰ গছে বাগৰি পৰাৰ পৰা গাড়ীখনক ৰক্ষা কৰিলে। কেতিয়াবা ল'ৰাছোৱালী কেইটাক কিছুদিনৰ বাবে অইন ঠাইলৈকো নি ফুৰাই আনেগৈ। এবাৰ এনেকৈ ফুৰিবলৈ যাওঁতে পুতেক ফ্ৰেঙ্কলিনে কুঠাৰেৰে ভৰি কাটিলে। এলিনৰে অকণো উত্তেজিত নোহোৱাকৈ শান্তভাৱে নিজে দবব পাতি দি ঘাডোখৰ বান্ধি দিছিল।

ঘৰত মাক ছাৰা কনভেন্টৰ বাহিৰে গোটেই পৰিয়ালটোৱেই ফ্ৰেঙ্কলিনৰ লগত এনে ধৰণেৰে কথা-বতৰা পাতে যেন তেওঁৰ

একো অসুখেই হোৱা নাই। ঘৰৰ মজিয়াত বহি তেওঁ ল'ৰাছোৱালীৰ লগত খেলে, নিজৰ ভালপোৱা খেলবোৰত ব্যস্ত থাকে আৰু এলিনৰ আৰু লুই হাউৰ হতুৱাই দেশৰ ৰাজনৈতিক নেতাসকলৰ লগত সম্বন্ধ ৰাখে। এলিনৰে নিজে কৈছিল,—"আমি ফ্রেঙ্কলিনক এজন সম্পূর্ণ সুস্থ আৰু সক্ষম মানুহৰ দৰেই ব্যৱহাৰ কৰিছিলোঁ। আৰু তেৱোঁ আমাক ঠিক তেনেদৰেই অনুভৱ কৰিছিল।"

মাক ছাৰা ৰুজভেল্টে সদায় পুতেক ফ্রেঙ্কলিনক বিচনাত পৰি থাকিবলৈ কৈছিল ; কিন্তু এলিনৰে সুখ পাইছিল যে ফ্রেঙ্কলিনে মাকৰ এই কথা মানি লবলৈ অস্বীকাৰ কৰিছিল। নিজৰ ল'ৰাছোৱালী কেইটা ডাঙৰ দীঘল কৰোঁতেও প্ৰত্যেক কথাতে শাহুৱেকে মাত দি থকাটো এলিনৰে মুঠেই ভাল পোৱা নাছিল। ল'ৰাছোৱালী কেইটাক বুঢ়ীমাকে বেছিকৈ মৰম কৰি উশৃঙ্খল কৰিছিল। সৰু ল'ৰা কেইটাই দুষ্টামী কৰি থকাৰ কাৰণে এলিনৰে তেওঁলোকৰ ঘোঁৰাটো কাঢ়ি দিলে ; কিন্তু বুঢ়ীমাকে গম পাই তৎক্ষণাতে নাতিনীয়েকহঁতক আগতকৈও ভাল ঘোঁৰা কেইটামান কিনি দিলে। এবাৰ এটা ল'ৰাই অসাৱধানভাৱে চলাই কম দামী মটৰ এখন ভাঙিলত বুঢ়ীমাকে তাৰ সলনি নতুন, দামী মটৰ এখন কিনি দিলে। এলিনৰ আৰু ফ্রেঙ্কলিনে ল'ৰাছোৱালী কেইটাক হাত খৰচৰ বাবে টকা কমকৈ দিছিল ; পিছে কেইদিনমানতে গম পালে যে বুঢ়ীমাকে তেওঁলোকে দিয়াতকৈ বহুত বেছি টকা ল'ৰাছোৱালী কেইটাক দিয়ে।

বুঢ়ীমাকৰ এনে ধৰণৰ কামবোৰৰ মাজতো ৰুজভেল্ট পৰিয়ালটোৰ মিলা-প্ৰীতি সম্পূর্ণ অটুট আছিল। ১৯২৪ চনৰ শেষ ভাগত এলিনৰে ফ্রেঙ্কলিনৰ লগত জৰ্জিয়া নামৰ ঠাইত থকা গৰম পানীৰ উঁহ এটালৈ যায়। তাৰ পানীখিনি গৰম হৈ থকাৰ উপৰিও যথেষ্ট পৰিমাণে সেই পানীত খনিজ পদাৰ্থ মিহলি হৈ আছে। ইয়াত কেইদিনমান

সাঁতোৰাৰ পিছত ফ্ৰেঙ্কলিনে অনুভৱ কৰিলে, তেওঁৰ ভৰি দুখনে যেন আগতকৈ শক্তি পাইছে। কেইবা বছৰৰ মূৰত, ভৰি দুখন বেকা নকৰাকৈ তেওঁ খোজ দিব পৰা হ'ল। যাওঁতে মাত্ৰ এজনক ধৰি যাব লাগে। নিজৰ এই আকণমান উন্নতি দেখিয়েই ফ্ৰেঙ্কলিন ইমান প্ৰভাবান্বিত হৈছিল যে অইনকো সহায় কৰিবৰ কাৰণে বিশেষকৈ পলিও হোৱা ল'ৰাছোৱালীৰ চিকিৎসাৰ কাৰণে তেওঁ ইয়াতে এটা চিকিৎসা কেন্দ্ৰ প্ৰতিষ্ঠা কৰিলে। এই অনুষ্ঠানৰ নামেই হ'ল 'ৱাৰ্ম স্প্ৰিংচ ফাউণ্ডেচন'।

১৯২৮ চন মানলৈকে ফ্ৰেঙ্কলিনৰ স্বাস্থ্যৰ যথেষ্ট উন্নতি হৈছিল। এলিনৰে তেওঁৰ এই উন্নতি দেখা পাই খুব ভাল পাইছিল যদিও এটা কথা বুজি পাইছিল যে ফ্ৰেঙ্কলিনে আৰু কোনোদিনেই খোজ কাঢ়ি ফুৰিব নোৱাৰিব। সেই সময়ত এলিনৰ নিজেও নিউয়ৰ্কৰ প্ৰসিদ্ধ মহিলা হৈ উঠিছিল। ১৯১৮ চনটো তেওঁলোক দুয়োৰে কাৰণেই এটা চিৰস্মৰণীয় সময়।

গৱৰ্ণৰৰ পৰিবাৰৰ ৰূপত এলিনৰ

১৯২৪ চনৰ গণতান্ত্ৰিক দলৰ জাতীয় অধিবেশনত ফ্ৰেঙ্কলিনে আৰ্ল স্মিথক সমৰ্থন কৰি ইমান উত্তেজনাপূৰ্ণ বক্তৃতা দিয়া স্বত্তেও স্মিথে সভাপতিৰ বাবে মনোনয়ন নাপালে। সেই একেবাৰেই স্মিথে আকৌ নিউয়ৰ্কৰ গৱৰ্ণৰ পদৰ প্ৰাৰ্থী হৈ ভোটত থিয় দিলে। সেইবাৰ তেওঁ কৃতকাৰ্য হ'ল। ১৯২৮ চনত অৱশ্যে স্মিথে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাবে থিয় হবৰ কাৰণে গণতান্ত্ৰিক দলৰপৰা মনোনয়ন লাভ কৰিলে।

দলৰ অনুমতি পাই স্মিথে এলিনৰ ৰুজভেল্টক তেওঁৰ অফিছলৈ মাতি পঠিয়ালে। এলিনৰক অনুৰোধ কৰি তেওঁ কলে,—"মোক

সমৰ্থন কৰিবৰ কাৰণে তুমি তিৰোতাসকলৰ মাজত কাম কৰাৰ দায়িত্ব লোৱা।" এলিনৰে সম্মতি জনালে। তেওঁৰ কাম হ'ল অইন ঠাইবোৰলৈ গৈ গণতান্ত্ৰিক দলৰ সমৰ্থক তিৰোতাসকলক সংগঠিত কৰা, ঠায়ে ঠায়ে বক্তৃতা দিয়া আৰু প্ৰচাৰৰ কাৰ্যক্ৰম আদিৰ বন্দৱস্ত কৰা। এলিনৰৰ অফিছত কাম কৰা ল'ৰাবিলাকে গম পাইছিল যে কাম আদায় কৰাৰ বিষয়ত এলিনৰ অতি সাংঘাটিক। নিউয়ৰ্কত থকা তেওঁৰ অফিছত তিৰোতা পৰিদৰ্শকেৰে ভৰি পৰিল। তাত গোটখোৱা তিৰোতাসকলক চাহ খুওৱা হৈছিল, অলপ কথা-বতৰা পাতিছিল আৰু বিখ্যাত মহিলা ৰাজনীতিবিদ-সকলৰ লগত হাত জোকাৰি চিনাকি হ'বৰ সুবিধা দিয়া হৈছিল। এবাৰ এলিনৰে য়মিং নামৰ ঠাইৰ মহিলা গৱৰ্ণৰ মিছছ্ নেলী ৰছক এইদৰে কৰমৰ্দন কৰিবৰ কাৰণে মাতি আনিছিল। দিনটো এই কাম কৰি কৰি হঠাতে মিছেছ ৰছ নোহোৱা হৈ প'ৰিল। এলিনৰে বিচাৰি চাই দেখিলে এটা কোঠাৰ মজিয়াৰ ওপৰত ভাগৰে-জোগৰে মিছেছ ৰছ শুই পৰিছে।

১৯২৮ চনৰ শেষৰ পিনে ৰাজ্যিক গণতান্ত্ৰিক দলৰ অধিবেশনত যোগ দিবলৈ এলিনৰ ৰছেষ্টাৰ নামৰ ঠাইলৈ যায়। গৱৰ্ণৰ স্মিথো সেই সভালৈ গৈছিল। স্মিথে তেওঁৰ পাছত গৱৰ্ণৰ হ'বৰ কাৰণে এজন উপযুক্ত মানুহ বিচাৰি ফুৰিছিল। তেওঁ ফ্ৰেঙ্কলিনকে এই পদৰ বাবে প্ৰাৰ্থী হোৱাটো ইচ্ছা কৰিছিল কাৰণ ফ্ৰেঙ্কলিনৰ প্ৰভাৱৰ দ্বাৰা তেওঁ নিজেও আমেৰিকাৰ সভাপতি হ'বৰ কাৰণে বহুসংখ্যক সমৰ্থক গোটাব পাৰিব বুলি আশা কৰিছিল।

সেই সময়ত ফ্ৰেঙ্কলিন ৱাৰ্মস্প্ৰিংছত আছিল স্মিথে এলিনৰক অনুৰোধ কৰিলে,—"অনুগ্ৰহ কৰি তেওঁক মাতি আনি গৱৰ্ণৰ পদৰ বাবে প্ৰাৰ্থী হ'বলৈ কোৱাচোন।"

প্ৰথমতে এলিনৰে নিজে এই বিষয়ত মত দিবলৈ ইচ্ছা কৰা নাছিল; কিন্তু স্মিথে জোৰ কৰি ধৰাত অন্ততঃ ফ্ৰেঙ্কলিনে কিনো

কয় জানিবৰ কাৰণেই এলিনৰে জৰ্জিয়ালৈ এটা টেলিফোন কৰিলে। টেলিফোনৰ কথা-বতৰা শেষ হোৱাৰ সময়ত এলিনৰে কৈছিল,—"আগতেই এই কথাটো জানিছিলোঁ। ফ্ৰেঙ্কলিন। স্মিথক মই কৈছিলোঁও যে তুমি নিৰ্বাচনত যুঁজিবা।"

ফ্ৰেঙ্কলিনে উত্তৰ দিলে,—"নিৰ্বাচনত থিয় হ'বৰ কাৰণে মোৰ গাটো এতিয়াও সিমান ভাল হৈ উঠা নাই, আৰু কেইবছৰমান অন্ততঃ মোক সময় লাগিব।"

এলিনৰে ফোনটো স্মিথৰ হাতত তুলি দিলে, কিন্তু নিজে কথা পাতিও স্মিথে বিশেষ একো আগবাঢ়িব নোৱাৰিলে। টেলিফোনটো থৈ এলিনৰক তেওঁ সুধিছিল,—"মোক সঁচাকৈয়ে কোৱাচোন নিৰ্বাচনত ঘূৰিব লগীয়া হ'লে তেওঁৰ স্বাস্থ্য বেয়া হ'ব পাৰে বুলি তুমি ভাবা নে কি?"

এলিনৰে কৈ উঠিল,—"মই ঠিককৈ কব নোৱাৰিলোঁ। ডাক্তৰবিলাকে ভাবে ফ্ৰেঙ্কলিনে যদি ৱাৰ্মস্প্ৰিংছত নিয়মমতে সাঁতোৰে আৰু ব্যায়াম আদি কৰি থাকে তেওঁৰ ভৰি দুখনৰ যথেষ্ট উন্নতি হ'ব।"

"তেওঁ খোজ কাঢ়িব পৰা হ'লেহে নিৰ্বাচনত থিয় হ'ব নেকি" —স্মিথে প্ৰশ্ন কৰিলে।

এলিনৰে স্মিথৰ ধেমেলীয়া কথাষাৰ শুনি হাঁহি পেলালে আৰু সিমানতে তেওঁলোকৰ আলোচনাও শেষ হ'ল।

ফ্ৰেঙ্কলিনক গৱৰ্ণৰ পদৰ বাবে প্ৰাৰ্থী হোৱাটো স্মিথে যে ইচ্ছা কৰে; এই কথাটো পিছদিনাই চাৰিওপিনে ৰাষ্ট্ৰ হৈ পৰিল। গণতান্ত্ৰিক দলৰ সদস্যসকলৰপৰাও কিবা এটা সিদ্ধান্তৰ বাবে চিঞৰ বাখৰ কৰিবলৈ ধৰিলে। স্মিথ আকৌ এলিনৰৰ ওচৰলৈ আহিল,—"তুমি আকৌ এবাৰ ফ্ৰেঙ্কলিনলৈ ফোন কৰি চাবা নেকি? আমি আৰু এবাৰ চেষ্টা কৰি চাব পাৰো।"

এলিনৰে এইবাৰ কলে যে তেওঁ টেলিফোন কৰিব বাৰু, পিছে

হেল' বুলি কোৱাৰ বাহিৰে এটাও কথা নাপাতে ; স্মিথক ফোনটো দি দিব তেওঁ নিজে কথা পাতি লব। কিন্তু ইমান দূৰলৈ ফোনৰ যোগাযোগ কৰাটো সহজ কথা নাছিল। ফ্রেঙ্কলিনেও আকৌ এবাৰ ফোন আহিব পাৰে বুলি ভাবিয়েই মান্‌চেষ্টাৰলৈ আতৰি গুচি গৈছিল যাতে তেওঁক লগ পাব নোৱাৰে। এলিনৰে ঠেলিফোনত অইন এজন মানুহকে লগ পাই যেনেতেনে ফ্রেঙ্কলিনক মাতি আনিবলৈ কলে। ফ্রেঙ্কলিনে সেই সময়ত স্কুলৰ মিটিং এখনত বক্তৃতা দি আছিল। তাৰ পৰা তেওঁক মাতি অনা হ'ল। টেলিফোনৰ তাঁৰৰ অইন মূৰত এলিনৰে তেওঁৰ কাৰণে অপেক্ষা কৰি বহি থাকিল।

এঘণ্টাতকৈও বেছিহে সময় লাগিল, ফ্রেঙ্কলিনে ফোনৰ লাইন ধৰিলেহি। এলিনৰে কৈ উঠিল,—"হেল, ফ্রেঙ্কলিন।"

ফোনটো কাণত তুলি লৈ ফ্রেঙ্কলিনে হাঁহি কৰলৈ ধৰিলে,—"মই গোটেই দিনটো ফোনৰ ভয়ত আঁতৰি ফুৰিছো, তুমি নহয় অইন কোনোবা হোৱাহলে মই কেতিয়াও কথা নাপাতিলোহেঁতেন।"

"গৱৰ্ণৰ স্মিথে বৰকৈ কোৱাৰ কাৰণেহে, মই তোমাক মাতিলোঁ।" স্মিথ মোৰ কাষতে বৈ আছে—মই ফোনটো তেওঁক দিও তুমি কথা পাতা। মই এতিয়াই নিউয়ৰ্কলৈ যোৱা ৰেলখন ধৰিবগৈ লাগিব।" এই কথাখিনি কৈয়েই এলিনৰে ফোনটো স্মিথৰ হাতত দি বেগাবেগীকৈ কোঠাটোৰপৰা ওলাই গ'ল। স্মিথে হেল' ফ্রেঙ্ক' বোলা কথাষাৰহে মাত্র তেওঁ শুনি গ'ল।

ৰাতি পুৱাৰ খবৰ কাগজখন পঢ়িয়েই এলিনৰে খবৰ পালে যে গৱৰ্ণৰ পদৰ প্রার্থী হবৰ কাৰণে ফ্রেঙ্কলিনে সম্মতি জনাইছে। তেওঁ মত নিদিব বুলিয়েই অৱশ্যে এলিনৰে আশা কৰিছিল। তেওঁ ফ্রেঙ্কলিনলৈ এখন টলিগ্রাম পঠিয়ালে—"তুমি উঠিব লগীয়া হোৱাত বেয়া পাইছো, যদিও বুজি পাইছো যে বাধ্যত পৰিহে তুমি মত দিব লগীয়া হলা।"

খবৰটো শুনি লুই হাউৱহে বৰ খং উঠিছিল। তেওঁ কপালত

ভুকুৱাই খণ্ডতে চিঞৰ বাখৰ কৰিবলৈ ধৰিলে। লুইৰ মতে ফ্ৰেঙ্কলিনে ১৯৩২ চনতহে গৱৰ্ণৰ পদৰ বাবে নিৰ্বাচনত থিয় হব লাগিছিল, এতিয়াই ১৯২৮ চনতে উঠাটো উচিত নহল।

এলিনৰে লুইক কৈছিল,—"তুমি পৃথিৱীৰ প্ৰত্যেকটো ঘটনাকে নিয়ম বান্ধি দি কাৰাব নোৱাৰা। একোটা অৱস্থাক তুমি স্বীকাৰ কৰি লব লাগিব আৰু তাৰপৰাই ভালখিনি উলিয়াই লব লাগিব।"

গুজৰি গুমৰি লুয়ে উত্তৰ দিছিল,—"অৱস্থাক মানি লোৱাৰ দৰ্কাৰ নাই, বৰঞ্চ অৱস্থাক শাসনৰ অধীনলৈ আনিব পৰাটোতহে মই জোৰ দিও!"

গৱৰ্ণৰৰ নিৰ্বাচনী যুজ মাত্ৰ চাৰিসপ্তাহহে চলিছিল। ভোটৰ যুজ আৰম্ভ কৰিবলৈ ফ্ৰেঙ্কলিন যেতিয়া ঘৰলৈ উভটি আহিল মাকে তেওঁক সম্ভাষণ জনাই কৈছিল,—"তোমাৰ কিন্তু এতিয়াও কাৰ্যভাৰ গ্ৰহণ কৰিবৰ কাৰণে গাত শক্তি হোৱা নাই।"

লুই হাউ আৰু ফ্ৰেঙ্কলিন নিজা নিজা কামত ওলাই গ'ল, অইন পিনে এলিনৰেও হাৰ্বাৰ্ট হুভাৰৰ বিপক্ষে থিয় হোৱা স্মিথৰ লগতেই নিৰ্বাচনী যুজত নিজক ব্যস্ত ৰাখিলে। মাজে সময়ে ফ্ৰেঙ্কলিন আৰু লুইৰ মুখৰপৰা গম পাইছিল কেনেকৈ য'লৈকে যায় তাতে ফ্ৰেঙ্কলিনৰ আৰু হাউক বিৰাট জনতাই সম্বৰ্ধনা জনাইছিল। কিন্তু এলিনৰে এইটো কথাও জানিছিল যে বহুতেই এনেকৈ সম্বৰ্ধনা জনাইও ভোটটো দিবৰ সময়ত নিদিয়ে।

নিৰ্বাচনৰ দিনা ৰাতি ফ্ৰেঙ্কলিন আৰু মাকৰ লগত এলিনৰো, নিউয়ৰ্ক চহৰৰ বিল্টমুৰ হোটেলত থকা, ফ্ৰেঙ্কলিনৰ নিৰ্বাচনী কাযালয়লৈ গৈছিল। যুজৰ আৰম্ভণিৰপৰাই আল স্মিথে, হাৰ্বাৰ্ট হুভাৰৰ লগত আৰু ফ্ৰেঙ্কলিনে, তেওঁৰ বিৰোধিতা কৰা এলবাৰ্ট অটিংগাৰৰ লগত ভালভাৱেই যুজ দিছিল। মাজৰাতি ভোটৰ খবৰ ওলাল—স্মিথ, হুভাৰৰ হাতত বেয়া ৰকমে পৰাজিত, অটিংগাৰেও ফ্ৰেঙ্কলিনতকৈ যথেষ্ট বেছি ভোট পাই আগ বাঢ়ি আছে। ৰাতিপুৱাৰ

খবৰ কাগজ কেখনে অটিংগাৰক গৱৰ্ণৰ হিচাবে অভিনন্দন জনালে।

ভোটৰ গণনাত কম পোৱা শুনি ফ্ৰেঙ্কলিনে বেজাৰ পাইছিল। তেওঁক লৈ এলিনৰে নিজৰ কোঠালৈ যাবলৈ ওলাল, শাহুৱেককো লগত লৈ যাবৰ কাৰণে মাতিলে। কিন্তু শাহুৱেকে কোনোমতেই যাব নোখোজে। ফ্ৰেঙ্কলিনক মাকে কলে,—"মই একেবাৰে শেষ নোহোৱালৈকে ইয়াত বহি থাকিম—তুমি গৱৰ্ণৰ নোহোৱালৈকে মই ঠিক ঠাই ডোখৰতে থাকিম।"

ৰাতিলৈ খবৰ পোৱা গ'ল ভোটৰ গণনাত ফ্ৰেঙ্কলিন কিছু আগবাঢি গৈছে। ৰাতি নৌ পুৱাওতেই ছাৰা ৰুজভেল্টে গৈ এলিনৰৰ দুৱাৰত খুন্দিয়াই তেওঁক জগাই গৰ্ৱেৰে সৈতে কলে,—"মই তোমাক কৈছিলো নহয় আমাৰ পৰিয়ালত এজন গৱৰ্ণৰ আছেই। কথাষাৰ সঁচা হ'ল।" স্মিথে একলাখতকৈও বেছি ভোটত হাৰিছিল কিন্তু ফ্ৰেঙ্কলিন পঁচিশ হাজাৰ ভোটত জিকিলে।

আলবেনি চহৰৰ শাসন বিভাগৰ জৰাজীৰ্ণ বিৰাট অট্টালিকাটোত তেওঁলোক চাৰিবছৰ আছিল। সেই সময় ছোৱাত আলবেনি চহৰত কামৰ মাজত ব্যস্ত হৈ থকা মহিলা একমাত্ৰ এলিনৰকহে দেখা গ'ল, লুই হাউএ নিজৰ কাম ঠিকমতেই কৰি গৈছিল। ভয়াতুৰ লাজকুৰীয়া স্বভাৱৰ তিৰোতা এগৰাকীক তেওঁ ঠেলি হেচি বাহিৰৰ ব্যস্ততাপূৰ্ণ জগতখনলৈ উলিয়াই আনিছিল। প্ৰথম অৱস্থাত বক্তৃতা দিওতে কিংকৰ্তব্যবিমূঢ় হৈ অৰ্থহীন হাঁহি মৰা আৰু ভিত কথাবোৰ লাগি ধৰা অৱস্থাৰপৰা আনি শিকাই বুজাই এলিনৰক এগৰাকী শক্তিশালী, স্বাধীনচিন্তীয়া মানুহত পৰিণত কৰিলেহি।

প্ৰত্যেক সপ্তাহতে এলিনৰৰ সাক্ষাৎ লাভ কৰিবৰ কাৰণে অসংখ্য মানুহ আহে। শাহুৱেকৰ হাইড্ পাৰ্কৰ ঘৰৰপৰা প্ৰায় দুমাইল আঁতৰত, এলিনৰে আইন দুগৰাকী তিৰোতাক লগত লৈ কাঠৰ বস্তু

তৈয়াৰ কৰা এটা কাৰখানা খুলিলে। এই কাৰখানাটোৰ নাম হ'ল 'ভাল্‌কিল্‌'। ইয়াত লাভ লোৱা নহৈছিল মাত্ৰ ক'তো কামকাজ নোপোৱা মানুহবোৰক ইয়াতে চাকৰি উলিয়াই দিছিল। এই কাৰখানাটোত আমেৰিকাৰ পুৰণি ধৰণৰ চকী মেজ আদি তৈয়াৰী কৰা হৈছিল।

এখন বেচৰ্কাৰী ছোৱালী স্কুলতো এলিনৰ সহকাৰী অধ্যক্ষা নিযুক্ত হ'ল। স্কুলখনৰ নাম আছিল 'টড্‌হাণ্টাৰ স্কুল'। আমেৰিকাৰ বুৰঞ্জী, সাহিত্য, ইংৰাজী পঢ়োৱাৰো দায়িত্ব এলিনৰেই ললে। দৈনন্দিন ঘটনাবোৰৰ আলোচনা কৰিবৰ কাৰণেও নতুনকৈ তেওঁ এটা শ্ৰেণী খুলিলে। খবৰ কাগজত ওলোৱা ঘটনাবোৰ ছোৱালীবিলাকৰ লগত আলোচনা কৰাৰ উপৰিও ছোৱালীবিলাকে নিজে চাই শিকিবৰ কাৰণে তেওঁ নানান ঠাইলৈ তেওঁলোকক ফুৰাবলৈ লৈ গৈছিল। তেওঁলোকতকৈ বেয়া অৱস্থাৰ মানুহবিলাকে সংসাৰত কেনেভাৱে জীয়াই থাকিব লগীয়া হয় সেই বিষয়ে যাতে ছোৱালীবোৰৰ জ্ঞান হয় তাৰ বাবে এলিনৰে তেওঁলোকৰ বিচাৰালয়, পুলিচ বিভাগ আৰু বস্তিবোৰ চাবলৈ লৈ গৈছিল।

প্ৰতিটো দেওবাৰেই ৰাতি, হাতত এখন গধুৰ মোনাত কিতাপ পত্ৰ ভৰাই লৈ, ৰাজভৱনৰ বিৰাট অট্টালিকাটোৰ খট্‌খটীয়েদি খৰধৰকৈ নামি আহি এলিনৰে ষ্টেছনলৈ যাবৰ কাৰণে ৰৈ থকা মটৰখনত উঠেহি। যাবৰ সময়ত লৰালৰিকৈ এগিলাচ গাখীৰৰ সৈতে কিবাকিবি দুই এটা খাই লয়। পিছৰ তিনটা দিন তেওঁ টড্‌হাণ্টাৰ স্কুলত শিক্ষা দিয়াত ব্যস্ত হৈ থাকে। বুধবাৰে আবেলি চাৰিটা বজাত তেওঁ আকৌ উভতি আহি ৰাজভৱন পায়হি। সেইদিনাই হোৱা ৰাজভৱনৰ সাপ্তাহিক ভোজটোত তেওঁ গৃহিণীৰ দায়িত্ব লৈ অতিথি অভ্যাগতক সোধ-পোচ কৰে। সপ্তাহটোৰ বাকী কেইটা দিনতো চাহখোৱা, ভাতখোৱা আদিৰ নিমন্ত্ৰণ থাকেই।

ৰাজভৱনৰ জীৱনটো পগলা ফাটেকৰ জীৱনৰ নিচিনাই আছিল।

বন্ধৰ সময়তহে ল'ৰাছোৱালীবিলাকে ঘৰলৈ আহি বল খেলি, ঘোঁৰাত উঠি, মল্লযুদ্ধ কৰি এটা ঘৰুৱা পৰিৱেশৰ সৃষ্টি কৰে। খাবৰ সময়ত কেইজন আলহীয়ে আহি খোৱাৰ মেজত বহিবহি কোনো দিনেই তাৰ ঠিকনা নাছিল। এলিনৰে কৈছিল,—"মই দুজনৰ কাৰণে খোৱাৰ ঠাই ঠিক কৰি থওঁ কিন্তু বিশ মিনিটৰ পিছতে দেখো ওঠৰজন আহি খাবলৈ বহে।" ৰাতি খাবলৈ আহি বহুতেই উভতি নগৈ তাতে শুই থাকিব খোজে। এলিনৰেও এনেবোৰ কামত বেজাৰ নাপাই স্ফূৰ্তিহে পাইছিল, কাৰণ তেওঁ দেখা পাইছিল ফ্ৰেঙ্কলিন গৱৰ্ণৰ হৈ সুখী হব পাৰিছে।

টড্‌হাণ্টাৰ স্কুল আৰু কাঠৰ কাৰখানাটোৰ বাহিৰেও এলিনৰৰ অইন বহুতো দায়িত্বপূৰ্ণ কাম হাতত আছিল। আলোচনীবোৰত তেওঁ প্ৰবন্ধ লিখিছিল, ৰেডিঅ'ত কথা কৈছিল, বৈদেশিক নীতি সম্পৰ্কে থকা অনুষ্ঠান, তিৰোতা ভোটাৰৰ সঙ্ঘ, তিৰোতাৰ বন্দুৱা সঙ্ঘ আদি কেইবাটাও অনুষ্ঠানৰ সভ্য হৈ যথেষ্ট খাটিব লগীয়া হৈছিল। কিন্তু ইমানবোৰৰ ওপৰতো তেওঁৰ আটাইতকৈ ডাঙৰ কামটো আছিল স্বামী ফ্ৰেঙ্কলিনৰ যত্ন লোৱাটো—।

শাৰীৰিক অসুস্থতাৰ কাৰণে ফ্ৰেঙ্কলিনে বেছিকৈ ঘূৰিব নোৱাৰাৰ বাবে এলিনৰে প্ৰায়েই তেওঁৰ হৈ নানান্ ঠাইত বক্তৃতা দিব লগীয়া হৈছিল। এবাৰ ক'ৰবাত বক্তৃতা দিবলৈ মাতোঁতে ফ্ৰেঙ্কলিনে কৈছিল—"মই খুব বেছি, এলিনৰকে বক্তৃতা দিবলৈ পঠিয়াই দিব পাৰোঁ।" তিনদিনৰ ভিতৰত এলিনৰে এবাৰ নটা বক্তৃতা দিছিল।

দেশৰ জেলখানা, সংস্কাৰক স্কুলবোৰ আৰু কণা, কলা, পগলা আৰু বুঢ়ামানুহৰ কাৰণে থকা অনুষ্ঠানবোৰে যাতে ভালকৈ কামকাজ চলায় তাক চোৱাটোও গৱৰ্ণৰ এজনৰ আংশিক কৰ্তব্যৰ ভিতৰত। দুৰ্ভাগ্যবশতঃ, নিজে গৈ ফ্ৰেঙ্কলিনে এইবোৰ চাবগৈ পৰা নাছিল। এলিনৰেই তেওঁৰ হৈ এইবোৰ চাই আহিছিল।

প্ৰথমবাৰ তেওঁলোক দুয়ো এনে কিছুমান ঠাই পৰিদৰ্শন

কৰিবলৈ ওলাই গৈছিল। এখন পগলা ফাটেকৰ সন্মুখত গাড়ীখন ৰখাই ফ্ৰেঙ্কলিনে এলিনৰক কলে,—"তুমি সোমাই যোৱাচোন বাৰু, ভিতৰখন ভালকৈ চাই মেলি মোক সকলোখিনি কবাহি। তাত থকা পগলাবোৰক কেনে ব্যৱহাৰ কৰা হৈছে তাকো লক্ষ্য কৰি আহিবা।"

অলপ সময়ৰ পিছতে এলিনৰ উভতি আহিল, হাতত তেওঁৰ সেইদিনাখন পগলাবোৰক খাবলৈ দিয়া বস্তুৰ এখন তালিকা। কাগজখন চাই ফ্ৰেঙ্কলিনে টানকৈ সুধিলে,—"ইয়াত লিখা খোৱা বস্তুবোৰ কয়েদীবোৰে সঁচাকৈ খাবলৈ পাইছে নে নাই তুমি জানো খবৰ লৈছিলা?" খবৰ লোৱা নাই বুলি এলিনৰে মূৰ জোকাৰিলে। তেওঁ আকৌ কৈ উঠিল,—"তুমি বাৰু চৌকাৰ ওপৰত থকা পাত্ৰবোৰৰ ঢাকনবোৰ খুলি চাব নোৱাৰিলা নে তাৰ ভিতৰত থকা বস্তুবোৰ এই কাগজৰ খাদ্য তালিকাৰ লগত মিলে নে নিমিলে?" হতবুদ্ধি হৈ এইবাৰো এলিনৰে নাই চোৱা বুলিয়েই মূৰ জোকাৰিলে।

"পাছৰবাৰ এইবোৰ চাবলৈ গলে ভালকৈ খুঁটিনাতি চাই আহিবা"—তেওঁ উপদেশৰ সুৰত কৈ গ'ল।

তাৰ পিছত তেওঁলোক চৰ্কাৰী গছ ৰোৱা ঠাইডোখৰ চাবলৈ গ'ল। ফ্ৰেঙ্কলিনে ঠাইডোখৰত কি কি গছ ৰোৱা হৈছে চাবৰ কাৰণে ঘৈণীয়েকক পঠিয়াই দিলে। নিজৰ ভাষাত এলিনৰে কৈছিল,—"মই উভটি আহি সকলো বৰ্ণনা তেওঁক দিলোহি। কিন্তু তেওঁ মোক সুধি পেলাইছিল—প্ৰথম পাঁচোটা শাৰীত বাৰু কি কি গছ ৰোৱা হৈছে, প্ৰথম জোপা নো কিহৰ গছ? মই উত্তৰ দিব নোৱাৰাত তেওঁ ইমান যে নিৰাশ হৈ পৰিছিল তাৰ পিছৰপৰাই যিহকে চাবলৈ যাওঁ একো নাপাহৰি প্ৰত্যেকটো কথাকে খুব ভালভাৱে মনত ৰাখি লবৰ কাৰণে মই যত্ন কৰিছিলোঁ।"

আচল দৰ্কাৰৰ সময়তেই এলিনৰে ফ্ৰেঙ্কলিনৰ সহায়ত আহিব

নিবনুৱাসকলক একোখন কাৰ্ড দি খাবলৈ নিমন্ত্ৰণ জনাইছিল।

পাৰিছিল। তেওঁৰ চকুৰ আৰু ভৰিৰ কামটোও এলিনৰেই কৰিছিল, তেওঁৰ সকলোতকৈ ভাল খবৰ যোগাওতাও আছিল এলিনৰ। তেওঁক লৈ ফ্ৰেঙ্কলিনে গৰ্ব অনুভৱ কৰিছিল। মুখৰ ভাব, চকুৰ পছাৰ আৰু হাতৰ ইঙ্গিত দেখিয়েই এলিনৰে কথাৰ সত্যতা বিচাৰ কৰিব জনা হ'ল। এলিনৰে কৈছিল,—"মই পৰিদৰ্শন কৰা

অনুষ্ঠানবোৰত এক হয় বিচনাবোৰ তেনেই লগালগিকৈ পাতি থোৱা থাকে নহলে বিচনাবোৰ উঠাই বাহিৰত থৈ দিয়া হয়। ৰাতি শুবৰ সময়ত কোঠাৰ বাহিৰতো অহাযোৱা কৰা বাটৰ ওপৰতে বিচনা পাতি দিয়া হয়। তাৰ উপৰিও কৰ্মচাৰীসকলৰ ওপৰত থকা ৰোগীৰ ৰুষ্ট মনোভাবৰ কথা মই বুজি পাইছিলোঁ।।"

১৯২৯ চনৰ শেষৰ পিনে দেশত আকাল হ'ল। লাখ লাখ মানুহ নিবনুৱা হৈ পৰিল। এই নিবনুৱাসকলৰ দুঃখ কষ্ট কমাবৰ কাৰণে এলিনৰে দেহেকেহে লাগি পৰিল নিউয়ৰ্ক চহৰৰ টাইমচ্ স্কোৱাৰ নামৰ ঠাই ডোখৰলৈ গৈ, তাত থকা চাকৰি নোহোৱা মানুহবিলাকৰ হাতত একোখন কাৰ্ড দি, সেই খাবলৈ নিমন্ত্ৰণ জনাইছিল। সেই কাৰ্ডখনত তেওঁৰ নাম, ঠিকনা আৰু এসাজ আহাৰৰ বাবে নিমন্ত্ৰণৰ কথা লিখা আছিল। চৰ্কাৰী, বেচৰ্কাৰী সকলো ধৰণৰ অনুষ্ঠানলৈকে তেওঁ নিজে গৈ অইনৰ চাকৰিৰ কাৰণে চেষ্টা কৰিছিল। তেওঁ এখন চিঠিত এজন বন্ধুলৈ লিখিছিল,— "এই মানুহজন কাঠমিস্ত্ৰী কিন্তু তেওঁৰ এতিয়া কাম নাই। মই আশা কৰো তুমি অলপ চেষ্টা কৰি মানুহজনক সহায় কৰি দিবা।" এই চিঠিখনৰ ফলতেই কাঠমিস্ত্ৰীজনে কাম পাইছিল।

এনেকুৱা হাজাৰ হাজাৰ মানুহৰ কাম এলিনৰে কৰি দিছিল। এইবোৰ কামৰ বিষয়ে মানুহে যেতিয়া গম পালে দেশৰ চাৰিওপিনৰপৰা এলিনৰলৈ চিঠি-পত্ৰ আহিবলৈ ধৰিলে। এলিনৰে মানুহক পেঞ্চন পোৱাতো সহায় কৰি দিছিল, অগ্নি নিবাৰণ বিভাগৰ মানুহ আৰু পুলিচৰ পেঞ্চন বঢ়াবৰ কাৰণে চৰ্কাৰী কমিটীবোৰত দাবী জনাইছিল। বন্দীৰ্তেই আকৌ এলিনৰৰ দয়াৰ ওপৰত সুবিধাও ল'বৰ চেষ্টা কৰিছিল। এলিনৰে নিজেই কৈছিল, —"মোলৈ নিয়মমতে চিঠি-পত্ৰ লিখি থকা হীন অৱস্থাৰ তিৰোতা এগৰাকীৰ ল'ৰা এটা পগলা ফাটকত আছিল। মাকে মোলৈ লিখা মতেও যেতিয়া মই ল'ৰাটোক ফাটকৰপৰা উলিয়াই অনাত

কোনোমতেই সহায় কৰিব নোৱাৰিলোঁ, তেওঁ মোক অনুৰোধ কৰি কলে যে মই যেন ল'ৰাটোক মাজে সময়ে গৈ চাই আহোঁগৈ। মইও তেওঁৰ কথামতেই চাবলৈ গৈছিলোঁ। তাৰ কিছুদিনৰ পিছত মাকজনীয়ে মোক জোৰকৈ ধৰিলে মই হেনো প্ৰতি সপ্তাহে গৈ ল'ৰাটোক বাইবেল পঢ়ি শুনাব লাগে।"

১৯৩০ চনত আকৌ ফ্ৰেঙ্কলিন দ্বিতীয়বাৰৰ বাবে গৱৰ্ণৰ নিৰ্বাচিত হ'ল। সেই সময়ত আমেৰিকাত প্ৰায় আশী লাখ মানুহ নিবনুৱা হৈ পৰিছিল। নিউয়ৰ্ক চহৰৰ নিবনুৱাসকলক চৰ্কাৰী সাহায্য দিবৰ বাবে ফ্ৰেঙ্কলিনে এখন নতুন আঁচনী হাতত ললে। এই সমস্যাৰ সমাধানৰ বাবে হোৱা আলোচনাবোৰত এলিনৰেও যোগ দিছিল। লুই হাউএ সেই সময়ত ফ্ৰেঙ্কলিনৰ চেক্ৰেটাৰী হিচাবে কাম কৰিছিল। তেওঁ ফ্ৰেঙ্কলিনক ১৯৩২ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাবে থিয় কৰাবলৈ তেতিয়াৰেপৰাই আলচ কৰিছিল। গোটেই দেশৰ প্ৰায় দুহাজাৰ ৰাজনৈতিক নেতাৰ সৈতে লুই হাউএ চিঠি-পত্ৰৰ আদান-প্ৰদান চলাইছিল। এলিনৰকো, দেশৰ মহিলা ৰাজনীতিবিদসকলৰ লগত চিঠি-পত্ৰৰদ্বাৰা সম্বন্ধ ৰাখিবলৈ হাউএ উপদেশ দিছিল। তেওঁৰ কথামতেই এলিনৰে গণতান্ত্ৰিক দলৰ মহিলা শাখাৰ মুখ্য গৰাকীৰ হতুৱাই প্ৰত্যেক প্ৰদেশৰ লেখত লব লগীয়া মহিলাসকললৈ চিঠি দিয়াইছিল। হাউৰ লগত এলিনৰো একমত, এতিয়াই যদি ফ্ৰেঙ্কলিনে একো হ'ব নোৱাৰে পিছলৈ হয়তো কোনো আশাই নাথাকিব।

১৯৩২ চনত চিকাগো চহৰত হোৱা গণতান্ত্ৰিক দলৰ জাতীয় অধিবেশনলৈ ফ্ৰেঙ্কলিন বা এলিনৰ কোনোৱেই যোৱা নহ'ল। প্ৰদেশবিলাকৰপৰা অহা প্ৰতিনিধিসকলে অইন বহুতৰে নাম উল্লেখ কৰিছিল যদিও ফ্ৰেঙ্কলিন সকলোৰে ওচৰতেই জনপ্ৰিয় আছিল। লুই হাউএ জেম্‌চ্ কাৰ্লে নামৰ এজন বন্ধুক লৈ চিকাগো অধিবেশনলৈ গৈছিল। তাত তেওঁৰ এটাই মাত্ৰ চেষ্টা

আছিল, প্ৰদেশবিলাকৰপৰা অহা প্ৰতিনিধিসকলে, ৰুজভেল্টক উঠিবলৈ বন্ধ কৰা প্ৰচেষ্টাত যাতে একগোট হৈ পৰিব নোৱাৰে।

এলিনৰে ঘৰৰপৰা টেলিফোনত লুইৰ লগত কথা পাতিবৰ সময়ত তেওঁৰ দুৰ্বল মাত আৰু কাহি থকাৰ শব্দ শুনি বৰ চিন্তিত হৈ পৰিছিল। জেম্‌চ্ ফাৰ্লেই ফোনত কৈছিল যে চিকাগোৰ গৰমে আৰু ফ্ৰেঙ্কলিনৰ কাৰণে ভোট বিচাৰি অনবৰতে লৰি ফুৰোঁতে হাউৰ ওজন এশ পাউণ্ডতকৈও কমি গৈছে। ফাৰ্লেই কৈছিল,—"আজি ৰাতিপুৱা সাংঘাতিকভাৱে কাহি কাহি, দুখন বিচনীৰ মাজত লুই হাউ মজিয়াতে পৰি আছিল।"

চিকাগো অধিবেশনত ফ্ৰেঙ্কলিনৰ বাবে মনোনয়ন পোৱাটো সহজ কথা নাছিল। তিনিবাৰ ভোট লোৱাতো লুই আৰু ফাৰ্লেই পাব লগীয়া তিনিভাগৰ দুই ভাগ ভোট ফ্ৰেঙ্কলিনৰ কাৰণে গোটাব নোৱাৰিলে। এলিনৰে গোটেই ৰাতি ফ্ৰেঙ্কলিনৰ সৈতে ৰেডিঅ' শুনি বহি থাকিল। লুই হাউএ ফোন কৰি কলে যে ফ্ৰেঙ্কলিনে যদি জন গাৰ্ণাৰ নামৰ এজনক উপ-ৰাষ্ট্ৰপতি কৰিবলৈ কথা নিদিয়ে তেনে তেওঁৰ আশা নাই। কাহি কাহি লুয়ে কলে,—"তুমি যদি গাৰ্ণাৰক লগত লোৱা, মনোনয়ন পাবা।" ফ্ৰেঙ্কলিনে সম্মতি জনালে। তৎক্ষণাতে বহাৰপৰা উঠি ফ্ৰেঙ্কলিনৰ হাত এখন নিজৰ হাতত লৈ এলিনৰে কৈ উঠিল,—"মই যাওঁ দেই, আমাৰ খোৱাৰ কাৰণে অলপ মাংস আৰু কণী ভাজি আনোগৈ।" এইভাবেই তেওঁলোক দুয়ো ফ্ৰেঙ্কলিনৰ মনোনয়নৰ উৎসৱ পালন কৰিলে।

লুই হাউএ ঠিকেই কৈছিল। পিছৰ বাৰ ভোট লওঁতেই প্ৰতিনিধিবৰ্গই ফ্ৰেঙ্কলিনকে মনোনীত কৰিলে। অধিবেশনত মনোনয়ন লাভ কৰাৰ পিছত, এই দায়িত্ব গ্ৰহণ কৰি বক্তৃতা দিবৰ বাবে, ফ্ৰেঙ্কলিনে বিমানেৰে গৈ চিকাগো পালে। লগত এলিনৰো গ'ল। বিমান বন্দৰত নামিয়েই এলিনৰে লুই হাউৰ বিচাৰ ললে। এলিনৰে লক্ষ্য কৰিলে লুই হাউক আগতকৈ ক্ষীণ আৰু শেঁতা

যেন দেখা গৈছে। শুকান মুখখনত হাঁহি এটা লৈ লুয়ে এলিনৰক কলে,—"মই তোমাক কৈছিলোঁ। নহয় তোমাৰ স্বামী এদিন আমেৰিকাৰ ৰাষ্ট্ৰপতি হ'বই।"

বাধা দি এলিনৰে কৈ গ'ল,—"কিন্তু এতিয়াও প্ৰেছিডেণ্ট হুভাৰৰ বিপক্ষে যুঁজখনটো বাকী আছেই।"

নিৰ্বাচনী যুঁজৰ সময়খিনি অতি ভয়ঙ্কৰ ধৰণৰ আছিল। নানান ঠাইত শোভাযাত্ৰা, বক্তৃতা, প্ৰদৰ্শনী আদি দেখুওৱা হৈছিল। এঠাইৰপৰা অইন ঠাইলৈ বেগাবেগীকৈ মটৰত উঠি গৈ বক্তৃতা দিব লগীয়া হৈছিল। এলিনৰে নিজে বেছি গোলমাল বা খৰধৰ কৰাটো ভাল নাপায়। মানুহেৰে ঠাহ খাই থকা ঘৰ এটাত সোমালেই তেওঁৰ প্ৰথম চিন্তা হৈছিল জুই লাগিলে ধাহিৰলৈ ওলাই আহিব পৰা বাট আছে নে নাই। ফ্ৰেঙ্কলিনে যি কামকে কৰিবলৈ দিছিল তাকেই কিন্তু এলিনৰে হাঁহিমুখে সম্পন্ন কৰিছিল। তাৰ মাজতে সময় উলিয়াই তেওঁ দুখন কিতাপো লিখিছিল। এখন কিতাপ ল'ৰাছোৱালীৰ বাবে—"তুমি যেতিয়া ভোট দিব পৰা হ'বা" আনখন আছিল চিকাৰৰ বিষয়ে লিখা, ইয়াত এলিনৰৰ সৰু বয়সত দেউতাকে লিখা কেবাখনো চিঠিও প্ৰকাশ কৰা হৈছিল। এলিনৰৰ বন্ধু বিখ্যাত বিমান চালিকা এমিলিয়া এৰহাৰ্টে সেই সময়ত তেওঁক বিমান চলোৱাৰ শিক্ষা দিছিল। পিছে ফ্ৰেঙ্কলিনেই তেওঁৰ এই কামটো বন্ধ কৰি দিলে। বিৰক্তিৰে সৈতে তেওঁ এদিন এলিনৰক কৈছিল,—"এলিনৰ তুমি মোক কি কৰিব খুজিছা? তুমি জানা মোৰ মনত বহুতো চিন্তা ভাৱনা, এতিয়া আকৌ আকাশৰ কোনোবা এঠাইত তুমি বিমান চলাই উৰি ফুৰাৰ কথাটোও ভাবিব লগীয়া হ'ল।"

নিৰ্বাচনৰ দিনা ৰাতি নিউয়ৰ্কৰ নিৰ্বাচনী কাৰ্যালয়ত ফ্ৰেঙ্কলিনৰ লগত এলিনৰো আছিল। লুই হাউ তেওঁলোকৰ লগত নাছিল। অকলশৰে তেওঁ নিজৰ কামতেই ব্যস্ত।

ৰাতি এঘাৰটা বজাত গম পোৱা গ'ল ফ্রেঙ্কলিনে হুভাৰক হেকুৱাইছে, এলিনৰে লুইক বিচাৰি তেওঁৰ থকা ঠাইলৈ গ'ল। লুইৰ কাৰ্যালয়লৈ গৈ দেখা পালে, এখন কাগজত প্ৰত্যেক প্ৰদেশৰপৰা অহা ভোটবিলাক লুয়ে হিচাব কৰি আছে। কিছু সময়ৰ কাৰণে নিৰৱে তেওঁ এলিনৰলৈ চাই থাকিল, তাৰ পিছত ডেৰাজটো খুলি এবটল মদ উলিয়ালে। দুটা গ্লাছত অকণ অকণ মদ ঢালি কলে,—মই এই বটলটো বিশ বছৰ আগতে বিলি শ্মিহানৰ লগত যুদ্ধ লাগোঁতেই আঁতৰাই থৈ শপথ খাইছিলোঁ। ফ্রেঙ্কলিন ৰাষ্ট্ৰপতি হ'ব নোৱাৰালৈকে এই বটলটোৰপৰা মদ নাখাও ”

এলিনৰ ৰুজভেল্ট অলপ পিছতেই লুইৰ ওচৰৰপৰা ফ্রেঙ্কলিনৰ ওচৰলৈ উভটি আহিল। কিছু সময়ৰ পিছতেই দুজন অচিনাকি মানুহ তেওঁলোকৰ কোঠাত সোমাল। এলিনৰে প্ৰশ্ন কৰিলে—"আপোনালোকক কিবা সহায় কৰিব পাৰো নেকি ?"

মানুহ দুজনে উত্তৰ দিলে,—"আমি গুপ্তচৰ বিভাগৰ মানুহ। প্ৰেছিডেণ্টক ৰক্ষা কৰাটোৱেই আমাৰ কৰ্তব্য।"

সেই সময়ত এলিনৰৰ মনত ভাব হৈছিল প্ৰেছিডেণ্টজন প্ৰকৃতপক্ষে এজন কয়েদীহে—সকলো সময়তে তেওঁক কোনোবাই চাই থাকিব লাগিব, ৰক্ষা কৰিব লাগিব। 'হোৱাইত হাউছ'ত থকা কালছোৱাত তেওঁলোকে কাৰো লগতেই আগৰ দৰে সহজভাৱে মিলিব নোৱাৰিব বা ইচ্ছামতে যিহকে তিহকে কৰাটোও সম্ভৱপৰ নহয়। নিজৰ ভাষাত তেওঁ কৈছিল,—"ফ্রেঙ্কলিনৰ কথা ভাবিয়েই মই সুখী হৈছিলোঁ। কাৰণ পক্ষাঘাত ৰোগত ভুগি তেওঁ যি দাৰুণ আঘাত পাইছিল অন্ততঃ কিছু পৰিমাণে তাৰ ক্ষতিপূৰণ হ'ল। বিপদৰ সময়ত দেশখনক ৰক্ষা কৰিব পৰাৰ শক্তি ফ্রেঙ্কলিনৰ গাত আছিল বুলি মোৰ বিশ্বাস। মোৰ কৰিব লগীয়া কামৰ কথাও মই বুজি পাইছিলোঁ। সেই ৰাতি মোৰ অন্তৰত বহুতো অশান্ত চিন্তাই ঠাই পাইছিল।"

নির্বাচনৰ পিছত 'টড্ হাণ্টাৰ স্কুলত' ক্লাছ লবলৈ সোমাই যাওঁতেই ছাত্রীসকলে সম্মানসূচক ভয়ৰ ভাব এটা লৈ তেওঁক অভিনন্দন জনাইছিল,—"আমেৰিকাৰ প্ৰথম মহিলা।"

বাধা দি এলিনৰে কৈ উঠিছিল,—"মোৰ ভিতৰত কিন্তু কোনো পৰিবর্তনেই হোৱা নাই।"

আমেৰিকাৰ প্ৰথম মহিলা

হোৱাইত হাউছলৈ যোৱাৰ সময়ত
মিছেছ ৰুজভেল্টৰ বয়স আঠচল্লিশ

বছৰ। হোৱাইত হাউছত সোমায়েই এলিনৰৰ মনত পৰিল বহুত বছৰৰ আগতে ৰবদেউতাক টেড্ ৰাষ্ট্ৰপতি হৈ থকা অৱস্থাত তেওঁ ফ্ৰেঙ্কলিনৰ সৈতে তালৈকে আহিছিল।

সেই সময়ৰ দিনবোৰ আছিল শান্তিপূর্ণ, কিন্তু এতিয়া দেশত চাৰিওপিনেই অশান্তি, লাখ লাখ মানুহ নিবণুৱা হৈ পৰিছে। ফ্ৰেঙ্কলিন সভাপতি হোৱাৰ কেইদিনমানৰ পিছতেই, বিখ্যাত বিচাৰক অলিভাৰ ৱেণ্ডেল হমছৰ বিৰাম্নব্বৈ বছৰীয়া জন্মদিন উপলক্ষে, এলিনৰক লগত লৈ তেওঁৰ ঘৰলৈ গৈছিল। তেওঁলোকে গৈ দেখিলে বুঢ়াৰ হাতত প্লেটোৰ কিতাপ এখন।

ফ্ৰেঙ্কলিনে হমছক অভিনন্দন জনাই কলে,—"আপুনিয়েই এতিয়া আমেৰিকাৰ শ্ৰেষ্ঠ পুৰুষ। আমাৰ দেশৰ বৃৰঞ্জীখন সৃষ্টি হওঁতে আধাখিনি আপুনি জীয়াই থাকি সকলো দেখিলে, দেশৰ প্ৰসিদ্ধ লোকসকলকো আপুনি লগ পাইছে। কিন্তু এতিয়া দেশৰ এই দুৰ্দিনত, আপুনি মোক কি উপদেশ দিব পাৰে দিয়ক।"

বুঢ়াজনে এবাৰ এলিনৰলৈ আৰু এবাৰ ফ্ৰেঙ্কলিনলৈ চালে, হাতখন তেওঁৰ কঁপি উঠিল। তেওঁ কৈ গ'ল,—"ৰাষ্ট্ৰপতি

ডাঙৰীয়া, আপুনি এতিয়া যুদ্ধৰ মাজত আছে। ময়ো এখন যুদ্ধৰ মাজতে আছিলোঁ। আৰু সেই যুঁজখন আছিল আমেৰিকাৰ গৃহযুদ্ধ। যুদ্ধৰ সময়ত একমাত্র নীতি হোৱা উচিত,—সৈন্যদল প্রস্তুত কৰি যুঁজ কৰাটো।” শেষৰ কথাখিনি কওঁতে তেওঁৰ মাতটো ডাঙৰ হৈ আহিছিল।

ফ্রেঙ্কলিনেও দৃঢ়ভাৱে মূৰ জোকাৰি সমৰ্থন কৰিলে। এশ দিনৰ ভিতৰতেই তেওঁ দেশৰ সোঁতটো ঘূৰাই আনিলে। বিধান সভাৰ সহায় লৈ তেওঁ কেবাখনো বিল পাছ কৰাই বেঙ্কবোৰক দেউলীয়া হোৱাৰপৰা ৰক্ষা কৰিলে, খেতিয়ক আৰু ঘৰৰ মালিকসকলৰ অধিকাৰ ৰক্ষা কৰিলে, ষ্টক এক্সেঞ্জৰ সংস্কাৰ কৰি ৰেল কোম্পানী-বোৰকো ধ্বংসৰ বাটৰপৰা উদ্ধাৰ কৰিলে। নিবনুৱাসকলক চাকৰি দিবৰ বাবে তেওঁ এটা বেসামৰিক সৈন্যদল গঠন কৰি দেশৰ হাবি-জঙ্গলবোৰ চাবৰ কাৰণে কেবা লাখ মানুহকো নিযুক্ত কৰিলে। কাম-কাজ নোহোৱা লোকসকলক চৰ্কাৰী সাহায্য দিবৰ দায়িত্ব গ্রহণ কৰিলে, দেশৰ চাৰিওপিনে বিমান বন্দৰ, ডাকঘৰ, স্কুল আদি প্রতিষ্ঠা কৰি নিবনুৱাসকলক কামত লগাবৰ বাবে কোটি কোটি টকাৰ এখন বিৰাট আঁচনী হাতত ললে। বনুৱাৰ দৰ্মহা বৃদ্ধি আৰু কাম কৰাৰ অৱস্থা উন্নত কৰিবলৈও কিছুমান নতুন আইন প্রণয়ন কৰিলে।

সেই সময় ছোৱাত হোৱাইত হাউছৰ চাকিবোৰ ৰাতি বহু পৰলৈকে জ্বলিছিল। এলিনৰ ৰুজভেল্টে কৈছিল,—“প্রত্যেকটো কোঠাতে মানুহবোৰে কাম কৰি থাকে। ময়ো শুবলৈ যাব নোৱাৰিছিলোঁ। কাৰণ মানুহবোৰে নো ইমান ৰাতিলৈকে কি কৰে জানিবলৈ মোৰ ব্যক্তিগতভাৱে কৌতূহল উপজিছিল।”

ৱাছিংটনলৈ যাবৰ সময়ত এলিনৰে টড্ হাণ্টাৰ স্কুলৰ কামটো এৰিথৈ গৈছিল, কাঠৰ কাৰখানাটোও তাৰ কৰ্মীসকলৰ ওপৰতে দায়িত্ব দি গৈছিল। হোৱাইত হাউছৰ চাৰিবছৰীয়া বৈচিত্র্যহীন

জীৱনটোৰ কাৰণে বেজাৰ মনেৰে তেওঁ সাজু হৈছিল। নিউয়ৰ্কৰপৰা ৱাছিংটনলৈ আহোঁতে বাটত তেওঁ ফ্রেঙ্কলিনক সুধিছিল হোৱাইত হাউছলৈ ৰাষ্ট্রপতিৰ নামে অহা চিঠিপত্রবোৰ চাই-মেলি দিয়াত তেওঁক সহায় কৰিব পাৰিব নে নোৱাৰে? এলিনৰে কৈছিল—"অন্ততঃ এই কামটো পালেও নিজক মই একেবাৰে অদৰ্কাৰী বুলি নভবাকৈ থাকিব পাৰিম।"

কিন্তু ফ্রেঙ্কলিনে দৃঢ়ভাৱে কৈছিল—"চিঠি-পত্র চোৱাত তুমি সহায় কৰিব নোৱাৰিবা এলিনৰ, সেইটো মোৰ চেক্রেটাৰীৰহে কাম। তুমি বোধকৰো নিজক ব্যস্ত ৰাখিবলৈ অইন কোনো কাম হাতত ল'ব পাৰিবা।"

হোৱাইত হাউছত সোমায়েই, ঘৰটো মানুহে বাস কৰিব পৰাকৈ ঘৰুৱা ধৰণৰ কৰিবৰ বাবে এলিনৰে মনোনিবেশ কৰিলে। ষোল একৰ মাটিৰ ওপৰত থকা যাঠিটা কোঠালাৰ বিৰাট ঘৰটো তেওঁ আৰামদায়ক আৰু নিজা ধৰণৰ কৰি লবৰ চেষ্টা কৰিলে। পিছে হোৱাইত হাউছত চল্লিশ বছৰতো বেছি দিন চাকৰি কৰা, প্রধান কৰ্মচাৰী আইক হুভাৰে ঘৰটো ঠৰঙাভাৱে ৰখাটোতহে বেছিকৈ জোৰ দিছিল। সকলো ধৰণৰ নীতি-নিয়ম মানি চলাৰ ওপৰতহে তেওঁ সদায় চকু দিছিল। এলিনৰে যেতিয়া ওপৰলৈ যন্ত্ৰেৰে চলাই নিয়া খট্‌খটীখন নিজে চলাবৰ চেষ্টা কৰিছিল, তীব্রভাৱে হুভাৰে কৈছিল,—"এই কাম তুমি কৰাটো ঠিক হোৱা নাই, মিছেছ্‌ কুজভেল্ট।" হাঁহি এটা মাৰি এলিনৰে খট্‌খটীখন চলোৱাত লাগি গ'ল। আইক্ হুভাৰৰ অৱশ্যে প্রেছিডেণ্ট হুভাৰৰ লগত কোনো সম্পৰ্ক নাই। এদিন তেওঁ লক্ষ্য কৰিলে এলিনৰে চকী মেজবোৰ টানি-আজুৰি নতুন ধৰণেৰে পতাত লাগিছে। সেইদিনাই প্রথম বাৰৰ কাৰণে তেওঁৰ এলিনৰৰ ওপৰত সঁচাকৈয়ে খং উঠিছিল।

হোৱাইত হাউছৰ দ্বিতীয় মহলাটো জনসাধাৰণৰ কাৰণে মুকলি থাকে। প্রতি বছৰে, লাখ লাখ আমেৰিকাৰ ৰাইজে এইখিনি

ঠাই চাবৰ কাৰণে আছে। তিনি মহলা আৰু চাৰি মহলাৰ ওপৰত ৰাষ্ট্ৰপতিৰ পৰিয়ালবৰ্গ থাকে। তাৰৈ জনসাধাৰণক সোমাবলৈ দিয়া নহয়। হুভাৰে মন কৰিছিল যে এলিনৰে কেৱল চকী মেজ টনা-আজোৰা কৰিয়েই ক্ষান্ত থকা নাই, তিনি মহলাৰ ওপৰলৈ মানুহবোৰ মাতি নি ৰাষ্ট্ৰপতিৰ পৰিয়ালৰ থকা-মেলাৰ ব্যৱস্থাও দেখুৱাইছে। এবাৰ কেইজনমান মাছমৰায়া মানুহক লৈগৈ এই কোঠাবিলাক দেখুৱালে। এলিনৰে ৰাতিপুৱা নিজে চাহ খোৱা ঠাইডোখৰো তেওঁলোকক দেখুৱালে। সেই ঠাইত বহি তেওঁ এশ বছৰ আগতে এন্দ্ৰু জেক্‌ছনে কুই থৈ যোৱা মেগ্‌নলীয়া গছজোপাৰ পিনে চাই চাহ খায়।

এলিনৰে আৰু বহুত উপায়েৰে হোৱাইত হাউছৰ জীৱনটো সহজ আৰু ঘৰুৱা ধৰণৰ কৰি পেলাইছে। হোৱাইত হাউছ পৰিদৰ্শন কৰিবলৈ অহা লোকসকলে দ্বিতীয় মহলাৰপৰাই ওপৰত ৰাষ্ট্ৰপতিৰ নাতিনীয়েকহঁতৰ কন্দাকটা, চিঞৰ-বাখৰ শুনিবলৈ পাইছিল। কুকুৰ বিলাকেও ইচ্ছামতে সকলো ঠাইতে ঘূৰি ফুৰিব পাৰিছিল, ভূকিব পাৰিছিল। বাগানৰ মাজত গছ এজোপাত এদাল ৰছী বান্ধি তেওঁ এখন দোলনা সাজিলে। কেতিয়াবা কেতিয়াবা অতিথিসকলে তেওঁক আৰু জীয়েক এন্নাক একেলগে থিয় হৈ জুলি থকা অৱস্থাত দেখা পালে, লোহাৰ বেৰৰ মাজেদি ঘটিপৰি মুখমেলি চাই থাকে। ৰাতিপুৱা শুই উঠিয়েই তেওঁ ফ্ৰেঙ্কলিনৰ কোঠাটোলৈ সোমাইগৈ তেওঁৰ বিচনাত কেঁচুৱা নাতিনীয়েক কেইটামানক শুৱাই থৈ আহেগৈ। অইনক কিবা লিখিবলৈ কৈ থকা অৱস্থাত এটা বা দুটা কেঁচুৱা এলিনৰে আঠুৰ ওপৰত লৈ নচুৱাই থকা দৃশ্যটো প্ৰায় সকলোৰে চকুতেই পৰিছিল। পৰিদৰ্শকসকলে তেওঁক নাতিনীয়েক-হঁতৰ লগত নানান্ ভাও দি খেল-ধেমালি কৰি থকা অৱস্থাতো দেখা পায়হি। ৰাতি যেতিয়া হোৱাইত হাউছৰ চাৰিওপিনে নিস্তব্ধ হৈ পৰে, ওপৰ মহলাৰ কোঠাবোৰত ল'ৰাবিলাকে গাৰু একোটা

হাতত লৈ মল্লযুদ্ধ কৰে।

এলিনৰে হোৱাইত হাউছত থকা পুৰণি ধৰণৰ কিছুমান অস্বাস্থ্যকৰ ব্যৱস্থাৰো সালসলনি কৰিলে। ৰান্ধনী ঘৰটো তেনেই আন্ধাৰ আৰু চাপৰ আছিল। তাত থকা ষ্টভ্ আৰু বাচনবৰ্তন ধোৱা ঠাইবোৰ এশ বছৰ আগৰ বন্দৰস্ততে আছিল। তেওঁ সেইবোৰ নতুন ধৰণৰ কৰিলে। গোটেই ঘৰটোতেই ওপৰৰ ছালবোৰেদি পানী পৰি বেৰবোৰৰ ৰং নোহোৱা কৰিছিল। পানীৰ কলবোৰ তেনেই নষ্ট হৈছে, প্ৰায়ে বেয়া হৈ থাকে। মযলা অহা নলীদালৰ ঢাকোণ নোহোৱা খোলা অৱস্থাটো দেখি তেওঁৰ খং উঠিছিল। তাতকৈও সাংঘাতিক কথা গোটেই হোৱাইত হাউছতেই এন্দুৰৰ ৰাজত্ব। কিন্তু খুব কম সময়ৰ ভিতৰতে তেওঁৰ চেষ্টা আৰু যত্নত ৰাষ্ট্ৰপতিৰ বাস ভৱনটো নতুন ধৰণৰ হৈ উঠিল।

আগৰ প্ৰচলিত প্ৰথা অনুযায়ী ৰাষ্ট্ৰপতিৰ পত্নী একেবাৰে আঁৰতহে থাকে, বাহিৰৰ কামকাজত তেওঁক দেখা নাযায়। কিন্তু এলিনৰে ঘৰৰ ভিতৰতে বহি থাকি, সামাজিক ভোজ, অনুষ্ঠান আদিত হাঁহি মুখৰ গৃহিণী এগৰাকীৰ ৰূপত নিজক আৱদ্ধ ৰখাটো পচন্দ নকৰিলে। একে সময়তে দেশত নানা সমস্যাই দেখা দিলে আৰু ফ্ৰেঙ্কলিনেও এলিনৰৰ সহায় বিচাৰিলে।

১৯৩৩ চনৰ মাচ মাহত ফ্ৰেঙ্কলিন ৰাষ্ট্ৰপতি হোৱাৰ সময়ত, প্ৰথম মহাযুদ্ধৰপৰা ওলাই অহা এঘাৰ হাজাৰ নিবনুৱা সৈনিকে ৱাছিংটনলৈ শোভাযাত্ৰা কৰি আহিছিল। তাৰ আগৰ বছৰতো বিশ হাজাৰ সৈনিকে ৱাছিংটনলৈ আহি যুদ্ধত যোগ দিয়াৰ বাবে বোনাচ বিচাৰিছিল। এই লোকসকলক শেষত কন্দুৱা গেছ, টেঙ্ক আদি ব্যৱহাৰ কৰিহে ৰাজধানীৰপৰা খেদোটাই পঠিয়াব পাৰিছিল।

ৰাষ্ট্ৰপতি ৰুজভেল্টে ১৯৩২ চনৰ এই ঘটনাটোৰ পুনৰাবৃত্তি হোৱাটো ইচ্ছা নকৰিলে। নিবনুৱা সৈনিকসকলে চৰ্কাৰক ভীষণ ভাৱে ভয় দেখুৱাই কৈছিল যদি চৰ্কাৰে তেওঁলোকৰ কাৰণে একো

নকৰে, তাৰ ফল অতি বিষম হব। এই সৈনিকসকলক বুজাই মেলি ওভোটাই পঠিয়াবৰ দায়িত্ব লুই হাউৰ ওপৰত দিয়া হৈছিল যদিও তেওঁ এই কামত বিশেষ আগবাঢ়িব নোৱাৰিলে। হোৱাইত হাউছলৈ অহাৰ পিছত প্ৰথম সপ্তাহটো এলিনৰৰ চকী-মেজ টনা-আজোৰা কৰোঁতেই গ'ল, ঠিক তেনে সময়তে লুয়ে এদিন তেওঁক মটৰত তুলি ফুৰাবলৈ লৈ গ'ল। লিঙ্কনৰ সমাধিৰ কাষেদি লুয়ে গাড়ীখন লৈ গ'ল আৰু অলপ দূৰ যোৱাৰ পিছতে গাড়ীখন ৰাখিলে।

এলিনৰে প্ৰশ্ন কৰিলে,—"লুই, এইডোখৰ কি ঠাই? আমিনো ইয়ালৈ কিহৰ বাবে আহিছোঁ?"

লুয়ে এটা শিবিৰৰ পিনে আঙুলিয়াই দি কলে,—"এইটোৱেই হৈছে বোনাচ বিচৰা নিবনুৱা সৈনিকৰ শিবিৰ। মই ভাবো তুমি তেওঁলোকৰ ওচৰলৈ গৈ কথা পতা উচিত। ঠাইডোখৰ ভালকৈ চাই আহিবা, তেওঁলোকে কি খাইছে, কেনেভাৱে আছে সকলো চাবা। আটাইতকৈ দৰকাৰী কথা হ'ল—তুমি তেওঁলোকক কবা যে ফ্ৰেঙ্কলিনেই তোমাক তেওঁলোকৰ অৱস্থা জানিবৰ কাৰণে পঠিয়াই দিছে।"

বিমূঢ়ভাৱে এলিনৰে কৈ উঠিল,—"তুমিও মোৰ লগত নাহিবা জানো?"

মটৰৰ দুৱাৰখন খুলি এলিনৰক লাহেকৈ ঠেলা মাৰি নমাই দি লুয়ে কলে,—"মই নাযাওঁ, মই এতিয়া অলপ শুই লওঁ। তুমি তালৈ গৈ সকলো চাই চিতি আহিবা। কোনো বস্তুকে নোচোৱাকৈ উলটি নাহিবা।"

তাৰ পিছৰ ঘটনাখিনি বৰ্ণনা কৰি এলিনৰে কৈছিল,—"যাও নাযাওকৈ গাড়ীখনৰপৰা নামি মই আঁতৰত শাৰী পাতি বৈ থকা মানুহবোৰৰ ওচৰলৈ গলোঁ। আচৰিতভাৱে তেওঁলোকে মোৰ পিনলৈ চাই আছিল। এজনে মোৰ নাম কি আৰু কি দৰকাৰত তালৈ গৈছো তাকো প্ৰশ্ন কৰিলে।" এক মিনিটৰ ভিতৰতে

চাৰিওপিনে প্ৰচাৰ হৈ গ'ল যে ৰাষ্ট্ৰপতিৰ ঘৈণীয়েকে নিজে আহি সকলোকে লগ ধৰি তেওঁলোকৰ অভাব-অনাটনৰ খবৰ লৈছেহি।

তেওঁ গোটেই শিবিৰটো ভালকৈ পৰিদৰ্শন কৰিলে। এই নিবনুৱা সৈনিকসকলে বাস কৰা দুঃখলগা অৱস্থাৰ লগত নিজক মিলাই লৈ তেওঁ তেওঁলোকৰ খোৱাখাদ্যকে খাবলৈ সৈনিকসকলৰ লগতে একেলগে মেজত বহিল। খোৱাৰ পাছত তেওঁ এটি বক্তৃতা দিলে, ঠিক এগৰাকী মাকৰ ভাষাতেই কৈ গ'ল। বক্তৃতাৰ শেষত প্ৰথম মহাযুদ্ধৰ সময়ৰ গানবোৰ গাবলৈ দিলে। গান শেষ হোৱাত তেওঁ তেওঁলোকৰ অভাব-অভিযোগবোৰ শুনি ললে। গাড়ীলৈ উভটি আহোঁতে তেওঁৰ লগে লগে এই মানুহবোৰে জয়ধ্বনি দি আহিছিল। চিঞৰ-বাখৰ শুনি লুয়ে সাৰ পাই উঠিল। এলিনৰে কৈছিল, —"উভটি যাওঁতে বাটত লুয়ে মোক নানান ধৰণৰ প্ৰশ্ন কৰিছিল, মযো প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ দিছিলোঁ।"

হোৱাইত হাউচলৈ উভটি অহাত গুপ্তচৰ বিভাগৰ মানুহে তেওঁক খঙেৰে প্ৰশ্ন কৰিছিল—"তুমি বুজা নাই নে আজি তুমি কিমান বিপজ্জনক কাম এটা কৰিছিলা। সেই মানুহবিলাকে তোমাৰ কিবা অনিষ্ট কৰা হলে আমিহে দোষত পৰিলোহেঁতেন। আমাক লগত লৈহে তোমাৰ যোৱাটো উচিত।"

লুই হাউলৈ আঙুলিয়াই তেওঁ কৈছিল,—"মই পিছে লগত এজনক লৈহে গৈছিলোঁ। মোক ৰক্ষা কৰিবলৈ মিঃ হাউ লগতে আছিল।"

এলিনৰে শিবিৰ পৰিদৰ্শন কৰাৰ পিছত সৈনিকসকলে জানিবা ৱাছিংটন এৰি ঘৰলৈ উভটি যাবলৈ সন্মত হ'ল।

লুই হাউএ লবালবিকৈ অইন কামবোৰতো এলিনৰক লগাবলৈ ধৰিলে। এদিন লুয়ে কলে,—"তুমি সময়ে সময়ে মহিলা সাংবাদিক সকলক মাতি আনি প্ৰেছ-সন্মিলন পতা উচিত। এই দেশখনৰ আধা সংখ্যক লোকেই হ'ল মহিলা। এওঁলোকে তোমাৰ কামকাজ

আৰু অভিমত যথেষ্ট মনযোগেৰে সৈতে শুনিব।”

এলিনৰে কৈ উঠিল—“কিন্তু আগৰ ৰাষ্ট্রপতিৰ পৰিবাৰসকলে কোনেও কেতিয়াও প্রেছ-মেল পতা নাছিল।”

“তুমি পিছে পাতিবই লাগিব,” লুই হাউএ জোৰ দি কৈ গ'ল, —“তাৰ বাহিৰেও মই গম পাইছো ৱাছিংটনত সাংবাদিক হৈ থকা সকলোবোৰ ছোৱালীৰে চাকৰি যাব কাৰণ প্রকাশকসকলে টকা সাঁচিবলৈ যত্নপৰ হৈছে। তুমি যদি কিবা এটা নকৰা এই ছোৱালীবিলাকৰ জীৱিকা নির্বাহৰ বাটটোৱেই বন্ধ হৈ যাব।” তেওঁ কথাষাৰ শুনি চিন্তিত হৈ পৰিল, তাকে দেখি লুয়ে হাঁহি এটা মাৰিলে।

প্রত্যেক বৃহস্পতিবাৰে ৰাতিপুৱা এলিনৰে প্রেছ-মেল পাতিবলৈ আৰম্ভ কৰিলে। প্রথমতে সৰুসুৰা বিষয়বোৰ লৈহে তেওঁ আলোচনা কৰিছিল। কিন্তু সময় আগবাঢ়ি যোৱাৰ লগে লগে, যি কোনো ৰাজনৈতিক বিষয়তে তেওঁৰ মতামত জানি লবৰ বাবে সাংবাদিক মহিলাসকলক প্রশ্ন সুধিবলৈ কৈছিল। কিছুমান প্রশ্ন শুনি তেওঁ প্রথমতে বিমোৰত পৰিছিল। যেনে, কোনোবা এগৰাকীয়ে সুধিছিল ফ্রেঙ্কলিনে আকৌ ৰাষ্ট্রপতি পদৰ বাবে প্রার্থী হ'ব নে নহয়? এগৰাকী সাংবাদিকে প্রশ্ন কৰিছিল,—“ইয়াৰ পাছৰবাৰ ৰাষ্ট্রপতিৰ অভিষেকৰ সময়ত পিন্ধিবলৈ তুমি কেনে-ধৰণৰ সাজপাৰৰ কথা ভাবিছা?” এনে ধৰণৰ প্রশ্নবোৰ শুনিলে, অর্থহীন অথচ শুনিবলৈ ভাল লগাকৈ কেনে উত্তৰ দিব লাগে লুই হাউএ এলিনৰক শিকাই দিছিল।

এই সাংবাদিক মেলবোৰৰ ফল স্বৰূপে দেশৰ চাৰিওপিনে ফ্রেঙ্কলিনৰ দৰে এলিনৰেও বিখ্যাত হৈ পৰিল। কিন্তু লুই হাউ তেতিয়াও সন্তুষ্ট নহল, এলিনৰক আৰু বেছিকৈ কামত লগাবৰ বাবে অনুপ্রেৰণা দিবলৈ ধৰিলে। আলোচনীবোৰত এলিনৰে প্রবন্ধ লিখিবলৈ আৰম্ভ কৰিলে। এখন মহিলাৰ আলোচনীত মাহে

মাহে প্ৰশ্নৰ উত্তৰ দিয়াৰ দায়িত্ব তেওঁ ললে। এখন সাপ্তাহিক খবৰ-কাগজত হোৱাইত হাউছৰ জীৱনৰ ওপৰত তেওঁ লিখিবলৈ ললে, মাজে সময়ে ৰেডিঅ'ত বক্তৃতা দিয়ে। নিজৰ অমায়িক ভাষাৰে, ফ্রেঙ্কলিনৰ কৰ্মময় জীৱনটো, তেওঁ গোটেই দেশৰে ঘৰুৱা মানুহ এজনৰ দৰে কৰি পেলালে। এইবিলাক কামৰদ্বাৰা আৰু গোটেই দেশত বছৰে এশটা বক্তৃতা দি যিখিনি টকা পাইছিল সেই গোটেই টকা তেওঁ নানান্ অনুষ্ঠানত দান দিছিল।

যিমানে ব্যস্ত হৈ পৰিল, তেওঁ কামো বেছিকৈহে কৰিব পৰা হ'ল। যুঁজাৰু হিচাবে তেওঁৰ নাম-যশ চাৰিওপিনে বাঢ়ি গ'ল। বস্তিবিলাক চাই ফুৰোঁতে তাৰ মানুহৰ অৱস্থা দেখি তেওঁ খুব দুঃখ পালে। দেশৰ শাসনসভা কংগ্ৰেছে যাতে এই মানুহবোৰৰ কাৰণে কিবা এটা কৰে তাৰ বাবে তেওঁ দাবী জনালে। ইয়াৰ ফল স্বৰূপে, এই দুৰ্ভগীয়া মানুহবোৰৰ অৱস্থাৰ উন্নতিৰ অৰ্থে এখন আইন পাছ কৰা হ'ল। কোনো চাওতা নথকা বুঢ়া মানুহবোৰক ৰখা ঘৰটোৰ ওপৰতো তেওঁৰ চকু পৰিল। ঘৰটোৰ ভাঙো ভাঙো অৱস্থা, এন্দুৰৰ উৎপাতত থাকিব নোৱাৰি, আকৌ তাত থকা মানুহবোৰক ঠিকমতে খোৱাবোৱাও দিয়া নহয়। এটা চৰকাৰী কমিটীৰ আগত এলিনৰে কৈছিল,—"আমি ইয়াৰ বাবে লাজ পোৱা উচিত। এই মানুহবোৰৰ অৱস্থা দেখি মোৰ অশ্বস্তি লাগিছে। যিবিলাকৰ গাত নিজে নিজৰ যত্ন লব পৰা শক্তি নাই, তেনে মানুহবোৰক যদি আমি এনেকৈয়ে যত্ন লওঁ, বুজিব লাগিব আমি সভ্যতাৰ নিচেই তলৰ স্তৰতে এতিয়াও আছোঁ।" কিছুদিনৰ পিছতেই কংগ্ৰেছে এই পৰিস্থিতিৰ উন্নতি কৰিছিল।

দেশত এলিনৰৰ নাম-যশ ইমান বাঢ়ি গৈছিল যে তেওঁৰ নামে প্ৰত্যেক দিনে হোৱাইত হাউছলৈ অসংখ্য চিঠি-পত্ৰ আহিবলৈ ধৰিলে। প্ৰথম ন মাহৰ ভিতৰতেই তেওঁলৈ তিনি লাখৰো বেছি চিঠি আহিছিল। বেছি ভাগ লিখকেই টকা বা চাকৰি বিচাৰি চিঠি

দিছিল। এজন ন বছৰীয়া ল'ৰাই এখন 'বেঞ্জো' বিচাৰি এলিনৰলৈ লিখিছিল। তেওঁ৷ ল'ৰাটোৰ ইচ্ছা অনুসৰি বাজনাটো পঠিয়াই দিছিল। এগৰাকী তিৰোতাই লিখিছিল, তেওঁ আৰু জীয়েকে অভাৱত পৰি নোখোৱাকৈ থাকিব লগীয়া হৈছে। চিঠিখন পাই ততালিকে এলিনৰে কিছু খোৱাবস্তু টোপোলা বান্ধি তেওঁলোকলৈ পঠিয়াই দিছিল। কিন্তু তিৰোতাগৰাকীয়ে টোপোলাটো নলৈ পিছৰ চিঠিত গালি পাৰি মিছেছ্ ৰুজভেল্টলৈ লিখিছিল,—"মোক টকাহে দৰকাৰ।" চিঠি এখন পঢ়ি যেতিয়াই কথাবোৰ মনত লগা যেন পায়, অৱস্থাটো বুজি লবৰ কাৰণে এলিনৰে কাৰবাক পঠিয়াই দিয়ে।

ফ্ৰেঙ্কলিনে কিন্তু তেওঁৰ কাৰণে এলিনৰে কিছু সময় হাতত ৰখাটো ইচ্ছা কৰিছিল। তেওঁৰ হৈ এলিনৰে দেশৰ চাৰিওপিনে ঘূৰি পকি সকলো কথা অনুসন্ধান কৰি তেওঁক খবৰ দিয়াটোহে ফ্ৰেঙ্কলিনে আশা কৰিছিল। সেইবাবেই গৰমৰ সময়ত তেওঁ এলিনৰক পশ্চিম ভাৰ্জিনিয়াৰ খনিত কামকৰা লোকসকলৰ অৱস্থা জানিবলৈ পঠিয়াই দিছিল। মানুহবিলাকৰ কাম কৰা চাবলৈ এলিনৰে সুৰঙ্গইদি খনিৰ তললৈ নামি গৈছিল, বনুৱাবিলাকৰ ঘৰলৈ গৈ তেওঁলোকে কেনেকৈ অতি শোকলগাভাৱে আছিল তাকো চাই আহিছিল। তেওঁ ইমানবোৰ খনিৰ তললৈ নামি গৈ চাই ফুৰিছিল যে এবাৰ এখন ব্যঙ্গ চিত্ৰ ওলাইছিল—দুজন মলিন চেহেৰাৰ বনুৱাই খনিৰ সুৰঙ্গটোৰ ওপৰলৈ চাই কৈছিল,—"এয়া মিছেছ্ ৰুজভেল্ট আহিছে।"

আটাইতকৈ বেয়া ঠাইডোখৰ আছিল মৰ্গানটাউন নামৰ ঠাইৰ নিচেই ওচৰত। তাৰ খনিত কামকৰা লোকসকল নিবনুৱা হৈ পৰিছিল কিন্তু কয়লা আৰু ধূলি-বালিৰে ভৰি থকা পঁজা কেইটা এৰি অইন ঠাইলৈ গুচি যাবলৈকো তেওঁলোকৰ হাতত পইছা নাছিল। এলিনৰে ঘূৰি আহি ফ্ৰেঙ্কলিনক কৈছিলহি,—"তাৰ ল'ৰাছোৱালীবিলাকে মেজত বহি ভালকৈ পেট ভৰাই এসাজ

খোৱাৰ কথাকে কব নোৱাৰে।" সিহঁতে কটাকানিৰ ওপৰত মজিয়াত শুই থাকে।

সেই ঠাইডোখৰত কিছুমান নতুন ঘৰ সাজিবলৈ এখন আঁচনি হাতত লবৰ কাৰণে এলিনৰে পৰামৰ্শ দিছিল। তাৰ লগে লগে ডাক্তৰখানা, স্কুল, আৰু কিছুমান কল কাৰখানা পাতিব লাগে যাতে তাৰ বনুৱাসকলে অকলমাত্ৰ খনিৰ কামৰ ওপৰতে নিৰ্ভৰ কৰি থাকিব লগীয়া নহয়। এলিনৰৰ ইচ্ছামতেই ফ্ৰেঙ্কলিনে এইবোৰ কাম কৰি পেলাইছিল।

পশ্চিম ভাৰ্জিনিয়ালৈকে অকল নহয়, এনেকুৱা শ' শ' ঠাইলৈ ফ্ৰেঙ্কলিনে এলিনৰক পঠিয়াই দিছিল। ১৯৩৪ চনত ফ্ৰেঙ্কলিনে এলিনৰক পোর্টৰিকো আৰু ভাৰ্জিন দ্বীপপুঞ্জ চাবৰ কাৰণে পঠিয়াই দি কৈছিল,—"এইবোৰ ঠাইলৈ তুমি গ'লে তাৰ মানুহবোৰে বুজি পাব যে মই তেওঁলোকৰ মঙ্গলৰ কাৰণেও চিন্তা কৰো।"

এই ঠাইবোৰলৈ গৈ এলিনৰে দেখা পাইছিল মানুহবোৰ তেনেই দুখীয়া। নিজৰ ভাষাত এলিনৰে কৈছিল, —"উভটি আহিয়েই মই ফ্ৰেঙ্কলিনক অনুৰোধ কৰিছিলো, সেই ঠাইবিলাকৰ অৱস্থা উন্নত কৰিবলৈ কেইজনমান শিল্পপতি আৰু কিছুমান বনুৱাক যাতে পঠিয়াই দিয়া হয়।" নতুন কিছুমান ব্যৱসায় প্ৰতিষ্ঠান গঢ়ি মানুহৰ জীৱনৰ মান উন্নত কৰাৰ ওপৰতেই এলিনৰে জোৰ দিছিল। তেওঁৰ পৰামৰ্শ অনুসৰিয়েই ফ্ৰেঙ্কলিনে এইবোৰ কাম কৰিব পাৰিছিল। কিন্তু ইয়াৰ বহু বছৰৰ মূৰতহে দেশৰ প্ৰকৃত উন্নতি হৈছিল।

ইয়াৰ পিছত ফ্ৰেঙ্কলিনে এলিনৰক ডাষ্ট-বাউল নামৰ ঠাইডোখৰলৈ পঠিয়ায়। তাত বতাহৰ প্ৰকোপ ইমান বেছি যে মাটিৰ সাৰুৱা ওপৰৰ ভাগটো উৰাই লৈ যায়, তাৰ ফলত খেতিয়ক আৰু গৰু-গাই পোহা মানুহবোৰৰ দুৰ্দশাৰ সীমা নোহোৱা হয়। দেশৰ নানান্ ঠাইত সংখ্যা লঘুসকলক কেনেধৰণৰ ব্যৱহাৰ কৰা হৈছে এইবোৰ অনুসন্ধান কৰি এলিনৰে টোকা লিখি আনিছিল। মন্ত্ৰী

সভাৰ আলোচনা চলি থকা অৱস্থাত মাজতে ফ্ৰেঙ্কলিনে প্ৰায়ে কয়,—"সেই অৱস্থাটোৰ বিষয়ে মোৰ পৰিবাৰে মোক কৈছিল যে·· ।" কোনো ঠাইৰপৰা উভটি অহা মাত্ৰকে ফ্ৰেঙ্কলিনে এলিনৰক তেওঁৰ অফিচলৈ মাতি পঠিয়ায়। অকলশৰে থাকিলে, ঘৰুৱা মৰমৰ নামটোৰেই সম্বোধন কৰি ফ্ৰেঙ্কলিনে সোধে—"বাক বাব্চ্, কোৱাচোন ঘটনাটো কেনে ধৰণৰ ?"

গৰ্বেৰে সৈতে এলিনৰক লক্ষ্য কৰি ফ্ৰেঙ্কলিনে কয়,—"এয়া মোৰ দৃষ্টি।" ইমানবোৰ কামৰ ভাৰ দি ফ্ৰেঙ্কলিনে এলিনৰক নানা ঠাইলৈ পঠিয়াই দিয়ে যে কেতিয়াবা তেওঁ নিজেই কামবোৰৰ কথা পাহৰি যায়। এবাৰ তেওঁ এলিনৰক জেলখানাবোৰ পৰিদৰ্শন কৰিবলৈ পঠিযাইছিল কিন্তু নানান কামৰ হেচাত তেওঁ কথাটো সম্পূৰ্ণ পাহৰি গৈ এলিনৰৰ চেক্ৰেটাৰী মেল্ভিনা থম্পচনক সুধি পেলাইছিল,—"মোৰ পৰিবাৰ ক'ত ?"

মিছ থম্প্চনে উত্তৰ দিছিল,—"তেওঁ জেলখানাৰ ভিতৰত।" "মই আচৰিত হোৱা নাই, কিন্তু কিহৰ কাৰণে নো তেওঁ জেলত আছে ?"—ফ্ৰেঙ্কলিনে হাঁহি প্ৰশ্ন কৰিছিল।

বছৰত প্ৰায় চল্লিশ হাজাৰ মাইল এলিনৰে নানান্ ঠাইত ভ্ৰমণ কৰি ফুৰে। এই সময়ত দূৰৈত থকা এলিনৰলৈ ফ্ৰেঙ্কলিনে প্ৰায়ে কবিতাৰ ভাষাত চিঠিপত্ৰ লিখে। এলিনৰৰ ভ্ৰমণৰ বিষয়ে বহুতো গল্প ওলাইছিল। এবাৰ এজন দেউতাকে পুতেকক ৰবিন্ছন্ ক্ৰুছ'ৰ গল্প কৈ থাকোঁতে সুধিছিল,—"বালিৰ ওপৰত হঠাতে ক্ৰুছ'ই ভৰিৰ দুটা খোজ দেখা পালে। কাৰ খোজ বাক কোৱাচোন ?" পুতেকে তপৰাই উত্তৰ দিলে,—"মিছেছ কজভেল্টৰ খোজ, দেউতা।"

ভ্ৰমণৰ কালছোৱাত এলিনৰে বেছি ভাগ বিমানযোগে অহা যোৱা কৰে। সেই সময়ত আকাশ ভ্ৰমণক বহুত মানুহেই বিপজ্জনক বুলি ভয় কৰিছিল। কিন্তু মানুহে যেতিয়া দেখিলে যে আমেৰিকাৰ 'প্ৰথম মহিলা' গৰাকী বিমানেৰেই সদায় অহাযোৱা কৰে, এই জাতীয়

ভয়টো আতৰি গ'ল। বিমানৰ ব্যৱসায়ীসকলে আনন্দেৰে স্বীকাৰ কৰিছিল যে এলিনৰেই আকাশীযানত অহাযোৱা কৰাটো জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তুলিছিল।

ফ্ৰেঙ্কলিনৰ হৈ বহুতো ঠাই পৰিদৰ্শন কৰাৰ উপৰিও এলিনৰে ফ্ৰেঙ্কলিনৰ বহুতো সিদ্ধান্তৰ ওপৰত নিজৰ প্ৰভাৱ আনিছিল। উদাহৰণ স্বৰূপে, তেওঁ ডেকাসকলৰ কল্যাণৰ কাৰণে সদাই চেষ্টা কৰিছিল। আৰ্থিক সঙ্কটৰ সময়ত ডেকাসকলৰ আশা আকাঙ্ক্ষা সজীৱ কৰি ৰাখিবৰ কাৰণে, এলিনৰে কিবা এটা কৰাৰ প্ৰয়োজন অনুভৱ কৰিছিল। বেছি ভাগ মানুহেই ইমান দুখীয়া হৈছিল যে স্কুলৰ শিক্ষা শেষ কৰা বা কলেজলৈ যোৱাৰ কথা ভাবিবই নোৱাৰিছিল। এওঁলোকৰ হৈ যুক্তি দেখুৱাই এলিনৰে কৈছিল,—"আমাৰ পাছত এইটো পুৰুষেই দেশৰ দায়িত্বভাৰ হাতত লব লাগিব। এওঁলোকক যদি ভালকৈ শিক্ষা দিব নোৱাৰো গোটেই পৃথিৱীয়ে এদিন তাৰ বাবে ভুগিব লাগিব।"

দেশৰ ডেকাসকলক সাহায্য দিবৰ বাবে কেইজনমান চৰ্কাৰী কৰ্মচাৰীৰ সহায় লৈ এলিনৰে এখন আঁচনি তৈয়াৰ কৰিলে। ইয়াৰ নাম হ'ল 'জাতীয় যুৱক প্ৰশাসন'। এলিনৰে প্ৰতিষ্ঠা কৰিব খোজা এই অনুষ্ঠানটোৱে দেশৰ ল'ৰাছোৱালীবোৰক কাম কৰিবৰ কাৰণে সুবিধা দিব , তাৰোপৰি তেওঁলোকে স্কুল কলেজত পঢ়িবলৈ সমৰ্থবান হ'ব। এই কামবোৰ আকৌ স্কুলৰ কাৰ্যক্ৰমৰ লগতো সম্বন্ধ থাকিব। যেনে, স্কুলৰ শিক্ষক বা কলেজৰ প্ৰফেছাৰসকলকো নানান্ বিষয়ত এওঁলোকে সহায় কৰিব পাৰিব।

এই আঁচনি তৈয়াৰ কৰোঁতে সহযোগিতা কৰা কৰ্মচাৰীসকলে এলিনৰক কৈছিল,—"আমি বোধকৰো এতিয়াই এইবোৰ কামৰ বিষয়ে ৰাষ্ট্ৰপতিক কোৱাটো আৱশ্যক নকৰে। দেশে আমাৰ এই কৰ্মপদ্ধতি গ্ৰহণ কৰে নে নকৰে একো ঠিক নাই।"

সেইদিনা ৰাতি ফ্ৰেঙ্কলিনে বিচনাত শুই কিতাপ পঢ়ি থাকোঁতে,

মুখত এটা গহীন ভাব লৈ এলিনৰ কোঠাটোলৈ সোমাই আহিল। ফ্রেঙ্কলিনে দেখা পাই সুধিলে,—"তোমাৰ নো কিহৰ বাবে ইমান চিন্তা হৈছে ?"

এলিনৰে, দেশৰ ডেকাসকলৰ বাবে তৈয়াৰ কৰা আঁচনিখনৰ কথা কলে আৰু লগতে সহকৰ্মীসকলৰ সংশয়ৰ কথাও জনালে। "তুমি বাৰু কি ভাবা ? এইটো কৰাটো উচিত হব নে নহয়," ফ্রেঙ্কলিনে প্রশ্ন কৰিলে।

"উঠি অহা ডেকাসকলৰ কাৰণে এইটো বৰ ডাঙৰ উপকাৰ হব। ইয়াৰদ্বাৰা যাঠি লাখ ডেকাই ভালকৈ শিক্ষালাভ কৰিব পাৰিব," এলিনৰে কৈ গ'ল—'অৱশ্যে তুমি যদি এইটো ৰাজনৈতিকভাৱে অনুচিত বুলি ভাবা তেন্তে মই তোমাক কৰিবলৈ জোৰ নকৰো।"

পঢ়ি থকা কাগজখন আঁতৰাই থৈ ফ্রেঙ্কলিনে ক'লে,—"তুমি যদি ভাবা যে আমাৰ ডেকাসকলৰ কাৰণে এনে এটা কামৰ দৰকাৰ, তেন্তে নিশ্চয় কৰা উচিত। ইয়াৰ বাবে কোনোবাই সমালোচনা কৰিলেও মই বোধকৰো উত্তৰ দিব পাৰিম।"

'জাতীয় যুৱক প্রশাসন' ৰাজনৈতিকভাৱেও কৃতকাৰ্য হৈ পৰিল। লাখ লাখ ডেকাই এই অনুষ্ঠানৰ সহায়ত পঢ়াশুনা কৰিবলৈ সুবিধা পালে। বিনীতভাৱে মিছেছ ৰুজভেল্টে কৈছিল,—"এই অনুষ্ঠান প্রতিষ্ঠাৰদ্বাৰা নিবনুৱা সমস্যাটোৰ সমাধান হোৱা নাছিল, আশাৰ ৰেঙণি এটাহে মাত্র দেখুওৱা হৈছিল।"

এলিনৰৰ 'জাতীয় যুৱক প্রশাসনে' দেশত তৰ্ক বিতৰ্কৰ সৃষ্টি কৰা নাছিল যদিও তেওঁৰ অন্যান্য কামবোৰে সমালোচনাৰ উদ্রেক কৰিছিল। সেই সময়ত চৰকাৰী চাকৰিবোৰত, আনকি বেচৰকাৰী কামবোৰতো মহিলাক লোৱা হোৱা নাছিল। এলিনৰে ইয়াৰ বাবে যুঁজ কৰিবলৈ ধৰিলে। চৰকাৰী বিভাগ এটাৰ মুখিয়ালজনক এদিন তেওঁ দুপৰীয়াৰ সাজ খাবৰ কাৰণে নিমন্ত্রণ কৰি আনিলে। এই মানুহজনে যি কেইটা বেচৰকাৰী ব্যৱসায় প্রতিষ্ঠানৰ লগত কাৰবাৰৰ চুক্তিত চহী

কৰিছিল, সেই প্ৰতিষ্ঠানবোৰে একেটা কামতে পুৰুষতকৈ তিৰোতাক কম পইছা দি কাম কৰাইছিল। এলিনৰে এই কথাটোত আপত্তি কৰাত কৰ্মচাৰীজনে কৈছিল,—"কিন্তু মহিলাক পুৰুষতকৈ কমাই দিয়াটো দেশত আগেৰেপৰাই ইমানদিনে চলি আহিছে।"

"অভ্যাসবশতঃ ভুল এটা শুদ্ধ কৰি পেলাব নোৱাৰি"—এলিনৰে কৈ উঠিল। ইয়াৰ ফলস্বৰূপে কৰ্মচাৰীজনে হুকুম দি সকলোবিলাক চুক্তি সলনি কৰি পেলাইছিল।

এলিনৰে দেখা পাইছিল যে চৰ্কাৰী প্ৰতিষ্ঠানবিলাকে মহিলাক কেৰাণী বা টাইপ কৰা মানুহ হিচাবেহে মাত্ৰ চাকৰি দিয়ে। তেওঁ ফ্ৰেঙ্কলিনক জোৰ কৰি ধৰিছিল যে এই প্ৰথাৰ সলনি কৰিবই লাগিব। এলিনৰে কৈছিল—"চৰ্কাৰে যদি আদৰ্শ নেদেখুৱায় শিক্ষিতা, কামকাজ জনা মহিলাসকল ক'লৈ যাব ?"

ফ্ৰেঙ্কলিনে এলিনৰৰ কথা মানি লৈছিল। তেওঁ ফ্ৰান্সিছ পাৰ্কিন্‌ছ্ নামৰ এগৰাকী মহিলাক শ্ৰমিক শাখাৰ চেক্ৰেটাৰী পাতিছিল। মন্ত্ৰী সভাৰ ডাঙৰ কাম এটাত নিযুক্ত হোৱা মেডেম্ পাৰ্কিন্‌ছেই প্ৰথম মহিলা। ইয়াৰ পিছৰপৰা আইন ব্যৱসায়, অৰ্থনৈতিক ক্ষেত্ৰ আৰু বৈজ্ঞানিক ক্ষেত্ৰতো মহিলাসকল চৰ্কাৰী চাকৰিত সোমাই পৰিবলৈ ধৰিলে।

মিছেছ ৰুজভেল্টৰ কামবোৰৰ ভিতৰত এটা বিষয়েই বোধকৰো আটাইতকৈ বেছি তৰ্ক বিতৰ্কৰ সৃষ্টি কৰিছিল, সেইটো আছিল তেওঁৰ নিগ্ৰোসকলৰ উন্নতিৰ প্ৰতি কৰা প্ৰচেষ্টা। ৱাছিংটনত থকা প্ৰসিদ্ধ নিগ্ৰো প্ৰতিষ্ঠান হাৱাৰ্ড বিশ্ববিদ্যালয়ৰ তেওঁ এগৰাকী সভ্যা আছিল। এলিনৰে নিগ্ৰোসকলক মাজে সময়ে হোৱাইত হাউছলৈ নিমন্ত্ৰণ কৰি আনিছিল, বহুতকে চৰ্কাৰী বা বেচৰ্কাৰী প্ৰতিষ্ঠানত চাকৰিৰ সুবিধা কৰি দিছিল। তাৰ বাহিৰেও এলিনৰে বাইজৰপৰা টকা তুলি, নিজৰ পৰাও খৰচ কৰি নিগ্ৰোবিলাকৰ কাৰণে স্কুল, ডাক্তৰখানা আদি পাতি দিছিল।

নিগ্ৰোসকলৰ স্বাৰ্থৰ কাৰণে কৰা এই কামবোৰৰ কাৰণেই এলিনৰক সমালোচনা কৰা হোৱা নাছিল। বেছি ভাগ সমালোচনা আৰু তৰ্ক বিতৰ্কৰ সৃষ্টি হৈছিল এলিনবে যেতিয়া দাবী কৰিছিল যে নিগ্ৰোসকলক তল খাপৰ মানুহ হিচাবে নাচাই আমেৰিকাৰ অইন নাগৰিকসকলৰ দৰে সমান চকুৰে চোৱা উচিত। শ' শ' বক্তৃতাত এলিনৰ ৰুজভেল্টে কৈছিল যে নিগ্ৰোসকলেও আমেৰিকাৰ অইন সকলো মানুহৰ দৰে চাকৰি, শিক্ষা-দীক্ষা আদি ক্ষেত্ৰত সমান সুবিধা পোৱা উচিত।

বহুতেই এলিনৰক তেওঁৰ পদ-মৰ্যাদাৰ কাৰণেই গালিশপনি পৰিছিল কাৰণ তেওঁৰ নিচিনা উচ্চ পদবীৰ মহিলা এগৰাকী যে এনেবোৰ কথা কৈ ফুৰিলে দেশৰ কোনো কোনো অংশত বিপ্লৱৰ সূচনা কৰিব পাৰে। দক্ষিণৰ ৰাষ্ট্ৰবোৰত এলিনৰৰ বিপক্ষে মানুহ বিলাক ইমান উত্তেজিত হৈ পৰিছিল, কোনো কোনোৱে তেওঁৰ দেহাৰ অনিষ্ট কৰা বা বন্দী কৰাৰ ভয়ো দেখুৱাইছিল যদিহে তেওঁ বক্তৃতাত যিবোৰ কৈ ফুৰিছে কাৰ্যতো তাকেই কৰি দেখুৱায়। এবাৰ আলবামা চহৰৰ বাৰ্মিংহাম নামৰ ঠাইত, গীৰ্জাঘৰত বহা নিগ্ৰো আৰু বগা আমেৰিকানসকলৰ এখন সভালৈ এলিনৰ গৈছিল। গীৰ্জা-ঘৰৰ একাষে বহিছিল নিগ্ৰোসকল আৰু অইনপিনে বহিছিল শ্বেতাঙ্গ সকল। পুলিচ বিভাগৰ মুখিয়ালজন সতৰ্ক হৈ পৰিছিল, এলিনবে যদি বৰ্ণ বৈষম্য নামানি নিগ্ৰোসকলৰ লগত বহেগৈ তেওঁক নিশ্চয় বন্দী কৰিব লাগিব। এই কৰ্মচাৰীজনৰ উদ্দেশ্য আছিল এলিনৰক শ্বেতাঙ্গসকলৰ মাজত বহুৱাই এখন ফটো তুলি ৰাখিব, পিছত এইখন ফটো দেখুৱাই প্ৰচাৰ কৰিব পাৰিব যে এলিনবে নিগ্ৰোসকলৰ বিষয়ে যিবিলাক কথা কৈ ফুৰে তাত তেওঁৰ আন্তৰিকতা নাই।

এলিনবে বুদ্ধিৰে কৰ্মচাৰীজনক পৰাস্ত কৰিলে। গীৰ্জালৈ তেওঁ আহিল কিন্তু দুয়োটা ভাগৰ কোনোপিনে নবহি অইন এখন চকী খুজি আনি ঠিক মাজতে বহি থাকিল। পুলিচে লক্ষ্য কৰি

থাকিল, এলিনৰে চকীখন লাহে লাহে নিগ্ৰোসকল বহাৰ পিনে টানি লৈ গৈছিল। সমস্যাটোৰ সমাধান ইমান সহজে কৰি পেলোৱাত চাৰিওপিনৰপৰা হাঁহিৰ ৰোল আৰু হাতচাপৰি পৰিবলৈ ধৰিলে।

খুব কম সময়ৰ ভিতৰতে এলিনৰ কজভেল্টৰ নাম সক্ৰিয় 'প্ৰথম মহিলা' আৰু তৰ্ক বিতৰ্কৰ বিষয়বস্তু হিচাবে আমেৰিকাৰ বুৰঞ্জীত বিখ্যাত হৈ পৰিল। এলিনৰৰ বন্ধু ক্লাৰে বুথ নামৰ এগৰাকী মহিলাই তেওঁৰ কাৰ্যাৱলী বৰ্ণনা কৰি কৈছিল,—"কোনো তিৰোতাই আজিলৈকে এলিনৰৰ দৰে দুঃখতপৰাসকলক সান্ত্বনা দিব পৰা নাই, অইনপিনে সুখতথকাসকলকো কোনেও ইমান দুঃখ দিব পৰা নাই।" যিসকল লোকে এলিনৰক ভাল পাইছিল, তেওঁলোকে এলিনৰক 'আমেৰিকাৰ বিবেক' বুলি অভিহিত কৰিছিল। যি কম সংখ্যক লোকে এলিনৰৰ নাম শুনিব নোৱাৰিছিল তেওঁলোকে খঙেৰে কৈছিল,—"এই কজভেল্টবোৰ", জানিবা এলিনৰ আৰু ফ্ৰেঙ্কলিন কজভেল্ট একেজন মানুহহে।

তেওঁলোকে অৱশ্যে যুটীয়াভাৱেই কাম কৰিছিল। ফ্ৰেঙ্কলিন আছিল দেশৰ ৰাষ্ট্ৰপতি, এলিনৰকো যদি কিবা এটা উপাধি দিব পৰা গ'লহেঁতেন, 'সহকাৰী ৰাষ্ট্ৰপতি' উপাধিয়েই তেওঁৰ কাৰণে উপযুক্ত। ৰাষ্ট্ৰপতিয়ে কৰিব লগীয়া বহুতখিনি কামৰ বোজা তেওঁ নিজৰ হাতত তুলি লৈছিল। ফ্ৰেঙ্কলিনে যাতে জৰুৰী কামবোৰত বেছিকৈ মন দিব পাৰে তাৰ বাবে এলিনৰেই, সভাপতিৰ পৰিৱৰ্তে স্মৃতি সৌধবোৰত ফুলৰ মালা দিছিলগৈ। শ' শ' প্ৰতিষ্ঠাৰ উৎসৱত তেওঁ উপস্থিত আছিল, হোৱাইত হাউছৰ মুকলি পথাৰত দলে দলে গোট খোৱা প্ৰতিনিধিবৰ্গক অভ্যৰ্থনা জনাইছিল আৰু প্ৰত্যেক ৰাজ্যৰে যোগ্যতাপূৰ্ণ অনুষ্ঠানবোৰলৈ অভিনন্দন জনাই বাণী পঠিয়াইছিল।

সামাজিক বহুতো দায়িত্বৰপৰা এইভাৱে ৰক্ষা কৰাৰ উপৰিও, এলিনৰে অইন বহুতো বিষয়ত ফ্ৰেঙ্কলিনক সহায় কৰিছিল। কেতিয়াবা ভাল কিবা জানিব লগীয়া কথা পঢ়িলে ফ্ৰেঙ্কলিনেও পঢ়ি

চাবৰ কাৰণে তেওঁৰ বিচনাৰ কাষৰ মেজখনৰ ওপৰত এলিনৰে কিতাপখন থৈ দিয়ে। যিবিলাক কথা ফ্ৰেঙ্কলিনে জনাটো দৰ্কাৰ বা বক্তৃতা দিবৰ সময়তো কেতিয়াবা ব্যৱহাৰ কৰিব পৰা যায়, তেনে ধৰণৰ বৰ্ণনাবোৰৰ সাৰাংশ কৰি এলিনৰে সদাই ফ্ৰেঙ্কলিনৰ মেজৰ ওপৰত থৈ দিছিল। ফ্ৰেঙ্কলিনে লগ পোৱা দৰ্কাৰ, এনে কিছুমান কৰ্মচাৰীৰ নামো এলিনৰে আনি দিছিল। মনটো পাতলাবৰ কাৰণে কেতিয়াবা মেজৰ ওপৰত কবিতাৰ কিতাপ, উপন্যাস আদিও থৈ গৈছিল। এদিনাখন এলিনৰে এহেজাৰ পৃষ্ঠাৰ উপন্যাস এখন ফ্ৰেঙ্কলিনৰ মেজত থৈ গ'ল। পিছদিনা পুৱা ফ্ৰেঙ্কলিনে কিতাপখন ওভোটাই দিওঁতে এলিনৰে ভাবিছিল গৃহযুদ্ধৰ বিষয়ে লিখা সেই উপন্যাসখন পঢ়ি ফ্ৰেঙ্কলিনে নিশ্চয় ভাল নাপালে, কিন্তু আলোচনা কৰাৰ পিছত দেখা গ'ল ফ্ৰেঙ্কলিনে সকলো কথাই জানে।

কেতিয়াবা ৰাতি খোৱাৰ সময়ত চৰ্কাৰৰ নীতি সম্বন্ধে আলোচনা কৰোঁতে ফ্ৰেঙ্কলিনে ইচ্ছা কৰিয়েই বিৰোধী মনোভাব লৈ তৰ্ক কৰে। বৃটেইনৰ কাৰণে আমেৰিকাৰ নীতি কেনে ধৰণৰ হোৱা উচিত এই কথাটো লৈ এদিন আলোচনা কৰোঁতে, এলিনৰে যিহকে কয় প্ৰত্যেক কথাতেই তৰ্ক কৰি ফ্ৰেঙ্কলিনে আপত্তি কৰাত, খং উঠি এলিনৰ মেজৰপৰা উঠি গৈছিল। পিছদিনা ৰাতিপুৱা ফ্ৰেঙ্কলিনে এলিনৰক তেওঁৰ সৈতে বহি বৃটেইনলৈ যাবলৈ ওলোৱা আমেৰিকাৰ ৰাষ্ট্ৰদূতজনৰ লগত একেলগে চাহ খাবলৈ মাতি পঠিয়ালে। এলিনৰে অবাক হৈ শুনি গ'ল, আগদিনা ৰাতি তেওঁ যিবিলাক কথা কৈছিল, ঠিক সেইধৰণেৰে আগবাঢ়িবলৈকে ফ্ৰেঙ্কলিনে ৰাষ্ট্ৰদূত জনক আদেশ জাৰি কৰিছে। এলিনৰে কৈছিল,—"মোৰ পিনে এবাৰো কেৰাহিকৈয়ে নোচোৱাকৈ, তেওঁ শান্তভাৱে নিজৰ নীতিবোৰ কৈ গৈছিল, অথচ এইবোৰ নীতিৰ বিপক্ষে আগদিনাখন ৰাতি মোৰ লগত তেওঁ তৰ্ক কৰিছিল।"

আচৰিত কথা এলিনৰ ৰুজভেল্টৰ আমেৰিকাৰ 'প্ৰথম মহিলা'

হিচাবে থকা অদ্বিতীয় দায়িত্বটোৱে তেওঁৰ অইন নির্ধাৰিত কাম-বোৰতো বাধা জন্মাব পৰা নাছিল। ৰাষ্ট্রপতিৰ ঘৰত বিৰাট ভোজ আদি সদায় হৈয়েই থাকে. বছৰেকত অন্ততঃ নিয়ম নীতি ৰক্ষা কৰি পাঁচোটা নৈশ ভোজ পাতিবই লাগিব। তাৰ বাহিৰেও আকৌ পাঁচোটা দিনত অভ্যর্থনা কৰাৰ নিয়ম আছে। প্রত্যেক বছৰ ডাঙৰ ডাঙৰ ভোজৰ বাহিৰেও সৰুসুৰা ভোজভাত লাগিয়েই আছে। সেইবোৰত চাহ বা কফি সাগৰৰ পানীৰ দৰেই ব্যৱহাৰ কৰা হয়। এই দিনবোৰত এলিনৰে পাঁচ হাজাৰমান মানুহৰ লগত হাত জোকাৰি অভিবাদন কৰিব লগীয়া হয়। কেতিয়াবা আকৌ একেটা আবেলি পৰতে দুবাৰকৈ মানুহক নিমন্ত্রণ কৰি সোধ-পোছ কৰিব লাগে।

ইমানবোৰ মানুহৰ লগত হাত জোকাৰি অভিবাদন কৰিবৰ কাৰণে সেই প্রথাটোও ভালকৈ জানি লোৱাহে দৰ্কাৰ, নহলে এলিনৰৰ হাতখন হয়তো ৰঙালাও এটাৰ সমান হৈ উথহি পৰিলহেঁতেন। এলিনৰে এটা সহজ উপায় উলিয়াইছিল। তেওঁৱেই প্রথমে এজন মানুহৰ হাতখন ধৰি জোকাৰিছিল আৰু প্রত্যেক এহেজাৰৰ লগত ইজনে সিজনৰ হাত জোকৰাৰ পাছত পানী খাই লৈছিল। তেওঁৰ আন এটা নীতি আছিল, মানুহবোৰৰ প্রতি ভাল ভাব এটা ৰখা, তেতিয়াহে কামটো ঠিকভাৱে কৰিব পৰা যায় আৰু মানুহেও অভ্যর্থনাত আন্তৰিকতা থকা বুলি অনুভব কৰিব।

তথাপিও বহুত মানুহৰ লগত হাত জোকাৰি থাকোঁতে যথেষ্ট কষ্ট হয়। মিছেছ কুজভেল্টে কৈছিল,—"এবাৰ মই অতিথিসকলৰ অভ্যর্থনা শেষ কৰি খোৱা কোঠাটোলৈ সোমাই গৈ দেখো দুজন পুৰণি বন্ধু তাতে আছে। মই তেওঁলোকক সুধি পেলাইছিলোঁ, তোমালোক ক'ৰপৰা আহিলা? তেওঁলোকে উত্তৰ দিলে যে অলপ আগতে বিদায় দিয়া অতিথিসকলৰ দলটোৰ লগত তেওঁলোকো আছিল আৰু মই হেনো বৰ আন্তৰিকতাৰে সৈতে তেওঁলোকৰেই

হাত জোকাৰিছিলেঁ।।”

হোৱাইত হাউছলৈ অহাৰ আগতে এলিনৰে কোনোদিনেই বুজা নাছিল যে আমেৰিকাৰ ‘প্ৰথম মহিলা’ গৰাকীৰ হাত জোকাৰি অভিবাদন জনাবৰ বাবে কিমান মানুহ সদায় আহি থাকিব। এবাৰ এখন কলেজত বক্তৃতা দিবলৈ যাওঁতে কলেজৰ অধ্যক্ষজনে এলিনৰক বক্তৃতাৰ আগতে আৰু শেষতো উপস্থিত শ্ৰোতাসকলৰ লগত হাত জোকাৰি অভিবাদন কৰিবলৈ অনুৰোধ কৰিছিল। এলিনৰে সময় নাই বুলি আপত্তি কৰাত অধ্যক্ষজনে কৈছিল,—“সময় কম থাকিলে বৰঞ্চ বক্তৃতাটোকে বন্ধ কৰি হাত জোকৰা পৰ্বটো শেষ কৰক।”

ভৰি ছুখন অকামিলা কাৰণেই, ফ্ৰেঙ্কলিনে গধুৰ ফ্ৰেম পিন্ধি বহুত পৰ ঠিয় হৈ মানুহৰ লগত হাত জোকাৰি থকাটো বৰ কষ্টকৰ যেন পাইছিল। এবাৰ এটুকুৰা কাগজত এলিনৰলৈ লিখি পঠিয়াইছিল,—“আকৌ এটা বছৰ আহিল। এইবোৰ এৰি থৈ বলা চামোৱা আৰু হাৱাই দ্বীপতে ফুৰি আহোগৈ।” আকৌ এদিন, প্ৰায় এহেজাৰমান মানুহ তেতিয়াও হাত জোকাৰিবলৈ বাকী আছে, ফ্ৰেঙ্কলিনে ফুচফুচাই এলিনৰক কৈ উঠিল,—“মই আৰু একমিনিটো এনেকৈ থাকিব নোৱাৰো।”

সান্ত্বনা দি এলিনৰে কৈছিল. “আৰু অকণমান সময় থাকিলেই কামটো শেষ হৈ যাব অলপ ধৈৰ্য ধৰা দৰকাৰ।” ফ্ৰেঙ্কলিনে দুৰ্বল ভাৱে হাঁহি এটা মাৰিছিল আৰু শেষলৈকে হাত জোকাৰিবৰ কাৰণে একে ঠাইতে থিয় দি আছিল।

ফ্ৰেঙ্কলিনৰ প্ৰথমবাৰ ৰাষ্ট্ৰপতি হোৱাৰ কালছোৱাত ভাল খবৰ যেনেকৈ আছিল বেয়াও আছিল। লুই হাউৰ স্বাস্থ্য দিনে দিনে বেয়ালৈ গৈছিল। ফ্ৰেঙ্কলিন ৰাষ্ট্ৰপতি হৈ লুইক তেওঁৰ প্ৰধান সহকাৰী হিচাবে নিযুক্ত কৰিছিল। কেণ্টাকীৰ গৱৰ্ণৰে লুইক কৰ্ণেল উপাধিৰে বিভূষিত কৰিছিল। লুয়ে নতুনকৈ তেওঁৰ নাম লেখা কাৰ্ড ছপাই আনি এলিনৰক দেখুৱাইছিলহি। ফ্ৰেঙ্কলিন আৰু

এলিনবৰ এই পুৰণি বন্ধুজনৰ প্ৰতি শ্ৰদ্ধা মৰম সম্পূৰ্ণ অটুট আছিল।

১৯৩৪ চনৰ শেষৰ পিনে লুইৰ স্বাস্থ্য তেনেই ভাঙি পৰিল। এলিনৰে জোৰ কৰি ধৰিছিল লুয়ে যাতে কামৰ হেচাটো কমাই দিয়ে। উশাহ লোৱাটো তেওঁৰ ইমান কষ্টকৰ হৈ পৰিছিল যে খোজ কাঢ়িবই নোৱাৰা হৈ পৰিল। অইন এখন ঠাইৰপৰা ৱাছিংটনলৈ উভটি আহোঁতে তেওঁৰ অৱস্থা ইমান শোচনীয় হৈ পৰিছিল যে, এলিনৰে ৰেলৰ মাল কঢ়িওৱা গাড়ী এখনত তুলিহে তেওঁক ষ্টেচনৰপৰা বাহিৰলৈ উলিয়াই আনিছিল। এলিনৰে লক্ষ্য কৰিছিল, জীয়াই থাকিবৰ কাৰণে লুয়ে কঠিনভাৱে যুঁজ কৰিছে কিন্তু তেওঁৰ দুৰ্বল চেহেৰাটোলৈ চাই এলিনৰে দুঃখ পাইছিল। ইমান অসুখৰ মাজতো লুইৰ অন্তৰত থকা সাহস অকণো কমা নাছিল। হোৱাইত হাউছৰ বিচনা এখনত বেমাৰী অৱস্থাত পৰি থাকোঁতে তেওঁ এদিন এলিনৰক কৈছিল,—“মই লগুৱা এজনৰ দৰেই সদায় ফ্ৰেঙ্কলিনৰ লগে লগেই ইমান দিন আছো, কিন্তু এতিয়াও মোৰ কাষত তেওঁ এজন বীৰ হৈয়ে আছে।”

ৰুগীয়া শৰীৰটো লৈ প্ৰায় ডেৰ বছৰমান লুই হাউ জীয়াই আছিল। চকু কেইটা কিন্তু সদায়েই উজ্জ্বল। এলিনৰে কেবামাহো তেওঁক শুশ্ৰূষা কৰিলে। ১৯৩৬ চনৰ এপ্ৰিল মাহত তেওঁৰ মৃত্যু হ'ল। তেওঁৰ কবৰৰ ওপৰত লিখা হ'ল—“ৰাষ্ট্ৰপতিৰ অন্তৰঙ্গ বন্ধু, উপদেশদাতা আৰু সহকৰ্মী।” ৰাষ্ট্ৰপতিৰ লগতে এলিনৰ ৰুজভেল্টৰ নামটোও লিখি কথা কেইটা সম্পূৰ্ণ কৰিব পৰা গ'লহেঁতেন।

তেওঁৰ কাৰণে দুঃখ বেজাৰ কৰিবলৈ খুব কম সময়হে পোৱা গ'ল, কাৰণ ফ্ৰেঙ্কলিনে দ্বিতীয়বাৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হব বুলি ঘোষণা কৰিছিল। বাহিৰত প্ৰকাশ নকৰাকৈ এলিনৰেও যুঁজৰ মাজত সোমাই পৰিল। তেওঁ গণতান্ত্ৰিক দলৰ নিৰ্বাচনী যুঁজৰ আঁচনিখন নতুনকৈ তৈয়াৰ কৰিলে, ফ্ৰেঙ্কলিনৰ বিষয়েও এটা জীৱন্ত বৰ্ণনা লিখিলে আৰু এই বিৱৰণীটোৱেই ১৯৩৬ চনৰ নিৰ্বাচনী

যুঁজত ধৰ্মগ্ৰন্থ বাইবেলৰ নিচিনা হৈ পৰিছিল। ফ্ৰেঙ্কলিনৰ লগত ঘূৰি ফুৰাৰ সময়ত মানি চলিবৰ কাৰণে নিজৰ বাবেও এলিনৰে কিছুমান নীতি-নিয়ম তৈয়াৰ কৰিলে; যেনে, "সদায় ঠিক সময়ত যাবা। যিমান পাৰি কমকৈ কথা কবা। কোনো কথাৰদ্বাৰাই নিজৰ মনটোত অশান্তি কৰিবলৈ নিদিবা। যি কামকে কৰিবলৈ কয় তৎক্ষণাতে কৰি পেলাবা। ৰাষ্ট্ৰপতিৰ লগত শোভাযাত্ৰা কৰি মটৰত যাওঁতে গাড়ীত সদায় আউজি বাহিৰলৈ মনত ৰাখিবা, তেতিয়াহে মানুহবিলাকে ৰাষ্ট্ৰপতিক ভালকৈ দেখা পাব পাৰিব। বেছিকৈ শকত নোহোৱাৰ বাবে চেষ্টা কৰিবা কাৰণ পাছৰ চিটত তিনিজন মানুহ বহিব লাগিব।"

আমেৰিকাৰ ইতিহাসত এই নিৰ্বাচনেই আছিল অতি কম আড়ম্বৰপূৰ্ণ। মেইন আৰু ভৰমণ্ট নামৰ ঠাই দুখনৰ বাহিৰে সকলোবোৰ ৰাষ্ট্ৰই ফ্ৰেঙ্কলিনক সমৰ্থন কৰিছিল। এলিনৰে হাঁহি মাৰি ফ্ৰেঙ্কলিনক কৈছিল,—"আমি কিন্তু হাইড্ পাৰ্কখন হেৰুৱালোঁ।"

পিছৰ চাৰি বছৰত এলিনৰৰ কাৰ্যক্ষমতা আৰু বেছি বাঢ়ি গ'ল। তেওঁৰ কৰ্মশক্তি দেখা পাই ফ্ৰেঙ্কলিন আচৰিত হৈ পৰিল। বক্তৃতা দিয়া, লিখা, নানান্ বিষয়ত অনুসন্ধান কৰা আদি কাম আগতকৈও এলিনৰৰ বেছি হৈ পৰিল। খবৰ-কাগজত তেওঁ দৈনিক "মোৰ দিনটো" বুলি এটা শিতানত লিখিবলৈ আৰম্ভ কৰিলে। প্ৰথমে এই শিতানত তেওঁৰ দৈনন্দিন জীৱনৰ হিচাব একোটাহে পোৱা গৈছিল; কিন্তু পিছলৈ সকলোবিলাক বিষয়তে এলিনৰ রুজভেল্টে নিজ মত প্ৰকাশ কৰিছিল। মহিলা এগৰাকীয়ে, বিশেষকৈ ৰাষ্ট্ৰপতিজনৰ পৰিবাৰে নিজৰ মতামত খবৰ-কাগজত ছপা কৰিবলৈ দিয়াটো অৱশ্যে বহুতেই বৰ লাজলগা কথা বুলি ভাবিছিল। আইন কিছুমানে আকৌ ভাবিছিল এনেকুৱা সক্ৰিয়, খোলাখুলিভাৱে কথা কোৱা পৰিবাৰ এগৰাকী থকাৰ কাৰণে ৰাষ্ট্ৰপতিয়ে অন্যায়ভাৱে কিছুমান ৰাজনৈতিক সুবিধা লাভ কৰিছিল।

খবৰ-কাগজৰ এটা শিতানত লিখিবলৈ লোৱাটো প্ৰথমে সমস্যা হিচাপেই দেখা দিছিল; কাৰণ এলিনৰৰ ইমানবোৰ কামৰ হেঁচাৰ মাজতে এইটোও নতুনকৈ সোমাই পৰিছিল। তথাপিও সময় উলিয়াই প্ৰত্যেক দিনেই তেওঁ প্ৰেছলৈ গৈছিল। কেতিয়াবা "মোৰ দিনটো"ৰ শিতানত লিখিবলৈ কাৰবাক কৈ থাকোঁতে তেওঁৰ কোলাত নাতিনীয়েক এটাই বহি হয়তো চুলি টানি থাকে, কেতিয়াবা পৰ্বতৰ ওপৰৰ শিল এছটাত বহিয়েই এলিনৰে কৈ যায়, কোনো কোনো সময়ত আকৌ খুব জোৰেৰে চলি যোৱা মটৰ এখনত বহি বা হোটেলৰ বিচনাত বহি, আনকি গা ধুই থকা অৱস্থাতো এলিনৰে লিখিবলৈ কৈ থাকে।

ফ্ৰেঙ্কলিন দ্বিতীয়বাৰ ৰাষ্ট্ৰপতি হোৱাৰ পিছত, এলিনৰে আৰু এটা নতুন চেষ্টা হাতত ললে। ৰাতি খোৱাৰ সময়ত নানান্ ধৰণৰ আলহী নিমন্ত্ৰণ কৰি আনিছিল। মন্ত্ৰী, সমাজ সেৱক, লিখক, গায়ক, অধ্যাপক, ডাক্তৰ আদি বহুত ব্যৱসায়ৰ মানুহকেই এলিনৰে ফ্ৰেঙ্কলিনৰ ওচৰলৈ আনি দিছিল যাতে তেওঁলোকৰ লগত বেলেগ ধৰণৰ আলাপ-আলোচনা কৰিলে ফ্ৰেঙ্কলিনৰ মনটোৱে শান্তি পাব পাৰে। এবাৰ কাৰ্ল চেণ্ডবুৰ্গ নামৰ এজনে আহি ফ্ৰেঙ্কলিনক গীতাৰ বজাই, গান গাই শুনাইছিল। গান বাজনা শুনি ফ্ৰেঙ্কলিনৰ মনটো সজীৱ হৈ পৰিছিল।

এলিনৰ কেতিয়াবা ইমান ব্যস্ত হৈ থাকে যে ৰাতি খোৱাৰ সময়ত তেওঁ আহিয়েই নাপায়হি। তেওঁৰ ক'লা সক বহীখনত একেদিনতে বিশটামান কাম কৰিব লগীয়া হৈ থাকে। এদিন এলিনৰে গাঁৱত ঘৰ সজা কেন্দ্ৰ এটা পৰিদৰ্শন কৰিবলৈ গৈ একেদিনাই চৈধ্যটা বক্তৃতা দিছিল। ড্ৰাইভাৰে চলাই নিয়া ডাঙৰ গাড়ী এখনত বহি ইঠাইৰপৰা সিঠাইলৈ অহাযোৱা কৰা বিধৰ তিৰোতা এলিনৰ নাছিল। বাছত উঠিয়েই সদায় তেওঁ অহাযোৱা কৰে। আমেৰিকাৰ 'প্ৰথম মহিলা' গৰাকীয়ে এনেভাৱে বাছত উঠি যোৱাটোক মানুহ-

বিলাকে অবাক হৈ চাই থাকে। দোকানবোৰলৈ অহাযোৱা কৰোঁতেও তেওঁ খট্‌খটীত উঠিয়েই যায়। এবাৰ এগৰাকী তিৰোতাই কিছু সময় তেওঁৰ পিনে চাই থাকি কৈ পেলাইছিল,—"তুমি মিছেছ কুজভেল্ট নহয়, কাৰণ তেওঁ এনে কাম নকৰে।" হাঁহি মুখেৰে এলিনৰে উত্তৰ দিছিল, "মযেই মিছেছ্ কুজভেল্ট।"

মানুহক উপহাৰ দিবৰ বাবে যথেষ্ট বস্তু এলিনৰে কিনিব লগীয়া হৈছিল। মানুহৰ নাম লিখি এখন তালিকা কৰি তেওঁ বহুতৰে জন্মদিন, বিয়া, বছৰেকীয়া উৎসৱ, খৃষ্টমাছ আদিৰ কাৰণে উপহাৰ পঠিয়াই দিয়ে। জন্মদিনবোৰত তেও কেক্ এটাৰ লগতে মমবাতি কেইদালমানো পঠিয়ায়। হোৱাইত হাউছত ৰাতি থকা অতিথি-সকলে পিছদিনা পুৱা যাবৰ সময়ত ভুপৰীয়া বাটত খাবৰ কাৰণে খোৱা বস্তুৰ টোপোলা এটা হাতত পাই আচৰিত হৈ পৰিছিল। ধন্যবাদজনোৱা উৎসৱৰ সময়তো এলিনৰে শ' শ' বাকচত বস্তু ভৰাই গোটেই দেশতে অসংখ্য বন্ধু-বান্ধৱলৈ পঠিয়ায়। খৃষ্টমাছৰ আগৰ সপ্তাহ কেইটাত এলিনৰ বৰ ব্যস্ত হৈ পৰে. ৰাতি দুটা বজালৈকে সাৰে থাকি তেওঁ বাহিৰলৈ পঠিয়াব লগীয়া মিঠাইবোৰৰ টোপোলা বান্ধে।

মানুহবিলাকে আচৰিত হৈ কোৱামেলা কৰে ইমানবিলাক কাম এজনী মানুহে কৰে কেনেকৈ? এজন সম্পৰ্কীয় মানুহে ইয়াৰ উত্তৰত কৈছিল,—"কথাটো তেনেই সহজ। কুজভেল্টবোৰৰ জন্ম হওতেই অইন মানুহতকৈ এটা গ্ৰন্থি বেছিকৈ থাকে।"

কিন্তু নিজৰ অদ্ভুত কৰ্মশক্তিটোৱেই কেৱল এলিনৰক ইমান-খিনিলৈ আনিব পৰা নাছিল, সৰুকালত দেউতাক আৰু তেওঁৰ শিক্ষয়িত্ৰী মেডেম চোৱেষ্টাৰৰ ওচৰত যি শিক্ষা পাইছিল সেয়েহে তেওঁক ইমানখিনি আগবঢ়াত সহায় কৰিছিল। নিজতকৈ কম ভাগ্যবানসকলক সহায় কৰিব পৰাটোতহে জীৱনৰ আনন্দ থাকে আৰু বেছি সংখ্যক মানুহৰেই অৱস্থা এনে ধৰণৰ। আনক

নিস্বাৰ্থভাৱে সহায় কৰাতেই এলিনৰে নিজৰ জীৱন উৎসৰ্গা কৰিছিল—এইটো তেওঁৰ কৰ্তব্য বুলি ভাবিছিল। আমেৰিকাৰ 'প্ৰথম মহিলা' হিচাপে তেওঁৰ যি অসাধাৰণ স্থান, কৰ্তব্যৰ যোগাও অইনতকৈ তেওঁৰেই বেছি।

এলিনৰৰ শক্তি, কৰ্তব্যজ্ঞান আৰু সামৰ্থতাই, ফ্ৰেঙ্কলিন ৰাষ্ট্ৰপতি হৈ থকা কালছোৱাৰ ভিতৰতেই, তেওঁক পৃথিৱীৰ এগৰাকী অতি শক্তিশালী মহিলা কৰি তুলিছিল। "টাইমছ্" নামৰ খবৰ কাগজখনৰ সম্পাদকে এলিনৰৰ বিষয়ে লিখিছিল,—"পৃথিৱীৰ এগৰাকী অতি প্ৰভাৱশালী মহিলা। ক্লিওপেট্ৰা, এলিজাবেথ, পম্পাদোৰ বা ৰাছিয়াৰ কেথেৰিনৰ দৰে তেওঁৰ হাতত অৱশ্যে শাসকৰ শক্তি নাছিল। তেওঁ এজন শাসকৰ পৰিয়াৰ আছিল যদিও স্বামীৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰি তেওঁ নিজৰ শক্তি বঢ়োৱা নাছিল, জনসাধাৰণৰ সমৰ্থনৰ মাজেদিহে তেওঁ শক্তিশালী হৈ পৰিছিল।"

যুদ্ধ আৰু মৃত্যু

১৯৩৯ চনত অৰ্থনৈতিক দুৰ্যোগটোকো ঢাক খুৱাই আন এটা অশান্তিকৰ পৰিস্থিতিৰ উদ্ভৱ হ'ল। জাৰ্মানীৰ একছত্ৰী নেতা এডল্‌ফ্ হিটলাৰে পৃথিৱী দিগ্বীজয় কৰিবলৈ ওলাল। হিটলাৰে প্ৰচাৰ কৰিছিল যে জাৰ্মানসকল আটাইতকৈ উচ্চ থাপৰ মানুহ। পৃথিৱীৰ সকলো নীচ মানুহৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈকে তেওঁলোকৰ ভাগ্যত লিখা আছে। অষ্ট্ৰিয়া, চেকোশ্লোভেকিয়া আদি ঠাইবোৰ, আগতেই গ্ৰাস কৰি এতিয়া পোলেণ্ডৰ পিনলৈ আগবাঢ়ি আহিছে। পৃথিৱীৰ সকলো স্বাধীন দেশকেই পদানত কৰাৰ আকাঙ্ক্ষা লৈ আগবাঢ়ি গ'ল এডল্‌ফ্ হিটলাৰ।

জাৰ্মানীৰ যুদ্ধ নীতি আৰু শক্তিক গোটেই পৃথিৱীয়ে ভয়ৰ চকুৰে চাইছিল। প্ৰথম মহাযুদ্ধৰ পিছত আৰ্থিক দুৰ্যোগ এটাৰ মাজত পৰি মানুহে শান্তিত থাকিবলৈ বিচাৰিছিল। আমেৰিকাৰ জনসাধাৰণে অইন স্বাধীন দেশবোৰৰ লগ লাগি, হিটলাৰৰ বিপক্ষে যুঁজিবৰ কাৰণে অনিচ্ছা প্ৰকাশ কৰিছিল। কিছুমানে আনকি ইয়াকো কৈছিল যে, সৈন্যদল শক্তিশালী কৰাৰ কথা কলেই হিট্‌লাৰৰ খং উঠিব আৰু লগে লগে তেওঁৰ আক্ৰমণ লিপ্সা বাঢ়ি যাব। অইন কিছুমানে আকৌ কৈছিল, হিট্‌লাৰে যিবোৰ দেশ লবলৈ ইচ্ছা কৰে তেওঁক সেইবোৰ দি দিয়াটোৱেই ভাল হ'ব। আমেৰিকাৰ জনগণে কবলৈ ধৰিলে যে, আট্‌লাণ্টিক মহাসাগৰখন যথেষ্ট আহল-বহল, ইমান দূৰৰপৰা হিট্‌লাৰে আমেৰিকাক আক্ৰমণ কৰিবলৈ অহাটো বা বোমা পেলোৱাটো সহজ কথা নহব। গতিকে পৃথিৱীৰ অইনবোৰ দেশৰ লগ নালাগি আমি আঁতৰে আঁতৰে থকাহে ভাল।

ৰাষ্ট্ৰপতি ৰুজভেল্টৰ আপত্তি থকা সত্ত্বেও, দেশৰ শাসন সভা কংগ্ৰেছে নিৰপেক্ষভাৱে থকাৰ কাৰণে এখন আইন প্ৰণয়ন কৰিলে— পৃথিৱীৰ অইন দেশবোৰক কোনোবাই আক্ৰমণ কৰিলেও আমেৰিকাই সহায় কৰিব নোৱাৰিব। ৰুজভেল্টে এই আইনৰ বিৰোধিতা কৰাৰ কাৰণে, হিট্‌লাৰলৈ ভয় কৰা বহুতো মানুহে তেওঁক 'যুদ্ধ-প্ৰৰোচক' বুলি আখ্যা দিছিল।

এলিনৰ ৰুজভেল্টে কিন্তু বিশ্বাস কৰিছিল এখন শক্তিশালী আমেৰিকা আৰু পৃথিৱীৰ স্বাধীন দেশবোৰ সম্মিলিত হৈ একগোট হৈ থিয় দিলে হিট্‌লাৰক প্ৰত্যেকটো কাম কৰোঁতে দুবাৰকৈ ভাবিবলৈ বাধ্য কৰাব। এলিনৰে যুদ্ধক ঘৃণা কৰিছিল যদিও কৈছিল,—"আমি আক্ৰমণ আৰু দাসত্বক প্ৰতিৰোধ কৰিবলৈ নীতিগতভাৱে বাধ্য।" এই উদ্দেশ্যেৰে গোটেই দেশতে তেওঁ বক্তৃতা দি, জনসাধাৰণক হিট্‌লাৰ আৰু তেওঁৰ উদ্দেশ্যৰ বিপক্ষে

এটাকগোট কৰি যুদ্ধৰ বাবে সাজু কৰাইছিল।

হিট্‌লাৰৰ মুখ্য প্ৰচাৰক জোছেফ্ গোৱেব্‌লছে চিঞৰিবলৈ ধৰিলে,—"ঘৈণীয়েকবোৰ যেতিয়া ৰাজনীতিত সোমাই পৰে, জাতি এটাৰ কাৰণে এইটো ভাল চিন নহয়।" ইটালীৰ নায়ক মুছলিনিয়ে আমেৰিকাৰ ৰাইজক অনুৰোধ কৰিছিল যাতে মিছেছ্‌ ৰুজাভেল্টক কোনো ঠাইলৈ অহাযোৱা কৰিব দিয়া নহয়।

প্ৰথম অৱস্থাত এলিনৰে যেতিয়া সভাবোৰত বৈদেশিক নীতিৰ ওপৰত বক্তৃতা দি ফুৰিছিল, নানান্ ঠাইত তেওঁ অপমানজনক ব্যৱহাৰো পাইছিল। তথাপিও তেওঁ ক্ষান্ত হোৱা নাছিল। ১৯৩৯ চনৰ গোটেই বছৰটো তেওঁ বক্তৃতা দি ফুৰিছিল। লাহে লাহে তেওঁৰ বক্তৃতাবোৰৰ ফল ফলিয়াবলৈ ধৰিলে। কালক্ৰমে তেওঁ যথেষ্ট সমৰ্থন পাবলৈ ধৰিলে। খবৰ-কাগজ এখনৰ সম্পাদকে তেওঁৰ বক্তৃতাৰ বিষয়ে কৈছিল,—"যোৱা ছমাহৰ ভিতৰতে দেশখনক অকলশৰীয়া অৱস্থাটোৰপৰা আঁতৰাই আনিবৰ কাৰণে তেওঁ যথেষ্ট কৰিছে।"

হিট্‌লাৰে বিধ্বস্ত কৰা স্বাধীন ৰাষ্ট্ৰসমূহৰ লগত আমেৰিকাও যে আছে, তাকে দেখুৱাবৰ কাৰণে ফ্ৰেঙ্কলিনে কিবা এটা চমক্ লগোৱা কাম কৰিবৰ প্ৰয়োজন বুলি ভাবিলে। এলিনৰো ফ্ৰেঙ্কলিনৰ লৈতে এই কথাত একমত হৈ পৰিল। এই উদ্দেশ্যে ১৯৩৯ চনৰ জুন মাহত ইংলণ্ডৰ ৰজা ষষ্ঠ জৰ্জ আৰু ৰাণী এলিজাবেথক আমেৰিকা ভ্ৰমণ কৰিবৰ বাবে নিমন্ত্ৰণ কৰিলে। এই ঘটনাকে লৈ খবৰ-কাগজ বোৰে নানা কথা লিখালিখি কৰিলে। পিছে ৰজা-ৰাণী আহি ৱাছিংটনৰ ষ্টেচনত নামোঁতে, অভ্যৰ্থনাৰ সময়ত এলিনৰ আহি পোৱাত দেৰী হ'ল। বিপদগ্ৰস্ত পৰিয়াল এটাক উদ্ধাৰ কৰি হোৱাইত হাউছলৈ লৈ যাওঁতেই খবৰ পালে যে, ৰাজ পৰিয়ালক লৈ অহা ৰেলখন আহি পাইছেহি।

ইংলণ্ডৰ ৰজা-ৰাণীৰ ভ্ৰমণটো বৰ আনন্দদায়ক আৰু কৃতকাৰ্যপূৰ্ণ

আছিল। ইংলণ্ডৰ কাৰণে নিজৰ দেশত ভাল মনোভাৱ এটা গঢ়ি তুলিবলৈ ফ্ৰেঙ্কলিন আৰু এলিনৰেও অতিথি সেৱাৰ ক্ৰুটি কৰা নাছিল। ৰাজ পৰিবাৰেও গণতন্ত্ৰবাদী আৰু মিত্ৰতাৰ ভাব দেখুৱাইছিল। হোৱাইত হাউছত থকাৰ উপৰিও ৰজা-ৰাণীয়ে হাইড্ পাৰ্কলৈ গৈ ফ্ৰেঙ্কলিনৰ মাকৰ প্ৰকাণ্ড ঘৰটোত থাকি আহিলগৈ। ইয়াত থাকোঁতেই এলিনৰে এদিন তেওঁলোকক আমেৰিকাৰ মানুহৰ নিজস্ব খোৱাও ৰান্ধি খুৱাইছিল। এই সময়তে কেবাটাও হাঁহি উঠা ঘটনা ঘটিছিল। এলিনৰে খবৰ-কাগজত "মোৰ দিনটো"ৰ শিতানত এইবোৰ বৰ্ণনা কৰিছিল। এবাৰ ৰান্ধনি এটাই খট্খটীত পিছল খাই পৰাত হাতত থকা খোৱাবস্তুৰ গধুৰ ট্ৰেখন পৰি গ'ল আৰু মানুহটোৱেও পিঠিৰে মজিয়াত বাগৰি বাগৰি আহিল। আকৌ এবাৰ যিখন মেজৰ ওপৰত খোৱা বস্তুবোৰ সজাই ঠাঁহ খুৱাই থৈছিল সেই মেজখন ভাঙি পৰিল। এবাৰ ফ্ৰেঙ্কলিনেই কিবা এটা ঘটনা বুজাই থাকোঁতে হাতখন মাৰি এসোপা গ্লাছ টুকুৰাটুকুৰকৈ ভাঙি পেলালে।

কিন্তু যি সময়ত এওঁলোকে বাদিংভোজ খাই আনন্দ কৰিছিল, ঠিক সেই সময়তে সাগৰৰ সিপাৰে থাকি হিট্লাৰে গুজৰি গুমৰি ইংলণ্ডক ভয় প্ৰদৰ্শন কৰিছিল। ৰাজকীয় ভ্ৰমণ শেষ হোৱাৰ পিছত এলিনৰ আৰু ফ্ৰেঙ্কলিন দুয়ো গৈ ৰজা-ৰাণীক হাইড্ পাৰ্কৰ ষ্টেচনত ৰেলত তুলি দিলেগৈ। এলিনৰে কৈছিল,—"তেওঁলোকৰ মূৰৰ ওপৰত যি ক'লা মেঘ জমা হৈ আছে আৰু দেশলৈ উভটি গৈ যিবিলাক দুশ্চিন্তাৰ সম্মুখীন হবগৈ লাগিব সেই কথা ভাবি আমি গধুৰ মনেৰে তেওঁলোকক বিদায় দি উলটি আহিছিলোঁ।।"

হিট্লাৰক কোনেও বাধা দিব পৰা নাছিল। কমিউনিষ্ট ৰাছিয়াৰ একচত্ৰী নায়ক, হিট্লাৰৰ সগোত্ৰ জোছেফ ষ্টেলিনৰ লগত এটা চুক্তি কৰিলে। তাৰ পিছত জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰিলে। পোলেণ্ডৰ বন্ধু হিচাবে ইংলণ্ড আৰু ফ্ৰান্সেও জাৰ্মানীৰ

বিপক্ষে যুদ্ধত নামিব লগীয়া হ'ল। চেপ্টেম্বৰ মাহৰ এক তাৰিখৰ দিনা এলিনৰ ৰুজভেল্ট হাইড্ পাৰ্কৰ ঘৰত আছিল। ৰাতিপুৱা পাঁচটা বজাতেই ফ্ৰেঙ্কলিনে ফোন কৰি শুকান মাতটোৰে কৈছিল,—"এইটো ঘটিলেই বাব্চ্, জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰিছে।"

এলিনৰে মনে মনে আশা কৰিছিল যুদ্ধখন হয়তো বাঢ়ি নাযাবও পাৰে। মনত চিন্তা হৈছিল আমেৰিকাই যদি যুদ্ধত নামিব লগীয়া হয় তেওঁৰ নিজৰেইটো চাৰিজন উপযুক্ত ল'ৰা আছে। ফ্ৰেঙ্কলিনে কৈছিল,—"আমি বোধকৰো যুদ্ধৰপৰা আঁতৰতেই থাকিম।"

কংগ্ৰেছৰ নিৰপেক্ষভাৱে থকাৰ আইনবোৰৰ সালসলনি কৰিবৰ কাৰণে কৰা প্ৰচেষ্টাত ফ্ৰেঙ্কলিন ৰুজভেল্ট কৃতকাৰ্য হ'ল, এতিয়াৰপৰা আমেৰিকাই বিপদত পৰা অইন দেশবোৰক সহায় কৰিব পাৰিব। কিন্তু গণতান্ত্ৰিক দেশবোৰৰ অৱস্থা বেয়াৰ পিনলৈহে ঢাল খালে। হিট্লাৰ আৰু ষ্টেলিনে কেইসপ্তাহমানৰ ভিতৰতে পোলেণ্ডখন কাঢ়ি ললে। অইনপিনে জাপানেও চীনক বিধ্বস্ত কৰিছে। ১৯৪০ চনৰ মাজ ভাগলৈ হিট্লাৰৰ সৈন্যই ফ্ৰান্স, নৰৱে, ডেনমাৰ্ক, হলেণ্ড, বেল্জিয়াম আদি দখল কৰি পেলালে, অকলশৰীয়াভাৱে থিয় হৈ, ইংলণ্ডে সদায় আক্ৰমণ আৰু বোমাবৰ্ষণ সহ্য কৰিব লগীয়া হৈছিল।

এই যুদ্ধখনেই ফ্ৰেঙ্কলিনৰ মনত আকৌ তৃতীয়বাৰ ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰাৰ্থী হোৱাৰ সিদ্ধান্তটো সুমুৱাই দিলে। তেওঁৰ আগৰ কোনো ৰাষ্ট্ৰপতিয়ে দুবাৰতকৈ বেছি দিন থকা নাছিল। আকৌ এবাৰ সভাপতি হবলৈ যোৱাত এলিনৰে আপত্তি কৰিছিল। এলিনৰৰ মতে ফ্ৰেঙ্কলিনে ইমানদিনে নিজৰ দায়িত্ব পালন কৰিলে। এতিয়া গধুৰ দায়িত্ববোৰৰপৰা আঁতৰি জিৰণি লোৱাহে দৰকাৰ। ফ্ৰেঙ্কলিনে সিদ্ধান্ত লোৱাৰ আগতে এটুকুৰা কাগজত এলিনৰে লিখি পঠিয়াইছিল, "তুমিতো জানাই, মই এইটো বিশ্বাস নকৰো।" শেষলৈকে এলিনৰে আপত্তি কৰি আছিল যদিও পিছত স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে আমেৰিকাৰ জনসাধাৰণক অনুপ্ৰেৰণা

যোগাবৰ কাৰণে গণতান্ত্রিক দলটোত ফ্রেঙ্কলিনৰ দৰে এজনো উপযুক্ত মানুহ নাই।

১৯৪০ চনত স্বতঃস্ফূর্তভাৱে এটা জনমত প্রচাৰ হ'ল যে এলিনৰকে ৰাষ্ট্রপতি পদৰ প্রার্থী কৰিব লাগে। এটা জাতীয় ভোটৰ গণনাৰ পাছত দেখা গৈছিল, এলিনৰ ফ্রেঙ্কলিনতকৈও আনকি বেছিহে জনপ্রিয় ; কিন্তু দৃঢ়ভাৱে এলিনৰে ক'লে, ভোটত তেওঁ নুঠে।

গণতান্ত্রিক দলৰ জাতীয় অধিবেশনত মনোনয়ন লাভ কৰাটো ফ্রেঙ্কলিনৰ কাৰণে একো টান কাম নাছিল। প্রতিনিধিসকলে তেওঁৰ নামটো শুনিয়েই আনন্দত চিঞৰিবলৈ ধৰিলে। কিন্তু ফ্রেঙ্কলিনে যেতিয়া কৃষিবিভাগৰ সচিব হেনৰি ৱালেছক উপৰাষ্ট্রপতিৰ মনোনয়ন দিবলৈ অনুৰোধ কৰিলে সকলোৰে আপত্তি। অধিবেশনৰ নেতাসকলে কৈছিল, ৰাজনৈতিক জীৱনত ৱালেছক মানুহে ভালকৈ চিনিকে নাপায়।

কিছু সময়ৰ কাৰণে এনে এটা অৱস্থা হ'ল ৱালেছৰ নাম শুনিলেই যেন অধিবেশনখন ভাঙিহে যাব। প্রতিনিধিসকলে ৱালেছৰ নামত গালি-শপনি পাৰি হলটোৰ ভিতৰতে প্রতিবাদ কৰি ঘূৰি ফুৰিবলৈ ধৰিলে। শেষত ফ্রেঙ্কলিনৰ অধিবেশনৰ কাম চলোৱা মেনেজাৰ জেম্‌চ ফাৰ্লেই এলিনৰলৈ ফোন কৰিলে,—"তুমি যেনেতেনে চিকাগোলৈ আহিব লাগে, তোমাৰ লগত আমাৰ অতি জৰুৰী কাম আছে।"

অনিচ্ছাস্বত্বেও এলিনৰে ক'লে,—"মই কাইলৈ গৈ পামগৈ।" এলিনৰে আগতে কেতিয়াও এনে ধৰণৰ জাতীয় অধিবেশনত অংশ গ্রহণ কৰা নাছিল। তেওঁ ভালকৈ বুজিব পৰা নাছিল ৰাজনৈতিক নেতাসকলে এলিনৰৰ নিচিনা মানুহ গ'লে ভাল পাব নে নাপায়।

বিমান বন্দৰত জেম্‌চ্ ফাৰ্লেই গৈ এলিনৰক লগ ধৰি কলে,— "প্রতিনিধিসকলৰ মনৰ অৱস্থা বৰ বেয়া। অধিবেশনলৈ শৃঙ্খলা আনিবৰ সময় পাব হৈও যাব পাৰে।"

অধিবেশন বহা হলটোৰ বাহিৰত থিয় হৈয়ে আনকি এলিনৰে গালি-শপনি শুনিবলৈ পাইছিল। ভিতৰলৈ সোমাই লক্ষ্য কৰিলে এটা হুলস্থূল অৱস্থাৰ মাজত প্ৰতিনিধিবৰ্গই লৰিঢাপৰি ফুৰিছে। কাৰো চকুত নপৰাকৈ এলিনৰ মঞ্চৰ ওপৰলৈ উঠি গ'ল। এজন ৰাজনীতিজ্ঞই তেওঁৰ ওচৰলৈ গৈ নিৰাশভাৱে ক'লে,—"তোমাৰ মাত মতাৰ এইটোৱেই সময়।"

ওখ আৰু পোন হৈ এলিনৰ বক্তৃতা দিয়া ঠাইডোখৰলৈ উঠি গ'ল। ঘৰটোৰ বতাহত চিগাৰেটৰ বাহি গোন্ধ এটা বিয়পি আছিল, লাইটবোৰেও এলিনৰ কজভেল্টৰ চকুত চাঁট মাৰি ধৰিছিল। হঠাতে প্ৰতিনিধিসকলৰ চকুত পৰিল এলিনৰ কজভেল্টৰ বক্তৃতা দিয়া ঠাইত থিয় হৈ আছে। সকলোৱে লৰালৰিকৈ নিজৰ নিজৰ ঠাইত বহিলগৈ, চাৰিওপিনে সম্পূৰ্ণ নিস্তব্ধ হৈ পৰিল। অলপমান সময় এলিনৰ কজভেল্টে কথা কৈছিল কিন্তু এই সময়খিনিৰ ভিতৰত কোনেও কাঁহ এটা মৰা বা চকী এখন লৰচৰ কৰাৰ শব্দও হোৱা নাছিল। তেওঁৰ মুখৰ কথাতকৈও, তেওঁৰ যি বিৰাট ব্যক্তিত্ব আছিল সেয়েহে প্ৰতিনিধি সকলক শান্ত অৱস্থালৈ আনিব পাৰিছিল। বক্তৃতাত এলিনৰে ৰাষ্ট্ৰপতিৰ যি গধুৰ দায়িত্ব সেই বিষয়ে কোৱাৰ লগে লগে ৱালেছৰ কথা উনুকিয়াই কৈছিল ফ্ৰেঙ্কলিনে ভাবে যে তেওঁৰ যদি কিবা ঘটে ৱালেছেই হয়তো তেওঁৰ বৈদেশিক নীতিক উপযুক্তভাৱে পৰিচালনা কৰি লৈ যাব পাৰিব। প্ৰতিনিধিসকলক অনুৰোধ কৰি এলিনৰে কৈছিল, তেওঁলোকে যেন সকলো ৰাজনৈতিক মতভেদ পাহৰি গৈ একগোট হৈ, গোটেই পৃথিৱীখনক এটা নিৰাপদ, সুখৰ অৱস্থালৈ অনাত সহায় কৰে।

বক্তৃতা শেষ হ'লত কোনেও হাত চাপৰি নবজালে। এজনে কৈছিল,—"মোৰ ঠিক গীৰ্জাঘৰৰ ভিতৰত থকা যেনহে লাগিছিল।" এনেতে অৰ্গেনত 'ঈশ্বৰে আমেৰিকাৰ মঙ্গল কৰক' গানটো বজাবলৈ ধৰিলে। গান শেষ হ'লত এলিনৰে নিজৰ ঠাইত বহিলগৈ। কেইবা

মিনিটলৈকে হুলটোত হাত চাপৰি পৰিবলৈ ধৰিলে। এইবাৰ একো বেমেজালি নোহোৱাকৈয়ে ৱালেছে উপ-ৰাষ্ট্ৰপতিৰ বাবে মনোনয়ন পালে। নেতাসকলে কবলৈ ধৰিলে, এলিনৰৰ বক্তৃতাইহে সেইদিনা ফ্ৰেঙ্কলিনৰ মান ৰক্ষা কৰিলে।

ৱালেছৰ মনোনয়ন হৈ যোৱা মাত্ৰকেই এলিনৰে এখন গাড়ী লৈ বিমানৰ থলী পালেগৈ। ঘৰলৈ যাবৰ কাৰণে এখন বিমানত উঠিল, বিমানখন আকাশত উৰিবলৈ ধৰোঁতেই খবৰ পঠিওৱা হ'ল যে, বিমানখন যাতে উভটি গৈ আগৰ মানুহ উঠা ঠাইতে আকৌ ৰয়গৈ। কোনোবাই আহি ক'লেহি মিছেছ ৰুজভেল্টৰ এটা টেলিফোন আছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে নিজে টেলিফোনত কৈ গ'ল,—"মই তোমাক ধন্যবাদ জনাব খুজিছোঁ বাব্‌চ্‌। তুমি বৰ সজকাম কৰিলা। ভগৱানে তোমাৰ মঙ্গল কৰক।"

ৱেণ্ডেল উইলকিৰ বিপক্ষে নিৰ্বাচনত জয়লাভ কৰি, ফ্ৰেঙ্কলিনে এতিয়া দুঃখলগা আন্তৰ্জাতিক পৰিস্থিতিটোৰ ওপৰত চকু দিব পৰা হ'ল। এলিনৰে পিছে উইলকিক শ্ৰদ্ধাৰ চকুৰে চাইছিল। ১৯৪১ চনৰ গোটেই বছৰটোত আমেৰিকাৰ সৈন্যদল আৰু যুদ্ধৰ ব্যৱসায়-বোৰে বিৰাটভাৱে প্ৰসাৰ লাভ কৰিছিল। সেই বছৰেই জুন মাহত জাৰ্মানীয়ে যেতিয়া ৰাছিয়াক আক্ৰমণ কৰিলে, ৰুজভেল্টে ৰাছিয়া, বৃটেইন আৰু চীনক সহায় কৰিছিল। বিদেশৰ লগত সম্বন্ধ ৰাখিবৰ বাবে ৰাষ্ট্ৰপতি ৰুজভেল্টে হেৰি হপ্‌কিন্স নামৰ এজন বিষয়াক নিযুক্ত কৰিলে। দেশৰ আভ্যন্তৰিণ অৱস্থাৰ সকলো খা-খবৰ জনোৱাৰ ভাৰ পৰিল এলিনৰ ৰুজভেল্টৰ ওপৰত। আমেৰিকাৰ নীতি সম্বন্ধে তেওঁ দেশৰ উচ্চ পদস্থ কৰ্মচাৰীসকলৰ লগত আলোচনা কৰিছিল, ডাঙৰ ডাঙৰ নেতাসকলক লগ পাব লগীয়া হৈছিল, খবৰ-কাগজেও এইবোৰ কথা লৈ এলিনৰ ৰুজভেল্টৰ বিষয়ে লিখিবলৈ আৰম্ভ কৰিলে।

গোটেই বছৰটোতে দেশখনে অতি আচৰিত ধৰণেৰে নিজক

প্ৰস্তুতিৰ বাটত আগবঢ়াই নিছিল। ফ্ৰেঙ্কলিন ৰুজভেল্টে আমেৰিকাক 'গণতন্ত্ৰৰ শস্ত্ৰগৃহ' বুলি ঘোষণা কৰিলে। প্ৰত্যেক ৰাষ্ট্ৰলৈ গৈ এলিনৰে কলকাৰখানাত কাম কৰা বন্দুৱাসকলৰ সাহস ৰাখিবৰ বাবে বক্তৃতা দি ফুৰিছিল আৰু লগে লগে চাই ফুৰিছিল তিৰোতা বন্দুৱা আৰু নিগ্ৰোসকলক ভাল ব্যৱহাৰ কৰা হৈছে নে নাই। ফ্ৰেঙ্কলিনৰ হৈ তেওঁ সৈন্যৰ শিবিৰবোৰ পৰিদৰ্শন কৰিছিল, জাহাজৰ নামকৰণ উৎসৱ সম্পন্ন কৰিছিল।

এইবোৰ কামকাজৰ মাজতেই দুটা দুৰ্ঘটনাও ঘটি গৈছিল। চেপ্টেম্বৰ মাহত ফ্ৰেঙ্কলিনৰ মাক আৰু এলিনৰৰ ভায়েক হলৰ মৃত্যু হ'ল। ফ্ৰেঙ্কলিনৰ মাকে ছিয়াশী বছৰ বয়সতহে গৰ্বেৰে সৈতে স্বীকাৰ কৰিছিল যে পুতেক ফ্ৰেঙ্কলিনে শাৰীৰিক অসুস্থতাক জয় কৰি জাতিটোৰ নেতৃত্ব লব পাৰিছে। ভায়েক হলৰ লগত এলিনৰৰ সম্বন্ধ ঘনিষ্ঠ ৰকমৰ আছিল, সেইকাৰণেই ভায়েকৰ মৃত্যুত তেওঁ বৰ দুঃখ পাইছিল।

১৯৪১ চনৰ ৭ ডিচেম্বৰৰ দিনা আকস্মিক প্ৰকোপেৰে সৈতে যুদ্ধ আহি আমেৰিকাৰ দুৱাৰদলি পালেহি। জাপানে পাৰ্ল হাৰ্বাৰ আক্ৰমণ কৰিলে। জাপানৰ বন্ধু জাৰ্মানী আৰু ইটালীয়েও কেইদিনমানৰ পিছতেই আমেৰিকাৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিলে। পৃথিৱীৰ ভৱিষ্যত আৰু জীয়াই থকাৰ উপায় চিন্তা কৰিবৰ সময় আহি পৰিল।

পাৰ্ল হাৰ্বাৰৰ ওপৰত আক্ৰমণ চলোৱাত পশ্চিম উপকূলৰ মানুহবোৰে খুব ভয় পাইছিল। তেওঁলোকে অনবৰতে জাপানৰ পুনৰাক্ৰমণৰ আশঙ্কা কৰি আছিল। বহুতে আনকি গুপ্তচৰ কিছুমান আহি পোৱাহি বুলিও কৈ ফুৰিবলৈ ধৰিলে। ফ্ৰেঙ্কলিনৰ অনুৰোধত এলিনৰে এই উপকূল অঞ্চললৈ আহি এসপ্তাহমান থাকি সকলো ঠাই ঘূৰি পকি চাই গ'লহি। কেইবা ঠাইতো বক্তৃতা দি তাৰ বাসিন্দাসকলক অভয় দি ফুৰিছিল। কিছুদিনৰ কাৰণে তেওঁ

বেসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী-অধ্যক্ষা হিচাবে নিযুক্ত হ'ল। ফ্ৰেঙ্কলিন ৰাষ্ট্ৰপতি হৈ থকাৰ কালছোৱাৰ ভিতৰত এইটোৱেই একমাত্ৰ চৰ্কাৰী পদৰী এলিনৰে গ্ৰহণ কৰিছিল। ইয়াতো তেওঁ দৰমহা নোলোৱাকৈহে কাম কৰিছিল। গোটেই দেশতে বোমাৰপৰা ৰক্ষা পোৱাৰ ব্যৱস্থা, জৰুৰী অৱস্থাত ডাক্তৰী চিকিৎসাৰ ব্যৱস্থা আৰু ৰাইজৰ মনোবল অটুট ৰখাৰ দায়িত্ব পৰিছিল এলিনৰ ৰুজভেল্টৰ ওপৰত।

এলিনৰে লাহে লাহে এটা কথা বুজি পাইছিল যে বক্তৃতা আদি দিওঁতেও তেওঁ সাৱধানে কথা কোৱাটো দৰ্কাৰ। কাৰণ ১৯৪২ চনৰ আৰম্ভণিতে তেওঁ এটা বেতাৰ বক্তৃতাত দেশৰ গৃহিণীসকলক অনুৰোধ কৰি কৈছিল যে দেশত যিহেতু চেনিৰ যোগান কম হৈছে, প্ৰত্যেকেই যেন চেনি কমকৈ খৰচ কৰে। এই বক্তৃতাৰ ফলত পিছদিনা পুৱাই গোটেই দেশৰ গৃহিণীবোৰ আহি দোকানবোৰত উৎপাত কৰি চেনি উলিয়াই লৈ গ'ল। ইয়াৰ পিছৰপৰাই কথা কওঁতে এলিনৰ ৰুজভেল্ট দুগুণ সাৱধান হ'বলৈ ধৰিলে।

দেশৰ উৎপাদন বঢ়াবৰ কাৰণে এলিনৰে ফ্ৰেঙ্কলিনৰ লগত যুদ্ধৰ বস্তু তৈয়াৰী কৰা কল কাৰখানাবোৰ চাই ফুৰিবলৈ ধৰিলে। দেশত যুদ্ধকালিন অৱস্থা থকাৰ বাবে তেওঁলোকৰ এই যাত্ৰাবোৰ গুপ্তভাৱে ৰখা হৈছিল। বণুৱাসকলে কামৰ মাজত ব্যস্ত হৈ থকা অৱস্থাতে দেখা পায় জীপ এখনত উঠি তেওঁলোকৰ ওচৰলৈ গৈছে ফ্ৰেঙ্কলিন আৰু এলিনৰ ৰুজভেল্ট।

১৯৪২ চনত ইউৰোপ আৰু এচিয়া দুয়ো মহাদেশতে যুদ্ধখনে বেয়া এটা ৰূপ ললে। যুদ্ধৰ সজুলিবোৰৰ উৎপাদন বঢ়াবৰ বাবে এলিনৰেও সকলো কলকাৰখানালৈ গৈ বণুৱাসকলক উৎসাহ যোগাইছিল। সামৰিক হস্পিতালবোৰতো লাহে লাহে আহত লোকৰ সংখ্যা বাঢ়ি আহিছিল, এইবোৰলৈ গৈও এলিনৰে খবৰ কৰিব লগীয়া হ'ল। দেশৰ মাতৃসকলে যুদ্ধৰ কাৰখানাবোৰত

চাকৰি কৰিবলৈ নোৱাৰ ফলত ঘৰ সংসাৰ ভাঙি পৰিছিল। ঘৰধন নষ্ট নোহোৱাকৈ কেনেকৈ ৰাখিব পাৰি আৰু যুৱকসকলক ধ্বংসৰ বাটৰপৰা কি উপায়েৰে ৰক্ষা কৰিব পাৰি এই বিষয়ে ফ্ৰেঙ্কলিনে এলিনৰৰ পৰামৰ্শ বিচাৰিলে। যুদ্ধত যোগ দিয়া মানুহবোৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰি চলা পৰিয়ালবৰ্গৰ সমস্যাবোৰৰ ওপৰত এলিনৰে মনোনিবেশ কৰিলে। বহুতো জটিল সমস্যাৰ সমাধান তেওঁ নিজেই কৰিছিল। নিজে যেতিয়া নোৱাৰে দায়িত্বশীল কৰ্মচাৰীসকলৰপৰা সহায় বিচাৰে। এবাৰ এলিনৰৰ কিবা এটা কামৰ বিষয়ে ফ্ৰেঙ্কলিনে, সহকাৰী সমৰ সচিবজনলৈ সুধি পঠিয়াইছিল,—"এই কামটোৰ বিষয়ে মিছেছ ৰুজভেণ্টক মই কি বুলি কম?"

নিজৰ পদমৰ্যাদাৰ সুবিধা নলৈ এলিনৰে হোৱাইত হাউছতো দামী খোৱাবোৱা বন্ধ কৰি দিলে, নিজৰ খোৱাৰ অংশটোও কমাই দিলে। এইটো বৰ ডাঙৰ কথা হৈ পৰিছিল কাৰণ সেই সময়ত যুদ্ধৰ বাবে হোৱাইত হাউছত বহুতো আলহী আহি থাকেহি। ৱাছিংটনৰ হোটেলবোৰত যেতিয়া ঠাইৰ অভাব হয়, এলিনৰে হোৱাইত হাউছৰ প্ৰতিটো কোঠা আৰু বাৰাণ্ডাবোৰত সৰু সৰু খাট পাৰি, ৱাছিংটনৰ মাজেদি যোৱা সৈন্যসকলক ৰাতিটো থকাৰ ব্যৱস্থা কৰি দিছিল।

বৃটেইনৰ প্ৰধান মন্ত্ৰী উইনষ্টন্ চাৰ্চিল প্ৰায়ে গৈ এলিনৰৰ আলহী হৈছিল। ফ্ৰেঙ্কলিনৰ লগত যুদ্ধৰ সম্বন্ধে আলোচনা কৰিবলৈ চাৰ্চিল আমেৰিকালৈ আহিছিল। এলিনৰে কৈছিল, —"তেওঁলোক দুয়ো অনবৰতে যুদ্ধৰ নীতি সম্বন্ধে আলোচনা কৰি থাকে।" মিছেছ ৰুজভেণ্ট আৰু প্ৰধান মন্ত্ৰী চাৰ্চিলৰ সম্বন্ধ ঘৰুৱা ধৰণৰ আছিল, ইজনে সিজনক পৰিয়ালৰ মানুহ এজনৰ দৰেই ব্যৱহাৰ কৰিছিল। এবাৰ এলিনৰ, চাৰ্চিল, ফ্ৰেঙ্কলিন আৰু হেৰি হপকিন্স মটৰত উঠি ফুৰিবলৈ গৈছিল।

এলিনবে মটৰৰ আগৰ চিটটোত বহিব খুজিছিল ; কিন্তু চাৰ্চিলে তেওঁক জোৰ কৰি ফ্ৰেঙ্কলিনৰ সৈতে পিছৰ চিটটোত বহুৱালে। এলিনবে আপত্তি কৰাত চাৰ্চিলে কৈছিল,—"বৃটিশ সাম্ৰাজ্যই কামত হাত দিলে। প্ৰায় তিনি মিনিটৰ ইচ্ছাৰ যুঁজৰ পিছত, মই জিকিলোঁ, আৰু আমি চাইকেলৰ সঙ্গীৰ মাজত ঘূৰপাক খালোঁ।"

মেডেম্ চিয়াংকাইশ্বেক আৰু ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী মলটভ্ আহি প্ৰায়ে হোৱাইত হাউছত আলহী আছিলহি। মলটভে এটা বাকচত ভৰাই কলা ৰুটী, আৰু এটা গুলী ভৰোৱা সৰু বন্দুক লৈ ফুৰে। এলিনবে হাঁহি কৈছিল,—"হোৱাইত হাউছৰ খোৱাটো তেওঁ বেয়া বুলি ভবাটো মই শুনিছিলোঁ; কিন্তু আমাৰ খোৱাটো ইমান বেয়া বুলি ভবা নাছিলোঁ।" নৰৱেৰ ৰাণী আৰু তেওঁৰ ল'ৰাছোৱালীবিলাকৰ লগত এলিনবৰ সম্বন্ধ নিচেই ঘৰুৱা ধৰণৰ আছিল। হলেণ্ডৰ ৰাজ পৰিয়ালৰ লগতো এলিনবৰ ঘনিষ্ঠ সম্বন্ধ আছিল। বুঢ়ী ৰাণী উইল্হেল্মিনাক এলিনবে খুব ভাল পাইছিল। এবাৰ তেওঁৰ সাংবাদিক সন্মিলনলৈ ৰাণীকো লগত লৈ গৈছিল। উইল্হেল্মিনাৰ জীয়েক জুলিয়ানা এলিনবৰ নিজৰ জীয়েকৰ নিচিনা আছিল আৰু জুলিয়ানাৰ এজনী ছোৱালীৰ এলিনৰ ৰুজভেল্ট আছিল তোলনীয়া মাতৃ।

যুদ্ধৰ সময়ত বিদেশৰপৰা অহা অতিথিসকলক অভ্যৰ্থনা কৰাটো যদিও এটা ডাঙৰ কাম হৈ পৰিছিল, এলিনবে কিন্তু এই কামৰদ্বাৰা তেওঁৰ অইন অইন কামবোৰত বাধা পৰিবলৈ দিয়া নাছিল। এদিন ৰাতি অতিথি কেইজনমানক খুওৱাৰ পিছত গোটেই ৰাতি সাৰে থাকি এলিনবে চিঠি কিছুমানৰ উত্তৰ লিখিছিল। ফ্ৰেঙ্কলিনে দেখা পাই তেওঁক খং কৰিছিল। আন এবাৰ আকৌ চাৰ্চিল আহোঁতে খোৱাৰ মেজতে এলিনবৰ টোপনি আহিছিল। প্ৰধান মন্ত্ৰী চাৰ্চিল এজন বিখ্যাত কথকী মানুহ।

তেওঁ ভাবিছিল খাবৈই উঠি এলিনবৰ লগত কথা পাতিব ; পিছে এলিনৰ টোপনি যোৱাত তেওঁ বেয়া পাইছিল। পিছতহে গম পালে যে সেইদিনা এলিনবে আঠ ঘণ্টা সময় বে-সামৰিক প্ৰতিৰক্ষা কাৰ্যালয়ত কাম কৰিছিল, তাৰপৰা আহিয়েই খবৰ-কাগজত "মোৰ দিনটোৰ" শিতানত লিখিছিল। সেই একেদিনাই তিনটা সামাজিক অনুষ্ঠানতো যোগ দিব লগীয়া হৈছিল।

১৯৪২ চনত ইংলণ্ডত যেতিয়া অবিৰাম বোমাবৰ্ষণ হৈছিল, অক্টোবৰ মাহত ফ্ৰেঙ্কলিনে এলিনৰক ইংলণ্ডলৈ যাবলৈ কলে। ফ্ৰেঙ্কলিনে কৈছিল,—"তোমাৰ উপস্থিতিয়ে ইংলণ্ডৰ মানুহৰ মনোবল অক্ষুণ্ণ ৰখাত সহায় কৰিব পাৰিব। তাৰ বাহিৰেও আমি সোনকালেই উত্তৰ আফ্ৰিকা আক্ৰমণ কৰিম বুলি ভাবিছোঁ। ইংলণ্ড এৰি অহাৰ আগতে আমাৰ সৈন্যসকলৰ লগত তুমি কথা পাতি অহাটো ভাল হব।"

এলিনৰ ইংলণ্ডলৈ যোৱাৰ খবৰটো কাকো জনোৱা হোৱা নাছিল কিন্তু তথাপিও ২৩ অক্টোবৰ দিনা তেওঁ যোৱা ৰেলখন পেডিংটন ষ্টেচনত ৰখোৱাৰ সময়ত এটা বিৰাট জনতাৰ সমাবেশ হৈছিল। এলিনৰ ৰুজভেল্টক সম্বৰ্ধনা জনাবৰ বাবে ৰজা-ৰাণী নিজে উপস্থিত আছিল, তাৰ উপৰিও জেনেৰেল আইছেন্‌হাওৱাৰ আৰু বৃটিছ বৈদেশিক মন্ত্ৰী এন্‌থনি ইডেনো তাত উপস্থিত আছিল। 'ডেইলি মিৰাৰ' নামৰ খবৰ-কাগজখনত ডাঙৰ ডাঙৰ আখৰেৰে লিখিছিল,—"আপোনাক আমাৰ মাজত পাই আমি সঁচাকৈয়ে সুখী হৈছোঁ।"

এলিনৰ ৰুজভেল্ট ৰজা-ৰাণীৰ লগত দুদিন বাকিংহাম্ ৰাজ-প্ৰাসাদত আছিল। তাৰ পিছত তিনি সপ্তাহ সময় তেওঁ সৈন্যৰ শিবিৰ, কলকাৰখানা, জাহাজ আৰু বোমাই ধ্বংস কৰা ঠাইবোৰ চাই ফুৰিছিল। নিৰাপত্তাৰ কাৰণে ফ্ৰেঙ্কলিনে এলিনৰৰ নাম দিছিল 'ৰভাৰ'। এই নামটো এলিনৰৰ উপযুক্ত নাম হৈছিল,

ইয়াৰ মানে হ'ল ইফালৰপৰা সিফালে ঘূৰি ফুৰা। এবাৰ তেওঁ পুতেক ইলিয়ট থকা এটা বিমান বাহিনীৰ শিবিৰ পৰিদৰ্শন কৰিবলৈ যাওঁতে এলিনৰে বাট হেৰুৱাই পেলাইছিল। লণ্ডনত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূতৰ কাৰ্যালয়লৈ এলিনৰৰ নিৰাপত্তা ৰক্ষাৰ্থে খবৰ পঠিওৱা হ'ল—ৰ'ভাৰে বাট হেৰুৱাইছে।

খুব পানী লাগি অসুস্থ হৈ পৰিছিল যদিও এলিনৰে নিজৰ কাম-বোৰ বন্ধ কৰা নাছিল। এজন পুৰণি বন্ধুৱে খং কৰি কৈছিল,—"ইমানবোৰ কাম তুমি কৰিব নোৱাৰিবা, মিছেছ ৰুজভেল্ট।" কিন্তু তেওঁৰ কথাষাৰ ভুল হৈছিল। এটা অস্পষ্ট দৃশ্যৰ দৰে এলিনৰে এটা শিবিৰৰপৰা অইন এটালৈ দৌৰি ফুৰিছিল। সৈন্যসকলৰ লগত কথা পাতি উৎসাহ যোগাইছিল। ফ্ৰেঙ্কলিনে তেওঁক কৈ পঠিয়াইছিল সৈন্যসকলৰ অসুবিধাবোৰ যেন খবৰ লৈ তেওঁক জনায় কাৰণ তেতিয়াহে তেওঁ সেই অসুবিধাবোৰ গুচাব পাৰিব। এলিনৰে খবৰ কৰি জানিলে সৈন্যবোৰক ডাঠ মোজাৰ আৱশ্যক। ঘৰৰপৰা তেওঁলোকৰ পৰিয়ালবৰ্গই প্ৰত্যেক চিঠিতে চেনি, কফি, মাংস আৰু মটৰৰ টায়াৰৰ কম উৎপাদনৰ কাৰণে কিমান যে দিগ্‌দাৰি পাইছে এই খবৰবোৰ সৈন্যসকলক জনাই থাকে। প্ৰত্যেকজন সৈন্যৰ পৰাই এলিনৰে ঘৰৰ ঠিকনা লিখি লৈছিল আৰু দেশলৈ উভতি গৈ তেওঁলোকক লগ পাই কথা বতৰা হবগৈ বুলি তেওঁলোকক আশ্বাস দিছিল।

অতিপাত বৰষুণৰ মাজতো পানীকোট এটা পৰ্যন্ত নোলোৱাকৈ এলিনৰে সৈন্যৰ শিবিৰবোৰ পৰিদৰ্শন কৰি ফুৰিছিল। যিমানখিনি পৰা যায় তেওঁ নিজ চকুৰে সকলোবোৰ চাই লব খুজিছিল। প্ৰধান মন্ত্ৰী চাৰ্চিলৰ পৰিবাৰেও তেওঁৰ লগত কেইদিনমনে ঘূৰি ফুৰি অৱশেষত ভাগৰ লাগি বহি থাকিব লগীয়া হ'ল। এলিনৰৰ জন-সাধাৰণৰ লগত সঁচাকৈয়ে এটা প্ৰকৃত সম্বন্ধ আছিল। এবাৰ তেওঁ বোমা পেলোৱাৰ পিছত জুই নুমাবৰ কাৰণে ৰখা মানুহবিলাকক

লগ ধৰিছিলগৈ। তেওঁলোকৰ লগত কথা পতাৰ পিছত দেখা গৈছিল, সেই মানুহবিলাকে এলিনৰৰ কথাত খুব সন্তুষ্ট হৈছিল আৰু যথেষ্ট আশ্বাস লাভ কৰিছিল।

তিনি সপ্তাহ ইংলণ্ড ভ্ৰমণ কৰাৰ পিছত ফ্ৰেঙ্কলিনে আৰু এলিনৰৰ বাহিৰত থকাটো ইচ্ছা কৰা নাছিল। লৰালৰিকৈ এলিনৰক ঘৰলৈ মাতি পঠিয়ালে। ইংলণ্ডত থকা আমেৰিকাৰ দূতাবাসত ফ্ৰেঙ্কলিনে জনাইছিল,—"তোমালোকে এলিনৰক কেনেকৈ পঠিয়াব পাৰা মই নাজানো, কিন্তু তেওঁক যেনেতেনে পঠিয়াই দিয়া।" চাৰ্চিলেও এলিনৰক দেশলৈ পঠিয়াই দিয়াটো ইচ্ছা কৰা নাছিল। পিছত তেওঁ এখন চিঠিত এলিনৰলৈ লিখিছিল,—"তোমাৰ উপস্থিতি আৰু বক্তৃতাই এই দেশৰ মানুহৰ মনত বৰ আনন্দ আৰু উৎসাহ দিছে। সঁচাকৈয়ে তুমি ইংলণ্ডৰ মাটিত তোমাৰ ভৰিৰ সোণালী খোজৰ চিন ৰাখি গৈছা।"

এই কৃতকাৰ্যতাৰ পিছত ১৯৪৩ চনত ফ্ৰেঙ্কলিনে আকৌ এলিনৰক প্ৰশান্ত মহাসাগৰৰ দক্ষিণ অঞ্চল ভ্ৰমণ কৰিবলৈ পঠিয়ালে। ফ্ৰেঙ্কলিনে কৈছিল,—"তাত থকা আমাৰ ল'ৰাবিলাকক লগ পাবলৈ কোনো মানুহ যোৱা নাই, তুমি গলে তেওঁলোকে বৰ ভাল পাব।"

এই ভ্ৰমণটোও এটা আচৰিত ধৰণৰ ধৈৰ্য আৰু শক্তিৰ পৰিচায়ক আছিল। ২৩,১৪৫ মাইল বিমানেৰে ঘূৰি ফুৰি সোতৰটা দ্বীপত এলিনৰ নামিব লগীয়া হৈছিল। নিউজিলেণ্ডত পুৰণি ধৰণৰ ৰেল এখনত উঠি তেওঁ এহেজাৰ মাইল ঘূৰিছিল। তাৰ উপৰিও দ্বীপত উঠি নানান্ ঠাইলৈ যাব লগাত পৰিছিল। আহত সৈন্যৰে ভৰি থকা হস্পিতাল, আৰু সৈন্যৰ প্ৰত্যেকটো ছাউনীলৈ গৈ নিজ চকুৰে চাই তাৰ অৱস্থা এলিনৰে বুজি আহিছিল। প্ৰশান্ত মহাসাগৰত হোৱা যুদ্ধখন বেছি সাঙ্ঘাতিক ধৰণৰ আছিল।

ষাঠী বছৰৰ ওচৰ চপা তিৰোতা এগৰাকীৰ কাৰণে এই দৰে ঘূৰি ফুৰাটো যথেষ্ট টান কাম আছিল। তাৰ বাহিৰেও ওচৰতে যুদ্ধ চলি

থকা অৱস্থাত নানান্ ধৰণৰ বিপদৰ ভয়ো আছিল। তেওঁ এটা দ্বীপত থাকোঁতে বিজুলীবাতি জলোৱাৰ লগে লগে দেখা পাইছিল গোটেই কোঠাটোৰ মজিয়াখন উৰহেৰে ভৰি আছিল। এই কথাটো লৈ এলিনবে কৈছিল,—"মই চিঞৰ মাৰি দি নিজকে প্ৰায় অপদস্থই কৰিব খুজিছিলোঁ।" গুৱাদেল্‌কেনাল্ নামৰ ঠাইত, যত সাংঘাটিক ৰকমে যুঁজ চলি আছিল, তালৈকো এলিনৰ গৈছিল। তাত থকা উচ্চ সামৰিক বিষয়াসকললৈ ফ্ৰেঙ্কলিনে লিখি পঠিয়াইছিল, এলিনৰক যাতে সেই ঠাই ডোখৰলৈ যাবলৈ দিয়া নহয়; কিন্তু এলিনৰে যাবৰ কাৰণে ইমান জোৰ কৰিছিল যে উপায় নাপাই তেওঁক যাবলৈ দিয়া হৈছিল। প্ৰত্যেক ঠাইলৈকে গৈ তেওঁ সৈন্যবিলাকৰপৰা ঠিকনা লৈ ঘৰত খবৰ দিবলৈ দায়িত্ব লৈছিল। এলিনৰে এওঁলোকৰ লগত কথাবতৰা হওঁতে ইমান সহজভাৱে ঘৰুৱা ধৰণেৰে কথা পাতিছিল যে ল'ৰাবিলাকে ঘৰলৈ চিঠি লিখোঁতে এইষাৰ কথা উল্লেখ কৰিছিল। এলিনৰে ঘৰলৈ উভটি যাবৰ কাৰণে আৰু কেইদিনমান দেৰী কৰিব খোজা বুলি গম পাই ফ্ৰেঙ্কলিনে কৈ উঠিছিল,—"হে ভগৱান, এলিনৰক ভাগৰাই পেলোৱাচোন।"

ঘৰলৈ এলিনৰ উভটি আহিল। স চাকৈয়ে তেওঁ ভাগৰি পৰিছিল। তেওঁৰ শৰীৰৰ ওজন ত্ৰিশ পাউণ্ড কমি গৈছিল। হাবি জঙ্গলৰ মাজত ঘূৰি ফুৰোঁতে নিউমোনিয়া জ্বৰেও ধৰিছিল। কিন্তু ৱাছিংটন পাই জিৰণি লোৱাতকৈ তেওঁ আহি পাইয়েই লগ পাই অগা সৈন্যবোৰৰ পৰিয়ালবিলাকক লগ পাবলৈ ব্যস্ত হৈ পৰিল। এবাৰ এলিনৰে নিজৰ একো পৰিচয় নিদিয়াকৈ ছোৱালী এজনীক লগ ধৰি কৈছিল যে তেওঁৰ স্বামীক এলিনৰে লগ পাই আহিছে। এলিনৰে কৈ গ'ল,—"তুমি কাইলৈ দুপৰীয়াৰ সাজ মোৰ লগতে খাবাহি। মই তোমাৰ স্বামীৰ সকলো খবৰ কম।" ছোৱালীজনীয়ে প্ৰশ্ন কৰিছিল,—"মইনো আপোনাক কেনেকৈ চিনি পাম?"

"হোটেলৰ বাৰাণ্ডাত এগৰাকী ওখ, পকাচুলিয়া ভিৰোতামানুহৰ

তেওঁ সৈন্যবিলাকৰপৰা ঠিকনা লৈ ঘৰত খবৰ দিবলৈ দায়িত্ব লৈছিল।

খবৰ লবা,”—মিছেছ ৰুজভেল্টে টপৰাই কৈছিল।

পিছদিনাখন খাবলৈ গৈ ছোৱালীজনীয়ে অবাক হৈ গম পাইছিল যে তেওঁ আমেৰিকাৰ ‘প্ৰথম মহিলা’ গৰাকীৰ লগতহে খাবলৈ বহিছে।

যুদ্ধৰ মাজত ৰাষ্ট্ৰপতিৰ ঘৰখনৰপৰা মাত্ৰ এজিনবেই ভ্ৰমণ কৰি

ফুৰা নাছিল তেওঁৰ ল'ৰা চাৰিটাও যুদ্ধৰ বিভিন্ন বিভাগত কামত সোমাইছিল। তেওঁৰ স্বামী ফ্রেঙ্কলিনেও চাৰ্চিল, ষ্টেলিন্ আৰু চিয়াংকাইশ্বেকক লগ পাবৰ কাৰণে কেইবাবাৰো দেশৰ বাহিৰলৈ যাব লগীয়া হৈছিল। বেছি ভাগ আলোচনাতেই যুদ্ধৰ নীতিৰ বিষয়ে কথা পতা হৈছিল। অইন কিছুমান আলোচনা সভাত যুদ্ধৰ পাছত এটা আন্তৰ্জাতিক অনুষ্ঠান প্রতিষ্ঠা কৰাৰ বিষয়ে চিন্তা কৰা হৈছিল। এই অনুষ্ঠানত পৃথিৱীৰ সকলো দেশে যোগ দি নিজা নিজা সমস্যাৰ আলোচনা কৰি, অর্থনৈতিক সাহায্য লৈ যাতে প্রত্যেক দেশৰে জীৱনৰ মান উন্নত কৰিব পাৰে, আৰু সকলোৱে যেন একেলগ হৈ যুদ্ধ বন্ধ কৰিব পাৰে—এইযে আছিল ফ্রেঙ্কলিনৰ সপোন।

১৯৪৪ চনত ফ্রেঙ্কলিন যেতিয়া টেহেৰান সন্মিলনৰপৰা উভতি আহিল এলিনৰে লক্ষ কৰিলে ফ্রেঙ্কলিনে অনবৰতে কাহি থাকে, অলপ অলপ জ্বৰো থাকে। এলিনৰে তেওঁক কৈছিল,—“তুমি খুব পৰিশ্রম কৰিছা, কিছুদিন জিৰাই লোৱা।”

ক্লান্তভাৱে ফ্রেঙ্কলিনে উত্তৰ দিছিল.—“মই যে কোনোমতেই জিৰাব নোৱাৰো। ইমানবোৰ কাম কৰিব লগীয়া হৈ আছে।” ইউৰোপ আক্রমণ কৰিবৰ কাৰণে নানান্ আঁচনি তৈয়াৰ কৰি তেওঁ দিনে নিশাই ব্যস্ত হৈ পৰিছিল। সকলো বিষয়তে বিভিন্ন ধৰণৰ সমস্যাই দেখা দিছিল আৰু তেওঁ প্রত্যেকটো সমস্যাৰে উত্তৰ দিব লগীয়া হৈছিল। সকলোবিলাক সিদ্ধান্ত তেওঁ নিজেই লব লগীয়া হৈছিল কাৰণ লাখ লাখ আমেৰিকাৰ যুৱকৰ দায়িত্ব তেওঁৰ হাততে আছিল।

কাঁহটো ভাল নোহোৱা দেখি এলিনৰে, ফ্রেঙ্কলিনক দৈনিক লগ পাবলৈ অহা লোকসকলৰ সংখ্যা কমাবৰ চেষ্টা কৰিও অকৃতকার্য হ'ল। এইবাৰেই প্রথম এলিনৰে ফ্রেঙ্কলিনৰ স্বাস্থ্যৰ কথা ভাবি চিন্তিত হৈ পৰিছিল। ফ্রেঙ্কলিনক লগ পাবলৈ আহি তেওঁৰ অফিচৰ সন্মুখত থিয় হৈ থকা কর্মচাৰীসকলক এলিনৰে কৈছিল,—

"তেওঁক যেছিকৈ জুলুম কৰি ভাগৰ লগাই নিদিব। তেওঁৰ লগত আলোচনাবোৰ সহজভাৱে কৰিব।"

এলিনৰৰ কথামতেই ফ্ৰেঙ্কলিনে এপ্ৰিল মাহত দুসপ্তাহৰ কাৰণে তেওঁলোকৰ এজন বন্ধুৰ বাগানত থাকি আহিলগৈ। দুসপ্তাহৰ মূৰত উভত আহোঁতে তেওঁৰ চেহেৰা ভাল হৈছিল, আগৰ দৰেই হৈ পৰিছিল।

জু'নমাহত এলিনৰে মন কৰিলে যে ফ্ৰেঙ্কলিনে আগৰ দৰেই শৰীৰৰ শক্তি পাইছে; কিন্তু খুব চিন্তিতভাৱে থাকে, নৰ্মাণ্ডি আক্ৰমণৰ কথালৈও চিন্তা কৰি থাকে। এলিনৰে সুধিছিল, —"তুমিনো কি ভাবি আছা?" এলিনৰে বুজি পাইছিল, সেই সময়ত ফ্ৰেঙ্কলিনৰে হয়তো আমেৰিকাৰ নৌ-বাহিনী আৰু বিমান বোৰে হিট্‌লাৰৰ সৈন্যবাহিনীৰ লগত সন্মুখিন হোৱাৰ কথাকে ভাবি আছে।

তেওঁলোকৰ হাইড্ পাৰ্কৰ ঘৰৰ মালী ৰাছেল লিনাকাই নৌ-বাহিনীত যোগ দিছিল। এওঁৰ বিষয়ে চিন্তা কৰি ফ্ৰেঙ্কলিনে কৈছিল,—"লিনাকা কেনেভাৱে ওলাই আহিব তাকেই চিন্তা কৰিছোঁ।"

১৯৪৪ চনটো আহি পৰিল। এই বছৰটো আকৌ এটা নিৰ্বাচনৰ বছৰ। মানুহে কোৱামেলা কৰিবলৈ ধৰিলে চতুৰ্থবাৰৰ কাৰণে ফ্ৰেঙ্কলিন আকৌ নিৰ্বাচনত থিয় হব নে নহয়? দেশবাসীৰ আগত ফ্ৰেঙ্কলিনে কৈ পেলাইছিল,—"মোৰ অন্তৰত থকা সকলোখিনি শক্তিয়েই হাড্‌ছনত থকা মোৰ নিজা ঘৰলৈ মোক ওভোটাই নিবৰ হাহাঁকাৰ কৰি উঠিছে।" ৰাষ্ট্ৰপতি ৰুজভেল্ট নিজেই এটা অনুষ্ঠান হৈ পৰিছিল। ডেকা ল'ৰাবিলাকে, তেওঁলোকৰ জীৱিত অৱস্থাত আইন এজন ৰাষ্ট্ৰপতি হোৱাৰ কথা ভাবিবই নোৱাৰা হৈ পৰিছিল। কিন্তু ফ্ৰেঙ্কলিন সঁচাকৈয়ে ইমান ভাগৰি পৰিছিল যে এলিনৰে দেখি ভয় খাই উঠিছিল। তথাপিও ফ্ৰেঙ্কলিনে যেতিয়া এলিনৰৰ আগত

চতুৰ্থবাৰৰ কাৰণে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'বৰ অভিপ্ৰায় জনালে এলিনৰে কোনো আপত্তি নকৰিলে। ফ্ৰেঙ্কলিনে কৈছিল,—"যুদ্ধৰ শাৰীৰপৰা সৈন্য এজনে যেনেকৈ উভতি আহিব নোৱাৰে ঠিক তেনেকৈ মোৰো উপস্থিত কৰ্তব্যৰপৰা হুহকি যাবৰ কোনো অধিকাৰ নাই।" কেৱল মাত্ৰ যুদ্ধখন শেষ কৰাটোৱেই তেওঁৰ উদ্দেশ্য নাছিল, সম্মিলিত জাতিসঙ্ঘৰ যি আদৰ্শ ফ্ৰেঙ্কলিন ৰুজভেল্ট সেই আদৰ্শৰ পিতৃস্বৰূপ আছিল। যুদ্ধৰ শেষত এই অনুষ্ঠানটোক ঠিক বাটেদি লৈ যাবৰ আশা তেওঁৰ অন্তৰত আছিল।

সেইবাৰ নিৰ্বাচনত ফ্ৰেঙ্কলিনে বেছিকৈ ঘূৰিব লগীয়া নোহোৱাত এলিনৰে ভালেই পাইছিল। ইয়াৰ মাজতে এলিনৰে ফ্ৰেঙ্কলিনৰ লগত কুইবেক্, কানাডা আদি ঠাইলৈ গৈ বৃটিছ প্ৰধান মন্ত্ৰী চাৰ্চিলক লগ পাইছিলগৈ। ইউৰোপত যুদ্ধ শেষ হওঁ হওঁ হৈছিল, সম্মিলন-বোৰত আলোচনা হৈছিল পৰাজিত সৈন্যদলবোৰক কি কৰা যায়। কেইদিনমান জিৰণি লবৰ বাবে চাৰ্চিল আহি এলিনৰ আৰু ফ্ৰেঙ্কলিনৰ লগত, তেওঁলোকৰ হাইড্ পাৰ্কৰ ঘৰত আলহী আছিল। জুইৰ কাষত তেওঁলোক আটাইকেইজন বহি আছিল, এলিনৰে চুৰেটাৰ গুথি থকা অৱস্থাতেই যুদ্ধৰ পিছত উদ্ভৱ হোৱা সমস্যাবোৰৰ বিষয়ে তেওঁলোক দুজনৰ লগত আলোচনা কৰিছিল। এলিনৰে কৈছিল যুদ্ধ শেষ হোৱাৰ পিছত ভাৰতবৰ্ষক ইংলণ্ডে স্বাধীনতা দিয়া উচিত। ফ্ৰেঙ্কলিনেও তেওঁক সমৰ্থন কৰিছিল। এলিনৰে লক্ষ্য কৰিছিল এই কথাষাৰ কোৱাৰ লগে লগেই চাৰ্চিলে মুখখন ওন্দোলাই বহাৰপৰা উঠি গ'ল। হাতত এটা গধুৰ বোজা দাঙি নি ফ্ৰেঙ্কলিনৰ গাত পেলাই দিয়াৰ দৰে ভাও দেখুৱাই চাৰ্চিলে কৈছিল, —"তোমাক ভাৰতবৰ্ষখন লাগে নেকি ? এইয়া লোৱা।"

অক্টোবৰ মাহত যেতিয়া নিৰ্বাচনী যুঁজৰ শেষ পৰ্যায় পাইছিলগৈ এলিনৰে তেওঁৰ ষাঠী বছৰীয়া জন্মদিন পালন কৰে। ২১ অক্টোবৰৰ দিনা এখন খোলা গাড়ীত উঠি তেওঁ ফ্ৰেঙ্কলিনৰ সৈতে নিউয়ৰ্ক চহৰত

ভ্ৰমণ কৰে। অতিপাত বৰষুণৰ মাজত থিয় হৈও দহ লাখতকৈ বেছি মানুহে তেওঁলোকক চাইছিল। নিৰ্বাচনী যুঁজৰ শেষৰ দিনা এলিনৰ ফ্ৰেঙ্কলিনৰ লগতে আছিল। ১৯১০ চনত যিখন ঠাইৰ পৰা ফ্ৰেঙ্কলিনে প্ৰথমে নিৰ্বাচনৰ বাবে সাজু হৈছিল সেই একেডোখৰ ঠাইতে, নিৰ্বাচনৰ এই শেষটো কটাবলৈ ফ্ৰেঙ্কলিনে ইচ্ছা কৰিছিল। এঠাইৰপৰা আন ঠাইলৈ ঘূৰি ফুৰোঁতে এলিনৰৰ মনলৈ পুৰণি স্মৃতি উভত আহিছিল। প্ৰত্যেক ঠাইত তেওঁলোকৰ গাড়ীৰ কাষত জুম বান্ধি থিয় হোৱা মানুহবোৰলৈ চাই এলিনৰে পুৰণি বন্ধু লুই হাউৰ মুখখন বিচাৰি ফুৰিছিল। ১৯১০ চনত পিন্ধা পুৰণি টুপীটোকে সেইদিনা ফ্ৰেঙ্কলিনে পিন্ধিছিল আৰু এই টুপীটোকে জোকাৰি জনতাক সম্বৰ্ধনা জনাইছিল। ফ্ৰেঙ্কলিনে হাঁহি ধেমালি কৰি আছিল যদিও এলিনৰৰ চকুত ধৰা পৰিছিল তেওঁক দুৰ্বল আৰু অসুস্থ যেন দেখা গৈছিল।

চতুৰ্থবাৰ ভোটত জিকি উঠাৰ ঠিক পিছতেই এলিনৰে বুজি পাইছিল যে ফ্ৰেঙ্কলিনৰ স্বাস্থ্য দিনে দিনে বেয়াৰ পিনলৈহে ঢাল খাইছে। খৃষ্টমাছৰ সময়ত ফ্ৰেঙ্কলিনে জোৰ কৰি ধৰিছিল তেওঁলোকৰ আটাইকেইটা নাতিনীয়েক আহি যেন হোৱাইত হাউছত একেলগে খৃষ্টমাছ পাতেহি ; কিন্তু এলিনৰৰ সন্দেহ হৈছিল, ফ্ৰেঙ্কলিনে হয়তো শেষবাৰৰ কাৰণে সকলোকে চাই লব খুজিছে।

১৯৪৫ চনৰ জানুৱাৰী মাহত চতুৰ্থবাৰ ৰাষ্ট্ৰপতিৰ অভিষেক হৈ যোৱাৰ পিছত ফ্ৰেঙ্কলিনে চাৰ্চিল আৰু ষ্টালিনক লগ পাবৰ কাৰণে য়াল্টালৈ যাবলৈ ওলাল। মুখত এটা সন্তুষ্টিৰ ভাব লৈ এলিনৰক তেওঁ কৈছিল,—"সম্মিলিত জাতিসঙ্ঘক প্ৰতিষ্ঠা কৰিবৰ বাবে আমি শেষ চাপলৈকে চেষ্টা কৰি চাম।"

তেওঁৰ লগতে থাকি যত্ন লবৰ মনেৰে এলিনৰে কৈছিল,—"তোমাৰ লগতে মইও য়াল্টালৈ যাব খোজোঁ।"

মূৰ জোকাৰি আপত্তি জনাই ফ্ৰেঙ্কলিনে কৈছিল,—"ওহো তুমি

প'লে সকলোৰেই তোমাৰ লগত ব্যস্ত হৈ পৰিব। তাৰ বাহিৰেও অইন কাৰো পৰিবাৰ লগত নাযায়।"

মাণ্টাৰপৰা ঘৰলৈ উভত আহোঁতে ফ্ৰেঙ্কলিনে এলিনৰলৈ লিখিছিল,—"অতি মৰমৰ বাব্‌ছ্‌, ভালে ভালে আহি পালোঁ। খুব শুবলৈও সময় পাইছোঁ; কিন্তু আৰু টোপনিৰ দৰ্কাৰ।" ঘৰ আহি পোৱাৰ পিছত ফ্ৰেঙ্কলিনৰ চেহেৰা দেখি এলিনৰে ভয় খাই উঠিছিল। ১৭ মাৰ্চৰ দিনা তেওঁলোকৰ চল্লিশ বছৰীয়া বিয়াৰ তিথিত ফ্ৰেঙ্কলিনে এলিনৰক কৈছিল,—"ইউৰোপত যুদ্ধ প্ৰায় শেষ হ'লেই, এছিয়াতো শেষ হ'বলৈ আৰু বেছি দিন নাই। যুদ্ধ শেষ হলেই তুমি আৰু মই প্ৰাচ্যৰ দেশবোৰলৈ গৈ তাৰ অশান্ত অৱস্থাটো শান্ত কৰিবগৈ লাগিব।"

এলিনৰে কৈছিল,—"মই আকৌ আমি হাইড্‌ পাৰ্কৰ ঘৰলৈ যাম বুলিহে ভাবিছিলোঁ।"

এলিনৰৰ কথাষাৰ আওকাণ কৰি, ডাওৰকৈ চকু কেইটা মেলি ফ্ৰেঙ্কলিনে কৈ উঠিল,—"তাৰ পিছত আমি সুদূৰ প্ৰাচ্যলৈ যাম। চীনদেশলৈ গৈ তাৰো সমস্যাবোৰ সমাধান কৰিব লাগিব।"

অনুনয়ৰ সুৰত এলিনৰে কবলৈ ধৰিলে,—"বলাচোন, হাইড্‌ পাৰ্কলৈকে আমি যাওঁ।"

অলপ পৰ ফ্ৰেঙ্কলিনে তেওঁৰ মুখলৈ চাই থাকি হাঁহি এটা মাৰি সম্মতি জনালে।

প্ৰত্যেক দিনেই এলিনৰে লক্ষ্য কৰিলে ফ্ৰেঙ্কলিনৰ অৱস্থা বেয়ালৈহে গৈছে। ফ্ৰেঙ্কলিনে যাতে আগৰ স্বাস্থ্য ঘুৰাই পাব পাৰে তাৰ বাবে এলিনৰে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। সম্মিলিত জাতিসংঘৰ মুকলি অধিবেশন ২৫ এপ্ৰিলৰ দিনা চানফ্ৰান্সিচ্‌কো চহৰত পাতিবলৈ সিদ্ধান্ত কৰা হ'ল। ফ্ৰেঙ্কলিনে এলিনৰক কৈছিল,—"আমি দুয়ো সেইদিনা তাতে থাকিম।' তাৰ পিছত তেওঁলোক ইংলণ্ডলৈ যোৱাৰ কথা। প্ৰধান মন্ত্ৰী চাৰ্চিলে ঘোষণা কৰিছিল

যে লর্ড নেল্‌চন্ বিজয় গৰ্বেৰে লণ্ডনলৈ উভতি অহাৰ পাছত ফ্ৰেঙ্কলিন আৰু এলিনৰ'বই ইংলণ্ডত এইটো আটাইতকৈ বিৰাট সম্বৰ্ধনা পাব।

কিন্তু তাৰ আগতেই কেইদিনমান জিৰণি লবৰ বাবে ফ্ৰেঙ্কলিনে তেওঁৰ প্ৰিয় ৱাৰ্ম স্প্ৰিংচ্ নামৰ ঠাই ডোখৰলৈ যাবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিলে। এলিনৰক হোৱাইত হাউছতে থাকি তেওঁৰ পৰিৱৰ্তে আৱশ্যকীয় কাম-কাজবোৰ চাবলৈ পৰামৰ্শ দিলে। উভত আহি তেওঁলোক দুয়ো একেলগে চানফ্ৰান্সিচ্‌কোলৈ যাব।

ৱাৰ্ম স্প্ৰিংচৰপৰা ফ্ৰেঙ্কলিনৰ শাৰীৰিক উন্নতিৰ ভাল খবৰেই এলিনৰে পাই থাকিবলৈ ধৰিলে। ১২ এপ্ৰিলৰ দিনা ৱাছিংটনৰ এটা ক্লাবৰ সান্ধ্য অনুষ্ঠান এটাত এলিনৰ কনভেণ্টে যোগদান দিছিল। প্ৰথম মহাযুদ্ধৰ সময়ত থকা আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পৰিবাৰ মিছেছ উড্ৰ উইল্‌ছনৰ কাষতে তেওঁ বহিছিল। এনেতে খবৰ আহিল যে কোনোবাই তেওঁক টেলিফোনত বিচাৰিছে। ফ্ৰেঙ্কলিনৰ প্ৰেছ চেক্ৰেটাৰী ষ্টিফেন্ আর্লিয়ে ফোনৰ ইটো মূৰত বৰ উদ্বিগ্নভাৱে কথা কৈছিল।

এলিনৰে কৈছিল,—"টেলিফোনত তেওঁ মোক লৰালৰিকৈ ঘৰলৈ আহিবলৈ কৈছিল। মই কিয় যে ঘৰলৈ আহিব লাগে তাকো আনকি প্ৰশ্ন কৰা নাছিলোঁ।" গভীৰ দুঃখেৰে সৈতে নিজৰ মনতে এলিনৰে কৈ উঠিছিল হয়তো ফ্ৰেঙ্কলিনে এই পৃথিৱী এৰি থৈ গুচি গৈছে। হোৱাইত হাউছলৈ উভত আহোঁতে গাড়ীৰ ওপৰত হাত দুটা মুঠি মাৰি এই কথাটোকে তেওঁ অনবৰতে ভাবি গৈছিল। এলিনৰৰ পুৰণি দিনবোৰ মনত পৰিছিল,—ডবছৰ বয়সত তেওঁক যিজন ল'ৰাই পিঠিত তুলি ফুৰাইছিল, এবাৰ নাচৰ মজলিছত যিজন খোজ বছৰীয়া ল'ৰাই তেওঁক নাচিবলৈ মাতি নি অপদস্থ অৱস্থা এটাৰপৰা ৰক্ষা কৰিছিল, যিজন সাধু চৰিত্ৰৰ যুৱকে বিলি শিহানৰ লগত চিনেটৰ সভ্য পদৰ বাবে যুঁজ কৰিছিল,—এই সকলোবোৰ

কথা এটা এটাকৈ তেওঁৰ মনলৈ আহিছিল।

হোৱাইত হাউছত নামিয়েই এলিনৰে লক্ষ্য কৰিছিল ষ্টিফেন্ আৰ্লিৰ চকুত পানী। এলিনৰে যিটো সন্দেহ কৰিছিল সেয়ে সঁচা হ'ল। ষ্টিফেনে কৈ গ'ল,—"ৰাষ্ট্ৰপতিৰ মৃত্যু হৈছে। কিন্তু মই আমাতকৈ দেশৰ মানুহ বিলাক আৰু গোটেই পৃথিৱীখনৰ কথা ভাবিহে বেছিকৈ দুঃখ পাইছোঁ।"

এলিনৰৰ মনটো অসহায়ভাৱে শূন্য হৈ পৰিল। ষ্টিফেনে কলে,—"মই উপ-ৰাষ্ট্ৰপতি ট্ৰুমেনক খবৰ দিওঁ।"

জীৱনৰ ভিতৰত এই দিনটোৱেই এলিনৰৰ আটাইতকৈ অশুভ দিন। হেৰি ট্ৰুমেন আহি পায়মানে এলিনৰে নিজকে চম্ভালি লবৰ চেষ্টা কৰিছিল। ট্ৰুমেন ওচৰ চাপি আহোঁতে এলিনৰৰ গাটো কঁপি উঠিছিল। কোনোমতে নিজকে চম্ভালি কঁপা মাতেৰে কৈছিল,—"ৰাষ্ট্ৰপতি আঁতৰি গ'ল। তেওঁ এজন যুঁজাৰুৰ দৰেই মৃত্যুক বৰণ কৰিলে।"

উপ-ৰাষ্ট্ৰপতি ট্ৰুমেনে থোকাথুকি মাতেৰে প্ৰশ্ন কৰিছিল,—"মই এতিয়া কি সহায় কৰিব পাৰো ?"

নতুন ৰাষ্ট্ৰপতিজনক এলিনৰেও সুধিছিল,—"আমি আপোনাৰ কাৰণে কি কৰিব পাৰো, কিবা সহায় কৰিব পাৰো নেকি ?"

অলপ পিছতে যুদ্ধক্ষেত্ৰত থকা পুতেক কেইজনলৈ টেলিগ্ৰাম দিছিল। এই টেলিগ্ৰামত এলিনৰে লিখিছিল,—"দেউতাৰ আঁতৰি গ'ল। তেওঁৰ আশা আছিল তোমালোকে নিজৰ দায়িত্ব আৰু কাম সম্পূৰ্ণ কৰিব পাৰিবা।"

সেইদিনাই আবেলি সময়ত তেওঁ ৱাৰ্ম স্প্ৰিংচলৈ গ'ল। পিছদিনাখন এলিনৰে ফ্ৰেঙ্কলিনৰ মৃতদেহ লৈ তেওঁলোকৰ হাইড্ পাৰ্কৰ ঘৰলৈ যাত্ৰা কৰিলে। ৱাৰ্ম স্প্ৰিংচৰ স্বাস্থ্য নিবাসত থকা পলিঅ' বেমাৰীসকলে শাৰী পাতি থিয় হৈ ফ্ৰেঙ্কলিনক বিদায় জনালে। তেওঁলোকৰ চকুবিলাক দেখিয়েই অনুমান কৰিব পৰা

হৈছিল যে গোটেই ৰাতিটো তেওঁলোকে কান্দিছে। এজনে তাৰ মাজৰপৰা কৈ উঠিল,—"হে ভগৱান, অনুগ্ৰহ কৰি তেওঁৰ যত্ন লবা।"

এলিনৰ কজভেল্টে পিছত কৈছিল,—"ৱাছিংটনলৈ বেলেৰে উভত আহোঁতে গোটেই ৰাতিটো মই খিড়িকিখনেদি বাহিৰৰ গাঁওবোৰলৈ চাই আহিছিলোঁ। এই ঠাইবোৰ ফ্ৰেঙ্কলিনে ভাল পাইছিল। গোটেই ৰাতি প্ৰত্যেক ষ্টেচনতে জনতাই আহি ফ্ৰেঙ্কলিনৰ মৃতদেহত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছিল, মই তেওঁলোকৰ মুখবোৰলৈ চাই আছিলোঁ।"

হাইড্ পাৰ্কৰ নিজা ঘৰৰ গোলাপ ফুলৰ বাগিচাৰ মাজত ফ্ৰেঙ্কলিনক কবৰ দিয়া হ'ল। মিছেছ কজভেল্ট আকৌ হোৱাইত হাউছলৈ উভত যাব লগীয়া হ'ল। প্ৰায় বাৰ বছৰতকৈও বেছি দিন থকাত কজভেল্ট পৰিয়ালৰ বস্তুবোৰ জমা হৈ থকা বস্তু এই ঘৰটোৰপৰা আঁতৰাই নিব লাগিব। প্ৰায় একলাখমান সহানুভূতিৰ বাণী এলিনৰলৈ আহিছিল। নিজৰ বিৰাট ক্ষতিৰপৰা মনটোক আঁতৰাই ৰাখিবৰ বাবে এলিনৰে খুব পৰিশ্ৰম কৰি এসপ্তাহৰ ভিতৰতে সকলোবোৰ নিজা বস্তু বান্ধি মেলি হোৱাইত হাউছ এৰি থৈ যাবলৈ সাজু হ'ল।

শেষৰ দিনা আবেলি সময়ত এলিনৰে টুপীটো আৰু কোটটো পিন্ধি লৈ সন্মুখৰ দুৱাৰখনেদি ওলাই গ'ল। কিন্কিনীয়া বৰষুণৰ মাজেদি তেওঁ গাড়ীত উঠি ষ্টেচন পালেগৈ। আমেৰিকাৰ এগৰাকী সাধাৰণ নাগৰিক হিচাবে যেতিয়া নিউয়ৰ্কৰ ষ্টেছনত নামিছিল তেওঁ অবাক হৈ দেখা পালে সাংবাদিকসকলে তেওঁক লগ পাবৰ কাৰণে জুম বান্ধি বৈ আছিল। তেওঁলোকে সাক্ষাৎ বিচাৰোঁতে খুব জোকাৰি এলিনৰে অস্বীকাৰ কৰিছিল। সাংবাদিকসকলৰ মাজেদি বেগাবেগীকৈ খোজ কাঢ়ি ওলাই যাওঁতে মাত্ৰ কৈ গৈছিল,—"কাহিনী এতিয়া শেষ হ'ল।"

আত্ম প্ৰচেষ্টাত এলিনৰ ৰুজভেল্ট

ফ্ৰেঙ্কলিন ৰুজভেল্টৰ মৃত্যুৰ পিছত এলিনৰ ৰুজভেল্টে আশা কৰিছিল যে জীৱনৰ বাকী কেইটা দিন হাইড্ পাৰ্কৰ ঘৰতে তেওঁ শান্তিপূৰ্ণভাৱে কটাই দিব পাৰিব।

এই কথাষাৰ কিন্তু তেওঁ অতি ভুলকৈহে ভাবি আছিল। আমেৰিকাৰ শাসন সভাৰ সভ্য পদৰ বাবে তেওঁক নিউয়ৰ্কৰ গণতান্ত্ৰিক দলে মনোনয়ন দিব খুজিছিল; কিন্তু এলিনৰ সম্মত নহ'ল। এই প্ৰস্তাৱটো অগ্ৰাহ্য কৰি এলিনৰ ৰুজভেল্টে কৈছিল,—"মোৰ দৃঢ় বিশ্বাস, ক্ষমতা লভি মই খুব বেছি কিবা কৰিব পাৰিম বুলি নাভাবোঁ।" কিন্তু তথাপিও তেওঁ ৰাষ্ট্ৰপতি ট্ৰুমেনৰ অনুৰোধ দলিয়াই পেলাব নোৱাৰিলে। ৰাষ্ট্ৰপতি ট্ৰুমেনে এলিনৰক নতুনকৈ প্ৰতিষ্ঠিত সম্মিলিত জাতিসঙ্ঘত আমেৰিকাৰ প্ৰতিনিধি নিযুক্ত কৰিছিল। ট্ৰুমেনে এলিনৰলৈ লিখিছিল,—"আপোনাৰ দেশে আপোনাক বিচাৰিছে, অৱশ্যে দুঃখ-যাতনাৰে ভৰা গোটেই পৃথিৱীয়েই আপোনাক বিচাৰে।" মিছেছ ৰুজভেল্টে উত্তৰ দিছিল,—"প্ৰতিনিধি দলটোত অংশ লবৰ কাৰণে সুযোগ দিয়াত আপোনাক মই ধন্যবাদ জনাওঁ। এইটো এটা বৰ ডাঙৰ সুবিধা, মোৰ মাত্ৰ ভয় হৈ'ছে হয়তো মই বিশেষ একো বৰঙণি যোগাব নোৱাৰিম।"

১৯৪৬ চনৰ জানুৱাৰী মাহত, সম্মিলিত জাতিসঙ্ঘৰ সাধাৰণ সভাৰ অধিবেশন লণ্ডনত পাতিবলৈ স্থিৰ কৰা হ'ল। নতুন বছৰৰ আৰম্ভণিৰ দিনা, ফটো কেমেৰা আৰু মাইক্ৰফোনৰ শব্দৰ মাজেৰে আমেৰিকাৰ প্ৰতিনিধি দলটোৱে নিউয়ৰ্কৰ বন্দৰলৈ আহি 'কুইন এলিজাবেথ্' নামৰ জাহাজখনত উঠিলেহি। তেওঁলোকে প্ৰত্যেকেই

ছুটি ছুটিকৈ বক্তৃতা একোটা দি আছিল। এনে সময়তে এখন মটৰ আহি ঘাটত ব'লহি আৰু গাড়ীৰপৰা নামি এগৰাকী ওখ, পকা চুলিৰ কলা পোছাক পিন্ধা মহিলা বেগাবেগীকৈ জাহাজলৈ উঠি গ'ল। জাহাজত প্ৰায় উঠাৰ পিছতহে কৰ বিভাগৰ কৰ্মচাৰী এজনৰ চকুত পৰিল। তেওঁ চিঞৰি ক'বলৈ ধৰিলে,—"মিছেছ কজভেল্ট, আপোনাক কিবা সহায় কৰিব নোৱাৰো নে ?"

আমেৰিকাৰ প্ৰতিনিধি দলটোৱে জাহাজৰ অহাযোৱা কৰা বাটতেই সদায় আলোচনাৰ কাৰণে গোট খায়। প্ৰত্যেকজন প্ৰতিনিধিলৈকে পিছত পাঠ কৰিবলৈ কাগজপত্ৰ দম হৈ আছিল। মিছেছ কজভেল্টে প্ৰতিনিধিসকলক সাৱধান কৰি কৈছিল,— "আশাকৰোঁ সম্মিলিত জাতিসঙ্ঘই এই সমস্যাবোৰৰ আলোচনা কৰি সমাধান কৰিবৰ চেষ্টা কৰিব, অন্ততঃ তেওঁলোকে যেন এই সমস্যাবোৰ পুটি নথয়।"

এলিনৰ কজভেল্টৰ কাৰণে লণ্ডনৰ মানুহবোৰ উৎকণ্ঠিত হৈ আছিল। তেওঁৰ হোটেলৰ সম্মুখত থিয় হৈ এটা বিৰাট জনতাই বাটত অহাযোৱা কৰা গাড়ী-মটৰ বন্ধ কৰিছিল। এলিনৰ কজভেল্টে যেতিয়াই বাহিৰলৈ আহি দেখা দিয়ে জনতাই বিপুল জয়ধ্বনি দি তেওঁক সম্বৰ্ধনা জনায়। এলিনৰ কজভেল্ট খোজ কাঢ়ি ফুৰোঁতে মটা মানুহবোৰে টুপী খুলি সম্মান জনায় আৰু তিৰোতাসকলে হাত চাপৰি বজাই জয়ধ্বনি দিয়ে। ইংলণ্ডৰ ৰজা-ৰাণীয়ে তেওঁক ৰাজ-প্ৰাসাদত খাবলৈ নিমন্ত্ৰণ কৰোঁতে এলিনৰ কজভেল্টে কৈছিল,— "মই বেছি দিন ইয়াত থাকিব নোৱাৰিম, কাৰণ মই ঘূৰি গৈ কামত হাত দিব লাগিব।"

সম্মিলিত জাতিসঙ্ঘৰ সাধাৰণ সভাৰ অধিবেশনত এলিনৰে আঁৰত থাকিবলৈহে চেষ্টা কৰিছিল . কিন্তু বেলজিয়ামৰ প্ৰধান মন্ত্ৰী পল্ হেন্ৰি স্পাকক সাধাৰণ সভাৰ সভাপতি নিৰ্বাচিত কৰাৰ পিছত তেওঁ মঞ্চৰ ওপৰত উঠি এলিনৰলৈ আঙুলিয়াই কৈছিল,—"মই

এগৰাকী প্ৰতিনিধিক বিশেষভাৱে সম্ভাষণ জনাব খোজো। যি গৰাকী মহিলাই আটাইতকৈ বিখ্যাত আৰু সম্মানজনক নাম লৈ ইয়ালৈ আহিছে তেখেতৰ নাম উল্লেখ নকৰাকৈ এই অধিবেশন মুকলি কৰাটো মোৰ পক্ষে সম্ভৱপৰ নহ'ব।" কথাখিনি কওঁতে সভাপতি হেন্‌ৰিৰ মুখখন উজ্জ্বল হৈ পৰিছিল; কিন্তু এলিনৰ ৰুজভেল্ট লাজতে ৰঙা পৰি উঠিছিল। সভাপতিৰ সম্ভাষণ গ্ৰহণ কৰি কথা কবৰ কাৰণে এলিনৰৰ শক্তি নাছিল, কাৰণ তেওঁৰ চকু দুটা পানীৰে উপচি পৰিছিল।

অলপ সময়ৰ পিছতে সভাখনে কামৰ আলোচনাত নিমগ্ন হ'ল। নানান্ কমিটি পতা হ'ল আৰু মিছেছ ৰুজভেল্টক সামাজিক, মানৱীয় আৰু সাংস্কৃতিক কমিটিটোত অন্তৰ্ভূক্ত কৰি লোৱা হ'ল। 'ৰিডাৰ্চ্ ডাইজেষ্ট' নামৰ আলোচনীখনৰ সম্পাদকে তেওঁৰ বিষয়ে লিখিছিল, —"সকলোবিলাক দুৰ্বল মানুহেই খোৰা, কণা, কোঙা, উৎপীড়িত, ঘৃণীত, আৰু নানা বাধা-বিঘিণিৰ মাজত কাল কটাব লগীয়া সংখ্যালঘু লোকসকল,—এই সকলোবোৰেই নিজৰ দুঃখ বেদনা লৈ তেওঁৰ ওচৰলৈ আহিছিল ঠিক যেনেকৈ ল'ৰাছোৱালীয়ে মাকৰ ওচৰলৈ আহে।"

দিনবোৰ গৈ সপ্তাহত পৰিণত হ'লগৈ। ৰাষ্ট্ৰসঙ্ঘৰ তৰ্ক-বিতৰ্ক চলি থাকিল। যুদ্ধৰ সময়ত যি চোভিয়েট ৰাছিয়া বন্ধু হৈ পৰিছিল তেওঁলোকৰ আচল ৰূপটো এতিয়াহে ওলাই পৰিল। ৰাছিয়াৰ প্ৰতিনিধিসকলে এটাৰ পিছত এটাকৈ পশ্চিমৰ বিপক্ষে প্ৰচণ্ডভাৱে অভিযোগ আনিবলৈ ধৰিলে। অইন অইন দেশৰপৰা অহা যি সকল প্ৰতিনিধিয়ে আৰম্ভণিতে মিছেছ ৰুজভেল্টক মাৰ্বলৰ মূৰ্তি এটাৰ দৰে ভাবিছিল, ৰাছিয়াৰ প্ৰতিনিধিসকলৰ আক্ৰমণত তৎ নাপাই নিৰুপায় হৈ তেওঁলোকে মিছেছ ৰুজভেল্টৰ সহায় আৰু উপদেশ বিচাৰিবলৈ বাধ্য হ'ল। এজন দৰ্শকে কৈছিল,—"এগৰাকী মাতৃৰ দৰেই তেওঁ সকলোৰে মাজত ঘূৰি ফুৰিছিল। প্ৰায়ে হুলস্থুল

কৰি থকা, কেতিয়াবা কেতিয়াবা উশৃঙ্খল হৈ পৰা ল'ৰাবিলাকৰ বিৰাট পৰিয়াল এটাত যেন এলিনৰ কনভেণ্টে আধিপত্য কৰি থাকে।"

ৰাষ্ট্ৰসঙ্ঘৰ প্ৰথমবাৰ সভা চলি থকা অৱস্থাতেই এটা বিস্ফোৰণৰ সৃষ্টি হ'ল। পোলেণ্ড, যুগোশ্লাভিয়া আৰু বাল্টিক ৰাষ্ট্ৰসমূহৰপৰা প্ৰায় দহ লাখতকৈও বেছি ভগনীয়া মানুহ আহি জাৰ্মানীৰ ঠায়ে ঠায়ে থকা নিৰাশ্ৰিতসকলৰ শিবিৰবোৰ ভৰি পৰিছিলহি। এই শিবিৰবোৰত আমেৰিকা, বৃটেন্ আৰু ফ্ৰান্সে শাসন চলাইছিল। এই নিৰাশ্ৰিত লোকসকলে নিজৰ দেশলৈ উভতি যাব খোজা নাছিল, কাৰণ তেওঁলোকৰ দেশবোৰ তেতিয়া কমিউনিষ্টৰ শাসনাধীন হৈ পৰিছিল। কিন্তু ৰাষ্ট্ৰসঙ্ঘৰ চোভিয়েট প্ৰতিনিধি এনড্ৰি ভিছিন্স্কিয়ে দাবী জনাইছিল যে ভগনীয়া মানুহবোৰৰ ইচ্ছা অনিচ্ছা একো নামানি তেওঁলোকক নিজৰ দেশলৈ ওভোতাই পঠিয়াব লাগে। অইনপিনে এই মানুহবোৰক ওভোতাই পঠিওৱা মানেই তেওঁলোকক নিশ্চিত মৃত্যুৰ মুখলৈ ঠেলি দিয়া হ'ব।

অইন দেশৰপৰা অহা প্ৰতিনিধিসকলে ভয় খাইছিল যে তেওঁলোকে যদি ভিছিন্স্কিৰ দাবী মানি নলয়, আৰম্ভ হওঁতেই হয়তো সম্মিলিত জাতিসঙ্ঘ ভাঙি পৰিব। ঘণ্টাৰ পিছত ঘণ্টা ধৰি ভিছিন্স্কিৰ দাবী-ধমকি বেছি হৈ যাবলৈ ধৰিলে। তেওঁ বক্তৃতা দিয়া গোটেই সময়খিনি মিছেছ কনভেণ্টে তীব্ৰভাৱে খঙেৰে তেওঁৰ পিনে চাই থাকিল। হঠাতে মিছেছ কনভেণ্ট বহাৰপৰা থিয় হ'ল। লাহে লাহে কৈছিল যদিও অনুভূতিৰে সৈতে দৃঢ়ভাৱে তেওঁ কৈ গ'ল,—"আমি এই সম্মিলিত জাতিসঙ্ঘলৈ আহি এনে কিছুমান নীতি তৈয়াৰ কৰিব খুজিছো যাৰদ্বাৰা মানৱৰ অধিকাৰ অক্ষুণ্ণ থাকিব পাৰে,—যিবোৰ নীতি-নিয়মে পৃথিৱীৰ মানুহক বেছিকৈ মুক্ত কৰিব পাৰিব। আমি দেশৰ চৰকাৰক স্বাধীনতা দিয়াৰ কথা ভবা নাই, জনসাধাৰণক স্বাধীনতা

দিয়াৰ কথাকে ভাবিছো।” ভিছিন্স্কিৰ অৱস্থাক প্ৰতিপন্ন কৰি এলিনৰ ৰুজভেল্টে বক্তৃতা দি গ'ল। আমেৰিকাৰ প্ৰতিনিধি-বৰ্গৰ অইন এজন প্ৰতিনিধি জন্ ফষ্টাৰ ডালেছে মিছেছ ৰুজভেল্ট আৰু ভিছিন্স্কিৰ মাজত হোৱা তৰ্ক-বিতৰ্কৰ বৰ্ণনা কৰি কৈছিল, —“মুকলি সভাখনত এটা নাটকীয় পৰিস্থিতিৰ সৃষ্টি হৈছিল। মিছেছ ৰুজভেল্টে তেওঁৰ মনত লগা সৰলতাৰে সৈতে সহনশীলতাৰ বাবে সকলোকে খাটনি ধৰিছিল, অইনপিনে ভিছিন্স্কিয়ে সহন-শীলতাকে এটা সাংঘাতিক ৰকমৰ দুৰ্বলতা বুলি নিন্দা কৰিছিল ”

ৰাষ্ট্ৰসজ্ঘৰ প্ৰতিনিধিসকলে ভিছিন্স্কিৰ প্ৰস্তাৱটো ভোট দি ওফৰাই পঠিয়ালে। এলিনৰ ৰুজভেল্টৰ প্ৰাণস্পৰ্শি বক্তৃতাই দহ লাখতকৈও বেছি মানুহৰ ভাগ্য নিৰ্ণয় কৰিছিল।

সাত বছৰ কাল এলিনৰ ৰুজভেল্ট ৰাষ্ট্ৰসজ্ঘলৈ পঠিওৱা আমেৰিকাৰ প্ৰতিনিধি দলটোৰ সভ্য হৈ আছিল। ১৯৫২ চনৰ শেষৰ পিনে তেওঁ সভ্যপদ ইস্তফা দিয়ে। ৰাষ্ট্ৰসজ্ঘৰ কাৰ্যালয়টো স্থায়ীভাৱে নিউয়ৰ্কলৈ স্থানান্তৰিত কৰাৰ পিছত প্ৰথম দিনা তালৈ যাওঁতে মিছেছ ৰুজভেল্টক অলপ পৰ ৰখাই এগৰাকী ঘৰ চাফা কৰা তিৰোতাই কৈছিল,—“আপোনাক ৰখোৱাৰ কাৰণে ক্ষমা কৰিব মিছেছ ৰুজভেল্ট। আপোনাক স্বাগত জনাইছোঁ। মই কব খোজো যে ইয়াত আপোনাক দেখা পাই মই কিমান যে আনন্দ পাইছো। শান্তিৰ কাৰণে কাম কৰাত আমাৰ তিৰোতাসকলৰ এটা দায়িত্ব আছে।”

ৰাষ্ট্ৰসজ্ঘত থকা সাত বছৰৰ কালছোৱাত মিছেছ ৰুজভেল্টেই প্ৰধান আকৰ্ষণ হৈ পৰিছিল। তেওঁৱেই সকলোতকৈ ক্ষমতাশালী আৰু জনপ্ৰিয় সভ্যা আছিল। তেওঁক চাবৰ কাৰণে দলে দলে মানুহে শাৰী পাতি থিয় হৈ ৰৈছিল। সপ্তাহৰ ছটা দিন তেওঁ পুৱা নটা বজাৰপৰা গধূলি সাৰে সাতটা বজালৈকে ব্যস্ত থাকিব লগীয়া হৈছিল। প্ৰত্যেক দিনেই আমেৰিকাৰ প্ৰতিনিধি দলৰ আলোচনা

সভা বহাৰ উপৰিও মিছেছ ৰুজভেল্টে সমিতিৰ আলোচনাত যোগ দিব লাগিছিল।

এই গোটেই সময়ছোৱাৰ ভিতৰত কমিউনিষ্টসকলে এলিনৰ ৰুজভেল্টকেই ৰাষ্ট্ৰসঙ্ঘৰ আটাইতকৈ ডাঙৰ শত্ৰু বুলি বিবেচনা কৰিছিল। ৰাছিয়াৰ এখন খবৰ-কাগজে তেওঁৰ বিষয়ে লিখিছিল, —"এগৰাকী কথাচহকী, দুৰ্বল, বুঢ়া তিৰোতা তেওঁৰ গাত অনবৰতে চোভিয়েটৰ বিপক্ষে জ্বৰ এটা লাগিয়েই আছে। ৰাষ্ট্ৰসঙ্ঘত এটা কুৎসিৎ ভূমিকা তেওঁ গ্ৰহণ কৰিছে।" ইজ্‌ভেষ্টিয়া নামৰ খবৰ-কাগজে লিখিছিল,--"চোভিয়েট সূৰ্যক ঢাকি ৰাখিব খোজা এটি মাখি।" কিন্তু এইবোৰ মন্তব্যই এলিনৰ ৰুজভেল্টৰ গাৰ নোমকে লৰাব পৰা নাছিল।

ৰাষ্ট্ৰসঙ্ঘত মিছেছ ৰুজভেল্টৰ প্ৰধান কাম হ'ল মানৱীয় অধিকাৰ সম্পৰ্কে এখন ঘোষণা লিখি সেইখন ৰাষ্ট্ৰসঙ্ঘৰ অধিবেশনত গৃহীত কৰাইছিল। চোভিয়েট প্ৰতিনিধিসকলৰ বিৰোধিতাৰ কাৰণে তেওঁ দুবছৰ যুদ্ধ কৰিহে এই ঘোষণাখন গৃহীত কৰাব পাৰিছিল। মানৱীয় অধিকাৰ সম্বন্ধে থকা কমিটিটোৰ সভানেত্ৰী হিচাপে তেওঁ প্ৰত্যেক খোজতে ৰাছিয়াৰ প্ৰতিনিধিসকলৰপৰা বাধা পাই আহিছিল। মিছেছ ৰুজভেল্টে খোলাখুলিভাৱে চোভিয়েট প্ৰতিনিধিবৰ্গক কৈছিল—"চোভিয়েট প্ৰতিনিধিসকলে স্বাধীন মানুহৰ দৰে একেবাৰেই কথা নকয়। ওপৰৰপৰা হুকুম দি যিখিনি কবলৈ দিয়া হয় তাকেহে মাত্ৰ তেওঁলোকে কব পাৰে। কেতিয়াবা একোটা কথা মানি লোৱাৰ আভাস এটা পোৱা যায় কিন্তু এই ভাবটো বেছি সময় স্থায়ী নহয়।"

এবাৰ এজন চোভিয়েট প্ৰতিনিধিয়ে এটা দীঘল বক্তৃতা দি অভিযোগ আনিছিল যে কালিফোৰ্নিয়া চহৰত হাজাৰ হাজাৰ বনুৱাই খাবলৈ নাপাই মৃত্যু মুখত পৰিছে। তেওঁৰ বক্তৃতা শেষ হোৱাৰ পিছত মিছেছ ৰুজভেল্টে উত্তৰ দিছিল,—"চোভিয়েট প্ৰতিনিধি

মিঃ পাভ্লোভ্ বহুত দিন হ'ল আমেৰিকাতেই আছে। বক্তৃতাত তেওঁ যিখিনি কৈছে তাক তেওঁ নিজেই বিশ্বাস নকৰে। সকলো কথা তেওঁ ভালকৈ জানে। এইবোৰ কথা তেওঁক ওপৰৰপৰা কৰলৈ কোৱা হৈছে কাৰণেই তেওঁ কৈ পেলাইছে।" পাভ্লভে চকু থিয় কৰি তেওঁৰ পিনে চাই থাকিল।

মানৱীয় অধিকাৰ সম্বন্ধে ঘোষণাখন খচৰা কৰা সময়ত প্ৰত্যেকটো শব্দ বহুৱাওতে কমিউনিষ্ট প্ৰতিনিধিসকলে ভয়ানক ভাৱে আপত্তি কৰিছিল। তেওঁলোকে অইন ধৰণৰ উপায়ো অৱলম্বন কৰিছিল। এজন প্ৰতিনিধিয়ে একোখন সভাত নানান্ ধৰণৰ কথা কৈ কৈ অইনবোৰক আমনি লগাই দিয়ে, তাৰফলত যিটো কামৰ বিষয়ে আলোচনা হয় সেই কাম আধৰুৱা হৈ ৰৈ যায়। এবাৰ এখন সভাত তেওঁলোকে এনেকুৱা চেষ্টা চলাই থাকোঁতে মিছেছ কজভেল্টে অইন সভ্যসকলক কৈছিল যে তেওঁলোকেও কমিউনিষ্টসকলক এই বিষয়ত চেৰ পেলাবই লাগিব। এটা সক বিষয় ভোটত উঠিলে যাতে গৃহীত হব নোৱাৰে তাৰ বাবে চোভিয়েটৰ প্ৰতিনিধি দলটোৱে গোটেই দিনটো তৰ্ক-বিতৰ্ক কৰি ভাবিছিল যে অইন সদস্যসকল ভাগৰি পৰিছে, কিন্তু গধূলি সময় যেতিয়া সকলোবিলাক সদস্য আকৌ সভাস্থলত উপস্থিত হলহি চোভিয়েটৰ দলটো আচৰিত হৈ পৰিছিল। মিছেছ কজভেল্টে কৈ উঠিল,— "এতিয়া আৰম্ভ কৰোঁহক।" মাজ ৰাতি হ'লহি, প্ৰতিনিধিসকলৰ মাত ভাঙি গৈছিল। ধৈৰ্য ধৰি মিছেছ কজভেল্টে মিচিকিয়াই হাঁহি আছিল। ৰাতি পুৱাল, তেওঁলোকৰ মাত একেবাৰেই নোহোৱা হ'ল। দৃঢ়ভাৱে মিছেছ কজভেল্টে কৈ গ'ল,—"এতিয়া আমি ভোট লম", কথামতেই কাম হ'ল।

মিছেছ কজভেল্টৰ খং তোলাবৰ কাৰণে চোভিয়েট প্ৰতিনিধি সকলে সকলো ৰকমৰ চেষ্টাই কৰিছিল। এবাৰহে মাথোন তেওঁ খঙতে জোৰেৰে মেজৰ ওপৰত ভুকু মাৰিছিল। এজন কমিউনিষ্টক

তেওঁ কৈছিলে,—"মই দুঃখেৰে সৈতে আপোনাক জনাব লগীয়াত পৰিছো যে ইয়াত নিজা নিজা মত প্ৰচাৰ কৰি বক্তৃতা দিয়াৰ স্থান নহয়। আপোনালোকৰ মন্তব্যবোৰৰ সামৰণি পেলাবলৈহে মই অনুৰোধ কৰো।" ৰাষ্ট্ৰপতি ট্ৰুমেনে মিছেছ কজভেল্টলৈ লিখিছিল, —"ৰাছিয়াৰ প্ৰতিনিধিসকলৰ মানুহক পাগল কৰি দিয়া প্ৰণালীৰ আগত আপুনি যিমান সংযতভাৱে থাকি ধৈৰ্যৰে সৈতে কাম চলাইছে, মই আচৰিত হৈ পৰিছো। মই অতি সন্তোষেৰে সৈতে লক্ষ্য কৰিছোঁ যে আপুনি কেইবাবাৰো তেওঁলোকক আচল কথাবোৰত ধৰা পেলাব পাৰিছে।"

চুইজাৰলেণ্ডৰ জেনেভা নামৰ ঠাইত মানৱীয় অধিকাৰ সম্বন্ধে থকা কমিটিৰ এক গুৰুত্বপূৰ্ণ অধিবেশন বহি আছিল। সভাৰ কাৰ্য প্ৰায় এবছৰ মানেই চলি আছিল। ডিচেম্বৰ মাহ পালেহি। মিছেছ কজভেল্টে সদস্যসকলক সাৱধান কৰি কৈছিল,—"খৃষ্টমাছৰ সময়ত হাইড্ পাৰ্কৰ ঘৰলৈ গৈ মোৰ ডালটা নাতি-নাতিনীক লগ পাবৰ কাৰণে মই বৰ ইচ্ছা কৰিছোঁ। মই প্ৰস্তাৱ কৰিব খোজো যে প্ৰত্যেকটো বিষয়ত সমৰ্থন জনাই বা আপত্তি কৰি মাত্ৰ এজন প্ৰতিনিধিকহে বক্তৃতা দিবলৈ দিয়া হ'ব। তাৰ বাহিৰেও বক্তৃতাবোৰ যাতে চুটি হয়।"

চোভিয়েট প্ৰতিনিধি এজনে চিঞৰি কৈ উঠিল, "স্বেচ্ছাচাৰী নায়ক।" কিন্তু ভোটৰদ্বাৰা তেওঁক হেকওৱা হ'ল। পাছৰ ছৈধ্যটা দিন মিছেছ কজভেল্টে যথেষ্ট পৰিশ্ৰম কৰিছিল। অৱশেষত যেতিয়া সভাৰ কাৰ্য শেষ হ'ল, ৰঙাচকুৰে শেতামুখৰ এজন চোভিয়েট প্ৰতিনিধিয়ে থৰকৃবৰকৈ মিছেছ কজভেল্টৰ কাষলৈ আহিছিল। ইমান দিনে সকলোবোৰ সভাতেই তেওঁ পশ্চিমৰ দেশবোৰক ক্ষয়হোৱা গণতন্ত্ৰৰ দেশ বুলি নিন্দা কৰিছিল। মিছেছ কজভেল্টৰ ওচৰলৈ আহি তেওঁ হাত জোকাৰি কৈছিল,—"মিছেছ কজভেল্ট আপোনাৰ নিশ্চয় ভাগৰ লাগিব পাৰে। মই নিজেও ভাগৰি

পৰিছো, আনকি মোৰ পৰিবাৰ এই সভাৰ সদস্য নোহোৱাকৈয়ে ভাগৰি পৰিছে।"

হাঁহি এটা মাৰি মিছেছ ৰুজভেল্টে উত্তৰ দিছিল,—"মই খুব ভালেই আছোঁ, হয়তো মই সেই 'পতনশীল গণতান্ত্রিক দেশ' এখনৰ পৰা অহা কাৰণেই আমনি পোৱা নাই।"

১৯৪৮ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্রসঙ্ঘৰ পেৰিছত বহা অধিবেশনত মানৱীয় অধিকাৰ সম্বন্ধে ৰচনা কৰা ঘোষণাখন চূড়ান্ত সিদ্ধান্তৰ বাবে আলোচনা কৰা হয়। সভাঘৰটো উদ্বেগপূর্ণ দর্শকেৰে ভৰি পৰিছিল। উপস্থিত দর্শকসকল নিৰাশ হব লগীয়া নহল যেতিয়া দেখা পালে মিছেছ ৰুজভেল্ট আৰু তেওঁৰ পুৰণি প্ৰতিদ্বন্দ্বী এনড্ৰি ভিছিন্স্কিয়ে চোকাভাৱে তর্ক-বিতর্কত ব্যস্ত হৈ পৰিল। মিছেছ ৰুজভেল্টে সাজু কৰা ঘোষণাখনত ভিছিন্স্কিয়ে কেবাটাও সংশোধনী প্ৰস্তাৱ দাঙি ধৰিছিল।

মিছেছ ৰুজভেল্টে দুদিনৰ কাৰণে চোভিয়েট প্ৰতিনিধিবর্গৰ প্ৰত্যেকটো দাবীৰ সম্মুখীন হ'ব লগীয়া হৈছিল। শেষত দহ ডিছেম্বৰৰ দিনা ৰাতি সাধাৰণ সভাৰ সভাপতি ডাঃ হার্বার্ট ইভাতে ঘোষণাখনৰ ওপৰত ভোট লোৱাটোকে স্থিৰ কৰিলে। ভোট লবলৈ দেশবোৰক মাতোঁতে সভাঘৰৰ বতাহত বিজুলী শক্তিৰ প্ৰবাহ হোৱা যেন লাগিছিল। বেছি সংখ্যক দেশে যেতিয়া ঘোষণাখনক সমর্থন কৰি ভোট দিলে ভিছিন্স্কি ঠিক পানীত পৰা মানুহৰ দৰেই নিজৰ ঠাইত কুছিমুছি বহি থাকিল। যেতিয়া শেষবাৰৰ কাৰণে ভোট গণনা কৰা হৈছিল, চোভিয়েট দলটোৱে নিজৰ মুখ ৰক্ষা কৰিবলৈ ভোট নিদিয়াকৈ বহি থাকিল। সভাপতি ইভাতে ঘোষণা কৰিলে, —"এপিনে আঠচল্লিশটা ভোট আৰু সিপিনে শূন্য।"

সকলোৰে চকু মিছেছ ৰুজভেল্টৰ ওপৰত পৰিল। আনন্দেৰে সৈতে ইভাতে কৈ গ'ল,—"যি গৰাকী, মানুহে অইন বহুতৰে সহায়ত এই বিৰাট কামটো সম্পূর্ণ কৰাৰ নেতৃত্ব ভাৰ গ্ৰহণ কৰিছে, তেখেত

আজি আমাৰ মাজত উপস্থিত থকাটো বিশেষভাৱে উল্লেখযোগ্য। এই কামৰদ্বাৰা এটা অতি প্ৰসিদ্ধ নামৰ মৰ্যাদা আৰু বেছিকৈ বাঢ়ি গ'ল—তেখেতেই হৈছে আমেৰিকা'ৰ প্ৰতিনিধি মিছেছ কজভেল্ট।"

মানৱীয় অধিকাৰৰ ঘোষণাখনত প্ৰত্যেক মানুহেই ভোগ কৰিব পৰা ত্ৰিশটা অধিকাৰৰ কথা নিৰ্ধাৰিত কৰা হৈছিল। ৰাষ্ট্ৰসঙ্ঘৰ এই ঘোষণাখনক নিজৰ দেশৰ চাৰি সীমাৰ ভিতৰত মানি চলিবলৈ কোনো দেশেই আইনমতে বাধ্য নাছিল। এই ঘোষণাখন মাত্ৰ নৈতিক শক্তিৰ ভেটিতহে প্ৰতিস্থিত আছিল। তথাপিও এই ঘোষণাখনে কষ্টাৰিকা, ইণ্ডোনেছীয়া, লিবীয়া আৰু ভাৰতবৰ্ষৰ নিচিনা দেশবোৰৰ শাসনতন্ত্ৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। এই ঘোষণাখন গৃহীত হোৱাৰ পাছত মিছেছ কজভেল্টে অগণতান্ত্ৰিক দেশসমূহৰ আইনৰ ভিতৰত ইয়াৰ নীতিবোৰ সুমুৱাই দিবৰ কাৰণে চাৰিটা বছৰ নিস্ফল চেষ্টা চলাইছিল।

১৯৫১ চনৰ শেষ ভাগত ৰাষ্ট্ৰসঙ্ঘ এৰি যোৱাৰ সময়ত মিছেছ কজভেল্টৰ পাতল মুগা বৰণৰ চুলিখিনি সম্পূৰ্ণ বগা হৈ পৰিছিল আৰু ইতিমধ্যে তেওঁ আজু আইতাকো হৈ পৰিছিল। এই বয়সত শান্তিপূৰ্ণভাৱে সহজ জীৱন যাত্ৰা কৰিবৰ কাৰণে ল'ৰাছোৱালী বিলাকে তেওঁক জোৰ কৰি ধৰিছিল। কিন্তু এলিনৰ কজভেল্টৰ বহুদিনীয়া পুৰণি বন্ধু এড্‌মিৰেল ৰিচাৰ্ডে তেওঁলৈ লিখিছিল,— "তোমাৰ জীৱনটো উত্তেজনাময় নোহোৱা হ'লে তুমি সুখী হব পাৰিলাহেঁতেন বুলি মই বিশ্বাস নকৰো।"

সত্তৰ বছৰ সম্পূৰ্ণ কৰিবৰ বাবে আগবাঢ়ি যোৱাৰ সময়ছোৱাত এলিনৰ কজভেল্টৰ বুৰঞ্জীয়ে তেওঁক ঠিক আগৰ দৰেই ব্যস্ত হৈ থকা দেখুৱাইছিল। দৈনিক খবৰ-কাগজ এখন আৰু এখন মাহেকীয়া আলোচনীৰ এটা শিতানত তেওঁ সদায় লিখিছিল. ছখনমান কিতাপো লিখিছিল, ৰেডিঅ'ত কথা কৈছিল, সপ্তাহত এবাৰ আধাঘণ্টাৰ কাৰণে টেলিভিশ্যনৰ আগত থিয় দিছিল, নানান্ অনুষ্ঠান আৰু

কলেজবোৰত বক্তৃতা দিছিল, ৰাজনৈতিক অধিবেশনত বক্তৃতা দিছিল, কেবাটাও দাতব্য অনুষ্ঠান পৰিচালনা কৰিছিল, ব্যক্তিগতভাৱেও মানুহক সাহায্য দান কৰিছিল। পৃথিৱীৰ এমূৰৰপৰা সিমূৰলৈ ঘূৰি মানুহৰ অৱস্থাৰ কথা অনুসন্ধান কৰি চৰ্কাৰক পৰামৰ্শ দিছিল। এজন বন্ধুৱে তেওঁৰ বিষয়ে কৈছিল,—"মুখৰ ওপৰত এখন আঁচলেৰে শোভা বঢ়োৱা জেট বিমান।"

আমেৰিকাৰ বিখ্যাত নাগৰিক হিচাপে এলিনৰ ৰুজভেল্টৰ নামটোকেই মানুহে বেছিকৈ জানিছিল। আমেৰিকাই পৃথিৱীৰ অইন অইন জাতিবিলাকক শাসন কৰিব খোজা বুলি ৰাছিয়াই যি অপপ্ৰচাৰ চলাইছিল, মিচেছ ৰুজভেল্টৰ বিদেশ ভ্ৰমণবিলাকে সেই অপপ্ৰচাৰক যথেষ্ট পৰিমাণে ওফৰাই দিব পাৰিছিল। ফ্ৰান্সলৈ যাওঁতেও, ফৰাছী চৰ্কাৰে তেওঁক দেশবাসীৰ আগত ফৰাছী ভাষাত অনাতাঁৰ বক্তৃতা দিবলৈ অনুৰোধ কৰিছিল। ফ্ৰান্সৰ জনসাধাৰণে কেইবাটাও অনাতাঁৰ বক্তৃতা মিচেছ ৰুজভেল্টৰপৰা শুনিছিল। শান্তভাৱে সহজ সৰল ভাষাৰে তেওঁ জটিল সমস্যাবোৰকো সহজ কৰি মানুহক বুজাব পাৰিছিল। পৃথিৱীৰ মানৱৰ ভৱিষ্যত সম্পৰ্কে তেওঁ যি আশাৰ বাণী শুনাইছিল সকলোৱে তাক উৎসাহেৰে মানি লৈছিল। মিচেছ ৰুজভেল্টৰ অনাতাঁৰ বক্তৃতাবিলাকৰ বিষয়ে এজন ফৰাচী ৰাজনীতিজ্ঞই কৈছিল,—"আমেৰিকাৰ প্ৰতি পশ্চিম ইউৰোপৰ ৰাইজৰ মনোভাৱ ভাল কৰিবৰ বাবে তেওঁৰ বক্তৃতাবিলাকে যথেষ্ট প্ৰভাৱ আনিছিল। আমেৰিকাৰ কোনো ব্যক্তিয়েই আগতে এই কামটো কৰিব পৰা নাছিল।"

১৯৫২ চনত মিচেছ ৰুজভেল্টে যেতিয়া পৃথিৱীৰ চাৰিওপিনে স্বাধীন আৰু নিৰপেক্ষ ৰাষ্ট্ৰবোৰ পৰিভ্ৰমণ কৰিছিল, মস্কো ৰেডিঅ'ই তেওঁক নিন্দা কৰি কৈছিল,—"শান্তি আৰু গণতন্ত্ৰৰ এগৰাকী জনাজাত শত্ৰু।" ইয়াৰপৰাই বুজা যায় কমিউনিষ্টসকলে মিচেছ ৰুজভেল্টৰ প্ৰভাৱক যথেষ্ট ভয় কৰিছিল। ৰেকট, ভামাঞ্চাচ,

আমান্, জেৰুজালেম আৰু টেল্ আভিভ আদি ঠাইলৈ গৈ চৰকাৰী নেতৃবৃন্দৰ লগত তেওঁ সেই দেশৰ সমস্যাবিলাকৰ আলোচনা কৰিছিল আৰু গাঁৱলীয়া অঞ্চলবোৰলৈ গৈও তাৰ মানুহৰ লগত কথা-বতৰা হৈ আহিছিল। এসপ্তাহৰ কাৰণে এলিনৰ ৰুজভেল্ট পাকিস্থানলৈ আহিছিল। ভাৰতবৰ্ষতো তেওঁ এমাহ কাল থাকি গৈছিল। প্ৰধান মন্ত্ৰী নেহৰুৱে মিছেছ ৰুজভেল্টক ভায়েক এজনে বায়েকক ভালপোৱাৰ দৰেই অত্যন্ত ভাল পাইছিল। প্ৰধান মন্ত্ৰীয়ে তেওঁক ভাৰতীয় জাতীয় সংসদৰ আগত বক্তৃতা দিবলৈ দিছিল আৰু গোটেই দেশৰেই সকলো দুৱাৰ তেওঁৰ কাৰণে উন্মুক্ত কৰি ৰাখিছিল। প্ৰত্যেক ঠাইতে তেওঁৰ বিষয়ে মন্তব্য কৰিছিল,—"এওঁৱেই যদি আমেৰিকাৰ মানুহৰ নমুনা হয়, তেন্তে আমেৰিকাখন নিশ্চয় এখন অদ্ভুত দেশ।"

১৯৫৩ চনত জাপানলৈ যাওঁতে টকিঅ'ৰ এখন খবৰ-কাগজে লিখিছিল,—"মিছেছ ৰুজভেল্টে আমেৰিকাৰ বিবেকৰ প্ৰতিনিধিত্ব কৰিছে।" হিৰ'ছিমা নামৰ ঠাইত যিবিলাক মানুহে দ্বিতীয় মহাযুদ্ধত এটম বোমাৰ অভিজ্ঞতা লাভ কৰিছিল, সেই ঠাইলৈ গৈ মিছেছ ৰুজভেল্টে মানুহৰ লগত কথা-বতৰা হৈছিল। তেওঁৰ দোভাষীজনে দুঃখলগা পৰিস্থিতিটোৰ বৰ্ণনা কৰোঁতে কান্দি পেলাইছিল। তেওঁৰ হাত দুখনত ধৰি মিছেছ ৰুজভেল্টে কৈছিল, —"মোক আৰু কব নালাগে মই সকলো বুজি পাইছোঁ।"

১৯৫৭ চনত মিছেছ ৰুজভেল্টে দুটা উল্লেখযোগ্য ভ্ৰমণ কৰিছিল। এটা অষ্ট্ৰিয়া দেশৰ চালছবুৰ্গ নামৰ ঠাইলৈ আৰু আনটো চোভিয়েট ৰাষ্ট্ৰলৈ। চালছবুৰ্গৰ এটা শিবিৰত হাঙ্গেৰীৰপৰা অহা তিনিহাজাৰ ভগনীয়া মানুহ আছিল। তেওঁলোকে তাৰ আগৰ বছৰত নিজৰ দেশৰ কমিউনিষ্ট চৰকাৰৰ বিপক্ষে বিদ্ৰোহ কৰিছিল। হাঙ্গেৰীৰপৰা পলাই আহি এই নিৰাশ্ৰিত লোকসকলে ভাবিছিল আমেৰিকাৰ চৰকাৰে এওঁলোকক উদ্ধাৰ কৰি লৈ যাব। একো নোহোৱা দেখা

পাই এই মুক্তি যুজাৰুসকলে অনশন ব্ৰত আৰম্ভ কৰিলে।

তিনদিন একো নোখোৱাকৈ থকাৰ পিছত এলিনৰ কজভেল্ট আহি তেওঁলোকৰ শিবিৰত উপস্থিত হ'লহি। আমেৰিকালৈ যদি তেওঁলোকক যাবলৈ দিয়া নহয় তেন্তে নাখাই মৰিবলৈকে তেওঁলোকে শপত খাইছিল। মিছেছ কজভেল্টে খোলাখুলিভাৱে কলে,—"মই তোমালোকক এটা উপদেশ দিব খোজোঁ। তোমালোকে এই ধৰ্মঘটৰদ্বাৰা তোমালোকৰ অৱস্থাৰ বিষয়ে আমেৰিকাৰ চৰ্কাৰক সচেতন কৰি তুলিছা। কিন্তু তথাপিও আমেৰিকালৈ যাবলৈ হলে তোমালোকে আগৰ দৰেই খোৱাবোৱা কৰিব লাগিব, নহলে শাৰীৰিকভাৱে তোমালোক যাবৰ কাৰণে উপযুক্ত নহ'বা।" মিছেছ কজভেল্টৰ আশ্বাসত তেওঁলোকে ধৰ্মঘট ভঙ্গ কৰিছিল।

১৯৫৭ চনৰ চেপ্টেম্বৰ মাহত তেওঁ চোভিয়েট ৰাষ্ট্ৰত উপস্থিত হয়গৈ। দেশৰ অধিনায়ক নিকিটা ক্ৰুশ্চেভৰ লগত তেওঁ প্ৰায় তিনিঘণ্টা সময় আলোচনা কৰে। বিদেশৰপৰা অহা এজন ব্যক্তিয়ে বোধকৰো এইবাৰেই প্ৰথম আদান প্ৰদানৰ ভিত্তিত ক্ৰুশ্চেভৰ লগত আলোচনা চলাব পাৰিছিল। এলিনৰ কজভেল্টে ক্ৰুশ্চেভক কৈ দিছিল যে চোভিয়েট নীতিটো ধ্বংসকাৰী আৰু এই নীতিয়ে পৃথিৱীৰ শান্তিপূৰ্ণ অৱস্থাক বিপজ্জনক কৰি তুলিছে। তেওঁ অভিযোগ আনিছিল যে চোভিয়েট ৰাষ্ট্ৰই কেৱল সৈন্য সামন্তৰ সহায়েৰেই নহয় তেওঁলোকৰ প্ৰতিনিধিসকলৰদ্বাৰাও নিজৰ নীতি প্ৰচাৰ কৰিবৰ চেষ্টা চলাই আহিছে।

ক্ৰুশ্চেভে প্ৰশ্ন কৰিছিল,—"মোকো তেনেকুৱা এজন প্ৰতিনিধি বুলিয়েই ভাবে নেকি ?"

"মই যিমানদূৰ জানো আপুনিও এজন,"—মিছেছ কজভেল্টে উত্তৰ দিছিল।

মিছেছ কজভেল্ট তেতিয়া প্ৰায় সত্তৰ বছৰৰ ওচৰাওচৰি।

নিকিটা ক্রুশ্চেভৰ লগত আলোচনা।

তেতিয়াও কিন্তু তেওঁ কামত ঢিলাই দিয়া নাছিল। দিনৰ ওঠৰ ঘণ্টা সময়েই তেওঁ ব্যস্ত হৈ থাকে। নিউয়ৰ্কত তেওঁৰ এটা কোঠালি আছে; সপ্তাহৰ মূৰত বা বন্ধটো কটাবলৈ হাইড্ পাৰ্কতো এটা সৰু ঘৰ আছে। হাইড্ পাৰ্কত থকা কনভেন্ট পৰিয়ালৰ বিৰাট ঘৰটো এতিয়া যাদুঘৰত পৰিণত হৈছে।

সপ্তাহটোৰ কেবাটাও দিনত ৰাতিপুৱাৰ গোটেই সময়খিনি তেওঁ সম্মিলিত ৰাষ্ট্ৰসঙ্ঘক সাহায্য কৰা "আমেৰিকান সঙ্ঘৰ" কাৰ্যালয়ত কাম কৰি দিছিল। এই সভাখনৰ কৰ্মকৰ্তাসকলৰ

তেওঁৱেই সভানেত্ৰী আছিল। আমেৰিকাৰ জনসাধাৰণক সম্মিলিত ৰাষ্ট্ৰসঙ্ঘৰ প্ৰতি সচেতন কৰি তেওঁলোকৰ সমৰ্থন লাভ কৰাটোৱেই এই সভাৰ প্ৰধান উদ্দেশ্য আছিল। এই সভাখনৰ কাৰ্য তালিকাত যি এশ পয়সত্তৰটা অধ্যায় ৰচনা কৰা হৈছিল তাত মিছেছ ৰুজভেল্টৰ অৱদান যথেষ্ট পৰিমাণে আছে।

এই সভাখনৰ বাহিৰেও আৰু বহুতো অনুষ্ঠানত মিছেছ ৰুজভেল্টে কোনো দৰ্মহা নোলোৱাকৈ কাম কৰি দিছিল। প্ৰতি সপ্তাহতে তেওঁৰ সহায় বিচাৰি প্ৰায় হাজাৰখন চিঠি তেওঁলৈ আহে। যিমানখিনি পাৰে তেওঁ সকলোকে সহায় কৰিছিল। এবাৰ এজন অচিনাকি মানুহক কোনো সহায় দিব নোৱাৰি তেওঁ এখন সহানুভূতিসূচক চিঠিকে লিখিছিল। তেওঁৰ চিঠিৰপৰাই মানুহজনে সাহস পাইছিল। কেবাবছৰৰ মূৰত মানুহজনৰ অৱস্থা ভাল হোৱাত তেওঁ মিছেছ ৰুজভেল্টলৈ লিখিছিল,—"আগতকৈ মোৰ অৱস্থাৰ এতিয়া বহুতো পৰিৱৰ্তন হ'ল।"

গোটেই বছৰটোত এলিনৰ ৰুজভেল্টে পঞ্চাশৰপৰা এশটালৈকে বক্তৃতা দিয়ে। এই বক্তৃতাবিলাকৰপৰা তেওঁ প্ৰায় ত্ৰিশ হাজাৰ ডলাৰ (আমেৰিকাৰ টকা) পায়, সেই গোটেই টকাটো তেওঁ নানান্ অনুষ্ঠানত দান দিয়ে।

কম দূৰত্বৰ ঠাইলৈ যাওঁতে তেওঁ ৰেলত উঠিয়েই যায়। সাগৰ পাৰ হ'ব লগীয়া হ'লে তেওঁ বিমানত যাত্ৰা কৰে আৰু গোটেই বাটি বহি কিতাপ পঢ়ি কটাই দিয়ে। নিউয়ৰ্কত থাকিলে তেওঁ দৈনিক পোন্ধৰটাকৈ কাৰ্যসূচী ৰক্ষা কৰিব লগীয়া হয়। কাণেৰে ভালকৈ শুনিবৰ বাবে তেওঁৰ চশমাযোৰত এটা যন্ত্ৰ লগোৱা আছে। তেওঁৰ উজ্জ্বল, অৰ্থজ্ঞাপক চকুযুৰি এটা "চকু ৰক্ষা কৰা" অনুষ্ঠানলৈ দান কৰি থৈছে।

খোৱাৰ নিমন্ত্ৰণলৈ গৈ সাধাৰণতেই তেওঁ দুআষাৰ বক্তৃতাও দিব লগীয়া হয়। তাৰ পিছত তেওঁ খবৰ-কাগজৰ শিতানত লিখিবলৈ

এজনক কৈ যায়। কেতিয়াবা কেতিয়াবা আবেলি পৰত চাহৰ নিমন্ত্ৰণ থাকে বা ৰেডিঅ' বা টেলিভিশ্যনত বক্তৃতা দিবলৈ যাতে। তেওঁৰ বক্তৃতাবোৰ প্ৰায়ে ৰেকৰ্ড কৰি ৰখা হয়।

হাইড্ পাৰ্কৰ সৰু ঘৰটোতে এসময়ত তেওঁৰ কাঠৰ কাৰখানাটো আছিল। সেই ঘৰটোত তেওঁৰ জীৱনৰ বহুতো স্মৃতিচিহ্ন ৰৈ গৈছে। তাত ফ্ৰেঙ্কলিনৰো কেবাখনো ছবি আছিল। ঘৰটোৰ বেৰত একোছা ডাঙৰ গোফেৰে এজন গধুৰ মুখৰ মানুহৰ ছবি এখনো আছিল। সেই ছবিখনলৈ দেখুৱাই এলিনৰ ৰুজভেল্টে গৰ্বেৰে সৈতে কৈছিল,—"সেইয়া ৰবদেউতা টেড্।" ৰবদেউতাকৰ কথা কওঁতে তেওঁৰ চকু দুটা উজ্জ্বল হৈ উঠিছিল। হাইড্ পাৰ্কত যেতিয়া ঠাণ্ডা পৰে, ১৯০৫ চনত বিয়াৰ পিছত স্কট্‌লেণ্ডত মধুচন্দ্ৰিকাৰ দিন যাপন কৰোঁতে ফ্ৰেঙ্কলিনে কিনি দিয়া টুইড্ কাপোৰৰ কোটটো পিন্ধিয়েই এলিনৰ ৰুজভেল্টে খোজ কাঢ়িবলৈ ওলাই যায়।

হাইড্ পাৰ্কত থাকোঁতে মিছেছ ৰুজভেল্টে দান-দক্ষিণা কৰিয়েই নিজকে ব্যস্ত ৰাখে। অইনক সহায় কৰিবৰ বাবে তেওঁৰ অন্তৰত অফুৰন্ত আগ্ৰহ আছিল। উইল্টউইক্‌ৰ স্কুলখনো তেওঁৰ দানৰ ওপৰতে প্ৰতিষ্ঠিত হৈছিল। এই স্কুলখনত নিউয়ৰ্কৰ বঞ্চিত নষ্ট চৰিত্ৰৰ ল'ৰাছোৱালীবোৰক শিক্ষা দিয়া হৈছিল। তেনেকুৱা ল'ৰাছোৱালী বিলাকৰ যত্ন লবৰ কাৰণে আৰু কোনো অনুষ্ঠানেই নাছিল। এই ধ্বংস পোৱা অকণ অকণ ল'ৰাছোৱালীবোৰক নিউয়ৰ্কৰ আটাইতকৈ ভয়াবহ বস্তিবোৰৰপৰাই উদ্ধাৰ কৰা হৈছিল। এই স্কুলখনে অধঃপতিত এই যুৱক যুৱতীসকলক সজ বাটলৈ ঘূৰাই আনিবৰ চেষ্টা কৰে আৰু মিছেছ ৰুজভেল্টেই এই স্কুলৰ খৰচপাতিৰ এটা বিৰাট অংশ বহন কৰিছিল। বহুতো ল'ৰাক এই স্কুলখনে আচৰিত ধৰণেৰে সংশোধন কৰি সজ পথত থিয় কৰাইছেহি। পৃথিৱী বিখ্যাত মাল যুঁজাৰু ফ্লইড্ পেটাৰছনো এই স্কুলৰেই এজন সজ বাটলৈ টানি অনা অধঃপতিত যুৱক আছিল।

উইল্টউইকৰ ছাত্ৰসকলক বনভোজ খাবৰ বাবে মিছেছ ৰুজভেল্টে প্ৰায়ে তেওঁৰ হাইড্ পাৰ্কৰ ঘৰলৈ মাতি আনিছিল। এবাৰ ল'ৰাবিলাকৰ কাৰণে শ' শ' কটিত মাখন লগাই থাকোঁতে তেওঁৰ মুখখন গৰমত ৰঙা পৰি গৈছিল। এজনে প্ৰশ্ন কৰিছিল কিয়নো তেওঁ এইদৰে চাকৰৰ কামটো কৰিবলৈ ধৰিছে? মিছেছ ৰুজভেল্টে উত্তৰ দিছিল,—"ইংলণ্ডৰ ৰজা-ৰাণী ইয়ালৈ আহোঁতে মই তেওঁলোকৰ কটিত মাখন লগাইছিলোঁ,—এতিয়া উইল্টউইকৰ ল'ৰাবোৰৰ কাৰণে তাতকৈ কিয় কম কৰিম?"

এদিনৰ ৰুজভেল্টৰ কৰ্মব্যস্ত জীৱনৰ মাজেদি পয়ষষ্ঠি বছৰৰ আগতে বৰদেউতাক টেডৰ পৰিবাৰে কৰা ভৱিষ্যৎ বাণী সঁচাকৈয়ে সফল হৈ উঠিছে। আপচু হাঁহ পোৱালীটো বাস্তৱিকতে ৰাজহাঁহত পৰিণত হ'ল।